এগছ বন্তিৰ এন্ধাৰ

ড' হীৰেন গোহাঁই

জাৰ্ণাল এম্প'ৰিয়াম
পি. এন. চি. ৰোড
নলবাৰী-৭৮১৩৩৫

"EGOS BONTIR ENDHAR"—a collection of article and speeches on literary and social subjects by Dr. Hiren Gohain and published by Surendra Chandra Baishya, Journal Emporium, Nalbari-781335 Assam. First Edition December 1993. Price Rupees thirty five only.

প্ৰকাশক :
সুৰেন্দ্ৰচন্দ্ৰ বৈশ্য,
জাৰ্ণাল এম্প'ৰিয়াম
নলবাৰী—৭৮১৩৩৫

প্ৰথম প্ৰকাশ
ডিচেম্বৰ, ১৯৯৩

প্ৰচ্ছদ :
ৰমেন্দ্ৰ নাৰায়ণ জোৱাৰ্দাৰ

মূল্য : ৩৫·০০ টকা

ছপা :
নিউ বৈশাখী প্ৰেছ
৩৮, শিৱনাৰায়ণ দাস লেন
কলিকতা-৬

সূচীপত্ৰ

বিষয়	পৃষ্ঠা
প্ৰথম স্তবক	
১। আধুনিকতাৰ পিছত ? (আজিৰ বাতৰি ১৩ জুন, ১৯৯৩,)	১—৮
২। সাম্প্ৰতিক পশ্চিমীয়া সমালোচনাৰ এটি ধাৰা (অন্বেষা ২য় বছৰ, ৪ৰ্থ সংখ্যা ১৯৯৩,)	৯—১০
৩। পাঠ্যপুথি আৰু জাতীয় সংহতি (স্মৃতিগ্ৰন্থ, অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন নিগম, ৮ জুলাই ১৯৭৮)	১১—১৩
৪। ধৰ্ম সম্পৰ্কে নাস্তিকৰ মত (৭ এপ্ৰিল, ১৯৯৩ বুধবাৰ,)	১৪—২০
৫। সাহিত্য সভাৰ ৰাজনীতি (১৯৯২ আজিৰ বাতৰি,)	২১—২৫
৬। সংকট আৰু মতাদৰ্শ : এটি ভাবনা (২৯ জানুৱাৰী, ১৯৯০ আজিৰ অসম,)	২৬—২৯
৭। সংস্কৃতি বনাম দুষ্কৃতি (ৰংপুৰ ৬ এপ্ৰিল, ১৯৯৩)	৩০—৩৩
৮। অসমৰ বৰ্তমান পৰিস্থিতিত শিক্ষিত সমাজৰ দায়িত্ব (চেপ্তেম্বৰ, ১৯৯২)	৩৪—৪৪
৯। অসমীয়া জনগণ নিপীড়িত নে ? (এপ্ৰিল, ১৯৯২ ৰবভাগত দিয়া ভাষণ)	৪৫—৬০
১০। জাতীয় মৌলবাদ আৰু অসম (১ই মাৰ্চ, ১৯৯২ তেজপুৰত দিয়া ভাষণ)	৬১—৭২
১১। সংস্কৃতি সম্পৰ্কে এখন অপঠিত ভাষণ (এপ্ৰিল, ১৯৯৩)	৭৩—৭৯
১২। [illegible] : অসমৰ আত্মনিয়ন্ত্ৰণবাদী [illegible] এটি [illegible] (১১ জানুৱাৰী, ১৯৮২ [illegible])	৮০—৮৭

বিষয়		পৃষ্ঠা
দ্বিতীয় তৰংগ (মন্তব্য)		
১৩।	হিন্দী দিল্লী আৰু মীর্জা গালিবৰ দিল্লী (আজিৰ অসম, ২৪ আগষ্ট, ১৯৯২)	৮৮—৯৭
১৪।	এক পয়চা ডবল পয়চা ···· দিল্লীৰ মানুহ (আজিৰ অসম, ৩ জুলাই, ১৯৯৩)	৯৮—১০৪
১৫।	আৰ্য্যৰ গৌৰৱ বোধ······ (আজিৰ অসম, ২৭ এপ্ৰিল, ১৯৯৩)	১০৫—১১০
১৬।	বিকল্পৰ সন্ধানত, অসমত বৈজ্ঞানিক চিন্তাৰ সূত্ৰপাত (আজিৰ অসম, ১৬ জুন, ১৯৯৩)	১১১—১১৮
১৭।	অসমত বৈজ্ঞানিক চিন্তাৰ সূত্ৰপাত (আজিৰ অসম, ৮ জুলাই, ১৯৯৩)	১১৯—১২৫
১৮।	সাম্প্ৰতিক চিন্তাৰ এবিধ বিকাৰ (আজিৰ বাতৰি, ৮ এপ্ৰিল, ১৯৯৩)	১২৬—১২৮
১৯।	জাতীয় সাজ পোচাকৰ প্ৰশ্নটো, স্থানীয় স্বায়ত্ত-শাসনৰ দাবী (আজিৰ অসম, চেপ্তেম্বৰ, ১৯৯৩)	১২৯—১৩৪
২০।	মেডিকেল কলেজত অনুপ্ৰবেশ, পুঁজিবাদ আৰু অসমৰ উন্নয়ন (আজিৰ অসম, ১৬ জুন, ১৯৯২)	১৩৫—১৪২
২১।	বাবৰি মছজিদৰ প্ৰসংগ, অসমত সাম্প্ৰদায়িক হাংগামা, মেডিকেল কলেজৰ ঘটনাটোৰ কি হল ? (আজিৰ অসম, ১২ ডিচেম্বৰ, ১৯৯২)	১৪৩—১৪৮
২২।	চিকিৎসা মহাবিদ্যালয়ৰ ধৰ্মঘটৰ এটি পষ্টমৰ্টেম পৰীক্ষা ইত্যাদি (আজিৰ অসম, ২৮ ডিচেম্বৰ, ১৯৯২)	১৪৯—১৫৪
২৩।	বিয়া নামৰ সৌৰৱাণি ইত্যাদি (আজিৰ অসম, ৪ মার্চ, ১৯৯৩)	১৫৫—১৫৯
২৪।	উৎকর্ষ ঃ ব্যক্তিগত নে সামাজিক ইত্যাদি (আজিৰ অসম, ১ চেপ্তেম্বৰ, ১৯৯৩)	১৬০—১৬৭
২৫।	অসমৰ [illegible] পাকিবলে ? (আজিৰ অসম, [illegible])	১৬৮—১৭২

আধুনিকতাৰ পিছুত ?

ইংৰাজী ডিটেক্‌টিভ নভেল যিসকলে পঢ়ে তেওঁলোকে বোধহয় লক্ষ্য কৰিছে যে এইবিধ সাহিত্যৰ গতি-গোত্ৰ যোৱা শতিকাটোৰ ভিতৰত বেছ সলনি হৈছে। পোনতে কাহিনীৰ নায়ক ডিটেক্‌টিভ (বা আৰক্ষী বিষয়া) সমাজৰ তথা সকলো সৎ মূল্যবোধৰ প্ৰতিনিধি আছিল আৰু অপৰাধী আছিল সমাজ তথা সভ্যতাৰ শত্ৰু। ক্ৰমে ক্ৰমে কিন্তু সমাজ বা সভ্যতাৰ প্ৰতি এনে কাহিনীত কিছু সংশয় বা দ্বিধাৰ ভাব প্ৰৱেশ কৰিলে। আৰক্ষী বিভাগ তথা সমাজৰ হৰ্তাকৰ্তাসকলে যে সদায়েই সঠিক সিদ্ধান্ত বা বিচাৰ কৰিব পাৰে, তেওঁলোকৰ ধাৰণা আৰু মূল্যবোধ যে সদায় সঠিক, সেই সম্পৰ্কে সংশয়ে ভুমুকি মাৰিলে। অৱশেষত আৰক্ষী বিষয়া আৰু ডিটেক্‌টিভজনো সংশয়ৰ পাত্ৰ হৈ পৰে। তেওঁলোক যি ন্যায়, নৈতিকতা, আইন-শৃঙ্খলাৰ প্ৰতিনিধি, সেইবোৰ জানো সন্দেহৰ উৰ্দ্ধত ? কেতিয়াবা আনকি আৰক্ষী বা ডিটেক্‌টিভৰ নানা অসাধুতা, দুৰ্নীতি বা প্ৰতাৰণাও উন্মোচন কৰা হয়।

অৰ্থাৎ যি ধ্যান-ধাৰণা আৰু মূল্যবোধ আশ্ৰয় কৰি এক বিশেষ সাহিত্য-ৰূপ (form) গঢ় লৈ উঠে, তাৰ আমূল পৰিৱৰ্তনে উক্ত সাহিত্যৰূপৰো উল্লেখযোগ্য পৰিৱৰ্তন ঘটায়। কোনো সাহিত্যৰূপ শাশ্বত নহয়। অথবা সাহিত্যৰূপসমূহৰ কোনো শাশ্বত চৰিত্ৰ তথা বৈশিষ্ট্য নাই।

ৰুছ ৰূপতত্ত্ববাদী (formalists) সকলে ঘটনাটোৰ এক বিকল্প ব্যাখ্যা আগবঢ়ালে। স্ক্‌লফ্‌স্কি, প্ৰপ্‌, আইখেন্‌ব'ম্‌ প্ৰভৃতি তাত্ত্বিকসকলে মত প্ৰকাশ কৰিলে যে সাহিত্যৰ প্ৰাণ হৈছে উক্তিৰ চমৎকাৰিতা বা অভিনৱত্ব। যদি একে ধৰণৰ বচনভংগী আৰু ভাষিক কৌশলেৰে সাহিত্য সৃষ্টি কৰি থকা হয়, তেনেহ'লে এসময়ত সাহিত্যৰ পৰা এই চমৎকাৰিতা বা অভিনৱত্ব লুপ্ত হৈ যায়। তেতিয়া সেই প্ৰচলিত কৌশল তথা বাক্‌ভংগীৰ পৰা ফালৰি কাটি অভিনৱ অনুভূতি বা বোধৰ (perception) আৱিৰ্ভাৱ ঘটাব পাৰি। এই পদ্ধতিকে ক'ব পাৰি অপৰিচিতকৰণ ('Ostranenye' – making

strange) বুলি। অর্থাৎ প্রচলিত আৰু পৰিচিত হোৱা বাবে সাহিত্যৰ ভাষা আৰু ৰূপে যেতিয়া তাৰ জীৱনীশক্তি হেৰুৱায়, তেতিয়া অপৰিচিত বা আচহুৱা ধৰণৰ কৌশলেৰে বা ভাষিক উদ্ভাৱনেৰে পাঠকক চমক খুৱাই সাহিত্যৰ প্ৰাণস্পন্দন ঘূৰাই অনা হয়। (নাট্যকাৰ ব্ৰেষ্‌ট্ এই মাৰ্গৰ ওচৰত ঋণী আছিল)।

কছু ৰূপতত্ত্ববাদীসকলে বিষয়-বস্তু বা বক্তব্য উপেক্ষা কৰি কেৱল ৰূপতত্ত্বৰ বিচাৰেৰেই সাহিত্যৰ সংজ্ঞা নিৰ্ণয় কৰিবলৈ বিচাৰিলে। তেওঁলোকৰ পৰ্যবেক্ষণ ভ্ৰান্ত যে নহয়, সন্দেহ নাই। কিন্তু সাহিত্যানুভূতি বা সাহিত্য-বোধৰ যি ৰূপান্তৰৰ প্ৰতি তেওঁলোকে আঙুলিয়াইছে তাৰ ভিত্তি কি? কেৱল কিছুমান কাৰ্য (effect) পৰিচিত আৰু ভোটা হৈ পৰা বাবেই তাৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া হয় আৰু তেনেকৈয়ে নতুন সাহিত্য আন্দোলনৰ জন্ম হয়, তেনে ধাৰণা নিশ্চয় আংশিক আৰু একদেশদৰ্শী। সাহিত্যবোধ যেনে সামাজিক ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত, সেই সামাজিক ভিত্তিৰ মৌলিক ৰূপান্তৰৰ লগতো ঘটনাটো জড়িত। আধুনিক কাব্যকলাৰ জন্ম কেৱল ৰোমাণ্টিক ভাবালুতাৰ বিৰুদ্ধে প্ৰতিক্ৰিয়াৰ পৰাই নহয়, নতুন ধৰণৰ ভাব-অনুভূতিৰ বিকাশো নিশ্চয় তাৰ বাবে দায়ী।

আৰু এক লক্ষ্যণীয় বিষয় এয়ে যে ৰোমাণ্টিক কাব্যকলা যদিও ইউৰোপৰ নব্যধ্ৰুপদী (neo-classical) কাব্যকলাৰ বিৰুদ্ধে বিদ্ৰোহ আছিল, ৰোমাণ্টিক কাব্যকলাৰ প্ৰভাৱৰ অৱসান বিচাৰি ইউৰোপৰ কবিসকলে পোনপটীয়াভাৱে নব্যধ্ৰুপদী কাব্যকলালৈ আকৌ উভতি যোৱা নাছিল। অৰ্থাৎ কাব্যৰ বিকাশ তথা পৰিৱৰ্তন কেৱল ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ইতিহাস নহয়। তাৰ মাজত এনে কেতবোৰ পৰিৱৰ্তন ঘটে, যিবোৰ স্থায়ী আৰু অপ্ৰত্যাৱৰ্তনীয় (irreversible)। পৰিৱৰ্তনৰ মাজেৰেই কাব্যত এনে কিছুমান ধাৰা গঢ় লৈছে, যাক কাব্যিক ঐতিহ্য বুলিলে ভুল নহ'ব। আমি নিজে ইচ্ছা কৰি তাৰ দিক্ পৰিৱৰ্তন কৰিব নোৱাৰো।

আনহাতে প্ৰকৃতি আৰু সমাজৰ অন্যান্য ক্ষেত্ৰৰ দৰে সাহিত্যতো পৰিৱৰ্তনৰ ছন্দ সদায় সচল। কোনো লক্ষণ, বৈশিষ্ট্য বা ধৰ্মই তাত শাশ্বত

নহয়। সেয়ে যতীন দুৱৰা বা ৰবীন্দ্ৰনাথৰ বিবোৰ ৰচনাৰীতি আৰু বাক্‌ভংগী, অনুভূতি-উপলব্ধিৰ যিবোৰ বৈশিষ্ট্যই এসময়ত অপূৰ্ব চমৎকাৰিভাৱে উচ্ছ্বাস আৰু ধিক্কাৰ, প্ৰশংসা আৰু গঞ্জনাৰ উদ্ৰেক কৰিছিল, আজি আৰু আমাৰ মনত সিহঁতে তেনে প্ৰতিক্ৰিয়া সৃষ্টি কৰিব নোৱাৰে।

গৰ্জিলে সৰগে গহীন সুৰেৰে
নাই নাই ক'তো আলোকপথ
অন্ধ নিয়তিৰ অন্ধ বিশ্বাসত
চলে মানৱৰ জীৱন ৰথ (ওমৰ তীৰ্থ)

এই স্তবকটো আমাৰ বাবে এতিয়াও নিতান্ত জঠৰ বা নিৰ্জীৱ হৈ পৰা নাই। কবিতাফাঁকিৰ শক্তি তথা সজীৱতা আছিছে বিচিত্ৰ ধ্বনি-প্ৰতিধ্বনি আৰু বৈপৰীত্য (contrast)-ৰ পৰা। প্ৰথমে লক্ষ্য কৰো অনুপ্ৰাসৰ আৰু প্ৰতিধ্বনিৰ প্ৰাচুৰ্য (গৰ্জিলে···গহীন, নাই···নাই; অন্ধ···অন্ধ; নিয়তি ··· বিশ্বাস)। 'নাই, নাই' বুলি পুনৰাবৃত্তি কৰোঁতে এক ধৰণৰ খেদৰ হাহাকাৰ যেন মূৰ্ত হৈ উঠিছে। তদুপৰি পুনৰাবৃত্তিয়ে উক্তিটোত সঞ্চাৰ কৰিছে এক অমোঘ, অনিবাৰ্য বিধানৰ কঠোৰতা। 'অন্ধ' শব্দটোৰ পুনৰাবৃত্তিয়েও তেনে ধৰণে এক হৃদয়হীন, বিচাৰহীন কঠোৰ নিয়মৰ ইংগিত দিছে। আনহাতে 'আলোকপথ'ৰ লগত 'অন্ধ'ৰ 'অন্ধকাৰ' অনুষংগৰ বৈপৰীত্যই সৃষ্টি কৰিছে অদ্ভুত অনুৰণন: এহাতে মানুহৰ আলোকৰ আকাংক্ষা, আনহাতে দৈৱৰ, নিয়তিৰ অৰ্থহীন, বিচাৰহীন অন্ধকাৰ অভিযান। ইয়াত সৰগ মানৱৰ আশা-আকাংক্ষাৰ স্বপ্নপুৰী নহয়, আশা-আকাংক্ষাৰ শ্মশানহে।

এই কবিতাফাঁকি প্ৰকাশ হ'বৰ সময়ত অসমীয়া কাব্যসাহিত্যৰ সুৰটো আছিল বেলেগ:

সুন্দৰৰ ধ্যান মূৰ্তি
অন্তৰ্ধান আজি
নাই সেই আৰাধ্য দেৱতা;
আচম্বিতে আহি
কোনে কৰিলে মুখৰ
প্ৰাণৰ নিবিড় নীৰৱতা (অনাহূত: ৰঘুনাথ চৌধাৰী)

চৰম ব্যৰ্থতা, হতাশা, নেতিৰ মুহূৰ্ততো আধ্যাত্মিক বা পাৰমাৰ্থিক সান্ত্বনাই তেতিয়ালৈকে অসমীয়া কবিৰ প্ৰাণৰ দহন জুৰাব পাৰিছিল। কিন্তু যতীন দুৱৰাৰ কবিতাত সেই পাৰমাৰ্থিক সান্ত্বনাৰ ভৰসা যেন লুপ্ত: মানৱ জীৱন আৰু প্ৰকৃতিৰ জগত বিশ্বব্যাপী কোনো আশ্বাসপূৰ্ণ, সহৃদয় অৰ্থৰ সংযোগ আগৰ দৰে স্বতঃসিদ্ধ বুলি মানি লোৱা তেতিয়াৰ পৰা অসম্ভৱ হৈ পৰিল। আজিৰ কবিতাত মানৱ জীৱনৰ নিগূঢ় আনন্দময় অৰ্থৰ প্ৰকাশ বিৰল, অথবা নিয়তিৰ হৃদয়হীন অমানৱিকতাত হিয়া ঢাকুৰি উঠা হাহাকাৰো দুষ্প্ৰাপ্য। বেজবৰুৱা-চন্দ্ৰকুমাৰৰ দৰে যতীন দুৱৰাও এতিয়া আমাৰ সুপৰিচিত অথচ অনাত্মীয়।

আধুনিক কবিতাৰ যিবোৰ বিশেষ লক্ষণ, যিবোৰ লক্ষণ আজিও কবিতাৰ বিদ্বৎজনোচিত (academic) আলোচনাত গুৰুত্বপূৰ্ণ বুলি বিবেচিত, সেইবোৰতো ওপৰত উল্লেখ কৰা উদাহৰণবোৰৰ দৰে কালৰ গুকান নিশাহ পৰা নাইনে? ফৰাচী প্ৰতীকবাদৰ প্ৰভাৱত যিটো বস্তুক কবিতাৰ ৰহস্যময় প্ৰাণভ্ৰমৰ বুলি ভৰা হৈছিল—প্ৰকাশ্য অৰ্থতকৈ যি ব্যঞ্জনাৰ গুঞ্জৰণে শব্দৰ ডাল-পাত সৰকি আহি পাঠকৰ চেতনাত শিহৰণ তুলিছিল—সি আগৰ দৰেই পাঠকক বিমুগ্ধ কৰিব পাৰেনে? কবিৰ মনৰ দ্ৰুতসঞ্চাৰী গতিয়ে মুহূৰ্ততে বিভিন্ন বিচিত্ৰ বস্তু-ঘটনা-দৃশ্য-অভিজ্ঞতা মকৰাৰ দৰে সোণোৱালী অপেশ্বৰী সুতাৰে গুঠি এদিন পাঠকৰ মনত অপূৰ্ব ভাবৰ ৰামধেনু গঢ়িছিল। এলিয়টৰ কবিতাত ক্ল'ৰোফৰ্ম দি শুৱাই থোৱা অস্ত্ৰোপচাৰৰ ৰোগী আৰু শূন্যতাবোধেৰে গধুৰ আৰু অসাৰ গধুলি একেলগ হৈ পাঠকৰ সন্মুখত যেন এক অজান ৰহস্যজগতৰ দুৱাৰ খুলি দিছিল। এতিয়া সেই কৌশল আমাৰ বাবে প্ৰত্যাশিত আৰু সেয়ে কিছু পৰিমাণে পাৰিচিত, বিবৰ্ণ। সেই ৰহস্যজগতৰ ছাঁয়াময় গলিত আমি আজি বহুকাল নিয়মিত পথচাৰী।

আধুনিক কাব্যকৌশল ব্যৱসায়ী পণ্যসংস্কৃতিৰ প্ৰতি আশংকা আৰু বিৰাগত সহজ, সুলভ বাক্‌ভংগী বা আংগিকৰ পৰা দূৰলৈ আঁতৰি গৈছিল। নানা কঠিন, দুৰ্বোধ্য, অজনপ্ৰিয় কৌশলৰ প্ৰয়োগেৰে সহজ প্ৰাপ্তিৰ সন্তান

কৰা পাঠকক নিৰুৎসাহ কৰি নিজৰ কেউপিনে আভিজাত্যৰ দেৱাল গঢ়ি তুলিছিল। কাব্যৰ ৰসাস্বাদনৰ চৰ্ত হৈছে চৰ্চা, অনুশীলন। যিবিলাকে বজাৰৰ বুট ভজা বা বাদাম ভজাৰ দৰে কবিতাৰ পৰা তৎক্ষণাৎ সোৱাদ পোৱা কিবা বিচাৰে, সিহঁতক খেদি পঠোৱা হৈছিল সস্তীয়া চিনেমা বা নভেলৰ ওচৰলৈ। কিন্তু যিমানেই এইবোৰ কৌশল সুপৰিচিত হৈ পৰিল, ব্যাপক প্ৰচাৰ আৰু চৰ্চাৰ ফলত আপেক্ষিকভাৱে সুলভ হৈ পৰিল, পাঠকৰ লগতে লেখকৰো যেন মোহভংগ হ'ল।

আধুনিক কাব্যত নিতান্ত অন্তৰংগ আৰু ব্যক্তিগত অনুভূতি আৰু উপলব্ধিকে সত্য বুলি ভবা হয়। ব্যক্তিৰ মনোজগতৰ বাহিৰৰ জগতখনত আৱেগ-অনুভূতিৰ যান্ত্ৰিক অনুকৰণ বা ভাও-ভংগীহে আছে। বিজ্ঞাপন, ব্যৱসায়ীভিত্তিত ৰচিত সাহিত্য, সস্তীয়া চিনেমা—এনে অসংখ্য মাধ্যমত আৱেগ-অনুভূতিৰ নামত কেতবোৰ কৌশলী কিটিপ ব্যৱহাৰ কৰা হয়। এটুকুৰা চাবোন দেখুৱাই মনত ৰোমান্সৰ ভাব অনা হয়, অথবা চিনেমাত দেখনিয়াৰ ডেকা-গাভৰুক কাষ চাপিলেই ফট্ কৰে প্ৰেমৰ ছুইচ্ছ্ নামি যায়। তদুপৰি আছে নানা ৰাজহুৱা বক্তৃতা, শ্লোগান আৰু সম্পাদকীয়। সেইবোৰত প্ৰকৃত আৱেগৰ ঠাইত প্ৰচাৰধৰ্মী ভাবালুতা সুলভ।

সেয়ে আধুনিক কবিয়ে ৰাজহুৱা ৰাজনীতি আৰু ব্যৱসায়ৰ জগতৰ পৰা পিছ হুঁহকি গৈ আত্মাৰ দুৰ্ভেদ্য কন্দৰত আশ্ৰয় ল'ব খোজে। কিন্তু আৱেগ-অনুভূতি সামাজিক ক্ৰিয়া-প্ৰতিক্ৰিয়া। কবি যদি বাহ্যিক জগতৰ ওপৰত ভৰসা হেৰুৱাই কেৱল আত্মমুখী, আত্মমগ্ন হৈ পৰে, তেনেহ'লে উৎকণ্ঠা, আতংক আৰু নিৰালম্ব বিষাদৰ বাহিৰে আন একো অনুভূতিৰ সন্ধান নাপায়। তদুপৰি ৰাজহুৱা ঘটনা মাত্ৰেই অসত্যনে? সম্প্ৰতি ভাৰতত ধৰ্মৰ নামত চলা বৰ্বৰতা আৰু ৰাজনীতিৰ নামত চলা নিৰ্লজ্জ শোষণ-দমন এইবোৰ অগ্ৰাহ্য কৰাটো সত্যৰ অপলাপ কৰা নহয়নে? তেনে ৰাজহুৱা ঘটনাই ব্যক্তিমনক নোচোৱাকৈ থাকিব পাৰেনে? সেয়ে অন্তৰংগতাক কাব্যৰ একমাত্ৰ অকৃত্ৰিম চৰ্ত বুলি ভবা টান হৈ পৰিছে। আজিৰ কবিয়ে সেয়ে ৰাজহুৱা ঘটনা মাত্ৰকে অসত্য বা অলীক বুলি উৰাই দিব নোৱাৰা

হৈছে। অৱশ্যে তেওঁ তাৰ বিশেষ ৰাজনৈতিক টিপ্পনী গ্ৰহণ নকৰিবও পাৰে। জীৱনানন্দ দাশে জানো সমাহিত আত্মমগ্নতাৰ পৰা চহৰীয়া জীৱনৰ শুষ্কতা আৰু ভয়াৱহতা, সাম্প্ৰদায়িক দাংগা, অশুভ ঘটনাচক্ৰৰ আৱৰ্তত মানুহৰ চেতনাৰ বিভ্ৰম ঘটা, তেনেধৰণৰ বিষয়-বস্তুৰ পিনে কাব্যজীৱনৰ শেষৰ পিনে আগুৱাই যোৱা নাছিল ? অহৰহ জানো এই পাপচক্ৰৰ পৰা মানুহৰ মুক্তিৰ সপোন দেখা নাছিল ?

আজিৰ লেখকে ভাবিছে, ডিকেন্স বা ডষ্টোয়েফ্‌স্কিয়ে সস্তীয়া ডিটেক্‌টিভ উপন্যাসৰ কৌশলক ঘিণ নকৰি তাক ব্যৱহাৰ কৰিছিল কিয় ? ভাবিছে, প্ৰতীকবাদৰ অপাৰ্থিৱ ব্যঞ্জনাই জানো জগতৰ কঠুৱা অসংলগ্নতাক মোহৰ আৱৰণেৰে ঢাকি দিয়া নাই ? শিল্পকলাৰ 'আভিজাত্য'ৰ আকাংক্ষাই তাৰ চূড়ান্ত অসহায়তা জানো লুকুৱাই থোৱা নাই ? আধুনিক কাব্যই সমসাময়িক জগতৰ ছিন্নভিন্ন ভগ্নাংশৰ মাজত যোগাযোগৰ সূক্ষ্ম সূত্ৰ য'ত বিচাৰি পাইছিল, তাত কবিতাৰ শেহতীয়া ধাৰাই জানো মানি লোৱা নাই অতল অসংগতি আৰু দুস্তৰ বিচ্ছিন্নতা ? জগতখনক মানুহৰ সাঁচত ঢালাই কৰাৰ সকলো চেষ্টাই জানো নিৰৰ্থক বুলি প্ৰমাণ হোৱা নাই ?

আজি সেয়ে ডেকা জেমছ জয়ছৰ দৰে বীৰোচিত প্ৰত্যয়েৰে শিল্পীয়ে শব্দৰ সাধনাৰ মাজেৰে 'জাতিৰ অনুদ্ভিন্ন বিবেক'ৰ (uncreated conscience of the race) অংকুৰণ ঘটোৱাৰ দায়িত্ব কান্ধত তুলি লোৱা নাই। সংশয় আৰু দুৰ্বলতাৰ অনুভূতিত পৰিশ্ৰান্ত লেখকে এতিয়া নিজৰ ওপৰতে হানে নিৰ্মম ব্যংগবিদ্ৰূপ। বক্ৰোক্তি (irony) আৰু হাস্যৰস তেওঁৰ অভ্যস্ত মাধ্যম। ভাষা তথা শব্দৰ বিপজ্জনক সম্মোহন সম্পৰ্কে সচেতন, কল্পনাৰ অসীম ক্ষমতা সম্পৰ্কে সন্দিহান আজিৰ লেখকে পাঠকক চিকুট মাৰি কৈছে : চোৱা, মোৰ হাতত কোনো যাদুদণ্ড নাই। মই তোমাৰ দৰেই মানুহ, মাত্ৰ মই শব্দৰ কাৰিকৰ। আহাঁ, দেখুৱাই দিওঁ শব্দৰ কাৰিকৰী কি বস্তু।'

আলিদোমোজাত থিয় হোৱা দুজন অসমীয়া ডেকা লেখকৰ কথা এইখিনিতে মনত পৰিছে : দেবব্ৰত দাস আৰু ফণীন্দ্ৰ দেৱচৌধুৰী। এই পৰিস্থিতিয়ে দুয়োকা বিপদত পেলোৱা যেন লাগে। সাম্প্ৰতিক চাক

কথাচিত্ৰ (art film) ভাল পোৱা দেৱব্ৰত দাস গল্প কোৱাতকৈ গল্প কেনেকৈ বনোৱা হয়, পাঠকৰ আগত উদঙাই দেখুৱাবলৈ আগ্ৰহী। ভাষাৰ কৌশল, গল্পৰ ৰচনাৰীতি, লুটিয়াই-বগৰাই পাঠকক দেখুৱাই তেওঁ যেন পাঠকক কৈছে : 'হুছিয়াৰ! কঠিন, কৰ্কশ, ভয়ংকৰ বাস্তৱতাক শব্দৰ বাহুৰে পোহ মনাব খুজিছে। ভোগ নাযাবা। ভোগ গ'লে শেহ্ বাস্তৱতাক আৰু শাসন কৰিব নোৱাৰিবা।' কিন্তু তেওঁৰ এই উৎকণ্ঠাৰ বাবেও তেওঁ সাহিত্যবহিৰ্ভূত বাস্তৱতাৰ প্ৰতি আমাৰ চকু মেল খুৱাই ক্ৰমে আত্ম-সম্মোহিত (narcissistic) শব্দ-বিশ্লেষণত নিমগ্ন হৈ পৰিব ধৰিছে। পিঁয়াজৰ বাকলি গুচোৱাৰ দৰে।

ফণীন্দ্ৰ দেৱচৌধুৰীয়ে আতংকিত হৈ আমাক অলপতে জনাইছে যে ঠিকা-ঠুকলি কৰি হঠাৎ নবাব হোৱা অসম্ভৱ বহু গণ্যমান্য মানুহৰ জীৱনত ভবেন শইকীয়া বা হোমেন বৰগোহাঞিৰ কোনো অস্তিত্বই নাই। গল্প-উপন্যাসে এইবোৰ মানুহক জীৱনৰ দিক্‌নিৰ্দেশ নকৰে। জীৱন সম্বন্ধে উপভোগ কৰা এইবোৰ মানুহ জীৱনৰ দিক্ বা গতিপথ সম্পৰ্কে নিৰুৎসুক! অথচ সমাজত ইহঁতৰ যেন ওজন বেছি হৈ গৈছে!!

সমাজত ছটিয়াই সাহিত্য এনেদৰে 'না-পাত্তা' হোৱাৰ কাৰণ কি? এইবোৰ মানুহ যদি মুৰ্খ সিহঁতে এনেদৰে দপদপাব পাৰে কেনেকৈ? তাৰ অৰ্থ এনেকুৱাও হ'ব পাৰে নেকি যে সাহিত্যৰ গভীৰ আধ্যাত্মিক প্ৰজ্ঞা আৰু আশ্বাস সম্পৰ্কে শিক্ষিত শ্ৰেণীৰ পুৰণিকলীয়া বিশ্বাস এক আসুৰিক নতুন বাস্তৱতাই নাকচ কৰিবলৈ ওলাইছে? ভবেন শইকীয়া, হোমেন বৰগোহাঞিৰ মানৱতাবাদী প্ৰজ্ঞাই আধুনিক পুঁজিবাদৰ মদমত্ত গজহস্তীক শাসন কৰা দূৰৰ কথা, সিহে তাৰ দপ্‌দপনিৰে তেওঁলোকক বাটৰ পৰা দূৰলৈ ঠেলি দিছে। তেওঁলোকৰ সাধনাৰ উত্তৰসূৰী হ'বলৈ বিচৰাজনে সাধুভাবে সন্মুখীন হ'ব লাগিব এক মৰ্মান্তিক সত্যৰ।

শব্দৰ, লিখনিৰ (writing) যি আশ্বাস, যাৰ মাজেদি প্ৰবাহিত হৈছে মানৱতাবাদী মূল্যবোধ, সি এক সৰঞ্জামৰ ব্যৱহাৰ মাথোন। সামাজিক শূন্যত সি কাম কৰি থকা নাই। শিক্ষিত শ্ৰেণীক সচকিত কৰি টি ভি

কৃষ্টিৰে বলীয়ান কৌটিকলীয়া শব্দৰ সংস্কৃতিৰ প্ৰতি উদাসীন এচাম মানুহ ওলাইছে। এওঁলোকক শব্দনিৰ্ভৰ সাহিত্যৰ প্ৰয়োজন নাই। এওঁলোকৰ এই বৰ্বৰতাক গৰিহণা দিলেই সংকটৰ পৰা পৰিত্ৰাণ পোৱা নহ'ব। যান্ত্ৰিক প্ৰযুক্তিবিদ্যাৰে বচিত তেওঁলোকৰ সংস্কৃতিত বিশ্ব পুঁজিবাদৰ শেহতীয়া প্ৰভাৱ প্ৰবল। ভবেন শইকীয়া, হোমেন বৰগোহাঞিয়ে তেওঁলোকৰ মানৱতাবাদৰে সাম্প্ৰতিক অভিব্যক্তিৰূপে এই প্ৰভাৱ বৰণ কৰি লৈছে। আক সিয়েই তেওঁলোকৰ মানৱতাবাদৰ শ্মশান বচিবলৈ ওলাইছে। কঠিন সংকট!

কিছু প্ৰবীণ চামৰ দুজন লেখক সেই সংকটত সিমান দিগ্‌ভ্ৰান্ত হোৱা নাই। সৌৰভ কুমাৰ চলিহা (গল্প নহয়) আৰু শীলভদ্ৰ (আকৌ মধুপুৰ)। মানৱতাবাদী পৰম্পৰাতে দীক্ষা লৈ দুয়ো যাত্ৰাৰম্ভ কৰিছিল এদিন। কিন্তু আধুনিক, সাম্প্ৰতিক জীৱনৰ ছন্দপতন দুয়ো স্থিতধী হৈ গ্ৰহণ কৰিছে। (মানি লোৱা নাই, কিন্তু তাৰ সন্মুখীন হৈছে।) আধুনিকতাৰ 'উচ্চমনা নিষ্ঠা'ৰ (High seriousness) ভংগী এৰি বৈঠকী মেজাজ আৰু ভংগীৰে গল্প কৈছে দুয়ো। নিৰ্মাণ কৌশল বা আংগিক নিখুঁত কৰাত দুয়োৰে উৎকণ্ঠাময় আগ্ৰহ দেখুৱা নাই। আলাপ, গল্প, সাহিত্যৰূপ, এইবোৰ সীমাৰেখাও মানি চলা নাই। কিন্তু সমসাময়িক জীৱনৰ নানা অদ্ভুত পৰিস্থিতি, সংশয়, মোহভংগ, নিষ্ঠুৰতা, আৰু 'অমানৱিকতা' সম্পৰ্কে পাঠকক সচকিত কৰিছে। চাহ দোকানৰ গল্পৰ দৰে খোচমেজাজী, সহজ, অসংলগ্ন, খামখেয়ালি, অথচ একে সময়তে ভাবোদ্দীপক আৰু অন্তৰ্ভেদী। শব্দৰ সীমাবদ্ধতা সম্পৰ্কে সজাগ, কিন্তু সীমাৰ ভিতৰত তাৰ অনুশীলনত নিষ্ঠাবান।

(আজিৰ বাতৰি, জুন, ১৯৯৩)

সাম্প্ৰতিক পশ্চিমীয়া সমালোচনাৰ এটি ধাৰা

অলপতে শিৱসাগৰৰ ডাঃ ভাবানাথ দাসৰ লগত কথা পাতিছিলো, বিষয় ৰাম জনমভূমি। তেখেতৰ ধাৰণা যে অযোধ্যাত মিথিলাকে ৰামক লৈ ইমান হৈ চৈ কৰিছে তেওঁলোক ব্ৰাহ্মণ্য হিন্দু ধৰ্মৰ সমৰ্থক। তেওঁলোকে সেই ৰামচন্দ্ৰক পূজা কৰে যিজনে বক্ষণশীল ব্ৰাহ্মণ্য মূল্যবোধ প্ৰতিষ্ঠা কৰিছিল। বেদ অধ্যয়নৰ দুঃসাহস কৰা বাবে শূদ্ৰ শম্বুকক হত্যা কৰিছিল। সীতাক বসুমতীৰ আশ্ৰয় বিচাৰিবলৈ বাধ্য কৰিছিল অৰ্থাৎ নৈষ্ঠিক হিন্দুৱে ৰামচন্দ্ৰৰ মাজত যি দৈৱী মহিমা দেখা পায় এজন নিপীড়িত জাতিৰ বুদ্ধিজীৱীৰ চকুত সি স্পষ্ট নহবও পাৰে। কব পাৰি যে একেটা পাঠকে (text) বা এখন কিতাপকে বেলেগ বেলেগ ধৰণে চাব পৰা যায়। লেখকে যি অভিপ্ৰায়েৰে কিতাপ লিখে আৰু যি অভিপ্ৰায় কাহিনীৰ মাজেৰে পৰিস্ফুট কৰিবলৈ বিচাৰে তাৰ মাজত কিছু অসংগতি আৰু কৃত্ৰিমতা থাকিব পাৰে।

সম্প্ৰতি পশ্চিমত এনে ঘটনাৰ আলমতে Diconstruction বা বিযুক্তি-বাদ বোলা চিন্তাৰ ধাৰা এটা গঢ়ি তোলা হৈছে। বিযুক্তিবাদী সকলে যি কোনো ধৰণৰ পাঠ এটাৰ অৰ্থ উলিয়াবলৈ গৈ তাৰ মাজত কিছু অসংগতি নিহিত হৈ থকা লক্ষ্য কৰে। তেওঁলোকে পাঠকক জানিবলৈ দিবলৈ বিচাৰে যে পাঠটোৰ construction বা সংগঠন এটা অবৈধ আৰু অপূৰ্ণ অনুশীলন মাত্ৰ।

অথচ এনেধৰণে প্ৰতিবছৰেই একোখন সমাজত হেজাৰ হেজাৰ পাঠ ৰচিত হৈ আছে। এনে ঘটনা কোনো ব্যক্তিৰ ব্যক্তিগত অসাধুতা বা ভণ্ডামিৰ কাৰণে নঘটে। বহুসময়ত লেখক গমেই নাপায় যে অৰ্থপূৰ্ণ পাঠ ৰচনা কৰিবলৈ যাওঁতে তেওঁ এনে গোঁজামিল দিব লগা হৈছে। আচলতে এটা ভাষা বা সাহিত্যত অনবৰত এনে অৰ্থ তথা সংগতি সৃষ্টি কৰিবৰ বাবে চেষ্টা চলি থাকে। সদায়েই এনে সংগতি সৃষ্টি কৰিবলৈ গৈ লেখকে অৰ্থৰ কিছু অন্তৰ্নিহিত অসম্পূৰ্ণতা বা স্ববিৰোধ জোৰাতাপ্পা দি বন্ধ কৰিব লগা হয়। কোনো মতাদৰ্শ অথবা কঠোৰ (Rigid) দৃষ্টিভঙ্গীৰ প্ৰভাৱত লেখকে এনে কাম কৰে। ইয়াৰ নাম দিয়া হৈছে closure-বৃত্তি।

ভাষাতত্ত্বৰ পিনৰ পৰা দেখা গৈছে যে কোনো শব্দ, বাক্য অথবা কোনো ভাষিক সংগঠনৰ এনে কোনো অৰ্থ থাকিব নোৱাৰে যি শব্দৰ লীলা খেলাৰ বাহিৰৰ— ১) ধ্ৰুৱ আৰু absolute পদাৰ্থ। প্ৰতি অৰ্থই শব্দৰ লীলা খেলাৰ জৰিয়তে ব্যক্ত বা মূৰ্ত্ত হয়। আমাৰ চকুৰ আগতেই চাওঁতে চাওঁতে সেই অৰ্থই বেলেগ ৰূপ লব পাৰে। কাৰণ যিবোৰ শব্দৰ জৰিয়তে সেইবোৰ অৰ্থৰ সৃষ্টি হয় সেইবোৰক এটা নিৰ্দিষ্ট বিন্দুত এক নিৰ্দিষ্ট অৰ্থত বন্দী কৰি ৰাখিব নোৱাৰি। সেয়ে আজিৰ সংশয়বাদী আৰু সতৰ্ক পাঠকে যিকোনো পাঠৰ মাজত উপলব্ধি কৰে শব্দৰ অন্তহীন লীলাখেলা। এনেকৈয়ো ভৱা হয় যে এই লীলাখেলাক সীমাৰ মাজত আবদ্ধ কৰি ৰাখিবলৈ বিচৰাটো এক ধৰণৰ সামাজিক বা সাংস্কৃতিক ষড়যন্ত্ৰ। আগতে উল্লেখ কৰাৰ দৰে ৰামায়ণৰ অৰ্থৰ সম্ভাব্য স্ববিৰোধ আৰু বিভিন্নতা (Hetorogeneity) ৰক্ষণশীল পাঠক আৰু পণ্ডিতে এক বিশেষ গণ্ডীৰ ভিতৰত আবদ্ধ কৰিবলৈ বিচাৰে। এয়ে হৈছে থূলমূলকৈ Deconstruction-ৰ স্বৰূপ। অৱশ্যে এই মাৰ্গক কিছুমানে সন্দেহৰ চকুৰে নোচোৱাকৈ থকা নাই। তেওঁলোকৰ মতে ইও এক ধৰণৰ মনোগতবাদী পদ্ধতি। কাৰণ ই অৰ্থৰ objective অথবা বিষয়গত চৰিত্ৰ অস্বীকাৰ কৰিবলৈ গৈ তাক পাঠক বা পাঠকৰ ব্যক্তি মনৰ দায়িত্বহীন খেয়ালত পৰিণত কৰিছে। এই পদ্ধতিয়ে আমাক সকিয়াই থৈ যায় যে আগৰদৰে কোনো এটা পাঠক আমি স্বয়ং সম্পূৰ্ণ আৰু সংগতিময় পদাৰ্থৰূপে আমি আৰু ধৰি লব নোৱাৰো। কিন্তু যিকোনো সংস্কৃতিৰ বুনিয়াদ নিৰ্ভৰ কৰে কিছুমান পাঠৰ একধৰণৰ ব্যাখ্যা আৰু ভাষ্যৰ ওপৰত। সেই ব্যাখ্যা সম্পূৰ্ণ বিষয়ীগত বা subjective বুলিবলৈ অসুবিধা আছে। পাঠৰ প্ৰবহমান পৰিচয় মানিলৈ উঠিও কব পাৰি যে তাক বিশেষ এক দিশলৈ প্ৰবাহিত কৰাত সমাজৰ এক ভূমিকা থাকে। গতিকে ভাষাৰ বৃত্তৰ পৰিধিৰ বাহিৰলৈ পাঠক আনিব নোৱাৰিলে তাৰ তাৎপৰ্য্য আঙুলিৰ মাজেদি বালি সৰকাৰ দৰে সৰি যাব পাৰে।

"অন্বেষা" ১৯৯৩ দ্বিতীয় বছৰ চতুৰ্থ সংখ্যা

পাঠ্যপুথি আৰু জাতীয় সংহতি

পাঠ্যপুথিৰ প্ৰস্তুতি যে উদ্দেশ্যহীন হ'ব নোৱাৰে নকলেও চলে। আমাৰ সংবিধানত ভাৰতৰ ৰাষ্ট্ৰক গণতান্ত্ৰিক, সমাজবাদী আৰু ধৰ্মনিৰপেক্ষ বোলা হৈছে। এনে ৰাষ্ট্ৰৰ উপযুক্ত নাগৰিক গঢ়ি তোলাটো নিশ্চয় আমাৰ পাঠ্যপুথিৰ অন্যতম উদ্দেশ্য হ'ব লাগিব। কিন্তু প্ৰকৃততে এই ক্ষেত্ৰত আমাৰ পাঠ্যপুথিৰ অৱদান কিমান ?

আমাৰ দেশৰ সমাজ ব্যৱস্থাত সামন্তবাদী সঁজাটো মষিমূৰ হৈ যোৱা নাই। অধিক কি, সামন্তবাদৰো পূৰ্ব্বৱৰ্তী জনজাতীয় সমাজ ব্যৱস্থা ব্যাপক অঞ্চল জুৰি আজিও বাচি আছে। আচৰিত নহয় যে এনে অৱস্থাত জাতি, ধৰ্ম, সম্প্ৰদায় আদিৰ নামত ভেদাভেদ আমাৰ দেশত আজিও প্ৰবল। এইবোৰ হিচাপ বাদ দি ব্যক্তি হিচাপে সকলো মানুহক সমান বুলি আমি আজিও ভাবিবলৈ শিকা নাই। ধৰ্মক এটা ব্যক্তিগত ব্যাপাৰ বুলি আমি ধৰি ল'ব নোৱাৰোঁ। কোনো মানুহৰ সম্প্ৰদায় বা জাতিকো এটা আকস্মিক ঘটনা বুলি মানি ল'বলৈ আমি টান পাওঁ। এনে অৱস্থাত দেশত জাতীয় সংহতি গঢ়ি তোলা সঁচাকৈ কঠিন।

অথচ জাতীয় সংহতি অবিহনে দেশৰ উন্নতিৰ আশা নাই। জাতীয় উন্নয়নৰ বাবে যি ধৰণৰ স্বাৰ্থত্যাগ আৰু সমূহীয়া মনোভাব লাগে, জাতীয় সংহতি সবল হ'লেহে তেনে মনোভাব গঢ় ল'ব পাৰে। তাৰ উপৰি জাতীয় সংহতি সবল নহ'লে দেশৰ সৰ্বমুঠ আয়ৰ ভাগ লৈ বিভিন্ন অঞ্চল আৰু জাতিৰ মাজত কভিকৰ কাজিয়া আৰু প্ৰতিদ্বন্দ্বিতা চলিব পাৰে। তাৰ উপৰিও যি দেশাত্মবোধৰ প্ৰেৰণাই শিল্পবিজ্ঞানত অগ্ৰগতি লাভ কৰাত সহায় কৰে, সিও জাতীয় সংহতিৰেই ফলশ্ৰুতি।

জাতীয় সংহতি শিক্ষাৰ দ্বাৰা উন্নত কৰাৰ অন্যতম বাধা হ'ল সেই সম্পৰ্কে পৰিষ্কাৰ ধাৰণাৰ অভাৱ। সমগ্ৰ ভাৰত জুৰি এক ভাষা, এক জাতি, এক সংস্কৃতি গঢ়ি তোলা সম্ভৱ নহয়। "বিবিধৰ মাজত একেই" ভাৰতীয় ঐক্যৰ

সাৰমৰ্ম। সেয়ে সমগ্ৰ ভাৰতৰ উমৈহতীয়া ঐতিহ্য আৰু উত্তৰাধিকাৰৰ উপৰিও আমি ভাৰতৰ বিভিন্ন জাতিৰ স্বকীয় অস্তিত্ব আৰু ঐতিহ্যক স্বীকৃতি দিয়া উচিত। নহ'লে কোনো সবল জাতি বা অঞ্চলে দেশৰ অন্যান্য জাতি আৰু অঞ্চলৰ ওপৰত পৰোক্ষভাৱে প্ৰভুত্ব বিস্তাৰ কৰিবলৈ বিচাৰিব পাৰে। কিন্তু আমাৰ শিক্ষাবিদসকলৰ মাজত সেই চেতনা যথেষ্ট পৰিমাণে নাই।

আমাৰ পাঠ্যপুথি বিলাকৰ মাজত সেয়ে জাতীয় সংহতি গঢ়ি তোলাৰ কোনো পৰিকল্পিত প্ৰচেষ্টা দেখা নাযায়। অসমৰ ছাত্ৰই পাঠ্যপুথিত প্ৰেম চন্দৰ বিষয়ে বা ৰবীন্দ্ৰনাথৰ বিষয়ে খবৰ নাপায়। বংগদেশৰ ছাত্ৰই পাঠ্যপুথিত শংকৰদেৱ নাইবা উ তিৰোত সিঙৰ জীৱনী নাপায়। নিজৰ সংকীৰ্ণ জাতীয় দৃষ্টিকোণৰ বাহিৰ ওলাবলৈ আমাৰ ছাত্ৰ সকলক পাঠ্য-পুথিয়ে কোনো উদ্‌গনি নিদিয়ে। তেনেকৈ আমাৰ সাম্প্ৰতিক পাঠ্যপুথিত ভাৰতৰ কৃতী মুছলমান সন্তানসকলৰ অৱদানৰ বিষয়ে কোনো কথা নাথাকে। ফলত সাম্প্ৰদায়িক জাত্যাভিমান বাঢ়ি অহাত পাঠ্যপুথিয়ে বাধা দিব নোৱাৰে। ভাৰতৰ ইতিহাস, ঐতিহ্য আৰু সংস্কৃতি যে হিন্দু-মুছলমানৰ যুটিয়া সৃষ্টি সেই ধাৰণা মনত শিপাব নোৱাৰিলে আমাৰ মনৰ পৰা সাম্প্ৰতিক ইতিহাসৰ তিক্ত সাম্প্ৰদায়িকতা আৰু দূৰ নহ'ব। সেই বিষয়ে আমাৰ পাঠ্যপুথি প্ৰণেতাসকল কিমান দূৰ সজাগ সন্দেহ। আনহাতে যিবোৰ ঘটনাৰ পৰা সাম্প্ৰদায়িক ভুল বুজাবুজি আৰু অবিশ্বাস সৃষ্টি হ'ব পাৰে সেইবোৰ ঘটনা ছাত্ৰৰ আগত দাঙি ধৰোঁতে যথেষ্ট সতৰ্কতা অৱলম্বন কৰা দেখা নাযায়। প্ৰতাপ সিংহ, শিৱাজী আৰু লাচিত বৰফুকনৰ বীৰত্বক হিন্দু-মুছলমানৰ প্ৰতিযোগিতাৰ উদাহৰণ হিচাপে দাঙি ধৰা হয়—বিপুল ক্ষমতাৰ বিৰুদ্ধে একোটা ক্ষুদ্ৰ জাতিৰ শৌৰ্য-বীৰ্য্য আৰু দেশপ্ৰেমৰ চানেকী হিচাপে দাঙি ধৰা নহয়।

তদুপৰি বৈজ্ঞানিক, উদাৰ আৰু বস্তুনিষ্ঠ মনোভাবেৰে অতীতক বিচাৰ কৰিবলৈ শিকোৱাত আমি যি অৱহেলা কৰিছোঁ তাৰ ফল মাৰাত্মক হ'ব পাৰে। আমাৰ ভূগোল আৰু বুৰঞ্জীত ভাৰতৰ শ্ৰেষ্ঠ অৱদানসমূহ আৰ্য্য জাতিৰ কীৰ্তি বুলি বৰ্ণনা কৰা হৈছে। কোটি কোটি অনাৰ্য্য মানুহক প্ৰায়

অসভ্য আৰু বৰ্বৰ বুলি পৰিচয় কৰি দিয়া হৈছে। অনাৰ্য্যসকলৰ মাজতো যে সভ্যতাৰ শ্ৰেষ্ঠ নিদৰ্শন দেখা পৈছিল—যেনে দক্ষিণ ভাৰতৰ তামিল সাহিত্য বা প্ৰাগাৰ্য্য সিন্ধু সভ্যতাত—তাৰ উল্লেখ সাধাৰণতে নাথাকে। আৰ্য্যসকলো যে কালক্ৰমত অসভ্যতা অতিক্ৰম কৰি সভ্যতাৰ স্তৰত উপনীত হৈছিল সেই সম্পৰ্কে ইংগিত ছাত্ৰসকলে নাপায়। ফলত অজানিতে তেওঁলোকৰ মনত অবৈজ্ঞানিক আৰু ভ্ৰান্ত জাতিবিদ্বেষ আৰু জাত্যাভিমানে বাহ লয়। ভাৰতৰ বিভিন্ন জাতিয়ে পৰস্পৰৰ প্ৰতি যি শ্ৰদ্ধা আৰু সহিষ্ণুতাৰ ভাৰ পোষণ কৰিব লাগে, তাৰ কোনো ভিত্তি পাঠ্যপুথিয়ে ৰচনা নকৰে।

বিশেষকৈ বুৰঞ্জীৰ ক্ষেত্ৰত পীড়াদায়ক ত্ৰুটি দেখা যায়। আমাৰ বুৰঞ্জীবিদসকলে এটা "মুছলমান যুগ"ৰ কথা কয় আৰু এই যুগত যেন ইছলামে ভাৰতত প্ৰভুত্ব কৰিলে তেনে ইংগিত দিয়ে। ফলত এই যুগৰ ইতিহাস বিকৃত হৈ হিন্দু-মুছলমান সংঘৰ্ষৰ নাটক হিচাপেহে কোমল বয়সৰ ছাত্ৰৰ মনত প্ৰতিভাত হয়। এই সময়তে যে কবীৰ আৰু নানকৰ জন্ম হৈছিল, উৰ্দু ভাষাৰ সৃষ্টি হৈছিল, বংগদেশত যে মুছলমান নৱাবৰ পৃষ্ঠপোষকতাত ৰামায়ণ-মহাভাৰতৰ অনুবাদ হৈছিল, ছাত্ৰক জানিবলৈ দিয়া নহয়। মোগল বাহিনীৰ পৰাক্ৰান্ত অধিনায়ক বহুতেই যে ৰাজপুত আছিল, এই তথ্য ঢাক খাই যায়। ব্ৰাহ্মণসকলে যে "জিজিয়া" কৰ দিব নালাগিছিল তাৰ উল্লেখ বুৰঞ্জীত নাথাকে। এনেকৈ অতীতৰ আৰু ঐতিহ্যৰ ধাৰণাত বিকৃতি সৃষ্টি কৰা হৈছে। এনে ধাৰণাই জাতীয় সংহতিত কেনেকৈ সহায় কৰিব? উদাৰ, সহিষ্ণু, বৈজ্ঞানিক মনোভাৱৰ কেনেকৈ গুৰি ধৰিব? গণতন্ত্ৰৰ ভিত্তি কেনেকৈ ৰচনা কৰিব?

(স্মৃতিগ্ৰন্থ অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড ৮ জুলাই, ১৯৭৮)

ধৰ্ম সম্পৰ্কে নাস্তিকৰ মত

ধৰ্ম সম্পৰ্কে পুনৰ অনুসন্ধান, চিন্তা আৰু আলোচনা আৰম্ভ হৈছে—বিশেষকৈ ধৰ্মবিৰোধী সাম্যবাদী ৰাষ্ট্ৰ আৰু সমাজৰ পতনৰ পিছত। যুক্তি আৰু বিজ্ঞানৰ প্ৰগতিৰ পথত ধৰ্ম এটা ডাঙৰ অন্তৰায় বুলি বহুদিন ধৰি ভবা হৈছে। আইনষ্টাইন আদি মহান বৈজ্ঞানিক ধৰ্মবিশ্বাসী আছিল বুলি কোনো কোনোৱে ক'লেও আইনষ্টাইন কেতিয়াও খ্ৰীষ্টান বা ইহুদি ধৰ্মাচাৰৰ প্ৰতি আসক্ত আছিল বুলি প্ৰমাণ কৰিব নোৱাৰি। তেওঁৰ মনত ধৰ্মভীৰু ইহুদী পৰিবেশৰ পৰা ঈশ্বৰ বা ভগৱানত বিশ্বাসৰ এক সাঁচ বৈ গৈছিল। বিশ্বৰহস্যৰ অন্তৰালত এনে এক শক্তি তথা চৈতন্য থকা বুলি তেওঁৰ এক গভীৰ কিন্তু অস্পষ্ট বিশ্বাস আছিল। কিন্তু সেই বিশ্বাসটোক ধৰ্মৰ প্ৰতি বিশ্বাস বুলি কোৱা টান।

ধৰ্মীয় বিশ্বাস আচাৰ-অনুষ্ঠান, ধৰ্মীয় ধ্যানধাৰণা, পুৰাণ, আদি বাহ্যিক উপাদানৰ লগত জড়িত। সেইবোৰ বৰ্জন কৰিলে বিশ্বাস টিকি থকা টান হ'ব। প্ৰতি ধৰ্মৰে কেতবোৰ মৌলিক ধ্যান ধাৰণাও থাকে। যেনে হিন্দু ধৰ্মৰ লগত কৰ্মফলৰ ধাৰণা, খ্ৰীষ্টান ধৰ্মৰ লগত ব্যক্তিসত্তাৰ- অমৰত্বৰ (personal immortality) আৰু ঈশ্বৰৰ ত্ৰিৰূপ (trinity)-ৰ ধাৰণা, ইছলামৰ লগত মহম্মদৰ দৌত্য আৰু বাণীৰ চূড়ান্ত ভূমিকা আৰু ঈশ্বৰৰ নিৰাকাৰ সত্তা আদিৰ ধাৰণা অবিচ্ছেদ্যভাৱে জড়িত।

তিনিওটা প্ৰধান ধৰ্মতে অৱশ্যে এইবোৰ বাহ্যিক উপাদান নাকচ কৰা ৰহস্যবাদৰ স্থান আছে। কিন্তু এই ৰহস্যবাদক ধৰ্মীয় নেতাসকলে সদায় ভয় আৰু সন্দেহৰ চকুৰে চাই আহিছে। ৰহস্যবাদীক শিকলি লগাই আনুষ্ঠানিক ধৰ্মৰ লগত বান্ধি ৰখাৰ পদ্ধতিও সুপ্ৰাচীন। ৰহস্যবাদৰ অভিজ্ঞতা তথা উপলব্ধি হৈছে অনিৰ্বচনীয়। কিন্তু ধৰ্মৰ সদায় এক সুস্পষ্ট, নিৰ্দিষ্ট ৰূপ থাকে।

আমি দেখিছোঁ যে, যুক্তিবাদে ধৰ্মৰ এই সুস্পষ্ট, নিৰ্দিষ্ট ৰূপটোকে

আক্রমণ কৰে। মৃত্যুৰ পিছত মানুহৰ আত্মা থাকিব পাৰে নে নোৱাৰে, প্ৰকৃতিৰ কাৰ্যকলাপ চলি থাকিবলৈ তাৰ নিয়ামক ঈশ্বৰ এজন থাকিব লাগিব নে নালাগিব, নিৰাকাৰ ঈশ্বৰে মানুহক কিবা বাণী দিব পাৰে নে নোৱাৰে—ধৰ্মবিৰোধী যুক্তিবাদৰ আলোচনা-সমালোচনাৰ বিষয় এনে ধৰণৰ ধৰ্মীয় ধাৰণা। এনেবোৰ প্ৰশ্নৰ উত্তৰ ধৰ্মতকৈ বেলেগ ধৰণে দি যুক্তিবাদীয়ে প্ৰমাণ কৰিবলৈ বিচাৰে যে ধৰ্ম অপ্ৰাসংগিক, অনাগতিয়াল।

এনে যুক্তি বুজি পোৱা শিক্ষিত মানুহে তথাপি ধৰ্মৰ আশ্ৰয় এৰি ওলাই আহিব নোখোজে। যুক্তিবাদীবিলাকে কয় তাৰ কাৰণ যুক্তিবাদৰ দুৰ্বলতা নহয়, ধৰ্মবিশ্বাসী সকলৰহে মানসিক দুৰ্বলতা। তেওঁলোকে হেনো ধৰ্মীয় আচাৰ-বিশ্বাসৰ অলীক নিৰাপত্তা এৰি আহিব নোখোজে। কাৰণ হিচাপে কোৱা হয় যে শিশুৰ দৰে মনস্তাত্বিকভাৱে ধৰ্মবিশ্বাসী আত্মনিৰ্ভৰশীল হ'বলৈ অপাৰগ।

কিন্তু ধৰ্ম বিশ্বাসী লোক সকলোৱেই দুৰ্বলচেতা, কগ্ন মনৰ, বা পলায়নবাদী নহয়, যদিও ধৰ্মবিশ্বাসী এনে শ্ৰেণীৰ লোকৰ সংখ্যাও তাকৰ নহয়। অৰ্থাৎ যুক্তিবাদীৰ ধৰ্ম সম্পৰ্কীয় ধাৰণা কিছু আংশিক আৰু একপক্ষীয়। ধৰ্ম বস্তুটো গ্ৰহণ কৰা মানুহে তাৰ পৰা যুক্তিৰ তৃপ্তি বা সন্তুষ্টি নিবিচাৰে। তাৰ লগত হৃদয়াবেগৰ সম্পৰ্ক নিবিড়। বিশ্বসংসাৰ সম্পৰ্কে ধৰ্মৰ ধাৰণাসমূহ মানৱহৃদয়ৰ বাবে অদ্ভুতভাৱে সান্ত্বনাদায়ক আৰু শান্তিময় হ'ব পাৰে। এনে শান্তি আৰু সান্ত্বনা বিজ্ঞানৰ যুক্তিৰ পৰা পোৱা নাযায়।

ধৰ্মৰ প্ৰয়োজন উদ্ভূত হয় সামাজিক জীৱনত মানুহৰ অংশগ্ৰহণৰ পৰা, জীৱন সংগ্ৰামৰ পৰা। আমাৰ সমাজতে প্ৰতিজন মানুহে ধন, ক্ষমতা, প্ৰতিষ্ঠা, খ্যাতি বিচাৰি নিজ নিজ বুদ্ধিমতে কষ্ট কৰে, বন্ধুত্ব, প্ৰেম, সুখশান্তিৰ হাবিয়াস কৰে। অথচ প্ৰত্যেকেই আংশিক ভাৱেহে সফল হয়, কেতিয়াবা সম্পূৰ্ণ বিফল হয়। আনকি সফলতা অৰ্জন কৰি উঠি হৃদয়ত অনুভৱ কৰে, এক গভীৰ অতৃপ্তি। এই অশান্তি বা অতৃপ্তিৰ অনুভূতিৰ কাৰণ যুক্তিত বিচাৰি পোৱা নাযায়। অৱশ্যে এই প্ৰশ্নবোৰ, এই সংশয় আৰু বিষাদ হেঁচা মাৰি ধৰি ৰাখি মানুহে দুজন উদ্যমেৰে পুনৰা

বা নতুন সাংসাৰিক লক্ষ্যৰ প্ৰতি আগবাঢ়িব পাৰে। নতুন জীৱিকা, নতুন বিবাহ আৰু বন্ধুত্ব, নতুন পৰিবেশত বিচাৰে সুখ শান্তি। নিজৰ শক্তি সামৰ্থ্য, উৎসাহ-উদ্দীপনাৰ উন্নতি ঘটায়। তথাপি শেহান্তৰত ভাব হয় সেই সুখ-শান্তি যেন মৰীচিকা। ঐতিহাসিক মকত দেশৰ স্বাধীনতা, শিক্ষাৰ বিস্তাৰ, সমাজৰ উন্নয়নৰ প্ৰতি লাখ লাখ লোকে নিঃস্বাৰ্থ সেৱা আগবঢ়ায়—এদিন তেওঁলোকেও দেখে তেওঁলোকৰ আশা আৰু সপোন সম্পূৰ্ণ নফলিয়ালে। বাস্তৱ সিদ্ধি আৰু মানসিক সংকল্পৰ মাজত বিৰাট ব্যৱধান হৈ গ'ল। প্ৰবল বেগে অন্তৰৰ নিবিড় স্থলৰ পৰা উদগত হয় হেঁচা মাৰি ধৰি থকা সেই প্ৰশ্নটো :—টলষ্টয়ৰ ভাষাত, "What then must we do ?"

যুক্তিয়ে বিশ্লেষণ কৰি লক্ষ্য (ends) আৰু সাধনৰ (means) মাজত বিসংগতি উন্মোচন কৰে, সাফল্যৰ সীমাৱদ্ধতা বা তুচ্ছতাৰ কাৰণসমূহ উলিয়াই দিয়ে, বিশ্বৰ আৰু ইতিহাসৰ নিয়মৰ অমোঘ অনিবাৰ্যতা প্ৰকাশ কৰে। কিন্তু এই বিশ্লেষণে হৃদয়ক তৃপ্তি নিদিয়ে। মানুহে সেই তৃপ্তি বিচাৰি পায় দৰ্শনত, সাহিত্যত বা ধৰ্মত।

এই গভীৰ তৃপ্তি আৰু শান্তি অবিহনে মানুহে এটা সময়ত জীয়াই থকাৰ কাৰণেই বিচাৰি নোপোৱা হয়। সংসাৰৰ বাস্তৱীয় কাৰ্যকলাপ অৰ্থহীন বোধ হয়। তেতিয়া তেওঁ দৰ্শনৰ ওচৰ চাপে। সাধাৰণ যুক্তিবাদৰ তুলনাত শ্বপেনহাৱাৰ, হেগেল বা আনকি ৰাধাকৃষ্ণণেও তেওঁৰ মনৰ প্ৰশ্নবোৰ স্বীকাৰ কৰি কিবা সঁহাৰি দিয়ে। কিন্তু বৈজ্ঞানিক যুক্তিবাদে প্ৰকৃতিৰ লীলাখেলা সম্পৰ্কে যিমানেই পৰিষ্কাৰ উত্তৰ নিদিয়ক, প্ৰেম-বিচ্ছেদ, যৌৱন-জড়া, সাফল্য-নৈৰাশ্য আদিয়ে মানুহৰ হৃদয়ত তোলা গভীৰ স্পন্দনৰ প্ৰতি যথাযোগ্য সঁহাৰি দিব নোৱাৰে। আনহাতে দৰ্শনৰ বিস্তীৰ্ণ জগতত নানা মুনিৰ নানা মত। এটা সময়ত পুনৰ অতৃপ্তি আৰু ক্লান্তিৰ ভাব আহে। তেতিয়াই ধৰ্মৰ সুপ্ৰাচীন, নৈৰ্ব্যক্তিক, পৰম্পৰাগত আশ্বাস মানুহৰ মনত অধিক নিৰ্ভৰযোগ্য, নিৰুদ্বেগ আৰু নিঃসন্দেহ যেন অনুভূত হয়।

ধৰ্মৰ উপযোগিতা (function) ধৰ্মবিশ্বাসীৰ বাবে এইখিনিতে : অৱসাদগ্ৰস্ত, সংশয়ক্লান্ত অৰ্জুনৰ মনত মানৱ জীৱন আৰু কৰ্মৰ গুৰুত্ব তথা সাৰ্থকতা নতুন দৃষ্টিকোণৰ পৰা পুনৰ প্ৰতিষ্ঠা কৰি শ্ৰীকৃষ্ণই কৈছে : "তস্মাৎ যুধ্যস্ব ভাৰত !" (হে ভৰতৰ বংশধৰ, এতেকে তুমি যুদ্ধ কৰা।)

ৰাহু-কেতুৰ গ্ৰাসৰ বাবে চন্দ্ৰ-সূৰ্যৰ গ্ৰহণ হয় নে প্ৰাকৃতিক কাৰণবশতঃ হয়, ধৰ্মৰ মূল প্ৰতিপাদ্য তেনে প্ৰশ্ন নহয়। জীৱন-মৰণ সম্পৰ্কীয় সমস্যাৰ (যিবোৰ সমস্যাৰ চাৰণক্ষেত্ৰ বিশুদ্ধ মেধা নহয়, হৃদয়জড়িত ধীশক্তিহে অথবা মননৰঞ্জিত হৃদয়হে) শান্তিপ্ৰদ, সান্ত্বনাময় উত্তৰ ধৰ্মৰ নিজৰ ক্ষেত্ৰ।

কিন্তু মানুহে এই কথাও লক্ষ্য নকৰাকৈ থাকিব নোৱাৰে যে ধৰ্মৰ এই উত্তৰসমূহো বিসংগতিহীন আৰু অবিসম্বাদী নহয়। হিন্দু, খ্ৰীষ্টান আৰু ইছলাম ধৰ্মৰ উত্তৰবোৰৰ মাজত পাৰ্থক্যই নহয় বিৰোধো আছে। আনকি হিন্দু ধৰ্মৰ ভক্তসকলৰ মাজতেই এইবোৰ প্ৰশ্নৰ পৰস্পৰবিৰোধী উত্তৰ আছে। এই কথা বিশ্বাস কৰিবলৈ টান হয় যে বিশ্বসংসাৰৰ স্বৰূপ তথা মানুহৰ জীৱন-মৰণ সম্পৰ্কীয় প্ৰশ্নৰ উত্তৰ ইমান ভিন্ ভিন্ ধৰণৰ হ'ব পাৰে।

এহাতে আমি দেখিছোঁ যে ধৰ্মৰ প্ৰয়োজন মানুহৰ জীৱনত উপকৰা নহয়। আনহাতে এইটোও বুজিব পাৰি যে ধৰ্ম বিশ্বাসৰ ভিত্তি কোনো শিলেৰে বন্ধোৱা বেদী নহয়, বোকা-পানী আৰু দলদ'লেহে ভৰা এখন জলাহ। অৰ্থাৎ ধৰ্মৰ পাৰমাৰ্থিক সত্যতা সম্পৰ্কে আমাৰ মনত সন্দেহৰ ভাবে ঠাই ল'ব পাৰে। ধৰ্ম আন বহু মানবীয় বা সামাজিক অনুষ্ঠান বা প্ৰতিষ্ঠানৰ দৰে এক সামাজিক বা ঐতিহাসিক সৃষ্টি নহয় জানো ? ভগবদগীতাত ক্ষত্ৰধৰ্ম বা জন্মগত ধৰ্ম নিষ্ঠাৰে পালন কৰিবলৈ উপদেশ দিয়া হৈছে। কিন্তু যিকোনো নিৰপেক্ষ পৰ্যবেক্ষকেই ক'ব যেযিকোনো পৰিস্থিতি বা ক্ষণত সেইটো প্ৰযোজ্য নহ'ব পাৰে। অন্যায় যুদ্ধত ক্ষত্ৰিয়ই অংশগ্ৰহণ কৰা উচিত হয় নে নহয় ? আজিৰ পৃথিৱীত মাৰণাস্ত্ৰৰ গৱেষণাত বৈজ্ঞানিকে অংশগ্ৰহণ কৰা উচিত হয় নে নহয় ? এনে প্ৰশ্ন উঠাৰ পিছত আৰু ধৰি ল'ব নোৱাৰি যে ধৰ্মৰ সমাধানবোৰ ইতিহাসৰ ঊৰ্দ্ধত বা কালনিৰপেক্ষ।

ধৰ্মৰ ইতিহাস বস্তুনিষ্ঠভাৱে অধ্যয়ন কৰিলেও দেখা যায় যে ধৰ্মবিশ্বাস আৰু ধৰ্মীয় ধ্যান-ধাৰণাৰ যথেষ্ট পৰিবৰ্তন ঘটি আছে। বৈদিক যুগত যাগযজ্ঞৰ প্ৰাধান্য, বৌদ্ধযুগত যাগযজ্ঞৰ বিৰুদ্ধে বিৰাগ, গুপ্তযুগত পৌৰাণিক ঢঙত দেৱ-দেৱীৰ পূজা, মধ্যযুগত ভক্তি—ভাৰতত ধৰ্মৰ ইতিহাসত এনে ধৰণৰ ব্যাপক আৰু মৌলিক পৰ্বান্তৰ লক্ষ্য কৰিব পাৰি। কোনো কোনো পণ্ডিতে অৱশ্যে এক পৰিৱৰ্তনহীন বিকাৰহীন ঐতিহ্যৰ ধাৰা আদিম যুগৰ পৰা প্ৰবাহিত হোৱা দেখা পায়। তেওঁলোকে প্ৰয়োজন অনুসৰি বেদত তান্ত্ৰিক আচাৰৰ আভাসো পায়, ভক্তিৰ সাঁচো দেখা পায়। কিন্তু যদি বেদত তন্ত্ৰাচাৰ আৰু ভক্তিৰ উপাদান আছে, তাৰ পৰিমাণ নগণ্য বুলিয়েই ক'ব লাগিব। এনে "ঐতিহ্য" বহুসময়ত পৰৱৰ্তী কালত ৰচিত উপাখ্যানমাত্ৰ।

আমি সেয়ে সামাজিক ইতিহাস তথা আৰ্থ-সামাজিক ব্যৱস্থাৰ ইতিহাসৰ লগত ধৰ্মৰ ইতিহাস নিবিড়ভাৱে জড়িত বুলি ভাবোঁ। ধৰ্মৰ উপযোগিতা এইখিনিতে যে কোনো সমাজব্যৱস্থাই ব্যক্তিৰ মনত সৃষ্টি কৰা যন্ত্ৰণাময় অন্তৰ্দ্বন্দ্বক এক পাৰমাৰ্থিক সত্যৰ পৰিণাম হিচাপে মানি লোৱাত সি সহায় কৰে। শ্ৰেণীবিভক্ত আৰু শোষণধৰ্মী সমাজত মানুহৰ সামাজিক তথা মানবীয় চৰিত্ৰ নানা ধৰণে আক্ৰান্ত হয়। একেখন সমাজত কোনো খাবলৈ নাপাই মৰে, কোনোৱে ভোগৰ সাগৰত উটি ফুৰে। মানুহে কোনোক্ষেত্ৰত সিদ্ধিলাভ কৰি প্ৰশংসা আৰু অসূয়াৰ ভাগী হয় একেসময়তে। সভ্যতাৰ বিকাশে এহাতে ব্যক্তিৰ বিকাশ নিশ্চিত কৰে, আনহাতে ব্যক্তিমনত নিৰাপত্তাহীনতা আৰু নিঃসংগতা বৃদ্ধি কৰে। জন্ম-মৃত্যু আদি ঘটনাবোৰ ব্যক্তিৰ বাবে অপ্ৰত্যাশিত বা বেদনাময় হৈ পৰে। সিহঁতৰ প্ৰাকৃতিক অনিবাৰ্যতা মানুহৰ বাবে অস্পষ্ট হয়। কৰ্তব্যৰ আৰু মূল্যবোধৰ সংকট এনে সমাজব্যৱস্থা বা সভ্যতাই সঘনে সৃষ্টি কৰে। তাৰ কিবা যুক্তিগত উত্তৰ ওলালেও সি মানুহক সম্পূৰ্ণ তৃপ্ত বা আশ্বস্ত কৰিব নোৱাৰে। এইখিনিতে ধৰ্মৰ বিশেষত্ব।

ধৰ্মৰ আশ্ৰয় লোৱা মানুহজনে বাস্তৱ জগতত প্ৰয়োগ কৰা কাণ্ডজ্ঞান

আৰু যুক্তি একাষৰীয়াকৈ থৈ দিয়ে। তেওঁ এই কথা মানি লয় যে ধৰ্মীয় অনুভূতি আৰু বোধৰ চৰ্চ বেলেগ। ধৰ্মই দিয়া সমাধানসমূহ তেওঁ এক অতীন্দ্ৰিয় বা বিশ্বজনীন পৰমসত্যৰ বিধান বুলি বিনাপ্ৰশ্নে গ্ৰহণ কৰে। শাস্ত্ৰ, গুৰু বা পৰম্পৰাৰ গুৰুত্ব এইখিনিতে। কাৰণ ব্যক্তিগত বিচাৰত গুৰুত্ব দিলে হয়তো এইবোৰ সমাধান সম্পৰ্কেও মনত সন্দেহ হ'ব। ধৰ্মৰ শেষ আশ্ৰয় যুক্তি নহয়, ঋষিবাক্যহে (authority)। শাস্ত্ৰ, গুৰু বা পৰম্পৰাত authority মূৰ্ত হয়।

আনহাতে ব্যক্তিমনৰ গভীৰতম বোধ বা উপলব্ধি ধৰ্মৰ ধ্যান-ধাৰণা-বোৰত প্ৰতিধ্বনিত হোৱা যেন লাগে। সংসাৰৰ নানান যন্ত্ৰণাত ক্লিষ্ট মানুহে যেতিয়া শুনে যে "বিষয় বিষধৰ", অথবা মানৱজীৱনৰ সাৰবস্তু দুখকষ্ট, অথবা সংসাৰ হৈছে পূৰ্বজন্মৰ অৰ্জিত কৰ্মভোগ, তেতিয়া সমাজ-ব্যৱস্থাই সৃষ্টি কৰা ক্ষোভ, অশান্তি আৰু বিদ্ৰোহৰ ভাব অন্তৰ্হিত হৈ সেই পৰিণাম নিৰ্বিবাদে গ্ৰহণ কৰাৰ মানসিকতাৰ উদয় হয়।

জীৱিকা, পৰিয়ালৰ পোষণ, মান-মৰ্যাদাৰ বাবে খেদা-খেদি কৰি ভিতৰি ক্লান্ত আৰু তিক্ত হৈ পৰা মানুহে যেতিয়া শুনে কৰ্মফলৰ অমোঘ বন্ধনৰ কথা অথবা দুনিয়াৰ মায়ামোহৰ কথা, তেওঁ অনুভৱ কৰে যে জীৱন সম্পৰ্কে তেওঁ এক অলৌকিক পৰম সত্যৰ সন্মুখীন হৈছে। সেইটো এইবাবেই হয় যে সমাজব্যৱস্থাৰ সামগ্ৰিক ৰূপটোৰ এক ছাঁয়াময়া ছবি ধৰ্মীয় ধাৰণাবোৰত প্ৰচ্ছন্ন হৈ থাকে। ব্যক্তিগত যুক্তি বা চিন্তা যিহেতু সমাজ ব্যৱস্থাই সীমাবদ্ধ কৰি ৰাখে, ব্যক্তিগত চিন্তাৰ মাধ্যমত তেওঁ সমাজৰ সামগ্ৰিক ৰূপ প্ৰত্যক্ষ কৰিব নোৱাৰে।

সেয়ে ধৰ্মবিশ্বাসৰ পৰা মুক্তি দিব পৰা শক্তি কেৱল সেই চিন্তাধাৰাৰহে আছে যি সমাজব্যৱস্থাৰ সামগ্ৰিক ৰূপটো যথাৰ্থভাৱে দাঙি ধৰিব পাৰে। তদুপৰি যিহেতু শ্ৰেণীবিভক্ত সমাজৰ অন্তৰ্দ্বন্দ্বত ক্ষত-বিক্ষত হৃদয় ধৰ্ম বিশ্বাসৰ মূল প্ৰেৰণা, সমাজত শোষণ-বৈষম্য-অন্যায় থাকে মানে ধৰ্মৰ অলীক সান্ত্বনাও থাকি যাব। কহু সাম্যবাদে যিহেতু শোষণ-বৈষম্য-অন্যায় দূৰ কৰিব নোৱাৰিলে, কহু সমাজত ধৰ্মৰ কণকঠিয়া বৈ গ'ল। সাম্যবাদী

ৰাষ্ট্ৰৰ পতনৰ পিছত সি লহ্‌পহ্‌কৈ বাঢ়িছে। সেয়ে কেৱল সমাজৰ সামগ্ৰিক ৰূপ দাঙি ধৰিলেই নহ'ব, সমাজবিজ্ঞানে তাৰ কদৰ্য্যৰূপ আৰু মানুহৰ মন জুকলা কৰা অন্তৰ্দ্বন্দ্বসমূহ দূৰ কৰাৰ উপায়ো আগবঢ়াব লাগিব। আনহাতে শান্তি, সান্ত্বনাৰ প্ৰয়োজন কিছু পৰিমাণে শিল্প সাহিত্যই পূৰণ কৰিব পাৰিব।

সমাজসত্যৰ উত্তৰণমুখী এনে চিন্তা ন্যস্ত স্বাৰ্থ আৰু শাসক শ্ৰেণীয়ে পছন্দ নকৰে। বৰং বিকৃত আৰু দ্বন্দ্বজৰ্জৰ সমাজখন যাতে সাধাৰণ শ্ৰমজীৱী মানুহে গ্ৰহণ কৰে, তেওঁলোকৰ চেষ্টা সেইখিনিতে। সেয়ে জ্ঞাতসাৰে বা অজ্ঞাতসাৰে ধৰ্মৰ প্ৰয়োজন বা সাৰ্থকতা প্ৰমাণ আৰু প্ৰতিষ্ঠা কৰাত তেওঁলোক অহৰহ ব্যস্ত। শ্ৰেণীবিভক্ত সমাজত ধৰ্ম শাসকশ্ৰেণীৰ নিয়ন্ত্ৰণত থাকে। আজি ভাৰততো শাসকশ্ৰেণীয়ে সেয়ে ৰাষ্ট্ৰীয় কাৰ্যকলাপত ধৰ্মৰ প্ৰভাৱ কমাবলৈ চেষ্টা নকৰি তাক প্ৰাধান্য দিছে। কাৰণ ভাৰতৰ বৰ্তমান সমাজৰ যন্ত্ৰণাময় অন্তৰ্দ্বন্দ্বক অন্ধ ধৰ্মীয় হিংসালৈ ৰূপান্তৰিত কৰিবলৈ এওঁলোক উৎসুক।

অৱশ্যে ধৰ্মৰ ভূমিকা ঐতিহাসিকভাৱে সদায় নেতিবাচক নহয়। কেতিয়াবা অৱদমিত, শোষিত শ্ৰেণীয়েও ধৰ্মৰ জৰিয়তে প্ৰতিবাদ জনাইছে, শাসকশ্ৰেণীক প্ৰত্যাহ্বান জনাইছে। মানুহৰ সামাজিক সত্তা সম্পৰ্কে ধৰ্ম অধিক সচেতন বাবে দয়ামায়াৰ প্ৰতি ধৰ্মই বেছি মনোযোগ দিয়ে। তাৰ মাজত অস্পষ্ট আৰু মায়াময় ৰূপত মানুহৰ মানৱতা বাচি থাকে—যি সময়ত বাস্তৱ সমাজৰ পৰা সি অন্তৰ্হিত হয়। সমাজবিজ্ঞানীসকল সেই বিষয়ে সজাগ থকা ভাল। কিন্তু যুক্তি-প্ৰমাণৰ অভাৱত ধৰ্মৰ সহায়েৰে অন্ধ উত্তেজনাও যে সঞ্চাৰ কৰা যায় সেই বিষয়েও সতৰ্ক থকা উচিত।

এদিন ধৰ্মৰ যুগ শেষ হ'ব। সি সুদূৰ ভৱিষ্যতৰ কথা। প্ৰকৃত সত্যযুগ আৰম্ভ হ'ব তেতিয়া।

(বুধবাৰ, এপ্ৰিল, ১৯৯৩)

সাহিত্য সভাৰ ৰাজনীতি

সাহিত্যিক যিসকলে মৰ্ত্যৰ ধূলি-মাকটি নলগা অমৰলোকৰ বস্তু বুলি ভাবে তেওঁলোকে সাহিত্যসভাৰ সমালোচনাকো কিবা আসুৰিক অপৰাধ বুলি গণ্য কৰে। এই কথা ঠিক যে, সাহিত্য তাৎক্ষণিক জৈৱিক প্ৰয়োজনৰ পৰা দূৰত। কিন্তু সাহিত্যৰ আনন্দ আধ্যাত্মিক মুক্তিৰ আনন্দতকৈ বেলেগ। পাৰ্থিৱ জগৎ আৰু মানৱসমাজৰ বিষয়ে মানুহৰ বিচিত্ৰ ভাৱ, অনুভূতি আৰু মতৰ পৰা সাহিত্য দূৰত থাকিব নোৱাৰে। তাৰ বিশেষত্বও সেইবোৰৰ মাজেদিহে পৰিস্ফুট আৰু প্ৰতিভাত হয়। এই আটাইবোৰৰ আধাৰ ভাষা, আৰু সাহিত্যই ভাষাক সমৃদ্ধ কৰি মানুহৰ ভাব জগতকো প্ৰসাৰিত কৰে।

সেয়ে ৰাজনীতিৰ পৰা সাহিত্য দূৰত থাকিব বুলি ভবাও ভুল। ৰাজনীতি আৰু সাহিত্যত ভাষাৰ প্ৰয়োগ বেলেগ, কাৰণ দুয়োৰে উদ্দেশ্যৰ মাজত এক পাৰ্থক্য আছে। কিন্তু সাহিত্যবো এনে তাৎপৰ্য থাকে, যাক বহল অৰ্থত ৰাজনৈতিক নুবুলি নোৱাৰি। পুঁজিবাদী সমাজ আৰু সভ্যতাৰ পূৰ্ণ বিকাশৰ পিছৰ পৰা তথাকথিত গণতন্ত্ৰৰ ৰাজনীতিক এক 'ৰাজহুৱা ডাষ্টবিন'ৰ মঞ্চ বুলি ধৰা হ'বলৈ ধৰিলে। সাহিত্যিকসকলে সেই মঞ্চৰ পৰা আঁতৰি থাকিবলৈ বিচৰা হ'ল। তেওঁলোকে সাহিত্যিক সম্পূৰ্ণ ব্যক্তিগত নিভৃত স্বগতোক্তিৰ লগত একাকাৰ কৰি পেলালে। ফলত সমাজৰ মৌলিক সংঘাতসমূহৰ পৰা আঁতৰত অৱস্থান লোৱা তেওঁলোকৰ বহুতৰে অভ্যাসত পৰিণত হ'ল। (অৱশ্যে 'কম্‌লি নেই ছোড়্‌তা বা।'—সংঘাতে তেওঁলোকৰ নিভৃত মণিকূটতো ভুমুকি নমৰাকৈ নাথাকিল।) সমাজ পৰিবৰ্তনত তেওঁলোকে ল'ব পৰা ভূমিকা এনেদৰেই তেওঁলোকে নেওচি যাব পৰা হ'ল। অথচ তেওঁলোকৰ মাজত ৰক্ষণশীলসকলে সাহিত্যৰ নিস্পৃহতাৰ আঁৰত আশ্ৰয় ল'বলৈ সুবিধা পালে।

আজি অসমতো সাহিত্যসভাৰ ভূমিকাৰ এক বিশেষ ৰাজনৈতিক তাৎপৰ্য আছে। কথাটো স্বীকাৰ কৰি ল'লে তালেখিনি বিভ্ৰান্তিৰ অৱসান

ঘটে। কিন্তু তেনেদৰে স্বীকাৰ কৰি ল'লে আন কেতবোৰ সামাজিক তথা ৰাজনৈতিক দায়িত্বৰো মুখামুখি হ'ব লাগে। সেয়ে সাহিত্যসভাৰ সেই ৰাজনৈতিক ভূমিকাত (যিমানেই পৰোক্ষ নহওক) ওৰণি-বাৰণি দি কেতবোৰ ৰাজনৈতিক লক্ষ্য সিদ্ধি কৰা হয়।

অসমত সাহিত্যসভাৰ ভূমিকা অসমীয়া মধ্য শ্ৰেণীৰ স্বাৰ্থ, লক্ষ্য আৰু বিশ্বৱীক্ষাৰ লগত জড়িত। ভাষাক আলম হিচাপে লৈ অসমীয়া মধ্যশ্ৰেণীয়ে সমগ্ৰ অসমত নিজৰ সাংস্কৃতিক আৰু ৰাজনৈতিক আধিপত্য (hegemony) স্থাপন কৰিবলৈ বিচাৰিছিল। সেই ভাবধাৰাৰ পৰা সি আজিও মুক্ত হোৱা নাই। সাহিত্যই সেই ভাবধাৰা তথা দৃষ্টিভংগীকে স্বাভাৱিক বুলি এটা প্ৰতীতি জন্মায়। সাধাৰণভাৱে অসমীয়া সাহিত্যত অসমীয়া মধ্য শ্ৰেণীৰ ভাবধাৰা আৰু বিশ্বৱীক্ষাই প্ৰকাশ পাইছে। অৱশ্যে তাৰ কিছু পৰিৱৰ্তন নোহোৱাকৈও থকা নাই।

প্ৰথম অৱস্থাত অসমীয়া মধ্যশ্ৰেণীয়ে ব্ৰিটিছৰ লগত সহযোগিতা কৰি বঙালী মধ্যশ্ৰেণীৰ লগত প্ৰতিযোগিতাত নামিছিল। অসমীয়া জনসাধাৰণৰ মাজত আত্মচেতনাৰ লগতে আত্মবিশ্বাস সঞ্চাৰ কৰাত অসম সাহিত্য সভাৰ এটা ভূমিকা আছিল। তাহানিৰ উদ্যোগী আৰু প্ৰতিভাৱান নেতা চন্দ্ৰনাথ শৰ্মাই স্পষ্ট ভাষাত কৈছিল যে, জাতীয় উন্নতিয়েই সাহিত্য চৰ্চাৰ মূল লক্ষ্য। অসমীয়াৰ জাতীয় বিকাশত অসম সাহিত্যসভাই নিশ্চয় বৰঙণি দিছিল। কিন্তু জাতীয় বিকাশ আৰু অসমীয়া মধ্যশ্ৰেণীৰ স্বাৰ্থ সদায় সমান্তৰাল নহ'বও পাৰে। বিশেষকৈ স্বাধীনতাৰ পিছৰ পৰা এই বৈসাদৃশ্য বা বিৰোধ প্ৰকট হৈ পৰিছে। অসমীয়া মধ্য শ্ৰেণী অসমৰ বিভিন্ন অনা-অসমীয়া জনগোষ্ঠীৰ প্ৰতি উদাসীন। তেওঁলোকৰ আশা-আকাংক্ষা অসমীয়া সাহিত্যত প্ৰতিফলিত হোৱা নাই। ফলত এই সাহিত্য আৰু সাহিত্যসভাৰ প্ৰতি তেওঁলোকৰ উৎসাহ নাই। অনুৰূপভাৱে অসমৰ অভাৱগ্ৰস্ত শ্ৰমজীৱী বাইজৰ সমস্যা আৰু আশা-আকাংক্ষায়ো সাহিত্যসভাত বিশেষ গুৰুত্ব পোৱা নাই। সেই বিষয়ে চিন্তা কৰা লোকসকলে সেয়ে সাহিত্যসভাৰ প্ৰতি আস্থা পোষণ নকৰে।

আনহাতে সমাজৰ ক্ষমতাশালী শ্ৰেণী বা প্ৰতিষ্ঠানৰ লগত সাহিত্যসভাৰ ঘনিষ্ঠতা বাঢ়িছে। চৰকাৰৰ পৰা পোৱা শকত ধনৰ মঞ্জুৰি, চৰকাৰে সাহিত্যসভাৰ ক্ষেত্ৰত পতা প্ৰদৰ্শনী, মন্ত্ৰী-বিষয়াৰ পয়োভৰ আদি চকুত পৰা বিধৰ হৈছে। পাঠশালা অধিৱেশনত হেনো ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলি আহমেদক ইমান গুৰুত্ব দিয়া হ'ল যে সভাপতি যজ্ঞেশ্বৰ শৰ্মাদেৱ ভিৰৰ মাজত হেৰাই যোৱাৰ উপক্ৰম হৈছিল। দেখনিয়াৰ পেণ্ডেল সজোৱা আৰু অন্যান্য যাৱতীয় খৰচৰ বাবে ঠিকাদাৰ-ইঞ্জিনিয়াৰ ধৰণৰ মানুহৰ লগত সাহিত্যসভাৰ দহৰম-মহৰম বেছি হোৱাও স্বাভাৱিক। আনহাতে সাহিত্যসভাৰ বিষয়বাব (আনকি শাখা সাহিত্যসভাৰো) এতিয়া লোভনীয় পদ। তাৰ বাবে বেছ তিক্ত বিধৰ দলাদলি ঠেলাঠেলিও হয়। এসময়ত কিন্তু এই বিষয়বাব আছিল পুৰস্কাৰহীন আৰু প্ৰায় স্বীকৃতিহীন শ্ৰম আৰু ত্যাগৰ থলী।

সেইবোৰে সাহিত্যসভাত ৰাজনীতিৰ ধূলি-মাকটি বেছকৈ লাগিছে। অসমীয়া মধ্যশ্ৰেণীয়ে বিচাৰিছে সাহিত্যসভাৰ জৰিয়তে অসমত নিজৰ প্ৰতিপত্তি অক্ষুণ্ণ ৰাখিবলৈ। চৰকাৰ আৰু পুঁজিপতি মহলে বিচাৰিছে সাহিত্যসভাৰ জৰিয়তে অসমীয়া মধ্যশ্ৰেণীক হাতত ৰাখিবলৈ। কিন্তু অসমীয়া মধ্যশ্ৰেণীৰ নেতৃত্ব অসমবাসী অন্যান্য বাইজে মানি লোৱা পৰ্যন্তহে অসমীয়া মধ্যশ্ৰেণীৰ গুৰুত্ব থাকিব। সেয়ে সাহিত্যসভাৰ যোগেদিয়েই অসমীয়া মধ্যশ্ৰেণীয়ে এক প্ৰত্যক্ষ ৰাজনীতি চলাইছে। সাহিত্যৰ দিশ আৰু গতিপথ নিৰ্দ্ধাৰণত ভূমিকা লোৱাৰ উপৰিও মাজে-সময়ে প্ৰায় ৰাজনৈতিক সংগঠনৰ কামেই কৰি আছে। বিশেষকৈ সমাজৰ তলৰ মহলাৰ জনগোষ্ঠীবোৰ আৰু শ্ৰমজীৱী ৰাইজৰ জাগৰণৰ আশংকাতে অসমীয়া মধ্যশ্ৰেণী আৰু সাহিত্যসভাই এনে পথ অনুসৰণ কৰিবলৈ বাধ্য হৈছে।

অসম আন্দোলনৰ সময়ত সাহিত্যসভাই উগ্ৰজাতীয়তাবাদী পথেৰেও খোজ দিছিল। তলৰ মহলাৰ মানুহৰ মাজত উগ্ৰজাতীয়তাবাদী ভাবাবেগ বিয়পাই দি অসমীয়া জাতীয় স্বাৰ্থ ৰক্ষাৰ নামত অসমীয়া মধ্যশ্ৰেণীয়েহে স্বাৰ্থ ৰক্ষা কৰিছিল। অসমীয়া জাতিৰ যে বিপদ হোৱা নাই, তেনে নহয়।

কিন্তু অসম আন্দোলনে লোৱা উপায়েৰে সেই বিপদ খণ্ডোৱা অসম্ভৱ আছিল। ফলো হ'ল বিপৰীত। বিভিন্ন জনগোষ্ঠী অসমীয়াৰ লগ এৰি আঁতৰি যাবলৈ ধৰিলে। সাহিত্যসভাই সেই ভুল স্বীকাৰ নকৰিলেও বুজিলে। তাৰ পিছৰপৰা যতদূৰসম্ভৱ সমিলমিল নীতি (Consensus Approach) এটা গ্ৰহণ কৰি ভাঙি যাব খোজা ঘৰটি ধৰি-বান্ধি ৰাখিবলৈ বিচাৰিলে। কিন্তু সেই নীতিৰ কাৰ্যকৰী ৰূপ দিয়া সহজ হোৱা নাই। কাৰণ অসমত অসমীয়া মধ্য শ্ৰেণীৰ আধিপত্যৰ দাবী এৰি আন পথ লোৱা সাহিত্য সভাৰ পক্ষে অসম্ভৱ। অসমীয়া ভাষাও সম্প্ৰতি একান্তভাৱে অসমীয়া মধ্যশ্ৰেণীৰ আধিপত্যৰ অস্ত্ৰত পৰিণত হৈছে।

উগ্ৰজাতীয়তাবাদীৰ পথৰ ভুল উন্মোচিত হোৱাৰ পিছত উদাৰনৈতিক সৰ্বভাৰতীয় দৃষ্টি-ভংগীৰ নৱকান্ত বৰুৱাক সাহিত্য সভাৰ সভাপতি নিৰ্বাচন কৰা হয়। তেখেতে উগ্ৰজাতীয়তাবাদক আক্ৰমণ কৰিবলৈ গৈ এহাতে ভাষাভিত্তিক ৰাজনীতিক গৰিহণা দিলে, আনহাতে বিভিন্ন জনজাতীয় জাগৰণক নিৰুৎসাহ কৰিলে। অৰ্থাৎ অসম সাহিত্যসভাৰ লগতে অসমীয়া জাতীয় আশা-আকাংক্ষাকো নিৰৰ্থক বুলি গৰিহণা দিয়া হ'ল। দেখা গ'ল যে বৰুৱাদেৱে আৰু তেখেতৰ সগোত্ৰৰ লোকসকলৰ মতে সকলো ধৰণৰ জাতীয় আশা-আকাংক্ষাৰ পৰা সাহিত্য আৰু সাহিত্যসভাক আঁতৰাই ৰাখিব লাগে। সাধু প্ৰস্তাৱ। কিন্তু তেনেহ'লে অসমীয়া সাহিত্য আৰু অসম সাহিত্যসভাৰ মতাদৰ্শৰ ভিত্তি কি হ'ব? নিঃসন্দেহে কেন্দ্ৰীয় চৰকাৰৰ নেতৃত্বত সৰ্বভাৰতীয় দৰ্শন। জনজাতীয় জাগৰণক নিৰুৎসাহ কৰা বাবে অসমীয়াসকল তেওঁৰ প্ৰতি কৃতজ্ঞ হ'লেও এই দ্বিতীয় সিদ্ধান্তৰ বাবে তেওঁলোকে কিছু বিবুধিও হ'ল। আচলতে পৰিস্থিতিয়ে অসমীয়া মধ্য-শ্ৰেণীৰ উভয় সংকট প্ৰকাশ কৰিছে।

বৰুৱাদেৱে প্ৰকাশ কৰা লক্ষ্য—অৰ্থাৎ সৰ্বভাৰতীয় শাসক শ্ৰেণীৰ লগত সহযোগিতা কৰি অসমীয়া মধ্যশ্ৰেণীৰ স্বাৰ্থৰক্ষা কৰা—এতিয়াও অসম সাহিত্যসভাই বৰ্জন কৰা নাই। সম্প্ৰতি এইটোৱেই সাহিত্যসভাত প্ৰভাৱ-

শালী ধাৰা। পেণ্ডুসামৰ এইটো দোলনত বিহপুৰীয়া অধিবেশনত শত্ৰু-ৰূপে চিনাক্ত হোৱা মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া এইবাৰ মুখ্য অতিথি ৰূপে সমাদৃত হ'ব পৰা হৈছে।

সমস্যা হৈছে এইটোহে যে সংযুক্ত মুক্তিবাহিনীয়ে উগ্ৰভাৱে আৰু অমানুষিক পদ্ধতিৰে প্ৰকাশ কৰা অসমীয়া সমাজৰ সংকট ইমান সহজে দূৰ নহ'ব। অনুমান কৰিব পাৰি যে এটা সময়ত শইকীয়াই কেন্দ্ৰৰ নিৰ্দেশ মতে প্ৰবল দমন আৰু কঠোৰ নিয়ন্ত্ৰণৰ পথ ল'বলৈ বাধ্য হ'ব। (কাৰণ অসম-অসমীয়াৰ সামগ্ৰিক উন্নয়নৰ বাবে ছিৰিয়াছ কিবা কাৰ্যসূচী কেন্দ্ৰই লোৱা টান।) তেতিয়া অসম সাহিত্যসভা আৰু সাহিত্যিকসকলে কি পথ ল'ব, সেই বিষয়ে ভবাৰ সময় হৈছে। 'মূল সুঁতি'টো বোৱাই ৰাখিবলৈ সাহিত্যই পুলিচ—চি আৰ পি ৰ লগত সহযোগিতা কৰিলে ডাঙৰ কথাই হ'ব। আশা কৰোঁ সেই পৰ্যায় পোৱাৰ আগতে সাহিত্য আৰু সাহিত্যিকে আত্মবিশ্লেষণ কৰিব।

(আজিৰ বাতৰি, ১৯৯২)

সংকট আৰু মতাদৰ্শ : এটি ভাষণ

প্ৰস্তাৱনা : বৰ্তমানৰ সমাজ-ব্যৱস্থাৰ পৰা যি লাভবান হৈছে তেওঁলোকে মতাদৰ্শৰ বিষয়ে আলোচনা ভাল নাপায়। কাৰণ মতাদৰ্শৰ আলোচনাই সমাজ-ব্যৱস্থাটোৰ ভিত্তি আৰু যথাৰ্থতাৰ প্ৰশ্ন তুলিব। সেয়ে বৰ্তমানৰ সমাজব্যৱস্থা আৰু ৰাষ্ট্ৰব্যৱস্থা মানি লোৱা লোকসকলে দেশৰ নানা সমস্যাৰ বিষয়ে আলোচনা বিচাৰে, কিন্তু সেইবোৰ সমস্যাৰ জন্ম দিয়া ব্যৱস্থাটো উহ্য ৰাখে।

চৰকাৰপক্ষৰ এনে মনোভাৱ সহজবোধ্য। কিন্তু দুশ্চিন্তাৰ কথা যে ক্ৰমে বিৰোধী পক্ষয়ো এনে আলোচনা অবাস্তৱ বুলি ভাবিবলৈ ধৰিছে। ধাৰণা হয় যে নানা তৰহৰ আপোচেৰে বাওঁপন্থী দলবোৰো ক্ৰমে ব্যৱস্থাটোত ভালকৈয়ে খাপ খাই পৰিছে। সেয়ে গতানুগতিক, যান্ত্ৰিক কাৰ্যকলাপতে সেই দলবোৰৰ নেতৃত্ব ক্ৰমে অভ্যস্ত হৈ পৰিছে। কিন্তু মতাদৰ্শৰ ক্ষেত্ৰত সজাগ আৰু সক্ৰিয় নহ'লে এনে দলবোৰৰ সংগ্ৰামী তথা বিৰোধী ভূমিকা দুৰ্বল হৈ পৰে। তেতিয়া দলৰ প্ৰভাৱত পৰা তৰুণ চামকো নেতৃত্বই উপযুক্তভাৱে গঢ়ি তুলিব নোৱাৰে।

ডকুমেণ্টাৰি চিনেমাৰ পৰিচালকে দেখা পায় সমাজ বা বিশ্বৰ এটা অংশ মাত্ৰ। তাকে আকৌ কেতিয়াবা কণা মানুহে হাতী দেখাৰ দৰে নেজডালকে বা শুঁৰডালকে গোটেই হাতীটো বুলি ভাবে। কিন্তু পূৰ্ণাংগ চিনেমাৰ প্ৰতিভা থকা এজন পৰিচালকে এটা সমস্যা বা ঘটনাৰ মাজেৰে সমগ্ৰ বিশ্বৰ ৰূপ ফুটাই তোলে। মতাদৰ্শৰ এনে গ্ৰাঢ়তা সুবিধাবাদীয়ে ভাল নাপায়।

সভাপতি মহাশয়, বিশিষ্ট অতিথিবৃন্দ আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকল,

আজি দেশ আৰু জাতিৰ এক দুৰ্যোগৰ মুহূৰ্তত আপোনালোকে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা আহি এই সমাবেশত যোগ দিছে। আপোনালোকৰ মনত বৰ্তমানৰ দুঃস্বপ্নক সুস্থ বাস্তৱক পৰিণত কৰাৰ দুৰ্বাৰ আকাংক্ষা, আপোনালোকৰ প্ৰাণত তাৰ বাবে সাহস আৰু উত্তমো আছে। আমাৰ

জাতিটো যে শেষ হৈ যোৱা নাই, নেতৃত্বৰ শত দুৰ্বলতা আৰু প্ৰতাৰণা সত্বেও যে পুনৰ সংগ্ৰামৰ বাবে সাজু হৈছে, ইয়াতকৈ ডাঙৰ প্ৰমাণ আৰু নালাগে।

কিন্তু এই কাম কৰিবলৈ বাট চিনি ল'ব লাগিব। কেউপিনৰ পৰিবেশৰ এখন মানচিত্ৰ তৈয়াৰ কৰি ল'লেহে জটিল আৰু অদ্ভুত সমসাময়িক পৰিস্থিতিৰ মাজত এনে বাট উলিয়াই লোৱা সম্ভৱ হ'ব। এটা মতাদৰ্শ থাকিলেহে বিশ্বসংসাৰখনৰ বিষয়ে স্পষ্ট ধাৰণা এটা কৰি লৈ এনে মানচিত্ৰ গঢ়া সম্ভৱ হয়। সেয়ে প্ৰগতিশীল, গণতান্ত্ৰিক মতাদৰ্শৰ লগত আমাৰ ছাত্ৰ-ছাত্ৰীৰ পৰিচয় অতি জৰুৰী প্ৰয়োজন হৈ পৰিছে।

চৰকাৰী আন্তাবলত আশ্ৰয় লোৱা দুই-এক প্ৰাক্তন বিপ্লৱীয়ে জ্ঞান দিয়ে যে লাইচেন্স নোলোৱা বাবে তেখেতসকলে বিপ্লৱ সম্পূৰ্ণ কৰিব নোৱাৰিলে! লাইচেন্স নথকা বাবেই চৰকাৰে বেয়া পোৱা কথাবোৰত তেওঁলোক মনেমনে থাকে। এইসকল জ্ঞানী পুৰুষৰ জ্ঞানে তেওঁলোকৰ ধনমান যথেষ্ট বৃদ্ধি কৰিছে, কেৱল সমাজখনহে আগবঢ়াই নিব নোৱাৰে। সমগ্ৰ জাতিৰ বুনিয়াদত ঘূণে ধৰিছে এনে জ্ঞান পাপীৰ দৌৰাত্ম্যৰ বাবে। আজি যেতিয়া বোম্বাই, হোজাই, ডবকা, ধুবুৰীত নিৰীহ মানুহে প্ৰাণৰ আত্ৰাণিত শুকান মুখ, ত্ৰাসিত চকুৰে ঈশ্বৰক প্ৰাৰ্থনা কৰিছে, ইহঁতে কেউ-ফালে বহুৱালি আৰু বান্দৰামি কৰি তাৰ উত্তৰ দিবলৈ বিচাৰিছে।

আজি সেয়ে ছাত্ৰ আন্দোলনৰ কান্ধত নতুন আৰু গধুৰ দায়িত্ব। বহুতাবিলাকে ক'ব, ছাত্ৰৰ যথেষ্ট আন্দোলন হ'ল। এতিয়া ছাত্ৰ ঘৰৰ ভিতৰত সোমাই পঢ়াশুনাত নিমগ্ন হ'ব লাগে, টিউশ্যনত হেজাৰ হেজাৰ টকা খৰচ কৰি পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগে, মন্ত্ৰী-বিষয়াক ১৫/২০ হেজাৰ টকা ঘোচ দি চাকৰি লৈ সুখী নাগৰিক হ'ব লাগে। কিন্তু সৰহভাগ ছাত্ৰ-ছাত্ৰীৰ তেনে অৰ্থবল নাই। তেওঁলোকৰ আছে কেৱল জনবল। আন্দোলন অবিহনে তেওঁলোকৰ আন উপায় কি? সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ হেঁপাহ আছে, কাৰণ তাৰ অবিহনে তেওঁলোকৰ ভৱিষ্যত অন্ধকাৰ কিন্তু সেই শিক্ষা এতিয়া প্ৰায় পুৰাপুৰি অৰ্থবলৰ ওপৰত নিৰ্ভৰশীল।

আধাসিজা পণ্ডিতবিলাকে পঞ্চাশ হেজাৰ ইংৰাজী উক্তি দি প্ৰমাণ কৰিব, ছাত্ৰই সমাজ পৰিৱৰ্তন কৰিব নোৱাৰে। কিন্তু চীনত আধুনিক যুগৰ ঢৌ নমাইছিল ৪র্থ মে'ইৰ আন্দোলনে। অসমত ছাত্ৰই জাতীয় সাহিত্যৰ পৰা সমাজ সংস্কাৰলৈ সকলোতে বৰঙণি দি আধুনিক অসমীয়া জাতি গঢ়ি তুলিছিল। অৰ্থাৎ ছাত্ৰ-ছাত্ৰীৰ ছাত্ৰাৱস্থাৰ পৰা বিপদ নহয়। বিপদ হয় মতাদৰ্শৰ অভাৱৰ পৰা।

অসমতে সৌ সিদিনাখন ছাত্ৰ অন্দোলনে সমগ্ৰ সমাজ কঁপাই তুলিছিল। কেউপিনে বিপুল গণ উন্মাদনা সঞ্চাৰ কৰি প্ৰচণ্ড শক্তি জাগ্ৰত কৰিছিল। সেই শক্তি যদি পৰ্বতে মূষিক প্ৰসৱ কৰাদি এটা ৰাজ্য চৰকাৰ গঠন কৰিয়েই শেষ হৈ গ'ল, তাৰ কাৰণ হৈছে দিশাহাৰা অৱস্থা, তাৰ কাৰণ হৈছে মতাদৰ্শৰ অভাৱ। সেই আন্দোলনে শত্ৰু মিত্ৰ চিনিব নোৱাৰিলে। ফলত সুবিধাবাদ আৰু স্বাৰ্থপৰতাৰ চাকনৈয়াৰ মাজত সি হেৰাই গ'ল।

সেয়ে আজি প্ৰয়োজনে মতাদৰ্শত উদ্বুদ্ধ ছাত্ৰ আন্দোলন। দেশে বিদেশে আজি প্ৰতিক্ৰিয়াৰ জয় জয় ময়ময়। সমাজতান্ত্ৰিক শিবিৰ বিধ্বস্ত, কাৰণ সমাজতন্ত্ৰৰ বাবে সাধাৰণ মানুহে অবৰ্ণনীয় কষ্ট আৰু অশেষ ত্যাগ স্বীকাৰ কৰাৰ পিছত তাৰ নেতৃত্ব দখল কৰিলে এচাম ধূৰ্ত সুবিধাবাদীয়ে। আজি মাৰ্কিন নেতৃত্বত বিশ্বপুঁজিবাদে স্বাধীনচিন্তীয়া দেশবোৰৰ ওপৰত অনবৰত হামলা চলাইছে। ইৰাকৰ ওপৰত আক্ৰমণ, কিউবাৰ ওপৰত অৰ্থ নৈতিক অৱৰোধ। কাৰণ সেইবোৰ দেশত হেনো গণতন্ত্ৰ নাই, তাত হেনো মানৱ অধিকাৰ বিপন্ন। কিন্তু বছনিয়াৰ মুছলমান জনতাক উগ্ৰ-জাতীয়তাবাদী ছাৰ্বসকলে পাইকাৰীভাৱে হত্যা কৰিছে, বছনিয়াৰ নাৰী পাইকাৰী ধৰ্ষণৰ বলি হৈছে। চুবুৰীয়া বাৰ্মা বা ম্যানমাৰত পাশৱিক সামৰিক চক্ৰই জনগণক নেলুত টিপি ধৰি নিজৰ শাসন বজাই ৰাখিছে। কিন্তু যেহেতু সিহঁতৰ মুনাফাৰ প্ৰশ্ন তাত উঠা নাই, সেই বিষয়ে বেপাৰী পছিমীয়া শক্তিসমূহ নীৰৱ।

আজি আমাৰ দেশত হৈছে কি? সাম্প্ৰদায়িকতাৰ জোঁৱাৰত কেৱল

ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক ৰাষ্ট্ৰই নহয়, জাতীয় অস্তিত্বই বিপন্ন। আমাৰ ৰাষ্ট্ৰৰ নেতৃত্ব দামদৰ কৰাত অভ্যস্ত বনিয়া মনোবৃত্তিৰ লোকৰ হাতত পৰিছে। কোনো ধৰণৰ নীতিৰ প্ৰশ্ন নাই, প্ৰশ্ন কেৱল ৰাজনৈতিক লাভালাভৰ। অযোধ্যাত উন্মত্ত ধৰ্মান্ধ লোক এচামে আন এচাম লোকৰ উপাসনাগৃহ অন্যায়ভাৱে ভাঙিলে, প্ৰধানমন্ত্ৰীয়ে ৯ ঘণ্টা ধৰি এই তাণ্ডৱ চলিবলৈ দিলে। তেওঁৰ যুক্তি কি? সংবিধান। সংবিধানৰ প্ৰতি শ্ৰদ্ধাত তেওঁ হাত সাৱটি বহি থাকিল যেতিয়া আঢ়ৈলাখ মানুহে সৰ্বস্ব হেৰুৱাই বোম্বাইৰ পৰা পলাই আহিবলগীয়া হ'ল। এই সকল সংবিধান বিশেষজ্ঞৰ দেশ শাসন কৰাৰ অধিকাৰ নাই। অযোধ্যা আৰু বোম্বাইত দুটা সংবিধান মন্দিৰ সাজি তাতে থাপনাত সংবিধান থওক আৰু নৰসিংহ ৰাওক পূজাৰী পাতি দিনে-ৰাতি সংবিধান পূজাত তেওঁক ব্যস্ত ৰাখক। কিন্তু দেশ শাসনৰ দায়িত্বৰ পৰা তেওঁ অব্যাহতি লওক। গণতান্ত্ৰিক নীতিৰ সমৰ্থনত, ধৰ্মনিৰপেক্ষতাৰ প্ৰয়োজনত যদি তেওঁ বিপদৰ সময়ত কঠোৰতা আৰু দৃঢ়তা দেখুৱাব নোৱাৰে তেন্তে তেওঁ জনসাধাৰণৰ আস্থা আশা কৰিব নোৱাৰে।

অসমৰ পৰিস্থিতি

অসমতো লক্ষ্য কৰিব পাৰি একেই পৰিস্থিতি। ইয়াতো দেখা গৈছে পুলিচৰ চোৰাংচোৱা বিভাগে সাম্প্ৰদায়িক সংঘৰ্ষৰ আগজাননী দিয়া সত্বেও নগাঁও, ধুবৰী আদি স্পৰ্শকাতৰ জিলাত সংঘৰ্ষ ৰোধ কৰাৰ বাবে কোনো যথাযোগ্য ব্যৱস্থা আগতীয়াকৈ লোৱা নহ'ল।

[AISF-ৰ ২৪ জানুৱাৰীৰ হীৰক জয়ন্তী সমাবেশত অতিথি হিচাপে দিয়া ভাষণৰ লিখিত ৰূপ]

(আজিৰ অসম—জানুৱাৰী ১৯৯৩)

সংস্কৃতি বনাম দুষ্কৃতি

অসমৰ বৰ্তমান অস্থিৰতা, খেলিমেলি আৰু মূল্যবোধৰ শূন্যতাৰ বাবে বহুতে একপক্ষীয় আৰু সংকীৰ্ণ ৰাজনীতিক নিন্দা কৰে। তেনে সমালোচকে কয় যে ৰাজনৈতিক স্বাৰ্থত মানুহক মতলীয়া কৰি উচ্চ আৰু মহান সাংস্কৃতিক আৱেগ-অনুভূতিৰ পৰা মানুহক আঁতৰাই অনা বাবেই অসমৰ সমাজৰ এনে অধঃপতন ঘটিছে।

অসমত চলা বিভিন্ন কিছিমৰ ৰাজনীতিৰ অন্তৰ্নিহিত দুৰ্বলতা নথকা নহয়। এহাতে ভ্ৰষ্ট ক্ষমতালোভী সংসদী ৰাজনীতি আনহাতে স্বপ্নবিলাসী, জনগণৰ পৰা বিচ্ছিন্ন সশস্ত্ৰ সংগ্ৰাম—দুয়োটাই সমাজৰ ওপৰত শুভ প্ৰভাৱ পেলাব নোৱাৰে। দুয়োটা ধাৰাতে সামগ্ৰিক দৃষ্টিকোণৰ অভাৱ। এটাৰ ব্যাধি সুবিধাবাদ, আনটোৰ ব্যাধি উগ্ৰতা।

সাংস্কৃতিক অনুশীলনৰ অভাৱতে এনে হৈছে বুলি কোৱাটো একধৰণৰ ফাকি। কাৰণ সংস্কৃতিৰ অৰ্থ কেৱল গান, কবিতা, নাটক আদিৰ চৰ্চা নহয়। তাৰ মাজেৰে প্ৰবাহিত হোৱা প্ৰেৰণা আৰু মূল্যবোধ আচল কথা। কিন্তু আধুনিক সংস্কৃতিৰ মাজত তেনে প্ৰেৰণা আৰু মূল্যবোধ নাই। বৰং মূল্যবোধৰ শূন্যতাহে আধুনিক সংস্কৃতিৰ মৰ্ম হৈ পৰিছে। তেনেস্থলত সেই সংস্কৃতিয়ে ৰাজনৈতিক চেতনা আৰু আচৰণত কেনেকৈ নিৰাময় কৰিব, সেইটো সন্দেহ মনৰ পৰা দূৰ কৰিব নোৱাৰি।

সংস্কৃতি নিশ্চয় হুকুম জাৰি কৰি সৃষ্টি কৰিব নোৱাৰি। অথবা আৰ্থ-সামাজিক ব্যৱস্থাৰ উপৰিপাওনা হিচাপেও তাৰ উদ্ভৱ নহয়। তাৰ বিকাশৰ চৰ্তসমূহৰ স্বকীয়তা আছে। তাৰ উৎপাদনো নিজস্ব নিয়মতেই হয়। তথাপি তাক অৰ্থনীতি আৰু ৰাজনীতিৰ পৰা বেলেগকৈ ৰাখিব নোৱাৰি। সেয়ে আজিৰ অৰ্থনীতি আৰু ৰাজনীতিৰ ৰূপে তাক প্ৰভাৱিত নকৰাকৈ থাকিব নোৱাৰে। সম্পৰ্কটো কঠোৰভাৱে সূত্ৰায়ন নকৰাকৈও ক'ব পাৰি যে মানুহে বৈষয়িক আৰু সাংস্কৃতিক উৎপাদনত একেধৰণৰ মানসিকতাকে অনুসৰণ

কৰে। সেয়ে জনজাতীয়, সামন্তবাদী, পুঁজিবাদী সংস্কৃতিত সেইবোৰ সমাজ ব্যৱস্থাৰ নিজা নিজা সাঁচ বহা দেখা যায়। অৱশ্যে সময়ৰ পিনৰ পৰা সমাজ ব্যৱস্থা আৰু সংস্কৃতি সদায় একে ছন্দেৰে, একে গতিবেগেৰে আগ নাবাঢ়ে। কেতিয়াবা কোনো অৰ্থনীতিৰ অৱক্ষয়ৰ সময়তহে তাৰ লগত মিলা সংস্কৃতিৰ পূৰ্ণ পয়োভৰ ঘটে। কেতিয়াবা আকৌ কোনো অৰ্থনীতিৰ যথাৰ্থ উন্মেষ হোৱাৰ পূৰ্বেই অনুৰূপ সংস্কৃতিৰ আৱিৰ্ভাৱ ঘটে।

আমি সেয়ে আমাৰ সাংস্কৃতিক কাৰ্যকলাপক মন্দিৰৰ পূজাৰ দৰে বৈষয়িক লক্ষ্যৰ পৰা আঁতৰত থবও নোৱাৰোঁ আৰু সম্পূৰ্ণ বৈষয়িক লক্ষ্যৰ অধীন কৰিবও নোৱাৰোঁ। সংস্কৃতিক সম্পূৰ্ণ বশীভূত কৰিব নোৱাৰিলেও আমি তাক বিকৃতি বা অধঃপতনৰ পৰা ৰক্ষা কৰিব পাৰোঁ। কাৰণ তাৰ বিকৃতি বা অৱক্ষয়ে আৰ্থ-সামাজিক তথা ৰাজনৈতিক বিকৃতিৰ জন্ম দিব। আনহাতে, সংস্কৃতিৰ জগতত আমি যদি উপযুক্ত মানৱীয় মূল্যবোধৰ সন্ধান কৰোঁ, তেনেহ'লে সি আৰ্থ-সামাজিক ক্ষেত্ৰত এদিন নহয় এদিন সুফল ফলাব।

আজিৰ সংস্কৃতি (বজৰুৱা আমোদ ব্যৱসায় বাদ দিলে) আভিজাত্যবাদী আৰু নিগূঢ়। মানুহৰ দৈৱ সম্পৰ্কে তাৰ ধাৰণা নৈৰাশ্যময়। মানুহৰ চৰিত্ৰ সম্পৰ্কেও তাৰ উপলব্ধি সংশয়াচ্ছন্ন। জোৰ-জবৰদস্তি কৰি একেদিনাই এইবোৰ লক্ষণৰ অৱসান ঘটাব নোৱাৰি বা ইতিমধ্যে ক্ষয়িষ্ণু হৈ পৰা প্ৰাচীন মানৱতাবাদী ফৰ্মূলাৰে তাৰ বেমাৰ নিৰাময় কৰাও টান। কিন্তু তাৰ মূল বিশ্বাস বা ধাৰণাসমূহৰ যদি পৰিৱৰ্তন সধা নহয় তেনেহ'লে ৰাজনীতিৰ মংগলময় সংস্কাৰ বা আৰ্থ-সামাজিক ব্যৱস্থাৰ যথাযথ উন্নয়নো সম্ভৱ নহ'ব। (অৱশ্যে আমি ক'ব খোজা নাই যে অৰ্থনীতিৰ সংকট সাংস্কৃতিক পদ্ধতিৰে সমাধান কৰা সম্ভৱ)। মই বুজি নাপাওঁ, সমাজতন্ত্ৰ আৰু গণতন্ত্ৰৰ এক নতুন সমন্বয়ৰ সন্ধান অবিহনে মানৱীয় উৎপাদনৰ বিভিন্ন দিশত বাঞ্ছনীয় পৰিৱৰ্তন কেনেকৈ আনিব পৰা যাব।

যোৱাকেইটা দশকত আমাৰ অভিজ্ঞতা হৈছে যে অবাধ ব্যক্তিবাদৰ পৰিণতি কেতবোৰ অৰ্থলোলুপ দানৱীয় ব্যৱসায়িক নিগমৰ প্ৰতিপত্তি আৰু

সকলো সামাজিক মূল্যবোধৰ অৱক্ষয়। তাৰ বিপৰীতে আন এক অভিজ্ঞতা হৈছে এয়ে যে সমাজতন্ত্ৰৰ নামত এক যন্ত্ৰৱৎ প্ৰতিষ্ঠান গঢ়ি তুলি সকলো মানুহক সেই যন্ত্ৰৰ দাসত পৰিণত কৰা হৈছে। ফলত আন্তৰিকতা থকা সাহিত্যত অৱসাদ, হতাশা, গ্লানি, পাপবোধ আৰু কাৰুণ্যৰ সুৰেই প্ৰৱল এতিয়া। কিন্তু ইয়াৰ অৰ্থও এনে নহয় যে সেইবোৰ 'সমাধান'ৰ শিক্ষা হৃদয়ংগম কৰি মানুহৰ বাবে নতুন জীৱন গঢ়াৰ উদ্যোগ লোৱাটো নিৰৰ্থক হ'ব।

আধুনিক সংস্কৃতিৰ নামত সেয়ে পুৰণা ৰেকৰ্ডখন বজাই থকাৰ অৰ্থ নাই। তাৰ অৰ্থ হ'ব মানুহৰ মাজত অৱসাদ, নৈৰাশ্য, বিৰাগ আৰু জুগুপ্সা বাঢ়িবলৈ দিয়া। আজি আনকি সেই নৈৰাশ্যও একঘেঁয়ে, প্ৰাণহীন হৈ পৰিছে। আজি সৰ্বসাধাৰণ মানুহক সজীৱ কৰি তুলিব পৰা অৰ্থনৈতিক উদ্যোগ আৰু ৰাজনীতি লাগে। লগে লগে তেওঁলোকৰ অন্তৰ্জগত স্পৰ্শ কৰি নতুন মূল্যবোধৰ বীজ সিঁচিব পৰা সংস্কৃতিও লাগে। এনে সংস্কৃতি অতীতৰ ওচৰত ঋণী আৰু নম্ৰ হ'লেও আভিজাত্যবাদী হোৱাৰ প্ৰয়োজন নাই। অথবা শ্ৰমজীৱী মানুহৰ কথা ক'বলৈ গৈ দুখ-কষ্টৰ একেঘেঁয়ে তালিকা দাখিল কৰা বা এক সংকীৰ্ণ চেতনাত আবদ্ধ হৈ পৰাও প্ৰকৃত সৃষ্টিৰ পৰিপন্থী। কাৰণ সংস্কৃতি বৰ্তমানৰ কাৰাগাৰত বন্দী নহয়, সি ভৱিষ্যতৰো সপোন দেখিব পাৰে।

শাসকশ্ৰেণী এই জাগৰণত সুখী বা আশ্বস্ত হ'ব নোৱাৰে। শাসক-শ্ৰেণীৰ দৃষ্টিকোণ প্ৰচলিত ব্যৱস্থাৰ পুনৰাবৃত্তিৰ প্ৰতিয়েই আসক্ত। সেয়ে সিহঁতে উচ্চ সংস্কৃতি আৰু জনপ্ৰিয় (বজৰুৱা) কৃষ্টিৰ বিভাজন দূৰ হোৱাটো নিবিচাৰে। তদুপৰি দুই ধৰণৰ কৃষ্টিতে উচটনি দি সিহঁতে এপিনে নিজকে সুন্দৰসেৱী, সংস্কৃতিপ্ৰেমী আদি আখ্যা দিব খোজে, আনপিনে অনিবাৰ্যভাৱে ভৱিষ্যতৰ পিনে যোৱা মানুহৰ দৃষ্টি আৰু মন ওভতাই আনি বৰ্তমানতে আবদ্ধ কৰি ৰাখে।

আজি সেয়ে শাসকশ্ৰেণীক নিজেও কিছু সাংস্কৃতিক উদ্যোগ লোৱা দেখা যায়। প্ৰথমতে বজৰুৱা সংস্কৃতিৰ প্ৰভাৱ জনসাধাৰণৰ মাজত আৰু

ব্যাপকভাৱে বিয়পাই দি বিচিত্ৰ নিচাত মানুহক মতলীয়া কৰি ৰাখে। সেয়ে শংকৰদেৱৰ তিথি বা ৰবীন্দ্ৰ জন্মোৎসৱত গদ্ গদ্ ভাষণ দিয়া মন্ত্ৰীয়ে সৌন্দৰ্য প্ৰতিযোগিতা বা মডেলিঙৰ শুৰি ধৰে। চৰকাৰৰ আস্থাভাজন সংগীতজ্ঞই কৌশলেৰে সংগীতৰ মাজেৰেই চৰকাৰৰ ৰাজনৈতিক যুদ্ধখন চলাই নিজেও ছুপইচা ফয়দা উঠায়, চৰকাৰৰো নিৰাপত্তা নিশ্চিত কৰে। তাকে কৰিবলৈ গৈ অবাধে ৰাজনীতিৰ লেতেৰামি সংস্কৃতিলৈ আমদানি কৰে। আনহাতে, পণ্য সংস্কৃতিৰ বিৰুদ্ধে বিদ্ৰোহ সৃষ্টি হোৱা আধুনিক কলা-সাহিত্যকো পুনৰ পণ্যত পৰিণত কৰাৰ প্ৰয়াস কৰে। সেই অৰ্থেই প্ৰৱৰ্তন হৈছে বহু বঁটা আৰু পুৰস্কাৰৰ। যদিও উৎকৰ্ষৰ নামত এইবোৰ ঘোষিত হয়, ধনৰ লোভেৰে অবাধ্য শিল্প-সাহিত্যক নাকী লগোৱাই এইবোৰৰ উদ্দেশ্য।

এই চক্ৰান্তৰ অংশীদাৰবিলাকে কি সাহসত সংস্কৃতি আৰু ছুকৃতিৰ কথা কয়?

(ৰংপুৰ, এপ্ৰিল, ১৯৯৩)

অসমৰ বৰ্ত্তমান পৰিস্থিতিত শিক্ষিত সমাজৰ দায়িত্ব

আজি আমাৰ দেশত শিক্ষিত সমাজে কিবা স্বকীয়া অৱদান দিব পাৰে বুলি কোনেও নাভাবে। ৩০।৪০ বছৰ আগতে অসমৰ চুকে-কোণে শিক্ষাবিস্তাৰৰ বাবে যি আন্দোলন হৈছিল, গাৱঁৰ বাইজে ধান, খেৰ, বাঁহ, আদিকো বৰঙণি হিচাপে লৈ স্কুলকলেজ সজাত যি আগ্ৰহ দেখুৱাইছিল, তাৰ মূলতে চাকৰিৰ বাবে অৰ্হতা অৰ্জ্জন কৰা উদ্দেশ্য নিশ্চয় আছিল। কিন্তু অলপ ভাবি চালেই দেখা যাব শিক্ষাৰ সহায়েৰে জীৱনযাত্ৰাৰ মান উন্নত কৰাৰ আশাটো সমূলি অৱহেলা কৰিবলগীয়া বস্তু নহয়। ঔপনিবেশিক আমোলত ভাৰতবাসীৰ বাবে দাৰিদ্ৰ্য আছিল জীৱনৰ সকলোতকৈ দুৰ্বহ অভিশাপ। ৮০% মানুহ আছিল দাৰিদ্ৰ্য সীমাৰেখাৰ তলত। ভবা হৈছিল, শিক্ষাৰ জৰিয়তে এই অভিশাপৰ পৰা মুক্তি পোৱা যাব। কিন্তু শিক্ষিত সকলে জীৱনযাত্ৰাৰ উন্নতিৰ বাবে চাকৰিকে প্ৰধান উপায় বুলি ভাবিছিল।

অৱশ্যে আধুনিক শিক্ষা অসমত প্ৰৱৰ্ত্তন হোৱা সময়ৰে পৰা আগশাৰীৰ অসমীয়া নেতা সকলে চাকৰিৰ মোহ এৰি স্বাধীন ব্যৱসায় কৰিবলৈ অসমবাসীক আহ্বান দিছিল। আনন্দৰাম ঢেকিয়াল ফুকনে "অসমীয়া লৰাৰ মিত্ৰ" নামৰ প্ৰথম অসমীয়া পাঠ্যপুথিত লিখিছিল:

"এতিয়া যেনে কেতবোৰ অসভ্য জাতি আছে ইংৰাজইতো পূৰ্বে তেনে কুব্যৱহাৰী আৰু অসৎ আছিল, কিন্তু কালক্ৰমে এতিয়া সিহঁত জ্ঞানত সম্পন্ন হৈছে, বাণিজ্যত এটাইতকৈ প্ৰধান, শিল্পকৰ্ম্মত অদ্বিতীয়, আৰু সকলো বিধৰ বিদ্যা আৰু জ্ঞানত শ্ৰেষ্ঠ ··· ।"

(সম্পাদক যোগেন্দ্ৰনাৰায়ণ ভূঞা, পৃঃ ১১৭)

আন ঠাইতো তেখেতে বিদ্যাশিক্ষাৰ লগত বৈষয়িক উন্নতিৰ সম্পৰ্কটো উনুকিয়াইছে। লক্ষ্মীনাথ বেজবৰুৱা, জগন্নাথ বৰুৱা আদি তাহানিৰ সাহসী আৰু উদ্যোগী লোকসকলে নিজে স্বাধীন ব্যৱসায়ত নামি জীৱিকা অৰ্জনৰ

চেষ্টা কৰিছিল। কিন্তু শেষপৰ্য্যন্ত শিল্প-ব্যৱসায়ে অসমৰ বেছিভাগ শিক্ষিত লোকক আকৰ্ষণ কৰিব পৰা নাছিল। তাৰ কাৰণ আমি পিছত আলচ কৰিম।

কিন্তু ঢেঁকিয়াল ফুকনে জ্ঞান তথা শিক্ষাৰ আন এক প্ৰভাৱ উল্লেখ কৰিছে: সি মানুহৰ মন মুকলি কৰে, পোহৰ কৰে। কুসংস্কাৰৰ পৰা মানুহক মুক্ত কৰি শিক্ষাই প্ৰকৃতি আৰু আন মানুহৰ লগত তাৰ সম্পৰ্কৰ পৰিবৰ্ত্তন ঘটায়। প্ৰকৃতিৰ বশ নহৈ মানুহে প্ৰকৃতিৰ নিয়মসমূহ বুজিব পৰা হয়, সেইবোৰ ব্যৱহাৰ কৰিব জনা হয়। আনহাতে আন মানুহৰ কেৱল সাংসাৰিক স্বাৰ্থৰ প্ৰতিদ্বন্দ্বী বুলি নাভাবি অথবা স্বাৰ্থসিদ্ধিৰ সহায় বা বিঘিনি বুলি নলৈ "আত্মবৎ সৰ্বভূতেষু" জ্ঞানেৰে বুজিবলৈ শিক্ষাই সহায় কৰে। সেয়ে শিক্ষিত লোকে সমাজত নেতৃত্ব দিব পাৰে বুলি ভবা হয়। গাওঁভূঁইত এতিয়াও সমাজৰ মংগল তথা উন্নতিৰ পথ শিক্ষিত সমাজে দেখুৱাব পাৰে বুলি এটা বিশ্বাস প্ৰচলিত আছে।

পিছে সেই বিশ্বাস ক্ৰমে টুটি আহিছে। মোহমুক্ত দৃষ্টিৰে কেউফালে চালে দেখা যাব যে মেট্ৰিক পাছ কৰিব নোৱাৰা নেতাই কলেজৰ উচ্চশিক্ষিত প্ৰিন্সিপালক নাকী লগাই ঘূৰাবপৰা হৈছে, বিত্তৱন্তকৈ ধনবানৰ সন্মান বেছি, উচ্চ শিক্ষিত সকলে নিজে যিটো ভাল বুলি বুজে, তাক প্ৰকাশ নকৰি ধূৰ্ত আৰু অসৎ ৰাজনীতিবিদৰ কথামতে চলি আছে। শিক্ষাৰ পৰা যে মানুহৰ বিশেষ মানসিক উন্নতি হয়, সেই কথা শিক্ষিতই নিজেই বিশ্বাস নকৰে এতিয়া।

শিক্ষিত সকলৰ আচৰণত এতিয়া অৰ্থলিপ্সাই প্ৰবল। এটা সময়ত বিদ্বানৰ লক্ষণ আছিল সহজ-সৰল অনাড়ম্বৰ জীৱন যাপন। এতিয়া কাপোৰে-কানিয়ে ফিটফাট, ধনে-ক্ষমতাই জাতিস্কাৰ নহলে বিদ্বানৰ বিদ্যাৰ প্ৰতিয়েই সৰ্বসাধাৰণ সন্দিহান হয়। সেয়ে এহাতে টিউচনৰ প্ৰকোপত শিক্ষক বিদ্যাৰ দোকানীত পৰিণত হৈছে আৰু ৰাজনীতিবিদক সংযমৰ শিক্ষা দিয়াতকৈ ক্ষমতাশালী ৰাজনীতিবিদৰ ৰথৰ পিছেপিছে দৌৰি ফুৰাই কিছুমান শিক্ষিত বুদ্ধিজীৱীৰ জীৱনৰ ব্ৰত হৈ পৰিছে। সমাজৰ নেতৃত্ব

আনৰ হাতলৈ গৈছেই। শিক্ষিত সকলে কেৱল সেই নেতৃত্বৰ প্ৰধান লেমটো হ'বলৈ চেষ্টা কৰে।

তাৰ ফলত শিক্ষাৰ ভূমিকাৰে উল্লেখযোগ্য পৰিৱৰ্তন ঘটিছে। এটা সময় আছিল যেতিয়া এক্ষাৰৰ মাজত শিক্ষাক জোঁৰৰ পোহৰ বুলি ভবা হৈছিল। অৰ্থাৎ ৰাজনীতি, অৰ্থনীতি, সকলোৰে দিক্‌নিৰ্ণয় কৰিব বুলি আটায়ে শিক্ষা তথা শিক্ষিতৰ পিনে চাইছিল। উন্নত দেশবোৰত আজিও সেই অৱস্থা আছে। তাৰ সমাজ হৈছে জ্ঞানভিত্তিক সমাজ— "Knowledge-society"। কিন্তু আমাৰ দেশত ৰাজনীতি আৰু অৰ্থনীতিয়ে শিক্ষা আৰু শিক্ষিতৰ চৰিত্ৰ নিৰ্দ্ধাৰণ কৰি দিছে। উত্তৰ প্ৰদেশত বিশেষ এক দলৰ চৰকাৰে নিজৰ ইচ্ছা মতে বুৰঞ্জীৰ পাঠ্যপুথিৰ তথ্য সালসলনি কৰিছে। মুছলমান সকলক বিদেশী আক্ৰমণকাৰী বুলি দেখুৱা হৈছে—তেওঁলোক যে ভাৰতৰ মাটিত বসবাস কৰি ভাৰতীয় হৈ গৈছিল তাৰ উল্লেখ নাই। আনহাতে চৰকাৰৰ নতুন অৰ্থনৈতিক নীতিৰ ফলত সংবিধানত উল্লিখিত সমাজবাদী লক্ষ্য নিষ্প্ৰভ হৈ পৰিছে আৰু সমাজৰ স্বাৰ্থত অৰ্থনীতিৰ নিয়ন্ত্ৰণৰ ধাৰণা তল পৰিছে।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰাজনৈতিক আৰু সাংস্কৃতিক নেতাসকলে —নেহৰু, গান্ধী, ৰবীন্দ্ৰনাথ, ৰাধাকৃষ্ণনে—শিক্ষাৰ ধাৰণা এনেদৰে কৰা নাছিল। পৰাধীন দেশত বিদেশী শক্তিৰ বিৰুদ্ধে সংগ্ৰামত লিপ্ত লোক-সকলে শিক্ষাক জনগণৰ মুক্তি আৰু উন্নতিৰ আহিলা হিচাপে লৈছিল। তেতিয়াৰ শিক্ষাব্যৱস্থাত শিক্ষাৰ এক বিশেষ সকাম বা function আছিল। ভাৰতত বিদেশী শক্তিৰ আধিপত্য প্ৰতিষ্ঠা কৰিবলৈকে পশ্চিমীয়া শিক্ষা প্ৰৱৰ্তন কৰা হৈছিল। লৰ্ড মেকলেই ১৮৪০ চনত শিক্ষানীতিৰ ওপৰত টোকা দি কৈছিল যে ব্ৰিটিছ শাসক আৰু ভাৰতীয় জনগণৰ মাজত যোগাযোগ ৰক্ষা কৰিবলৈ, ভাৰতত ব্ৰিটিছ শাসনৰ ভিত্তি হিচাপে, শিক্ষিত চামক ব্যৱহাৰ কৰিব পৰা যাব। ব্ৰিটিছ শাসনব্যৱস্থাৰ কেৰানী, মহৰী, বিষয়া, কাৰিকৰ আদি যোগান ধৰা আৰু ব্ৰিটিছ সভ্যতাৰ গুণকীৰ্ত্তন কৰাই আধুনিক শিক্ষাৰ লক্ষ্যৰূপে পৰিকল্পনা কৰা হৈছিল। ফলত এনে শিক্ষাই

মানুহক সচেতন কৰাতকৈ মোহগ্ৰস্ত কৰিছিল। তাটোৰ দৰে বিদেশী পাঠ্যপুথিৰ কথা মুখস্থ কৰাই শিক্ষাৰ প্ৰধান পদ্ধতি আছিল। দেশ বা সমাজৰ অভাৱ বা প্ৰয়োজন সম্পৰ্কে চিন্তাত উদ্‌গনি দিয়াৰ প্ৰশ্নই নাছিল।

কিন্তু স্বাধীনতা সংগ্ৰামে বিদেশীৰ মানসিক প্ৰভাৱৰ বিৰুদ্ধেও আমাক সচেতন আৰু সক্ৰিয় হ'বলৈ শিকালে। পশ্চিমীয়া ঔপনিবেশিক ব্যৱস্থাৰ মাজতে সেই ব্যৱস্থাৰ নানা কুপ্ৰভাৱৰ বিৰুদ্ধে আন্দোলন আৰম্ভ হ'ল। পৰাধীন, পৰনিৰ্ভৰশীল মনোভাৱৰ ঠাইত আত্মনিৰ্ভৰশীলতা, দেশ-সমাজৰ উন্নতিৰ প্ৰতি মনোযোগ, সংস্কাৰমুক্ত মন আৰু বলিষ্ঠ ব্যক্তিত্ব গঢ়াৰ চেষ্টাৰে এক বিকল্প শিক্ষানীতি গঢ়ি তুলিবলৈ স্বাধীনতা সংগ্ৰামৰ নেতাসকলে আৰু ভাৰতীয় নৱযুগৰ নায়ক সকলে অহোপুৰুষাৰ্থ কৰিছিল। পশ্চিমীয়া আদৰ্শক বান্দৰৰ দৰে নকল কৰাক তীব্ৰ অৱিহণা দিছিল তেওঁলোকে। কিন্তু নতুন সমাজ আৰু ৰাষ্ট্ৰৰ গঠনত তেওঁলোকে শিক্ষাক বিশেষ গুৰুত্ব দিছিল। আচৰিত নহয় যে ভাৰতীয় সংবিধানত শিক্ষাৰ অধিকাৰক নাগৰিক অধিকাৰৰ অন্তৰ্ভুক্ত কৰা হৈছিল। Directive Principle-ৰ ভিতৰত কোৱা হৈছিল "The State shall endeavour to provide, within a period of ten years from the Government of this Constitution, for free and compulsory education for all children until they reach the age of fourteen years." (Art—45)

স্বাধীন ভাৰতত শিক্ষাব্যৱস্থাৰ ব্যাপক সংস্কাৰৰ বাবে মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত মুদালিয়াৰ আয়োগ, উচ্চশিক্ষাৰ ক্ষেত্ৰত ৰাধাকৃষ্ণান আয়োগ, আৰু শিক্ষাৰ সৰ্বস্তৰৰ ক্ষেত্ৰত কোঠাৰি আয়োগ গঠন কৰি দি ৰাষ্ট্ৰই স্বাধীন দেশ আৰু সমাজৰ উপযোগী শিক্ষাব্যৱস্থা গঢ়ি তুলিবলৈ বিচাৰিছিল। এইবোৰত ব্যক্তিগত গুণাৱলীৰ বিকাশ আৰু উৎকৰ্ষৰ লগত সামাজিক দায়িত্ববোধৰ, বিজ্ঞানৰ লগত মানৱতা আৰু আধ্যাত্মিকতাৰ, সমন্বয় সাধনৰ আদৰ্শ প্ৰচাৰ কৰা হৈছিল। আজি কোনো কোনো বুদ্ধিজীৱী আৰু চৰকাৰী নেতাই

গাৱেঁ-ভূঞে শিক্ষকে ৰাজনীতি কৰা বুলি দুৰ্নাম ৰটনা কৰি ফুৰিছে। অথচ কোঠাৰি আয়োগে অনুন্নত, অনগ্ৰসৰ সমাজত নানা ৰাজনৈতিক, সামাজিক ক্ষেত্ৰত শিক্ষকসকলক স্বাভাৱিক নেতা বুলি ধৰি লৈছে, তেওঁলোকক সেই কামৰ বাবে উদ্‌গনিও দিছে। আজি ৰাষ্ট্ৰৰ যুৱবৰ্গসকলৰ মনোভাৱ কিয় সলনি হ'ল ভাবিব লগীয়া। আজি আন কথা দূৰতে থাকক, অনুপযুক্ত আৰু ক্ষতিকৰ পাঠ্যপুথিৰ সমালোচনা কৰি তাৰ সাল-সলনি ঘটোৱাৰ অধিকাৰেই শিক্ষকৰ নাই।

আনহাতে এতিয়া শিক্ষকৰ চাকৰিও ক'লা বজাৰত ১৪/১৫ হেজাৰ টকাত নীলাম হয়। D.P.I.-ৰ কাৰ্যালয়ত টকাৰ লেন-দেন এক সৰ্বজন-বিদিত ৰাষ্ট্ৰীয় কলংক। এই পৰিবেশত শিক্ষক উচ্চশ্ৰেণীৰ মজুৰ মাত্ৰ; তেওঁ নিজকে সমাজৰ নেতা বুলি ভাবে কেনেকৈ? কিছু পৰিমাণে সাংবাদিক সকলে সেই ঠাই লোৱা বুলি ভাবিব পাৰি। কিন্তু বিশেষ বিশেষ নেতা বা প্ৰতিষ্ঠানৰ দুৰ্নীতি উন্মোচন কৰি তীব্ৰ সমালোচনা কৰা সাংবাদিকসকলে বিকল্প ব্যৱস্থা এটা গঢ়ি তুলিব নোৱাৰে। বৰং তেওঁলোকৰ বৃত্তি এক দুৰ্নীতিগ্ৰস্ত আৰু ক্ষতিকৰ ব্যৱহাৰ safety-valve-ত পৰিণত হৈছে। ৰাইজৰ নিকদ্ধ ক্ৰোধ আৰু ক্ষোভ নিৰ্গত হোৱাত সংবাদপত্ৰই সহায় কৰে, কিন্তু ৰাইজক সুস্থ সমাজ বা ৰাষ্ট্ৰৰ পিনে লৈ যাব নোৱাৰে।

শিক্ষিত চামৰ মাজত শিক্ষাৰ কোনো জীৱন্ত দৰ্শন সক্ৰিয় হৈ থকা নাই। বৰং এক বিৰাট ৰাষ্ট্ৰীয় ব্যৱহাৰ যন্ত্ৰৰ চকৰিৰূপে শিক্ষিত লোক-সকল চলি আছে। সমাজৰ পৰা বিচ্ছিন্ন, সমাজৰ প্ৰতি উদাসীন, শিক্ষিত লোকসকলে ব্যক্তিবাদী, ব্যক্তিকেন্দ্ৰীক মনোভাৱ আশ্ৰয় কৰিছে। মুখত উৎকৰ্ষৰ (excellence) কথা ক'লেও কাৰ্যক্ষেত্ৰত নিৰ্লজ্জ চাটুকাৰিতা, সুবিধাবাদ আৰু দলাদলিৰ যোগেদি নিজৰ career বনাই গৈছে। তাতোকৈ ডাঙৰ কথা হৈছে অতীতৰ বা ক্ষতিকৰ দিশবোৰৰ যথাযথ সমালোচনাৰ জৰিয়তে প্ৰগতিৰ পথ পৰিষ্কাৰ কৰাৰ দায়িত্ব এৰাই যাব ধৰিছে। ব্যক্তিবাদী সমাজত এচামে ঐতিহ্য বা পৰম্পৰাৰ কথাকে দোহাৰি নিজকে আৰু আনক সান্ত্বনা দিছে। কিন্তু সমালোচনা অবিহনে ঐতিহ্যৰ

জীৱন ৰক্ষা কৰা অসম্ভৱ। ব্ৰিটিছ আমোলতো জাতিভেদ—সাম্প্ৰদায়িকতাৰ সমালোচনা কৰা হৈছিল বহুল মানবীয় সত্তাৰ স্বাৰ্থত। কিন্তু এতিয়া এনে মনোভাব লোৱা হৈছে যেনে ৰবীন্দ্ৰনাথ আৰু বেজবৰুৱা বা গান্ধী আৰু নেহৰুৰ ধ্যান-ধাৰণাকে সাৰটি ধৰি আমি বৰ্তমানৰ নানা সংকটৰ পৰা সাৰিব পাৰোঁ—যেন নতুন চিন্তাৰ প্ৰয়োজন নাই। ফলত মানৱতাবাদী, যুক্তিবাদী ঐতিহ্য নতুন যুগৰ সাৰপানী নাপাই নিস্তেজ হৈ পৰিছে। প্ৰবল-বেগে অন্ধবিশ্বাস, কুসংস্কাৰ, সাম্প্ৰদায়িকতাই মানুহৰ মনোজগৎ দখল কৰিছে। বাবা-মহাত্মা, তাবীজ-মাদুলি, তন্ত্ৰমন্ত্ৰই মন্ত্ৰী-বিষয়া-অধ্যাপক সকলোকে আচ্ছন্ন কৰিছে।

আমাৰ বহুসংখ্যক শিক্ষিত লোকে এতিয়াও ভাবি আছে যে অসমখন গোপীনাথ বৰদলৈৰ যুগতে আছে। সেই সময়ত ব্যৱসায়, বৃত্তি, প্ৰশাসনত বিদেশী আৰু বঙালী প্ৰাধান্যৰ পৰা অসমীয়া মানুহ প্ৰথম মুক্ত হৈছে। সামাজিক পৰম্পৰা, শিক্ষা, ৰাজনৈতিক নেতৃত্ব—সকলো দিনৰ পৰা সকলো থলুৱা গোষ্ঠীৰ ওপৰত অসমীয়া মানুহৰ প্ৰাধান্য। ফলত অসমীয়া গোষ্ঠীৰ অগ্ৰণী ভূমিকা সম্পৰ্কে তেতিয়া বিবাদৰ আশংকা নাছিল, নগাসকলক বাদ দিলে। আজি বড়ো, মিছিং, কাৰ্বি, তিৱা আদি প্ৰতি গোষ্ঠী সচেতন, ৰাজনৈতিক অধিকাৰ সম্পৰ্কে উচ্চাভিলাষী। বৰদলৈৰ দিনৰ কৌশল আজি আৰু নচলে। কিন্তু তাৰ অৰ্থ অসমখনেই খণ্ডবিখণ্ড হৈ যোৱা নেকি? থলুৱা গোষ্ঠীবোৰৰ মাজত যোগাযোগ আৰু ঐক্য অন্তৰ্হিত হৈ যাব নেকি? কোনে সেই ঐক্য-সংহতিৰ উপায় উলিয়াব? কি হব সেই উপায়?

আজি শিল্প ব্যৱসায়েই সমৃদ্ধিৰ প্ৰধান কাৰণ। অথচ অসমৰ মানুহ এই ক্ষেত্ৰত অতি পিছপৰা। ফলত আন কেতবোৰ অগ্ৰসৰ অঞ্চলৰ তুলনাত অসম দিনক দিনে পিছ পৰি গৈছে। সেই পৰিস্থিতিৰ সততাই উন্নতি হোৱা টান। ৰাজনৈতিক চেষ্টাৰে অসমৰ অৰ্থনীতিৰ সংস্কাৰ সাধনো এতিয়া অসম্ভৱ। কাৰণ ৰাষ্ট্ৰব্যৱস্থাত অসমৰ স্থান তুচ্ছ, নগণ্য। সেয়ে অৰ্থ নৈতিক হীনমন্যতাত ভোগা ক্ষুব্ধ, হতাশ অসমীয়া যুৱক সন্ত্ৰাসবাদী বিচ্ছিন্নতাবাদৰ প্ৰতি ধাৱমান হৈছে। এনে বিচ্ছিন্নতাবাদে সমাজত এদিনে নাৰকীয়

হত্যাকাণ্ড ঘটাইছে, আনপিনে নিৰীহ জনতাৰ ওপৰত নমাই আনিছে সেনাৰ আতংকজনক সন্ত্রাস। সেই ধাৰাৰ অগ্রগতিত ভেটা দিব কোনে?

আনহাতে প্রয়োজনীয় কাৰিকৰী জ্ঞান আৰু দক্ষতা আয়ত্ত কৰাৰ পৰিবেশ অসমত আজিও গঢ়ি উঠিল। জাৰকালি খেতি কৰিবলৈ জল-সিঞ্চন, সস্তাতে গাঁৱৰ ফচল টাউনলৈ অনাৰ বাবে যথাযোগ্য পৰিবহণ, সুলভ বিদ্যুৎ যোগান শিল্পকৌশল শিকোৱা কৰ্মশালা—অসমত এইবোৰ একো নাই। অৰ্থাৎ শিল্প ব্যৱসায়, উদ্যোগী কৃষি আদি গঢ়ি উঠাৰ পৰিবেশ অসমত এতিয়াও নাই। তেনেহলত কৰ্মবিমুখতাৰ বাবে অসমৰ মানুহক গালি পাৰি থকাটো কিমানদূৰ যুক্তিসংগত ভাবিচাব লগীয়া। এচাম শিক্ষিত অসমীয়াই আজি এই কৰ্মবিমুখতাৰ বাবে জাতিক দোষাৰোপ কৰি বিলাপ কৰি থকা আমাৰ চকুত পৰে। কিন্তু সেই আচৰণে জানো কৰ্মবিমুখতা দূৰ কৰিব পাৰে? অৱশ্যে কৰ্মবিমুখতা দূৰ কৰি পৰিশ্রমী স্বভাৱ গঢ়ি তুলিবলৈ নিয়মিত অনুশীলনো লাগিব কোনে সেই অনুশীলন কৰাব? স্কুল-কলেজ, অফিচ-কাছাৰীত কৰ্মমুখৰ পৰিবেশ সৃষ্টি কৰাৰ দায়িত্ব কোনে ল'ব?

অৰ্থাৎ শিক্ষিত চামৰ শিক্ষাৰ এক নতুন গুণ বা ধৰ্ম বিকশিত হব লাগিব। প্রাচীন ভাৰতত যে এক কৰ্মমুখৰ পৰিবেশ আছিল সন্দেহ নাই। ভাৰতীয় মানুহে নানা বাধা-বিঘিনি জয় কৰি সুদূৰ মংগোলীয়া, কম্বোডিয়া, ইণ্ডোনেছিয়া লৈকে। ভাৰতীয় বৈষয়িক আৰু মানসিক সভ্যতাৰ পতাকা কঢ়িয়াই নিছিল। তথাপি কব লাগিব যে আমাৰ ঐতিহ্যতো কিছু কেৰোণ আছে। ভাৰতীয় চিন্তাত শিক্ষাৰ সাৰ হৈছে দৰ্শন আৰু দৰ্শনৰ উদ্দেশ্য হৈছে মোক্ষ লাভ। কপিল মুনিৰ সাংখ্য দৰ্শন মতে মোক্ষ হৈছে সংসাৰৰ অন্তহীন দুখযন্ত্রণাৰ পৰা মুক্তি। বৌদ্ধ দৰ্শনৰ তাৎপৰ্য্যও তেনেকুৱাই। ষড় দৰ্শনৰ মাজেদি প্রাচীন কালৰ শিক্ষিত চামৰ মাজত এনে মনোভাবেই গঢ় লৈছিল। তাৰ ফলশ্রুতি হিচাপে অসমতো মহাপুৰুষ শংকৰদেৱে গাইছিল, "বিষয় বিষধৰ, বিষে জৰাজৰ।" পশ্চিমৰ বৈজ্ঞানিক চিন্তাধাৰা হৈছে বিষয়ক জয় কৰি মানুহৰ শাসনলৈ অনাৰ চিন্তাধাৰা। প্রকৃতি আৰু সমাজ তথা ৰাষ্ট্ৰক মানুহৰ মংগলৰ বাবে অধ্যয়ন কৰি, তাৰ মূল নিয়ম

সমূহ আৱিষ্কাৰ কৰি, তাৰ ভিত্তিত মানুহৰ সুখ সন্তোষৰ ব্যৱস্থা কৰাই পশ্চিমীয়া বৈজ্ঞানিক চিন্তাধাৰাৰ ধৰ্ম। আমাৰ স্থবিৰ পৰিবেশত সেই চিন্তাধাৰা আজিও বলিষ্ঠ হৈ নুঠিল।

তাথনি ৰবীন্দ্রনাথে ছোবিয়েট কছিয়ালৈ গৈ বিস্ময়াভিভূত হৈ কৈছিল :

"তাঁৰা স্বৱশ—তাদেৰ হাত হাতীয়াৰ স্বৱশ।"

আনহাতে ভাৰতত সাধাৰণ মানুহে কেতিয়াও অনুভৱ নকৰে যে তেওঁলোক স্বাধীন, যে তেওঁলোকে নিজৰ ভাগ্য নিজেই গঢ়িব পাৰে, যে তেওঁলোকৰ জীৱনক এচাম হৃদয়হীন মালিক, চৰকাৰ আৰু অদৃষ্টৰ কবলৰ পৰা মুক্ত কৰিব পাৰি। সেইটো যিদিনা কৰিব পৰা যাব সেইদিনা বৈজ্ঞানিক চিন্তাধাৰা ভাৰতীয় সমাজত প্রতিষ্ঠা কৰাও সহজ হ'ব। কৰ্মবিমুখতাও অন্তৰ্হিত হব সেই নতুন প্ৰাণচঞ্চল পৰিবেশত। শিল্প-ব্যৱসায়ৰ অন্তৰায় সমূহ উলিয়াই তাক দূৰ কৰা, গোষ্ঠীগত বিবাদ সমূহৰ স্থায়ী সমাধানৰ সূত্ৰ উলিওৱা তেতিয়া সম্ভৱ হ'ব। শিক্ষাও সেই পৰিবেশত জীৱন গঢ়াৰ শিক্ষা হব পাৰিব।

কিন্তু মেৰুদণ্ডৰ ভিত্তিত কোনে টিলিঙা বাঁধিব? ভাৰতৰ ভিতৰতো অসমৰ আকৌ এক সুকীয়া অৱস্থান। পৰিস্থিতিটো ভালদৰে অধ্যয়ন কৰা দৰকাৰ। যোৱা ৪৫টা বছৰত ভাৰতীয় সমাজক নেতৃত্ব দিয়া শ্ৰেণীটোৱে দেশৰ মানুহক সবল বা স্বাধীন কৰিব নোৱাৰিলে। শতকৰা ৫০ জন মানুহ নিঃসীম দাৰিদ্ৰ্যৰ অন্ধকূপত নিমজ্জিত—এসাজ খাবলৈ পালে পিছৰ সাজৰ বাবে ভাবিব লগীয়া হয়। উপাৰ্জনৰ সুযোগ-সুবিধা তেওঁলোকৰ বাবে সুনিশ্চিত নহয়। ৪৫ বছৰৰ মূৰত, হেজাৰ-হেজাৰ কোটি টকা খৰচ হোৱাৰ পিছত, দেখা গ'ল অৰ্থনৈতিক স্বাধীনতা এতিয়াও সুদূৰ পৰাহত। এতিয়া অৰ্থনৈতিক প্ৰগতিৰ বাবে স্বাৱলম্বিতাৰ আশা জলাঞ্জলী দি বিদেশী পুঁজিৰ হাতত দেশখন পুনৰ এৰি দিবলৈ বিচৰা হৈছে। শাসকশ্ৰেণীৰ হাতত বিপুল ধন, তেওঁলোকৰ জীৱনযাত্ৰা বিলাসিতা আৰু আড়ম্বৰত পৰিপূৰ্ণ। নিজে যেহেতু দেশগঠন কৰিব নোৱাৰিলে, তেওঁলোকৰ মাজত বাঁহ লৈছে দুৰ্নীতি আৰু অৱক্ষয়ে। এই শ্ৰেণীটোৱে আৰু এই শ্ৰেণীটোৰ

লগবীয়া শিক্ষিত চামে অসমৰ তথা ভাৰতৰ জনগণৰ উন্নতি সাধন কৰিব আৰু নোৱাৰে।

এই যে শতকৰা ৫০ জন দৰিদ্ৰ, তেওঁলোকৰ শিবিৰতে আছে অসমৰ দৰে অৱহেলিত অঞ্চল সমূহ। ইয়াতো দেখা যায় ঔপনিবেশিক যুগৰ দৰে স্থানীয় গোষ্ঠী সমূহ নিঠকৰা হৈ আছে আজিও। শিল্পব্যৱসায়ৰ প্ৰসাৰ যদি হৈছে সি তেওঁলোকৰ সমৃদ্ধি বা উন্নতিৰ বাবে হোৱা নাই। এচাম সুবিধাবাদী ধনী অসমীয়াক বাদ দিলে বাকী অসমীয়া মানুহৰ মন আশংকা আৰু হতাশাৰে আচ্ছন্ন। চাহশিল্পক লৈ আমি গৌৰৱ কৰোঁ, তাৰ মালিক সকল কিন্তু বাহিৰৰ। তেওঁলোকৰ দৃষ্টিভংগী আজিও অসমৰ সুখদুখৰ লগত জড়িত হৈ নপৰিল। আমাৰ ৰাজনৈতিক নেতৃত্বও ভাৰতীয় মালিক সকলৰ প্ৰভাৱাধীন। ফলত নুমলিগড় শোধনাগাৰত অসমৰ সমূহ বাইজৰ আশা-আকাংক্ষা আওকান কৰি বাজ্যিক চৰকাৰে নিজৰ কৰ্তৃত্ব নিজে এৰি দিলে। অথচ আমাক লাগে এনে ৰাজনৈতিক নেতৃত্ব যি ৰাজ্যখনৰ অভাৱ অভিযোগৰ মূল কাৰণবোৰ উপলব্ধি কৰি সেইবোৰ গুচাবলৈ ভাৰতীয় মালিকশ্ৰেণীৰ বিৰুদ্ধে দৃঢ়ভাৱে সংগ্ৰাম চলাব পাৰে। অনগ্ৰসৰতা দূৰ কৰিবলৈ নতুন কৃষিনীতি, শিল্পনীতি, শিক্ষানীতি গঢ়ি অসমক নকৈ গঢ়িবলৈ আগবাঢ়ি আহিব পাৰে। আজি আমাৰ শিক্ষানীতি চাওক। অৱস্থাপন্ন মানুহ চামৰ বাবে কেউপিনে কাঠফুলাৰ দৰে গঢ়ি উঠিছে ইংৰাজী মাধ্যমৰ স্কুল। এইবোৰত গঢ় লৈছে চামে চামে সুবিধাবাদী উন্নাসিক। এওঁলোকে দেশগঠনৰ চিন্তা কৰিব পাৰেনে? পঞ্জাব, কেৰালাৰ মানুহে ইয়াৰ যোগেদি ব্যৱসায় কৰিছে। চৰকাৰে নিয়ন্ত্ৰণ কৰা নাই। ৰাইজে নিজে বহুত ধন ভৰি ল'বা ছোৱালীক অসমৰ স্বাৰ্থৰ বিপৰীতে গঢ় লবলৈ এৰি দিছে।

অসমীয়া মাধ্যমতো প্ৰায় একেধৰণৰ অৱস্থা। যান্ত্ৰিক শিক্ষাৰ অন্তত যান্ত্ৰিক পৰীক্ষা। শিক্ষক সকলে অনুভৱ নকৰে যে তেওঁলোকে জাতি বা দেশ গঠনত বৰঙণি দিছে। ছাত্ৰ-ছাত্ৰীয়ে অনুভৱ নকৰে যে দেশ বা জাতি গঠনৰ বাবে তেওঁলোক প্ৰস্তুত হৈছে। এনে শিক্ষাৰ পৰা অন্ধ স্বাৰ্থপৰতাৰ

বাহিৰে আন একো আহৰণ কৰা টান। বিশ্ববিদ্যালয় সমূহো এই যান্ত্রিক, প্রাণহীন, উদ্দেশ্যহীন কাৰখানা ব্যৱস্থাৰ কেন্দ্র মাত্র। কোনো কোনোৱে বাতৰি কাকতত অভিযোগ কৰিছে যে বিশ্ববিদ্যালয়ত উচ্চ চিন্তা আৰু নাই, উৎকৰ্ষৰ প্ৰতি ধাউতি নাই, যে এচাম ক্ষুৰাকাংক্ষী বামপন্থী আৰু আঞ্চলিকতাবাদী শিক্ষকে বিশ্ববিদ্যালয় শেষ কৰিলে। এই বিলাক পণ্ডিতমূৰ্খই বুবুজে যে উপাচাৰ্য্যকে ধৰি বিশ্ববিদ্যালয়ৰ নেতৃত্ব বামপন্থী বা আঞ্চলিকতাবাদীৰ হাতত সততে পৰা নাই। তেনে বামপন্থী বা আঞ্চলিকতাবাদীৰ হাতত যদি নেতৃত্ব পৰিছে—জনগণ বা অৱহেলিত অঞ্চলৰ প্ৰকৃত স্বাৰ্থ বা আশা-আকাংক্ষাৰ প্ৰতি তেওঁলোকৰ কোনো সহানুভূতি নাই। আঞ্চলিকতাবাদৰ নামত তেওঁলোকে চৰম সুবিধাবাদহে অনুশীলন কৰিছে।

সেয়ে শিক্ষিত চামে অসমত নিজৰ ৰাজনৈতিক আৰু সামাজিক লক্ষ্য সম্পৰ্কে স্পষ্ট ধাৰণা কৰিব লাগিব। ভাৰতীয় মালিকশ্ৰেণী আৰু তেওঁলোকৰ স্থানীয় লেমটো বিলাকৰ পৰা আঁতৰি আহিব লাগিব। কিন্তু সেইটো মাত্র প্রথম খোজ। দেশগঠনৰ বাবে নিজকে সুশিক্ষিত কৰি উপযুক্ত মানসিক বা বৌদ্ধিক নেতৃত্ব সমাজৰ সকলো স্তৰত দিবলৈ সাজু হব লাগিব। তেওঁলোকে দেখিছে যে বৰ্ত্তমান সমাজত প্ৰচুৰ ধন ঘটাৰ সুযোগ তেওঁলোকে পাইছে। কিন্তু সেইবোৰ সুযোগ লবলৈ গ'লে দেশগঠন বা জাতিগঠনৰ নেতৃত্বৰ সুযোগ তেওঁলোকে হেৰুৱাব। যি বিৰাট যন্ত্ৰটোৰ হেঁচাত অসমবাসী নিপিষ্ট, সেই যন্ত্ৰৰ কল-কব্জা হ'লেহে ধন ঘটা সম্ভৱ। সেই যন্ত্রটোৰ হেঁচাত দেশৰ পৰা আৰু অসমৰ পৰা গণতন্ত্ৰ প্ৰায় লুপ্ত হৈছে। জনসাধাৰণৰ সহায়ত, তেওঁলোকৰ শ্ৰীবৃদ্ধি আৰু মংগলৰ বাবে, গণতন্ত্ৰ প্ৰতিষ্ঠাই শিক্ষিত চামৰ প্ৰধান কৰ্তব্য হোৱা উচিত। তেনেহলে জনসাধাৰণৰ ওপৰত থকা নানাবিধৰ বোজা দূৰ কৰি, বৈজ্ঞানিক দৃষ্টিভংগী তেওঁলোকৰ মাজত প্ৰতিষ্ঠা কৰা আৰু তেওঁলোকক সকলোপিনৰ পৰা স্বনিৰ্ভৰ হবলৈ শিকোৱাই শিক্ষিত চামৰ কৰ্তব্য আজিৰ পৰিস্থিতিত। তাৰ বাবেই ভাৰত ব্যাপি তেওঁলোকে বিজ্ঞান আৰু গণতন্ত্ৰৰ বন্ধু বিচাৰি,

নিজৰ লগত লব লাগিব। সংকীর্ণ আঞ্চলিকতাৰে অঞ্চলটোৰ জনগণৰ মুক্তি ঘটোৱা অসম্ভৱ। স্থানীয় সংস্কৃতিৰ উন্নতিৰ বাবেও বাহিৰৰ সংস্কৃতিৰ সজ উপাদানবোৰ গ্ৰহণ কৰিব লাগিব। শোষণ আৰু দমনৰ বিৰুদ্ধে অৱস্থান লব লাগিব সমাজৰ সকলো স্তৰত। গাৱঁত প্ৰচণ্ড মহাজনী সুদৰ বিৰুদ্ধে আৰু ৰাজ্যত বাহিৰৰ পুঁজিপতিৰ লোভৰ বিৰুদ্ধে। নহলে জনসাধাৰণৰ ভাবমুক্ত হৈ তেওঁলোকৰ লগ লাগিব নোৱাৰিব। আৰু জনগণৰ সহযোগিতা অবিহনে জাতিগঠন অসম্ভৱ।

কিন্তু সবাতোকৈ আগ কথা এটা অৱস্থান লোৱা, পথ নিৰ্বাচন কৰা। একো নভবাকৈ উটি ভাহি গৈ থাকিলে সমাজৰ শাসকশ্ৰেণীয়ে চলাই থকা দুৰ্নীতি আৰু অধঃপতনৰ অংশীদাৰ হব লাগিব। ই এক কঠিন নিৰ্বাচন। সুখসুবিধা বিচৰা সকলে এই নিৰ্বাচন কৰিব নোৱাৰে। আনহাতে জাতি আৰু গণতন্ত্ৰৰ সপক্ষে থিয় দিয়া সকলে জীৱনৰ অৰ্থ আৰু উদ্দেশ্য বিচাৰি পাব, মনত অনুভৱ কৰিব গভীৰ সন্তুষ্টি।

[১৯৯২ চনত সৰুপেটাৰ মহাবিদ্যালয়ত দিয়া ভাষণ]

অসমীয়া জনগণ নিপীড়িত নে?

আজিৰ আলোচনাৰ বিষয় হৈছে "স্বাধীন ভাৰতৰ আৰ্থ সামাজিক ব্যৱস্থা আৰু অসমৰ সৰ্বসাধাৰণ ৰাইজ।" অৰ্থাৎ অসমৰ "সৰ্বসাধাৰণ ৰাইজ'ৰ দৃষ্টি ভংগীৰ পৰাই আলোচনাটো হব লাগিব।

কথাটো আৰু অলপ দকৈ ভাবি চোৱা দৰকাৰ। অসমৰ সৰ্বসাধাৰণ ৰাইজ যে স্বাধীন ভাৰতৰ আৰ্থ সামাজিক ব্যৱস্থাত নিপীড়িত, কথাটো বিষয়-বস্তুৰ মাজত নিহিত হৈ আছে। এই কথা ঠিক যে স্বাধীন ভাৰতৰ আৰ্থ সামাজিক ব্যৱস্থাত অসমৰ শ্ৰমজীৱী লোকচাম সবাতোকৈ বেছি নিপীড়িত আৰু অৱদমিত হৈছে। কিন্তু অসমৰ থলুৱা শিক্ষিত মধ্যবিত্ত, ব্যৱসায়ী, শিল্পপতি সকলো সেই ব্যৱস্থাৰ পৰা কিছু পৰিমাণে হলেও ক্ষতি-গ্ৰস্ত হৈছে। এতেকে আমি পৰিস্থিতিটো জাতীয় নিপীড়নৰ পৰিস্থিতি বুলিও কব পাৰোঁ। ভাৰতৰ সাম্প্ৰতিক আৰ্থ সামাজিক ব্যৱস্থাত জাতি হিচাপে অসমীয়া নিপীড়িত।

দ্বিতীয় কথাটো হ'ল: এই নিপীড়িত জাতিটোৰে শোষণ আৰু অৱ-দমন সম্পৰ্কে কি ব্যৱস্থা ল'ব লাগিব? নিঃসন্দেহে কেজবোৰ আৰ্থ সামাজিক কাৰ্য্যকলাপ অবিহনে সেই শোষণ-নিপীড়নৰ পৰিস্থিতিৰ অৱসান ঘটোৱা টান হ'ব। এটা সময়ত যিকোনো বিপ্লবী চৰকাৰে নিজ দেশৰ উন্নয়নৰ বাবে সমাজতান্ত্ৰিক ৰুছ বা চীনৰ আৰ্থিক সাহায্য আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰশিক্ষণ আদি পোৱাটো নিশ্চিত আছিল। আনকি চীন দেশেও ৰুছিয়াৰ পৰা বিপ্লৱৰ সাফল্যৰ পিছত প্ৰচুৰ সহায়-সহযোগ লাভ কৰিছিল। এনেকৈয়ে সেই দেশবোৰৰ অৰ্থ নৈতিক স্বাৱলম্বিতা তথা স্বাধীনতাৰ বুনিয়াদ ৰচিত হৈছিল।

কিন্তু ছোবিয়েট ৰুছিয়াৰ অৰ্থনীতিত স্থবিৰতা বৃদ্ধি পোৱাৰ ফলত এনে জৰুৰী সহায় ক্ৰমে অনিশ্চিত হৈ পৰিছিল। ছোবিয়েট ৰুছিয়াৰ পতনৰ পিছত সেই আশা বাদেই দিবলগীয়া হ'ল। প্ৰবল পৰাক্ৰমে যুদ্ধ কৰি

আমেৰিকাক পৰাস্ত কৰা ভিয়েটনামে আজি পুনৰ ভিক্ষাপাত্ৰ লৈ আমেৰিকাৰ ওচৰচাপিবলগীয়া হৈছে। কিউবাৰ ওপৰতো প্ৰৱল হেঁচা পৰিছে। সমাজতন্ত্ৰ ৰক্ষাৰ বাবে বদ্ধপৰিকৰ হৈ ফিডেল কাস্ত্ৰোৰ নেতৃত্বত অৰ্থনৈতিক সংগ্ৰাম চলোৱা কিউবাৰ জনগণৰ আয় দ্ৰুতগতিত হ্ৰাস পাইছে। উন্নত পুঁজিবাদী দেশে সহায় কৰিলেও তাৰ বিনিময়ত দুগুণ ধন উলিয়াই লব। অতএৱ এটা অনগ্ৰসৰ অৱদমিত অৰ্থনীতি স্বনিৰ্ভৰশীল কৰিবলৈ কেতবোৰ ব্যৱস্থা এতিয়াই আৰম্ভ নকৰিলে নহব। আধুনিক অৰ্থনীতিৰ বাবে পুঁজিসঞ্চয়, প্ৰয়োজনীয় প্ৰযুক্তিবিদ্যা আৰু দক্ষতা (skill) আহৰণ, অৰ্থ নৈতিক বিকাশৰ বাবে অসমৰ নিৰ্দিষ্ট পৰিস্থিতিত প্ৰয়োজনীয় ব্যৱস্থা সম্পৰ্কে চিন্তা আৰু গৱেষণা, আদি কাম এতিয়াই কৰিব লাগিব।

তেনে ধৰণৰ চিন্তা, কৰ্মনীতি (strategy) আৰু প্ৰচেষ্টা অবিহনে কেৱল ৰাজনৈতিক স্বাধীনতাৰ বাবে সংগ্ৰাম কৰিলে সেইটো এক অবাস্তৱ, ৰোমাণ্টিক সংগ্ৰামত পৰিণত হব। যেহেতু তেনে স্বাধীন যুদ্ধৰ কোনো দৃঢ় সামাজিক ভিত্তি নাথাকে, তাৰ বিৰুদ্ধে সৰ্বভাৰতীয় শাসকশ্ৰেণীয়েও নানা কূটকৌশল লোৱাৰ সুবিধা থাকি যায়। অথচ তলতীয়া জাতিৰ মাজত সকলো শ্ৰেণীকে সামৰি তেনে সংহত আৰ্থ সামাজিক ব্যৱস্থা লোৱাৰ কোনো উদ্যোগ দেখা নাযায়। যি ৰাজ্য চৰকাৰৰ পৰা তেনে ব্যৱস্থা আশা কৰা যায়, সেই ৰাজ্যচৰকাৰ সৰ্বভাৰতীয় শাসনযন্ত্ৰৰ এক ক্ষুদ্ৰ চৰ্কি মাত্ৰ— উন্নয়ন সম্পৰ্কে মন্ত্ৰীয়ে যিমানেই ভাষণ নিদিয়ক, ৰাজ্য চৰকাৰৰ প্ৰধান দায়িত্ব হ'ল অসমীয়া জাতিৰ ওপৰত শোষণ চলোৱাৰ ক্ষেত্ৰখন নিৰাপদকৈ ৰখা।

তেন্তে সেই দায়িত্ব কোনে লব? অসমীয়া জনগণৰ আৰ্থ সামাজিক পৰিস্থিতিৰ বাস্তৱ ছবিখন উপলব্ধি কৰি যি সংগঠন বা শক্তিয়ে প্ৰতিকাৰৰ বাবে সুচিন্তিত উদ্যোগ লৈছে সেই সংগঠন বা শক্তিয়ে হে অসমীয়া জাতিৰ প্ৰকৃত মুক্তিৰ উপায় কৰিব পাৰিব। অন্যথায় নৈৰাজ্য আৰু বিভ্ৰমৰ মাজত সকলো শেষ হৈ যোৱাৰ ভয় আছে।

এনে সংগঠনে সকলো জাতীয় শ্ৰেণীকসাঙুৰি ললেই নহ'ব, প্ৰতি শ্ৰেণীৰ

শক্তি আৰু দুৰ্বলতাৰ কথাও চিন্তা কৰিব লাগিব। শোষণ-নিপীড়নকাৰীৰ বিৰুদ্ধে বিভিন্ন শ্ৰেণীৰ জাতীয় ঐক্য কেনেদৰে স্থাপন কৰা সম্ভৱ হ'ব তালৈকো চকু ৰাখিব লাগিব। উদাহৰণস্বৰূপে জনগোষ্ঠী, জাতি, ধৰ্মৰ বিবাদ-বিচ্ছেদ সমূহ ওৰ পেলাবলৈ সুচিন্তিত প্ৰচাৰ নচলালে, পদক্ষেপ নল'লে, প্ৰয়োজনীয় অৰ্থনৈতিক ব্যৱস্থাও কাৰ্য্যকৰী নহ'ব। অৰ্থাৎ বিশুদ্ধ অৰ্থ নৈতিক সংগ্ৰামৰ উপৰিও সামাজিক-ৰাজনৈতিক সংগ্ৰামৰ গুৰুত্ব অপৰিসীম।

অসমৰ জনসাধাৰণৰ সৰাতোকৈ সংগ্ৰামী চাম মানুহ হৈছে কৃষক। এওঁলোকৰ মাজত স্বাধীন কৃষক তথা মজদীয়া কৃষকৰ মনোবৃত্তিয়েই প্ৰবল। এবিধা মাটিৰ মালিকেও কাৰো ওচৰত মূৰ দোৱাব নোখোজে। জনজাতীয় কৃষকসকল কিন্তু ক্ৰুতগতিত কৃষিবমুৱাত পৰিণত হ'ব ধৰিছে। এই দুই চাম মানুহৰ সাহস, ধৈৰ্য্য, নিষ্ঠাৰ তুলনা নাই। কিন্তু নানা ধৰণৰ ধৰ্মীয় অন্ধবিশ্বাস আৰু কুসংস্কাৰে এওঁলোকৰ মন আচ্ছন্ন কৰি ৰাখিছে। এওঁলোক সহজে বিভ্ৰান্তও হয়।

অসমীয়া ব্যৱসায়ী-শিল্পপতিৰ মাজত স্বাধীনচিন্তীয়া আৰু উৎপাদনমুখী লোক কিছু নথকা নহয়। কিন্তু তেওঁলোকে প্ৰতিকূল পৰিস্থিতিৰ মাজত প্ৰায়েই দুৰ্বল অনুভৱ কৰে। সৰহভাগৰে চুটি বুধিৰ আঁচনি হৈছে যেনে তেনে ধন সংগ্ৰহ কৰি বেংকত (নামী বেনামী একাউন্টত) জমা থোৱা। অৰ্থাৎ চৰকাৰী তহবিল লুট কৰা, বাইজৰ হকে দেখুৱা চৰকাৰী আঁচনিৰ ধন মন্ত্ৰী-বিষয়াৰ সহযোগত লুট কৰা, প্ৰবঞ্চনা, দুৰ্নীতি, এওঁলোকৰ বেছিভাগৰে মনঃপূত কাৰ্য্যপন্থা। সেয়ে উৎপাদনৰ ক্ষেত্ৰত মুখ্য ভূমিকা লবলৈ বহুতৰে ইচ্ছা আৰু সাহসৰ অভাৱ। বাহিৰা পুঁজিৰ থলুৱা যোগানী হিচাপেই নিৰাপদে ধন সংগ্ৰহ কৰিবলৈ এওঁলোকৰ থাউতি বেছি। আজি দুটামান দশক ধৰি এওঁলোকৰ মাজত জাতীয় ভাবৰো অৱনতি ঘটিছে। নিজৰ শ্ৰেণীৰ মাজত ঐক্য নাই, আৰু আন শ্ৰেণীৰ অসমীয়াৰ দুখদুৰ্দ্দশাৰ কথা ভবাৰ সময় নাই ; এয়ে তেওঁলোকৰ বৰ্তমান মানসিকতা। ফলত বাহিৰা বজৰুৱা সংস্কৃতিৰ প্ৰভাৱ এওঁলোকৰ মাজত বেছি। সি তেওঁলোকৰ জাতীয় সত্তা আৰু দুৰ্বল কৰিছে।

শিক্ষিত মধ্যবিত্ত—যাক থুলমূলকৈ intelligentsia বুলিব পাৰি—প্ৰধানকৈ ওপৰত উল্লেখ কৰা শ্ৰেণীটোৰ লগতে আছে। কিন্তু বৃজনসংখ্যক বুদ্ধিজীৱী আজি জাতীয় নিপীড়ন সম্পৰ্কে সচেতন। বৰ্তমান আৰ্থ-সামাজিক ব্যৱস্থাত কিদৰে অসমীয়া জাতীয় বিকাশ বন্ধ আৰু পংগু হৈছে সেই বিষয়ে তেওঁলোক উদ্বিগ্ন। এওঁলোকেই বিভিন্ন শ্ৰেণীৰ অসমীয়াৰ সমস্যা-সমূহ আৰু পৰিস্থিতি অধ্যয়ন কৰি এক যথাযথ কাৰ্য্যসূচী উদ্ভাৱন কৰিব পাৰে। এই কাৰ্য্যসূচী আগতে উল্লেখ কৰাদৰে কেৱল ৰাজনৈতিক নহয় আৰ্থ সামাজিক কেনেকৈ আধুনিক উৎপাদন আৰু চিন্তাৰ সৈতে অসমৰ বিভিন্ন শ্ৰেণীক জড়িত কৰিব পাৰি, সেই চিন্তা আৰু আঁচনি এওঁলোকেই উদ্ভাৱন কৰিব লাগিব।

এইখিনিতে উল্লেখ কৰিব পাৰি যে শোষণ, নিপীড়ন আৰু অন্যায় সম্পৰ্কে সচেতন হলেও অসমৰ সৰ্বসাধাৰণ ৰাইজ উৎপাদনমুখী শ্ৰমৰ প্ৰতি বিমুখ হোৱাটোও সঁচা কথা। আধুনিক যুগৰ জাতীয় বিকাশৰ চৰ্ত হৈছে উৎপাদনৰ ক্ষিয়তে পুঁজিগঠন। এই পুঁজি ব্যক্তিগত পুঁজি-পতিৰ নেতৃত্ব আৰু দখলতো হব পাৰে বা সমাজবাদী ৰাষ্ট্ৰৰ নেতৃত্ব আৰু কতৃ'ত্বতো হব পাৰে। কিন্তু পুঁজি গঠন লাগিবই। শৃংখলাবদ্ধ শ্ৰমৰ অভ্যাস জাতিৰ মাজত ব্যাপ্ত নহলে এনে পুঁজিগঠন অসম্ভৱ। কিন্তু শৃংখলাবদ্ধ শ্ৰমৰ অভ্যাস আমাৰ মাজত গঢ়ি উঠা নাই। ভৱিষ্যতৰ প্ৰতি দৃষ্টি ৰাখি উৎপাদনৰ প্ৰসাৰ ঘটাবলৈ তেনে শ্ৰম বেছি ভাগ কৃষকেও কৰিব নোখোজে, ব্যৱসায়ীয়েও কৰিব নোখোজে।

প্ৰকৃতাৰ্থত এই পৰিস্থিতিটোৰ বাবে ব্ৰিটিছ সাম্ৰাজ্যবাদ আৰু তাৰ পিছত ৰাষ্ট্ৰযন্ত্ৰৰ অধিকাৰী হোৱা ভাৰতীয় বৃহৎপুঁজিও কম দায়ী নহয়। দেশৰ জনগণক সস্তীয়া শ্ৰমিকত পৰিণত কৰিবলৈ প্ৰথমে ব্ৰিটিছে চেষ্টা কৰিলে। এটা উদাহৰণ দিলেই যথেষ্ট হ'ব। ব্ৰিটিছে অসম দখল কৰি দেখিলে যে পেটেভাতে খাই থাকিব পাৰিলেও অসমীয়া খেতিয়কৰ হাতত নগদ ধন নাই। অথচ নগদ ধনেৰেই খাজনা দিব লাগে। হঠাতে প্ৰচণ্ডবেগে খাজনা বঢ়াই মানুহখিনিব নিছলা কৰি চাহবাগানৰ শ্ৰমিকত পৰিণত

কৰিব খোজা হ'ল। স্বাধীনচিতীয়া অসমীয়া প্ৰজাই সশস্ত্ৰ সংগ্ৰাম কৰিলে, কিন্তু চাহবাগানলৈ নগ'ল। বাহিৰৰ সবল আদিবাসীক কুলীৰ মেলি অসমলৈ আনি সঁজাত ভৰাইহে চাহবাগানৰ শ্ৰমিক গোটাইছিল ব্ৰিটিছে।

স্বাধীনতাৰ পিছতো ৰাজ্যখনৰ পৰিপূৰ্ণ অৰ্থনৈতিক পুনৰ্গঠন তথা বিকাশৰ দায়িত্ব অসমীয়া মানুহৰ হাতত নপৰিল। বৃহৎ পুঁজিৰ প্ৰয়োজনত কেন্দ্ৰীভূত ৰাষ্ট্ৰব্যৱস্থা দিল্লীৰ পৰা পৰিচালিত হ'বলৈ ধৰিলে। অসমৰ প্ৰাকৃতিক সম্পদৰ যথাযোগ্য ব্যৱহাৰৰ ভিত্তিত বসুৱা উদ্যোগ গঢ়াৰ প্ৰশ্নই মুঠিল। ভূমি সংস্কাৰ কিছু হ'ল, অথচ দুৰ্বল কৃষকৰ হতুৱাই কৃষিৰ উন্নতিৰ কোনো ব্যৱস্থা নহ'ল। মাটিৰ দখলীস্বত্ব পোৱা কৃষকে শেষত পুনৰ মাটি হেকৰ'বলগীয়া হ'ল ধাৰকৰ্জৰ হেঁচাত। ৰাজ্যচৰকাৰ অসমীয়া জাতীয় আশা-আকাংক্ষাৰ বাহক নহৈ দিল্লীৰ আজ্ঞাবাহী হৈ পৰিল। ফলত শৃংখলাবদ্ধ শ্ৰমৰ অভ্যাস ব্যাপকভাৱে অসমত গঢ় নল'লে। আজি আকৌ তাৰ ফলতে তীব্ৰ নিবনুৱা সমস্যা তীব্ৰতৰ হৈ পৰিছে। স্থবিৰ অৰ্থনীতিত শোষণ চলিব পাৰে, তেনে শ্ৰমৰ অভ্যাস গঢ় নলয়। বহুকাল স্থবিৰ হৈ থকা অসমৰ অৰ্থনীতিত বাহিৰৰ পুঁজিয়ে এতিয়া কিছু নতুন ধৰণৰ ঢৌ সঞ্চাৰ কৰিছে। কিন্তু তাৰ সুযোগো বাহিৰৰ দক্ষ শ্ৰমিকে লব ধৰিছে।

কেতবোৰ পদলেহনকাৰীয়ে অসমীয়াক "শ্ৰম বিমুখ" "এলেহুৱা" বুলি আত্মতুষ্টি লাভ কৰিছে। কিন্তু উপযুক্ত ৰাষ্ট্ৰ আৰু আৰ্থ-সামাজিক অভাৱত অসমৰ জনসাধাৰণে আত্মবিকাশ নাপালে। শিক্ষাব্যৱস্থাৰ পৰাও সেই লাভ নকৰিলে। গোলমাল সেইখিনিতে। ইয়াৰ অৰ্থ বৃহৎ পুঁজিক সহায় কৰা।

কিন্তু কথাটো বুজি উঠাৰ পিছত আমি হাত সাৱটি বহি থাকিব নোৱাৰোঁ। উৎপাদনমুখী শ্ৰমৰ বাবে বৈষয়িক আৰু মানসিক পৰিবেশ ৰচনা কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা সমূহ লবৰ বাবে আমি যথাযোগ্য কৰ্মনীতি আৰু কাৰ্য্যসূচী সহ সংগঠন গঢ়ি তুলিব লাগিব। এই সংগঠনৰ ভিত্তি হ'ব অসমৰ দেশপ্ৰেমিক জনগণ। এনে সংগঠনে কৃষি, শিল্প, ব্যৱসায় আদি ক্ষেত্ৰত অসমীয়া মানুহৰ সামৰ্থ্য আৰু দক্ষতা বঢ়াবলৈ চেষ্টা কৰিব লাগিব।

লগে লগে যিবোৰ শক্তিৰ প্ৰভাৱে এনে ক্ষেত্ৰত অসমীয়াৰ জাতীয় বিকাশ বন্ধ কৰে, সেইবোৰৰ বিৰোধিতা কৰিব সামাজিক আৰু ৰাজনৈতিকভাৱে। অৰ্থাৎ আমাৰ ৰাজনীতি ওপৰে-ওপৰে নহৈ অৰ্থ নৈতিক লক্ষ্য আৰু স্বাৰ্থৰ লগত গভীৰভাৱে জড়িত হৈ থাকিব লাগিব। এনে দৰে আগবাঢ়োঁতে অসমীয়া বিভিন্ন শ্ৰেণীৰ মাজত, গোষ্ঠীৰ মাজত দ্বন্দ্বসংঘাতৰ উদ্ভৱ হব পাৰে। কিন্তু শত্ৰুৰ বিৰুদ্ধে, অনগ্ৰসৰতাৰ বিৰুদ্ধে, পৰনিৰ্ভৰতাৰ বিৰুদ্ধে সকলো অসমীয়াই পৰস্পৰৰ মাজত বুজাবুজিৰে ঐক্যবদ্ধ হব লাগিব।

অৰ্থাৎ আমি অসমত থকা সকলো ব্যক্তিগত পুঁজি আৰু সম্পত্তিৰ বিলোপ সাধন কৰি একেকোবেই সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ কথা কোৱা নাই। আমি ভাবোঁ অসমৰ পৰিস্থিতিত মাও ছে' তুঙে সূত্ৰায়ন কৰা “নতুন গণতন্ত্ৰ” (New Democracy) বা তাৰ কিবা এটা ৰূপেই উপযুক্ত আহি হ'ব। আমি জনগণক অৰ্থ নৈতিক বোজাৰ পৰা মুক্ত কৰি তেওঁলোকৰ সকলো স্তৰতে উৎপাদন ক্ষমতা বৃদ্ধি কৰিব খোজো।

ধৰ্মীয় মৌলবাদ আৰু অসম

"ধৰ্মীয় মৌলবাদ" শব্দ দুটা শুনাত সিমান ভয়ংকৰ নহয়। কোনো ধৰ্মৰ মূল নীতি আৰু বিশ্বাসবোৰত কোনোবাই যদি অটল আস্থা প্ৰকাশ কৰে তাত আপত্তিৰ কি কাৰণ থাকিব পাৰে? কিন্তু মৌলবাদৰ অৰ্থ তাতেই শেষ হৈ নাযায়। মৌলবাদীয়ে সেই মূল নীতি আৰু বিশ্বাসৰ গৰিমা প্ৰতিষ্ঠা আৰু প্ৰচাৰৰ নামত বৰ্বৰ হিংসা, সন্ত্ৰাস আৰু ধ্বংসলীলাৰ আশ্ৰয় লব পাৰে। মৌলবাদৰ মূল চৰিত্ৰ অসহিষ্ণুতা। তাৰ নিজস্ব ধ্যান-ধাৰণা আৰু বিশ্বাস সি জোৰকৈ আনৰ ওপৰত জাপি দিবলৈ বিচাৰে। এই বলপ্ৰয়োগ, যুক্তি বা আৰ্হিৰ ঠাইত আনৰ মনত এই অৱদমন চলোৱাই তাৰ কাৰ্য্যপন্থা। ধৰ্মটো প্ৰকৃতাৰ্থত তাৰ এটা চেলুহে অথবা এটা হাতীয়াৰহে।

প্ৰকৃত ধৰ্মৰ পৰম্পৰাই মৌলবাদক কেতিয়াও উৎসাহ দিয়া নাই। তাহানি মহাপুৰুষ শংকৰদেৱে সমগ্ৰ অসম জুৰি হৰিনামৰ বস বিয়পাই দিয়াৰ সময়ত ভকতসকলক সঁকিয়াই দিছিল:

"পৰৰ ধৰ্মক নিহিংসিবা কদাচিৎ।"

ফৰাচী পৰ্য্যটক ব্ৰ'াচোৱা বেৰ্ণিয়েৰে সপ্তদশ শতাব্দীত ভাৰতৰ ব্ৰাহ্মণ পণ্ডিত সকলক সুধিছিল, ইমান উচ্চস্তৰৰ পণ্ডিত হৈও তেওঁলোকে কিয় খ্ৰীষ্টান ধৰ্মৰ শ্ৰেষ্ঠতা স্বীকাৰ নকৰে? উত্তৰত ব্ৰাহ্মণ পণ্ডিতসকলে ধীৰভাৱে মৃদু হাঁহিৰে উত্তৰ দিছিল যে ভগবানে বিভিন্ন জাতিক পৰিত্ৰাণৰ বিভিন্ন পথ দেখুৱাই থৈ গৈছে, তেওঁলোকে আন জাতিৰ আৰ্হি অৱলম্বন কৰিব নোখোজে আৰু নিজৰ ধৰ্মমতো আনৰ ওপৰত জাপি দিব নোখোজে। উপনিষদৰ বাণী হৈছে: "একম্ সৎ, বিপ্ৰাঃ বহুধা বদন্তি।"

অনেকে ইছলাম ধৰ্মতো প্ৰকৃত আধ্যাত্মিক দৃষ্টিৰ উদাৰতাৰ প্ৰমাণ আছে। ইছলামবিদ্বেষী সকলে ইছলামৰ অসহিষ্ণুতাৰ কথা কয়, তেওঁলোকে

প্ৰচাৰ কৰে যে ইছলামে তৰোৱালৰ জৰিয়তে নিজৰ মত প্ৰচাৰ কৰে। হয়তো কোনো কোনো চুলতানে ৰাজনৈতিক উদ্দেশ্যৰে এনে কাম কৰিছে। কিন্তু যি সকল মহান চুফি সাধকৰ আদৰ্শ আৰু আচৰণে ভাৰতত ইছলাম ধৰ্ম এক জনপ্ৰিয় ধৰ্মত পৰিণত কৰিছিল তেওঁলোকৰ মনত কোনো হিন্দুবিদ্বেষ নাছিল। বৰং 'Medieval Mysticism of India' নামৰ গ্ৰন্থত পণ্ডিত ক্ষিতিমোহন সেনে এজন চুফি সাধকৰ কথা কৈছে যি এক ধৰ্মোন্মাদ চুলতানৰ কোপৰ পৰা হিন্দু প্ৰজাক ক্ষমা কৰিবলৈ গৈ নিজৰ প্ৰাণ বিসৰ্জন দিছিল। কোৱা বাহুল্য ক্ষমতাগৰ্বী ধৰ্মোন্মাদ শাসক জনতকৈ নম্ৰ, পৰদুখ-কাতৰ সাধক জনহে প্ৰকৃত মুছলমান।

কোৰাণ শৰিফত কোৱা হৈছে :

To you, your religion
And to me, mine

(*Al Kafirum* Surah *CIX*)

আকৌ কোৱা হৈছে

Permission to fight is given
To those who are the victim of aggression

(*Al-Haji*) *Surah XXII*

মহম্মদ যদিও ভগৱানৰ শ্ৰেষ্ঠ দূত, আন ধৰ্মতো তেনে দূত থাকিব পাৰে :

We had sent apostles before you,
O Muhammad
Amongst various peoples in the past.

(*Al Hijr, Surah XV*)

বিভিন্ন ধৰ্মৰ লোকৰ মাজত ঐক্য-সম্প্ৰীতিৰ ইংগিতো কোৰাণত আছে। মোহাম্মদেও সঁকিয়াই গৈছে—উপনিষদৰ দৰে—যে মানুহ অমৃতৰ সন্তান, ঈশ্বৰৰ পুত্ৰ।

To each, God has given a goal
Towards which he must turn,
And then everyone must strive together
To achieve all that is good.

(*Al Baqara S. II.*)

যেহেতু সংকীৰ্ণতা আৰু অহমিকা, উগ্ৰতা আৰু হিংস্ৰতা প্ৰকৃত ধৰ্মৰ বিৰোধী, কোনো ধৰ্মই প্ৰকৃততে তেনে নিৰ্দেশ দিয়া নাই। তথাপি ধৰ্মৰ নামতে তেনে প্ৰচাৰ তথা আচৰণ আজি চলিছে।

আজি দেশে দেশে একোখন জাতীয় সমাজ গঢ়ি উঠিছে, বা গঢ়াৰ চেষ্টা চলি আছে। তেনে জাতীয় সমাজ বহু ধৰ্মৰ মানুহ লৈ গঠিত হব পাৰে। ধৰ্মৰ মাজতেই তেনে বিভিন্ন ধৰ্মৰ সত্তাৰ অনুমোদন আছে। অথচ জাতীয় সংহতি চেৰ পেলাই বা বিপন্ন কৰি ধৰ্মীয় সম্প্ৰদায় গঢ়াৰ চেষ্টা চলা আজি এক সাধাৰণ ঘটনা। এসময়ত এনে বাতুলতাই ভাৰতীয় জাতিক দুভাগ কৰিছিল। আজিও সেই ট্ৰেজ'ডিৰ ভয়াবহ পুনৰাবৃত্তিৰ চক্ৰান্ত চলি আছে।

আধুনিক যুগলৈ যাত্ৰা কৰাৰ সময়ত বিজ্ঞান, গণতন্ত্ৰ আৰু ব্যক্তি স্বাধীনতাৰ ভিত্তিত গঢি উঠিছে বিভিন্ন জাতি আৰু জাতি ৰাষ্ট্ৰ। তেনে জাতি আৰু জাতিৰাষ্ট্ৰ নিৰিচৰা বিজ্ঞান আৰু গণতন্ত্ৰৰ শত্ৰুসমূহে, অন্ধবিশ্বাস আৰু স্বেচ্ছাচাৰিতাৰ অনুগামী শক্তিবোৰে, মৌলবাদৰ বিকাশ আৰু প্ৰসাৰত সহায় কৰে। সিইতে বিচাৰে ধৰ্মান্ধতা কুসংস্কাৰ আৰু প্ৰগতিৰ ঠাইত প্ৰতিক্ৰিয়া। এনে ধৰ্মান্ধতা মানুহৰ প্ৰগতি আৰু মুক্তিৰ প্ৰধান প্ৰতিবন্ধক। আধুনিক যুগৰ সমাজত প্ৰতিজন মানুহে নিজৰ যুক্তিৰে কথাবোৰ পৰীক্ষা কৰি চাবলৈ বিচাৰে, আৰু তেনেদৰে বিশ্বাস কৰা কথামতে চলিবলৈ চেষ্টা কৰে। ধৰ্মও তেওঁৰ বাবে তেনে এটা ব্যক্তিগত বিশ্বাস আৰু আচৰণৰ কথা হৈ পৰে। অৱশ্যে প্ৰাৰ্থনাৰ সময়ত তেওঁ সেই ধৰ্মৰ আন অনুগামীৰ সৈতে একেলগে বহিব পাৰে। ধৰ্মই এনে ৰূপ পালে জাতি গঠনত সুবিধা হয়, বিজ্ঞানৰ উন্নতি হয়, গণতন্ত্ৰৰ বিকাশ হয়। বাহ্যিক আচাৰ-ব্যৱহাৰতকৈ এই ৰূপত অন্তৰৰ

ভক্তিৰ গুৰুত্ব বেছি। ঊনবিংশ শতাব্দীৰ শ্ৰেষ্ঠ উৰ্দু কবি মীৰ্জা গালিবে কৈছিল "মন্দিৰ বা মছজিদত নহয়, লণ্ডণ বা দীঘল দাড়িত নহয়, অন্তৰৰ ভক্তিতহে ধৰ্মৰ পৰিচয়।" এনে মনোভাৱ বিয়পি পৰিলেই আধুনিক জাতীয় সমাজৰ সুস্থ বিকাশ সম্ভৱ হয়।

কিন্তু ভাৰতত জাতিগঠনৰ পৰ্যায়টোত ইংৰাজ সাম্ৰাজ্যবাদৰ হস্তক্ষেপে সমগ্ৰ জাতিগঠনৰ প্ৰক্ৰিয়াকে বাধাপ্ৰাপ্ত, বিকলাংগ কৰিলে। ভাৰতীয় বা অসমীয়া-বঙালী আদি জাতিৰ ঠাইত হিন্দু বা মুছলমান চেতনা বৃদ্ধি পালে। সামন্তবাদী যুগৰ নানা জনগোষ্ঠী শিল্প ব্যৱসায়ৰ যোগেদি এক হবলৈ যাওঁতেই ব্ৰিটিছে দেশ দখল কৰিলে। ফলত জাতীয় বিকাশ হ'ল দুৰ্বল। সাম্প্ৰদায়িক চেতনা অসুস্থভাৱে তীব্ৰ হ'ল।

সাম্প্রদায়িকতা

কিছুদিন আগতে '*India Today*' নামৰ এখন বহুপ্ৰচাৰিত ইংৰাজী আলোচনীত প্ৰকাশ হৈছিল যে বোম্বাইৰ দৰে উন্নত, আধুনিক চহৰ পৃথিবীত বেছি নাই। নিউয়ৰ্ক্‌ চহৰ অত্যাধুনিক। কিন্তু তাৰ নানা আদবকায়দা, বেশভূষা আদি লণ্ডনতকৈ আগতে বোম্বাইলৈহে বাগৰি আহে। সেই বোম্বাই চহৰতে ধৰ্মৰ দৰে প্ৰাচীন বিষয় আৰু ভাবাবেগ লৈ যি মৰাকটা হ'ল, তাত হেজাৰ হেজাৰ লোকে প্ৰাণ হেৰুৱালে, লাখ লাখ লোক গৃহহীন হৈ প্ৰাণৰ আশংকাত বোম্বাই এৰি পলাল, নিষ্ঠুৰতা আৰু বৰ্বৰতাই চৰম সীমা অতিক্ৰম কৰিলে। এয়া কি ধৰণৰ আধুনিকতাৰ লক্ষণ?

সন্দেহ নাই যে এনে আধুনিকতাই সমাজৰ ওপৰ মহলাৰ এচাম মানুহক মাত্ৰ স্পৰ্শ কৰিছে। বাদবাকী মানুহখিনি, অৰ্থাৎ জনসংখ্যাৰ অধিকাংশ প্ৰাচীন বা আদিম যুগতে আছে, আৰু সহজে আদিম যুগৰ আচাৰ-আচৰণলৈ উভতি যাব পাৰে। আমি জেন্তে সাধাৰণ মানুহখিনিৰ অন্ধবিশ্বাস, কুসংস্কাৰক গৰিহণা দি ওপৰৰ চামটোক বেহাই দিব পাৰোঁনে?

কথাটো সিমান সহজ নহয়। পশ্চিমীয়া ধ্যান ধাৰণাৰ লগত পৰিচিত আধুনিক শিক্ষাদীক্ষাৰে সুসজ্জিত চামটোৰ এখন প্ৰিয় কাকত হৈছে '*Times of India*'। সেই কাকতখনতে ১৯৯২ চনৰ অক্টোবৰ মাহলৈকে প্ৰায় এবছৰ ধৰি ইছলাম ধৰ্ম, মুছলমান সংস্কৃতি আৰু ভাৰতীয় মুছলমানৰ বিৰুদ্ধে প্ৰায় প্ৰতি সপ্তাহতে বিষোদ্‌গাৰ প্ৰকাশ কৰা হ'ল। তথাকথিত উচ্চমানৰ যুক্তিতৰ্কভৰা প্ৰবন্ধত বিখ্যাত বুদ্ধিজীৱী বিলাকে প্ৰবন্ধ, চিঠিপত্ৰৰ জৰিয়তে এই বিষেৰ প্ৰচাৰ কৰিলে তেনেকৈ "হিন্দুত্ব"ৰ ধাৰণাৰ পক্ষে বহু যুক্তি-তৰ্কৰ অৱতাৰণা কৰা হৈছিল। কোৱা হ'ল যে ইছলাম ধৰ্ম অসহিষ্ণু, হিংস্ৰ, মুছলমান স্বদেশী ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাহীন।

মৰাকটা, ঘৰত জুই দিয়া, জীয়াইজীয়াই মানুহ পুৰি কৰা, মাক-বাপেকৰ

সমুখত শিশুসন্তানক আৰু শিশু সন্তানৰ সমুখত মাক-বাপেকক হত্যা কৰা, —এনেবোৰ আদিম আচৰণৰ লগত নানা কিতাপপত্ৰৰ উল্লেখৰে সমৃদ্ধ, সূক্ষ্ম চিন্তা আৰু চমৎকাৰ ভাষাৰে অলংকৃত, সেইবোৰ প্ৰবন্ধপাতিৰ একো সম্পৰ্কই নাই নেকি? আমাৰ ধাৰণাত আছে। আমাৰ সমাজৰ বৰ্তমান গাঁঠনিত মানুহৰ উচ্চতম, অত্যাধুনিক চিন্তাও আদিম বৰ্বৰ মানসিকতাই বিকৃত কৰিছে। অৰ্থাৎ আধুনিক চিন্তা আৰু মানসিকতাই আমাৰ সমাজ টোৱাই থকা নাই। বৰং আধুনিকতাৰ ফাঁকে ফাঁকে আদিম চিন্তা আৰু আৱেগ সোঁচৰি আছে।

এই আচৰণক মধ্যযুগীয় বুলি ক'লেও সঠিক কথা কোৱা নহ'ব। কাৰণ মধ্যযুগত এনে ঘটনা কমেই হৈছিল। চুলটান মামুদৰ কথা বেলেগ। তেওঁ আছিল বিদেশী আক্ৰমণকাৰী, তেওঁৰ কোনো হিন্দু প্ৰজা নাছিল। তেওঁ হিন্দু মন্দিৰ আক্ৰমণ কৰিছিল মন্দিৰৰ ধন-সোণ লুট কৰাৰ মানসেৰে। কিন্তু হিন্দু প্ৰজাৰ ওপৰত শাসন চলোৱা মুছলমান শাসকে ভাৰতত ইছলামী শাসন প্ৰৱৰ্তন কৰাৰ কোনো কথা চিন্তা কৰা নাছিল। দেশখনৰ নামেই আছিল হিন্দুস্থান। ঔৰংজেবে জীজিয়া কৰ লগোৱাৰ কথা কোৱা হয়। কিন্তু মুছলমান প্ৰজাৰ ওপৰত ইছলাম ধৰ্মৰ নামত জাকাত-ফিৎৰা আদি কৰ ৰাজকীয়ভাবে লগাই উঠি অনুৰূপ কৰ হিন্দুৰ ওপৰত লগাব নোৱাৰিহে জীজিয়া কৰ লগোৱা হৈছিল। বিশ্বনাথ মন্দিৰ ভঙাৰ অপবাদ এতিয়াও তেওঁক দিয়ে। কিন্তু তেওঁৰ এগৰাকী ৰাজপুত সেনাপতিৰ পত্নীক বিশ্বনাথ মন্দিৰৰ পাণ্ডাবোৰে ধৰ্ষণ কৰি হত্যা কৰাত সম্ৰাটৰ অনুমতি লৈ সেনাপতি জনেই মন্দিৰটো ধ্বংস কৰিছিল। বিজাপুৰৰ চুলতানৰ ৰাজদৰবাৰত আছিল বহু হিন্দু পণ্ডিত আৰু শিল্পী। অযোধ্যাৰ নবাবে ৰাস উৎসৱ আৰু হোলি উপভোগ কৰিছিল। শেষ মোগল সম্ৰাট বাহাদুৰ শাহ জাফৰে দিল্লীত গোহত্যা বন্ধ কৰি দিছিল, ৰামনৱমীৰ শোভাযাত্ৰা নিজৰ প্ৰাসাদৰ আগেদি গ'লে ভাল পাইছিল।

মধ্যযুগত হিন্দুমুছলমান উত্তেজনা আৰু সংঘৰ্ষ হৈছিল নিশ্চয়। কিন্তু ব্ৰিটিছ যুগৰ দৰে সুদীৰ্ঘ আৰু ব্যাপক ৰূপ লোৱা বুলি ক'তো ঐতিহাসিক

উল্লেখ নাই। মুছলমান বা হিন্দু বজাই এনে সংঘৰ্ষৰ পৰা কোনো ৰাজনৈতিক মুনাফা আদায় কৰাৰ কথা ভাবিব নোৱাৰিছিল। সেয়ে ৰেংঘুয় এনে উত্তেজনা আৰু সংঘৰ্ষ কঠোৰহস্তে দমন কৰিছিল। তদুপৰি এনে বিবাদ আছিল স্থানীয়। অযোধ্যাত কিবা এটা ঘটিলে তাৰপৰা দুশ মাইল দূৰত তাৰ প্ৰতিক্ৰিয়া হোৱাৰ কোনো সম্ভাৱনা নাছিল। হিন্দু আৰু মুছলমান, আৰু আনকি তাৰ মাজৰে বিভিন্ন সম্প্ৰদায় আৰু বৃত্তিৰ লোকে ওচৰা-ওচৰিকৈ, কিন্তু নিজৰ আচাৰ-ঐতিহ্য ৰক্ষা কৰি, সম্প্ৰীতিৰেই বাস কৰিছিল। সাধুসন্ত সকলে ভগবানৰ সেৱা আৰু ভগৱৎভক্তিৰ নামত বিভিন্ন গোষ্ঠীৰ লোকৰ মাজত ঐক্য আৰু মিলাপ্ৰীতিৰ ভাব সঞ্চাৰ কৰিছিল। কবীৰ, দাদু আদি সন্ত সকলে প্ৰতি ধৰ্মৰ সংকীৰ্ণতাক আক্ৰমণ কৰিছিল। মুছলমান চুফি পীৰ সকলে হিন্দু ধৰ্মভাৱক সম্মান জনাইছিল। আজমীৰৰ শেখ নিজামুদ্দিন আউলিয়াই হিন্দু কীৰ্তনৰ অনুকৰণত আল্লাহৰ গুণগান সংগীতৰ যোগেৰে কৰাইছিল। সিন্ধুৰ এজন অত্যাচাৰী মুছলমান শাসকৰ অত্যাচাৰৰ পৰা হিন্দু প্ৰজাক ৰক্ষা কৰিবলৈ গৈ এজন চুফি পীৰে প্ৰাণ বিসৰ্জন দিছিল। অষ্টাদশ শতাব্দীতো বাউল লালন ফকিৰে হিন্দু-মুছলমানৰ বাহ্যিক বেশৰ অন্তৰালত "মনেৰ মানুষ" বিচাৰি ফুৰিছিল।

অৰ্থাৎ সামন্তপ্ৰধান মধ্যযুগতো মানবীয় প্ৰগতি, সংস্কাৰমুক্তি আৰু ঐক্য সম্প্ৰীতিৰ সোঁত বৈ আছিল। অসমতো শংকৰদেৱৰ ওচৰ চাপি আহিছিল চান্দসাই আৰু ধলা যৱন। আজান পীৰে (ছাহ মিলন) "হিন্দু কি মুছলমান এৰে আল্লাৰ ফৰমান" বুলি সম্প্ৰীতিৰ গীত গাইছিল। স্বৰ্গদেউ শিৱসিংহই মক্কালৈ হজযাত্ৰী পঠাইছিল ৰাজবংশৰ মংগল কামনাৰে। সেয়ে শৰাইঘাটৰ যুদ্ধৰ বাঘ হাজৰিকাৰ পৰা মণিৰামৰ সংগী মৰ্মুদ আলিলৈ মুছলমান অসমীয়া স্বাধীনতাপ্ৰেমী হিন্দু অসমীয়াৰ সাৰথি আছিল।

কিন্তু ব্ৰিটিছ যুগত আমি দেখোঁ এক বেলেগ ধাৰা বা প্ৰৱণতা। ঊনবিংশ শতাব্দীত কোম্পানীৰ চাহাব বিলাকে হিন্দু আৰু মুছলমানক দুটা বেলেগ বেলেগ জাতি বুলি চিনাক্ত কৰিলে আৰু তেওঁলোকৰ দখলত থকা বিদ্যালয় আৰু শিক্ষা ব্যৱস্থাৰ জৰিয়তে সেই পৰিচয় গঢ়গতীয়া

কৰিলে। সঁচা কথা, দুয়ো সম্প্ৰদায়ৰ মাজত বিভেদ আছিল। কিন্তু দুয়োটা বেলেগ "জাতি" বুলি পূৰ্বে কোনেও ভবা নাছিল। স্বাভাৱিকতে এনে পাৰ্থক্য ব্ৰিটিছৰ কামত আহে। সেয়ে ব্ৰিটিছ শাসকবিলাকে সেই পাৰ্থক্য এক বিৰাট বিবাদত পৰিণত কৰিলে। ঊনবিংশ শতিকাত (যেনে ১৮৯৩ চনৰ বোম্বাইত) ব্যাপক হিন্দু-মুছলমান সংঘৰ্ষৰ বিস্ফোৰণ ঘটে। ১৮৫৭ চনত চিপাহী বিদ্ৰোহৰ সময়ত দেখা যোৱা হিন্দু-মুছলমান ঐক্যৰ শিক্ষা ব্ৰিটিছে লৈছিল আৰু আধুনিক পশ্চিমীয়া শিক্ষাৰে শিক্ষিত হিন্দুক সা-সুবিধা দি মুছলমানক অৱহেলা কৰি দুয়ো সম্প্ৰদায়ৰ মাজত বিভাজন বৃদ্ধি কৰিছিল।

শিক্ষিত মহলত পশ্চিমৰ প্ৰভাৱত উদাৰ মানৱতাবাদী চিন্তাধাৰা বৈছিল ঠিকেই। কিন্তু বিপুল গ্ৰামাঞ্চল সেই ধৰণৰ শিক্ষাৰ পৰা বঞ্চিত হৈছিল। তদুপৰি মধ্যযুগীয় উদাৰনৈতিক সংস্কাৰৰ সোঁতো ব্ৰিটিছ ভাৰতত স্তব্ধ হৈ যোৱা বাবে ক্ৰমে গাৱঁৰ নিৰক্ষৰ জনতা মানৱতাবাদী, ধৰ্মনিৰপেক্ষ আদৰ্শৰ স্পৰ্শৰ পৰা আঁতৰি আছিছিল সেই কথাটো কি কাৰণে ঘটিছিল? মধ্যযুগৰ অসম তথা ভাৰতত প্ৰগতিবাদী শক্তিৰ বিৰুদ্ধে সামন্তবাদী প্ৰতিক্ৰিয়াশীল শক্তিসমূহ ক্ৰমে সক্ৰিয় আৰু সবল হৈ উঠিছিল। অসমত স্বৈৰাচাৰী ৰাজতন্ত্ৰৰ বিৰুদ্ধে প্ৰজাবিদ্ৰোহ হৈছিল। আনহাতে অসমৰ ৰাজসভাত শাক্তভন্ত্ৰৰ প্ৰভাৱ বাঢ়িছিল। নিম্নবৰ্ণৰ প্ৰজাৰ ওপৰত ৰাজকীয় অত্যাচাৰ বাঢ়িছিল। মোগল দৰবাৰৰ বিৰুদ্ধে শিখ, সৎনামী, জাঠ, মাৰাঠা প্ৰভৃতি পতাকাৰ তলত প্ৰজাৰ অভ্যুত্থান হৈছিল। আনহাতে শাহ ওৱালিউল্লাৰ নেতৃত্বত ইছলামী ৰাষ্ট্ৰ আৰু সমাজৰ গোঁড়া আদৰ্শ প্ৰচাৰ হৈছিল।

ইংৰাজ আমোলত এনে গোঁড়া প্ৰতিক্ৰিয়াশীল ধাৰাবোৰহে পুষ্ট হ'ল। কাৰণ ইংৰাজে ঔপনিবেশিক নীতি আৰু অভ্যাস অনুযায়ী প্ৰগতিশীল দেশীয় বেহা-বেপাৰ আৰু উদ্যোগত বাধা দি সামন্তবাদী শক্তিকহে সমৰ্থন কৰিছিল। বেহা-বেপাৰ আৰু উদ্যোগৰ মুনাফা নিজৰ হাতত ৰখাৰ উদ্দেশ্যৰেই ব্ৰিটিছে দেশীয় শিল্পব্যৱসায়ৰ পৰিচালক সকলক দমন কৰি

জমিদাৰ-সামন্ত আদি পৰজীৱী শ্ৰেণীক পোহপাল দিলে। ফলত সাধাৰণ জনগণ আবদ্ধ ঘৰৰ বা-বতাহৰ মাজত থাকি আদিম অন্ধবিশ্বাস আৰু কুসংস্কাৰত পুনৰ নিমগ্ন হয়। গোষ্ঠীবাদো প্ৰবল হৈ উঠে।

বহুতে কব যে ইংৰাজী শিক্ষাই এনে ভেদাভেদ দূৰ কৰিছিল। কথাটো আংশিকভাবেহে সত্য। ঊনবিংশ শতাব্দীৰ শিক্ষিত ভাৰতীয়ই শিক্ষাদীক্ষাৰ এই নতুন যুগটোক "হিন্দু নৱযুগ" বুলিয়েই ভাবিছিল। বংকিমচন্দ্ৰ আছিল তাৰ অন্যতম কাণ্ডাৰী। তেওঁৰ প্ৰথম যুগৰ ৰচনা আৰু চিন্তাত হিন্দু-মুছলমান ঐক্যৰ ধাৰণা পোৱা যায়, কিন্তু "আনন্দমঠ" নামৰ জনপ্ৰিয় আৰু প্ৰভাৱশালী উপন্যাসেৰে তেওঁ ভাৰতৰ জাতীয়তাবাদী আন্দোলনক হিন্দু গঢ় দিয়াত সক্ষম হয়। ব্ৰিটিছৰ বিৰুদ্ধে প্ৰজাৰ ক্ষোভ আৰু বিৰোধক নিৰস্ত্ৰ কৰিবলৈ তেওঁ মুছলমানৰ বিৰুদ্ধে এক কাল্পনিক ধৰ্মযুদ্ধৰ অৱতাৰণা কৰে।

আনহাতে মুছলমানৰ মাজত ব্ৰিটিছ শিক্ষাদীক্ষা তথা আধুনিক ভাৱ-ধাৰাৰ বিৰোধিতাত উৎসাহ দিয়ে। ওৱাহাবি আন্দোলনে ব্ৰিটিছ অধিকৃত ভাৰতক ধৰ্মচ্যুত (দাৰুল হাৰব) ঘোষণা কৰি ব্ৰিটিছৰ বিৰুদ্ধে জেহাদত উচটনি দিলে। ব্ৰিটিছেও কঠোৰহাতেৰে প্ৰজাৰ মাজত জনপ্ৰিয় হোৱা এনে আন্দোলন দমন কৰে।

তেতিয়া ছাৰ ছৈয়দ আহমদে মধ্যবিত্ত মুছলমানক আধুনিক পশ্চিমীয়া শিক্ষা দি ব্ৰিটিছ শাসকৰ অনুগ্ৰহ মুছলমানৰ প্ৰতি আকৰ্ষণ কৰিবলৈ বিচাৰিলে। 'আলীগড় এংলো মুছলিম কলেজ' (Anglo Oriental ?) এই উদ্দেশ্যেই খোলা হৈছিল। পিছলৈ ইয়েই আলিগড় মুসলিম ইউনি-ভাৰ্ছিটিত পৰিণত হয়। সেয়ে প্ৰথমৰ পৰাই আলিগড়ত পশ্চিমীয়া আধুনিকতাৰ লগতে পশ্চাৎমুখী ৰক্ষণশীলতাৰ স্থান বৈ গৈছিল আৰু পিছলৈ ক্ৰমে দ্বিতীয় ধাৰাহে প্ৰবল হৈছিল।

মন কৰিবলগীয়া যে তাৰ প্ৰতিক্ৰিয়া স্বৰূপে Banaras Hindu University-য়ে গঢ় লৈ উঠিছিল হিন্দু নেতা মদন মোহন মালব্যৰ নেতৃত্বত। ব্ৰিটিছৰ প্ৰশ্ৰয় আৰু উচটনিত দুয়ো সম্প্ৰদায়ৰ বিভেদ আৰু সংঘাত বৃদ্ধি পাইছিল।

অৰম্ভে মহাৰাষ্ট্ৰত জাতীয়তাবাদে উগ্ৰ হিন্দু ৰূপ লোৱা কথাটো পাহৰিব নোৱাৰি। তিলক, মুঞ্জে প্ৰভৃতি হিন্দু পুনৰুত্থানবাদী নেতা সকলৰ ইংৰাজবিৰোধিতা আছিল উগ্ৰ। পাশ্চাত্যৰ সাংস্কৃতিক দম্ভ আৰু জাতীয় অহমিকাৰ প্ৰত্যুত্তৰ স্বৰূপে তেওঁলোকে হিন্দুধৰ্ম আৰু শিৱাজীৰ ভূমিকাত গুৰুত্ব আৰোপ কৰিলে। তিলক নিজে মুছলমানবিদ্বেষী নাছিল। কিন্তু আধুনিক যুক্তিবাদ আৰু বিজ্ঞানত ভৰসা নথকা বাবে তেওঁৰ দেশ-প্ৰেমত হিন্দু ধৰ্মান্ধতাৰ প্ৰভাৱ পৰিছিল। আনকি ব্ৰিটিছ ঐতিহাসিক জেম্‌ছ্‌ মিলৰ পদাংক অনুসৰণ কৰি তেওঁলোকেও ভাৰতৰ ইতিহাসক হিন্দু যুগ, মুছলমান যুগ, ব্ৰিটিছ যুগত বিভক্ত কৰিছিল। এই বিকৃত ইতিহাস চেতনায়ো হিন্দু-মুছলিম বিভেদ আৰু বিচ্ছিন্নতাত ইন্ধন যোগাইছিল।

ভাৰতৰ জাতীয় কংগ্ৰেছৰ জন্মৰ একদশকৰ ভিতৰতে ব্ৰিটিছ বৰলাটৰ প্ৰশ্ৰয়ত Indian Muslim League গঢ় লৈ উঠে। ছাৰ ছৈয়দ আহমদ, আমীৰ আলি, নবাব ছলিমুল্লাই কংগ্ৰেছক কেৱল হিন্দুনেতাৰ প্ৰতিপত্তিৰ মঞ্চ হিচাপে দেখিলে। অৰ্থাৎ দুটা সম্প্ৰদায়ৰ শিক্ষিত শ্ৰেণীৰ মাজৰ দ্বন্দ্বই ইতিহাসত গভীৰ সাঁচ বহুৱালে। সেই সময়ত চৰকাৰী চাকৰিয়েই শিক্ষিত শ্ৰেণীৰ উন্নতি আৰু মৰ্যাদাৰ প্ৰধান উপায় আছিল। সেই ক্ষেত্ৰত প্ৰথমে ব্ৰিটিছে মুছলমান শাসকশ্ৰেণীক অৱজ্ঞা কৰি শিক্ষিত হিন্দু শ্ৰেণীক চাকৰিত প্ৰাধান্য দিছিল। পিছত আকৌ হিন্দুচমক অৱজ্ঞা কৰি মুছল-মানক বেছি প্ৰশ্ৰয় দিলে। চাকৰিৰ লোভত দুয়ো সম্প্ৰদায় ব্ৰিটিছৰ শৰণাপন্ন হৈ নিজৰ মাজত বিবাদ লগালে।

তেনেকৈ শাসন সংস্কাৰৰ দ্বাৰা ভাৰতীয় মানুহক অলপ অলপ ক্ষমতাৰ ভাগ দি ব্ৰিটিছে এই বিভেদ প্ৰগাঢ় কৰি তুলিলে। মৰ্লি-মিণ্টো ৰিফৰ্ম (১৯০৯), মণ্টেগু চেম্‌ছফৰ্ড শাসন সংস্কাৰ (১৯১৯), আৰু Government of India Act (1935) আদি ব্যৱস্থাৰ জৰিয়তে ক্ষমতাৰ টোপ দেখুৱাই ব্ৰিটিছে দুই সম্প্ৰদায়ৰ ব্যৱধান বঢ়ালে। Communal Electorate অথবা মুছলমানৰ বাবে স্বকীয়া ভোটৰ ব্যৱস্থা কৰি প্ৰশাসনত মুছলমানৰ প্ৰতিপত্তি বৃদ্ধি কৰিলে। একোখন প্ৰদেশৰ ব্যৱস্থাপক সভাত

জনসংখ্যাত তেওঁলোকৰ অনুপাতৰ তুলনাত তেওঁলোকৰ প্ৰতিনিধিৰ সংখ্যা বৃদ্ধি কৰা হ'ল।

এনে চাকৰি বা শাসনসংস্কাৰে দৰিদ্ৰ হিন্দু বা মুছলমানক স্পৰ্শ কৰিব পৰা নাছিল। হিন্দু, মুছলমান কৃষক বা মুছলমান কাৰিকৰ পৃথিবীৰ নিঃস্ববিলাকৰ মাজত আছিল। কিন্তু তেওঁলোকক উত্তেজিত কৰিবলৈ "গোহত্যা নিবাৰণ" বা "মছজিদৰ আগত গানবাজনা নিষেধ" প্ৰভৃতি কৌশলৰ প্ৰয়োগ কৰা হৈছিল।

ব্ৰিটিছ সাম্ৰাজ্যবাদে, আৰু তাৰ ছত্ৰছাঁয়াত গঢ়ি উঠা মুস্লিম আৰু হিন্দু সাম্প্ৰদায়িকতাই দাবী কৰে যে হিন্দু-মুছলমান দুটা সম্পূৰ্ণ বেলেগ জাতি, দুয়োটাৰ মাজত কোনো মিল থাকিবই নোৱাৰে, সমন্বয় হবই নোৱাৰে। সেইটো প্ৰকৃততে অৰ্থনৈতিক বিকাশ আৰু ৰাজনীতিৰ গতি-প্ৰকৃতিৰ ওপৰতহে নিৰ্ভৰ কৰে। পাঠান শাসকসকলৰ সময়ত চহৰ বিলাকত শিল্প ব্যৱসায়ৰ প্ৰসাৰ হোৱাত এক উদাৰ মনোভাৱে উভয় সম্প্ৰদায়ক চুই গৈছিল। আমিৰ খুস্ৰু হিন্দুস্থানী সংগীতৰ অন্যতম তাৰকা, তেওঁ গদ্‌গদ্ ভাষাত হিন্দুস্থানৰ প্ৰতি তেওঁৰ প্ৰেম আৰু ভক্তি প্ৰকাশ কৰিছে, ব্ৰজ-ভাষাত অপৰূপ কাৱালি ৰচনা কৰিছে। মালিক মহম্মদ জৈছিয়ে তেওঁৰ বিখ্যাত 'পদ্মাৱত' কাব্য ৰচনা কৰিছে এজন হিন্দু ৰজাৰ প্ৰেমকাহিনী লৈ। বংগৰ চুলটান হুছেইন শ্বাহে 'ৰামায়ণৰ' প্ৰথম বঙালী অনুবাদ কৰাইছে। মোগল যুগতো সমন্বয়ৰ প্ৰয়াস চলি আছিল। আবুল ফজলে আকবৰৰ হুকুমত হিন্দু শাস্ত্ৰ আৰু সাহিত্যৰ সাৰ সংকলন কৰিছিল পাৰ্চী ভাষাত। ঔৰংজেবৰ ককায়েক দাৰা শ্বিকোই দুয়ো ধৰ্মৰ আধ্যাত্মিক ভাৱধাৰাৰ মিলনৰ প্ৰয়াসেৰে কিতাপ লিখিছিল। ঔৰংজেবৰ পুতেকে কবি সুৰদাসৰ ভজন সমূহ সংকলন কৰি প্ৰকাশ কৰিছিল। অষ্টাদশ শতাব্দীলৈকে উৰ্দু আৰু হিন্দীৰ পাৰ্থক্য কেৱল লিপিত আছিল—তথাকথিত হিন্দীত বহু আৰৱ পাৰ্চী শব্দ, তথাকথিত উৰ্দুত বহু সংস্কৃত মূলৰ শব্দ ব্যৱহৃত হৈছিল। শংকৰদেৱৰ ৰচনাতো সেয়ে ফৰমান, খৎ, মিয়াদ আদি শব্দৰ ব্যৱহাৰ

লক্ষ্য কৰিব লগীয়া। সেই সমন্বয়ৰ ধাৰাতে শ্বাহ মিলন বা আজান ফকিৰে উদাত্ত কণ্ঠে গাব পাৰিছিল

হিন্দু কি মুছলমান
একে আল্লাৰ ফৰমান
আখেৰত একে আল্লাৰ নাম

আজিও ভাৰত তথা অসমত সম্প্ৰীতি ৰচনা সম্ভৱ। কিন্তু তাৰ বাবে উপযুক্ত অৰ্থনৈতিক নীতি আৰু ৰাজনৈতিক নীতি লব লাগিব যাতে মানুহখিনি ভাগভাগ হৈ নাথাকে, তেওঁলোকৰ মাজত যোগাযোগ হয়। বিভেদকামী শক্তিবোৰক সচেতন ভাবে, আঁচনি অনুসৰি, বাধা দিব লাগিব।

ভাৰতৰ স্বাধীনতা সংগ্ৰামত যে এনে প্ৰচেষ্টা চলা নাছিল তেনে নহয়। ব্ৰিটিছ-বিৰোধী সংগ্ৰাম শীৰ্ষবিন্দু পালেই স্বতঃস্ফূৰ্তভাবেই হিন্দু মুছলিমৰ মিলন হৈছিল, কিন্তু সংগ্ৰামত ভাটা পৰিলেই ব্ৰিটিছৰ লগত দৰ কছাকছি আৰম্ভ হলেই জাতীয় লক্ষ্য তল পৰি সাম্প্ৰদায়িক স্বাৰ্থ প্ৰধান হৈছিল। কাৰণ আলাপ আলোচনাত নেতৃত্ব দিয়া হিন্দু বা মুছলমান নেতা সকলে তেওঁলোকৰ উচ্চ শ্ৰেণীৰ—জমিদাৰ, ব্যৱসায়ী, চাকৰিয়ালৰ স্বাৰ্থ ৰক্ষা কৰাত ব্যস্ত হৈ পৰিছিল। দুয়ো সম্প্ৰদায়ৰ শিক্ষিত আৰু সুবিধাভোগী শ্ৰেণীৰ স্বাৰ্থপৰতাই জনসাধাৰণৰ ঐক্যসংহতিৰ সম্ভাৱনা বিনষ্ট কৰি এক গভীৰ সাম্প্ৰদায়িক বিভাজনৰ ভিত্তি ৰচনা কৰিছিল।

১৯১৬ চনত মতিলাল নেহৰু আৰু চিত্তৰঞ্জন দাশ আদিৰ চেষ্টাত হিন্দু আৰ মুছলমানৰ ৰাজনৈতিক ঐক্য আৰু সহযোগিতাৰ এক আঁচনি বা চুক্তি (Nehru Report) প্ৰণীত হয়। কিন্তু হিন্দু মহাসভা আদি উগ্ৰ হিন্দুবাদী সকলৰ বিৰোধিতাত সি আৰু আগ নাবাঢ়িলে। পাকিস্থানৰ জনক মহম্মদ আলি জিন্নায়ো এসময়ত হিন্দু আৰু মুছলমানৰ ঐক্যৰ বাবে অশেষ চেষ্টা কৰিছিল। পছিমীয়া শিক্ষাৰে গোঁড়ামি জয় কৰি তেওঁ নিজকে বহুকাল জাতীয়তাবাদী ভাৰতীয় বুলিও কৈছিল।

কিন্তু ব্ৰিটিছ শিক্ষাৰ প্ৰভাৱতে আৰু সাম্ৰাজ্যবাদী আমোলত শিল্প ব্যৱসায় যাতায়াত পিছপৰি থকা বাবে জনসাধাৰণৰ মাজত যোগাযোগ

নিবিড় নহ'ল। হিন্দু-মুছলমানৰ মাজত সচেতন বিভেদ বৃদ্ধি পালে। বিশেষকৈ চিপাহী বিদ্ৰোহৰ হিন্দু-মুছলমান ঐক্য দেখি ভয় পাই ব্ৰিটিছ শাসক মহলে প্ৰবলভাবে হিন্দু-মুছলমানৰ মাজত বিভেদ বৃদ্ধি কৰাৰ ৰণ-নীতি অৱলম্বন কৰিলে। অযোধ্যাৰ শেষ চুলতান ওৱাজিদ আলী শ্বাহে হিন্দুৰ বাস উৎসৱ আদিৰ পৃষ্ঠপোষকতা কৰিছিল, হিন্দু ধৰ্মভাবত আঘাত কৰা মুছলমান প্ৰজাকো শাস্তি দিছিল। কিন্তু অযোধ্যা দখল কৰি উঠি ব্ৰিটিছেই বাবৰি মছজিদ সম্পৰ্কীয় উৰা বাতৰিক প্ৰশ্ৰয় দিলে, District Gazettee বোৰত এনে ভিত্তিহীন কাহিনীবোৰ লিপিবদ্ধ কৰিলে। ফলত ভাৰতবাসীৰ মাজত সাম্প্ৰদায়িক মনোভাৱৰ ক্ৰমে প্ৰসাৰ হয়।

উনবিংশ শতাব্দীৰ শেষভাগত হিন্দুস্থানী ভাষাৰ লিপি কি হব তাকে লৈ হিন্দু-মুছলমানৰ বিবাদ হয়। ১৯০০ চনত উত্তৰ প্ৰদেশৰ ব্ৰিটিছ শাসকে দেৱনাগৰিৰ পিনে ৰায় দি হিন্দু শিক্ষিত চামক উল্লসিত কৰে আৰু মুছলমান চামক ক্ষুব্ধ কৰে। হিন্দু শিক্ষিত চামে অদূৰদৰ্শী ভাবে "গৌৰক্ষিণী সভা" পাতি মুছলমানক বিধৰ্মী বুলি আক্ৰমণ কৰে। মুছলমানেও এনে ভাব লয় যেন গৰু মৰাই ইছলাম ধৰ্মৰ সাৰ মৰ্ম !! ১৮৯৩ চনৰ জুলাইত গয়া, বালিয়া, পাটনা, বোম্বেত ব্যাপক সাম্প্ৰদায়িক সংঘৰ্ষ হয় গোহত্যা আৰু মছজিদৰ আগেদি হিন্দু শোভাযাত্ৰাৰ বিষয় লৈ। অকল বোম্বে চহৰতে ৮০ জনৰ মৃত্যু হয়। Secretary of State Kimberleyয়ে উল্লাসত চিঠি লিখিলে "কংগ্ৰেছে চলোৱা ঐক্যবদ্ধ ভাৰতীয় জাতি গঢ়া আন্দোলনৰ শিপা এনে সংঘৰ্ষবোৰে কাটি পেলাব।

(Sumit Sarkar, *Modern India* Macmillan, p. 80)

১৮৭০ দশকত জাতীয়তাবাদী আৰু সাম্প্ৰদায়িকতাবাদী ভাবধাৰাৰ বিকাশ একেলগে হয়। (Sarkar, op cit p. 81)। তাৰ পৰাই বুজা যায় ভাৰতত আধুনিক জাতীয়তাবাদৰ কেবোণ তাৰ জন্মলগ্নৰ পৰাই আছে। চাকৰিৰ বাবে শিক্ষিতৰ মাজত কাজিয়াই তাৰ ইন্ধন। ব্ৰিটিছে এই কথাটো নিজৰ স্বাৰ্থত সেয়ে প্ৰথমৰ পৰাই ব্যৱহাৰ কৰিছে। জাতীয় আন্দোলনৰ নেতা সকলৰ চূড়ান্ত ব্যৰ্থতা এইখিনিতে।

১৯০৫ চনত বংগদেশৰ বিপ্লৱী আন্দোলনত বাধা দিবলৈ চৰকাৰে বংগ বিচ্ছেদ কৰে। বংগভংগ আন্দোলনে কিছু মুছলমানক আকৃষ্ট কৰিলেও অৱহেলিত পিছপৰা শিক্ষিত মুছমানক চাকৰিৰ আশাৰে প্ৰলুব্ধ কৰিবলৈ ব্ৰিটিছ বহুপৰিমাণে সক্ষম হ'ল। হিন্দু জমিদাৰৰ অত্যাচাৰৰ বিৰুদ্ধে শোষিত মুছলমান প্ৰজাৰ ক্ষোভেও বিচ্ছেদত সহায় কৰে। ৰবীন্দ্ৰনাথে সেই সময়তে কথাটো বুজি পাইছিল। কিন্তু শিক্ষিত হিন্দু জাতীয়তাবাদীয়ে মুছলমান প্ৰজাৰ অভাৱ অভিযোগলৈ মনোযোগ দিবলৈ ৰবীন্দ্ৰনাথৰ আবেদন অগ্ৰাহ্য কৰে। আনকি সংখ্যাগৰিষ্ঠ মুছলমান প্ৰজাক সকাহ দিয়াৰ কোনো প্ৰস্তাৱ বংগৰ ব্যৱস্থাপক সভাৰ হিন্দু নেতা সকলে গ্ৰহণ কৰা নাছিল। সংঘৰ্ষ তেতিয়াও প্ৰৱল হৈছিল ব্ৰিটিছৰ পৰোক্ষ উচটনিত।

শিক্ষিত ভাৰতীয়ৰ আবেদন নিবেদনৰ বন্ধ্যা ৰাজনীতিৰ ঠাইত মহাত্মা গান্ধীয়ে গণআন্দোলনৰ ৰাজনীতি প্ৰচলন কৰি স্বাধীনতা সংগ্ৰামত নতুন অধ্যায় মুকলি কৰিলে। দেশৰ বিপুল নিৰক্ষৰ কৃষিজীৱী আৰু শ্ৰমজীৱী জনতাৰ মাজত তেওঁ জাগ্ৰত কৰিলে বিপুল উন্মাদনাৰ জোৱাৰ। কিন্তু সম্ভ্ৰান্ত নেতাসকলৰ শ্ৰেণীস্বাৰ্থ লংঘন কৰি জনসাধাৰণৰ অভাৱ অভিযোগ দূৰ কৰাৰ আঁচনি তেওঁ লব নোৱাৰিলে। চম্পাৰণ, বৰদোলি আদিৰ সত্যাগ্ৰহ বিমানেই আখ্যান প্ৰসিদ্ধ নহওক দেশৰ কৃষক জনতাৰ মূৰৰ ওপৰত থকা জমিদাৰি কুগ্ৰহ দূৰ কৰাৰ বা মহাজনী সুদৰ বোজা কমোৱাৰ কোনো বলিষ্ঠ কাৰ্য্যসূচী তেওঁ নল'লে। সেয়ে হিন্দু-মুছলমান সম্প্ৰীতিৰ বাবে তেওঁৰ হাতত থাকিল কেৱল ধৰ্মীয় কৌশল। ব্ৰিটিছে টুৰ্কিৰ চুলতান খলিফাৰ প্ৰতিপত্তি ক্ষমতা হ্ৰাস কৰাৰ চেষ্টা চলোৱাত ভাৰতৰ মুছলমান সকল ক্ষুব্ধ হৈ তাৰ বিৰুদ্ধে আন্দোলন চলায়। এই আন্দোলন ব্ৰিটিছ বিৰোধী হলেও ধৰ্মান্ধ আছিল। ব্ৰিটিছৰ সাম্ৰাজ্যবাদী নীতি উন্মোচন কৰি দিলেও খলিফাৰ গোঁড়া, অন্ধবিশ্বাসী, ৰক্ষণশীল নীতিৰ বেয়া দিশটো এই আন্দোলনে দাঙি ধৰা নাছিল। অসহযোগ আন্দোলনৰ অন্যতম দাবী হিচাপে গান্ধীজীয়ে খিলাফৎ আন্দোলনত সমৰ্থন জনালে। হিন্দু-মুছলমানৰ মাজত দেশজুৰি অভূতপূৰ্ব মিলন আৰু সম্প্ৰীতি দেখা দিলে। মহম্মদ

আলীদ্বয়, ডক্টৰ আনচাৰী, আবুল কালাম আজাদ আৰু ডাঃ কিচলু, [illegible] আলী আদিক লৈ সমগ্ৰ ভাৰতবাসীয়ে নেতা বুলি গ্ৰহণ কৰিলে। এজন লাট চাহাবে বিলাতলৈ লেখনে চিঠি লিখিলে যে এনে ঐক্যবদ্ধভাৱে অসহযোগ আৰু খিলাফৎ চলিলেই ভাৰতত ব্ৰিটিছ শাসনৰ অৱসান হ'ব। সেই সময়ৰ হিন্দু-মুছলমান ঐক্যৰ বহু মৰ্মস্পৰ্শী বিৱৰণ তেতিয়াৰ কাকতত পোৱা যায়। কিন্তু ১৯২২ চনত গান্ধীজীয়ে চৌৰীচৌৰাত হিংসাৰ খবৰ পোৱা বুলি অসহযোগ আন্দোলন একপক্ষীয়ভাৱে প্ৰত্যাহাৰ কৰিলে। তেওঁৰ উক্ত সিদ্ধান্তই সহস্ৰ ভাৰতবাসীক গভীৰ নিৰাশা আৰু হতাশাৰ মাজত ডুবাই দিলে। জৱাহৰলাল নেহৰুৱে তেওঁৰ আত্মজীৱনীতো তেওঁৰ ক্ষোভ প্ৰকাশ কৰিছে। অসমত চন্দ্ৰনাথ শৰ্মাই খোলাকৈ বিবৃতি দিলে যে গান্ধীজীৰ ধৰ্মৰোগ (religious mania) হৈছে। ১৯২৩ চনত মহম্মদ আলীয়ে প্ৰকাশ্যে গান্ধীৰ লগত বিচ্ছেদ ঘোষণা কৰিলে। ১৯২৪ চনত তুৰ্কিৰ আধুনিক জাতীয়তাবাদী নেতা কামাল আটাতুৰ্কে নিজেই খলিফাৰ পদটো উঠাই দিয়াত খিলাফৎ আন্দোলন চৌচৌৱা হ'ল।

এনেবোৰ ঘটনাই হিন্দু-মুছলমান সম্প্ৰীতিত সহায় নকৰিলে। ১৯২৩ চনত দেশবন্ধু চিত্তৰঞ্জন [illegible] ৫৫% সংৰক্ষণ আৰু অন্যান্য আকৰ্ষণেৰে মুছলিম নেতা সকলৰ লগত এক চুক্তি কৰিলে, কিন্তু বাকী কংগ্ৰেছী নেতা সকল একমত নহ'ল। বিভাজন বাঢ়িল।

প্ৰকৃতিৰ দৰে ৰাজনীতিতো কোনো শূন্যতা (vacuum) থাকিব নোৱাৰে। অসহযোগৰ ব্যৰ্থতাৰ পিছত জাতীয় ঐক্যৰ ভাৱধাৰাৰ ঠাই সাম্প্ৰদায়িক মত আৰু সংগঠনে প্ৰবল বেগে পূৰাব ধৰিলে। হিন্দুৰ মাজত হিন্দু মহাসভা, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ আৰু মুছলমানৰ মাজত তব্লীগ, তঞ্জিম আদি অনুষ্ঠানে প্ৰতি সম্প্ৰদায়ৰ স্বতন্ত্ৰতা আৰু অসহিষ্ণুতা বৃদ্ধি কৰিলে। কংগ্ৰেছৰ মাজৰে মদনমোহন মালব্যজী আদি নেতা হিন্দু মহাসভাৰ লগত জড়িত আছিল। এনে পৰিবেশত সংঘৰ্ষ আছিল অনিবাৰ্য্য। ১৯২৪ চনত কোহাট (NWFP)ৰ সংঘৰ্ষত ১৫৫ জন, ১৯২৬ চনত কলিকতাৰ সংঘৰ্ষত ১০৮ জন বলি হয়, আৰু উপৰিও ঢাকা, পাটনা, দিল্লী আৰু যুক্তপ্ৰদেশত তুমুল সাম্প্ৰদায়িক সংঘৰ্ষ হয়।

সাম্প্ৰদায়িক সংঘৰ্ষবোৰ কেৱল হিংসাবিদ্বেষৰ পৰিণাম বুলিলেই সকলো কথা কোৱা নহয়। মনত ৰখা ভাল যে তেনে সংঘৰ্ষই তাৰ পিছত জন-মানসত গভীৰ মনস্তাত্বিক প্ৰভাৱ ৰাখি থৈ যায়। হিংসাবিদ্বেষৰ বংশবৃদ্ধিত সি আকৌ সহায় কৰে।

এই ক্ষেত্ৰত ব্ৰিটিছ শাসকবৰ্গৰ ভূমিকা কেনেহব পাৰে উল্লেখ কৰা ভাল। ১৯২৮ চনত পাটনাত হোৱা এক ভয়ংকৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ আগতীয়া খবৰ C.I.D. বিভাগে প্ৰাদেশিক চৰকাৰক দিছিল। কিন্তু ৰায়টৰ সময়ত দেখা গ'ল গৱৰ্ণৰ, চীফ ছেক্ৰেটাৰী, পুলিচৰ প্ৰধান বিষয়া সকলোৱে ছুটি উপভোগ কৰি আছে !!

ত্ৰিশৰ দশকত Government of India Act-ৰ পিছত প্ৰদেশবোৰত ক্ষমতাদখল লৈ কংগ্ৰেছ আৰু মুস্লিম লীগৰ মাজত প্ৰবল অৰিয়াঅৰি হয়। সেই সুযোগতে সাম্প্ৰদায়িক প্ৰচাৰো তীব্ৰ হবলৈ ধৰে। ১৯৩৮ চনলৈকে আলিগড় মুস্লিম য়ুনিভাৰ্ছিটিত জিন্না চাহাব সোমাব পৰা নাছিল, বিশ্ববিদ্যালয়ৰ ছাত্ৰসন্থাই সভা পতাৰ বাবে তেওঁৰ প্ৰৱেশত বাধাও দিছিল। কিন্তু কংগ্ৰেছ মহলৰ নেতাসকলৰ শ্ৰেণীস্বাৰ্থ আৰু আত্মতুষ্টিৰ বাবে মুস্লিম সাম্প্ৰদায়িকতা প্ৰবল হ'ল। কেৱল চহৰৰ মুস্লিম কাৰিকৰ শ্ৰেণী আৰু দেওবন্দৰ আলিম সকলহে কংগ্ৰেছৰ লগত থাকিল। এনে সময়তে দ্বিতীয় মহাযুদ্ধৰ বিস্ফোৰণ ঘটিল। ভাৰতবাসীৰ ইচ্ছাৰ বিৰুদ্ধে ভাৰতক যুদ্ধত লিপ্ত কৰোৱাৰ বাবে ব্ৰিটিছৰ বিৰুদ্ধে ভাৰতবাসী জ্বলি উঠিল। দেশত যুদ্ধবিৰোধী ভাবৰ জোঁৱাৰ ববলৈ ধৰিলে। তেতিয়া ব্ৰিটিছ শাসকবৰ্গই মুস্লিম লীগৰ সমৰ্থনৰ ওপৰত নিৰ্ভৰ কৰিলে। ১৯৩৯ চনত ব্ৰিটিছ চৰকাৰে ঘোষণা কৰিলে মুছলিম আদি মহলৰ সন্মতি নোহোৱাকৈ ব্ৰিটিছে ভাৰতত কোনো ধৰণৰ শাসনব্যৱস্থাক ক্ষমতা এৰি নিদিয়ে। ১৯৪০ চনৰ মাৰ্চত প্ৰথম পাকিস্তান প্ৰস্তাৱ লোৱা হয় মুছলিম লীগৰ লাহোৰ অধিবেশনত। নিপীড়িত, শোষিত সৰ্বসাধাৰণ মুছলিম মানুহক এনে প্ৰচাৰেৰে মোহাচ্ছন্ন কৰা হয় যে তেওঁলোকৰ সকলো দুখযাতনা অভাৱ অভিযোগ মুছলিম ৰাষ্ট্ৰ হলেই দূৰ হ'ব। (Sarkar, p 379-380)।

দেশবিভাজনৰ বাবে মুছলিম লীগ আৰু ব্ৰিটিছ চৰকাৰৰ এই ঐক্যই প্ৰধানকৈ দায়ী। কিন্তু কংগ্ৰেছৰ নেতাসকলে হিন্দু-মুছলমান জনসাধাৰণৰ ঐক্যৰ ভিত্তি ৰচনা কৰিব পৰা কোনো আৰ্থ-সামাজিক কাৰ্য্যসূচী লব নোৱাৰাটো তাৰ অন্যতম কাৰণ। গান্ধীজীৰ ধৰ্মীয় উদাৰতাৰ নীতি উগ্ৰ সাম্প্ৰদায়িকতাৰ বানত ভিত্তি থকাই টান হৈ পৰিল। নেহৰু আদি নেতাৰ ক্ষমতাৰ আকাংক্ষা ইমান তীব্ৰ হ'ল যে অসমক পাকিস্তানলৈ যাবলৈ দিবলৈকো তেওঁ প্ৰস্তুত হৈছিল। সহস্ৰ হিন্দু-মুছলমানৰ তেজ, চকুলোৰে ৰাঙলী হোৱা ভাৰতত ১৯৪৭ চনত স্বাধীনতা আহিল—অসংখ্য হিন্দু, অসংখ্য মুছলমানৰ বাবে সেই স্বাধীনতা আহিল অভিশাপৰ দৰে। সেই ৰোমহৰ্ষক স্মৃতিকে মূলধন কৰি অধিকাংশ হিন্দু মৌলবাদী সংগঠনে পূবৰ দেশৰ মাজত উগ্ৰ ধৰ্মীয় সাম্প্ৰদায়িকতা বিয়পাই আছে। তাৰ বিৰুদ্ধে দৃঢ় নীতিগত অৱস্থান লোৱা বাবেই গান্ধীজী ১৯৪৮ চনত বলি হ'ল উগ্ৰ সাম্প্ৰদায়িকতাবাদী হিন্দুৰ হাতত। এইবাৰৰ হত্যাকাণ্ডৰ প্ৰকোপ দেখি এসময়ত direct action-ৰ আহ্বান দিয়া জিন্না চাহাবেও মনে মনে চকুলো টুকিছিল, পাকিস্তান "ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ" হব বুলি ঘোষণাও কৰিছিল। কিন্তু তেতিয়া বহুত পলম হৈ গৈছিল। ৰাজনীতিত ভুলৰ শুধৰণি ইমান সহজ নহয়।

ৰাজনৈতিক মঞ্চত এইবোৰ ঘটনা ঘটিছিল, আৰু বৌদ্ধিক জগতো পিছ পৰি থকা নাছিল। ভাৰতৰ ইতিহাস সাম্প্ৰদায়িক ভিত্তিত ৰচিত হবলৈ ধৰিলে। হিন্দু-মুছলমানৰ বিবাদ বিভেদৰ পৰিৱেশত ব্ৰিটিছ যুগত ৰচিত পাঠ্যপুথিত অতীত ভাৰতকো সেই চকুৰে চোৱা হবলৈ ধৰিলে—যেন সমগ্ৰ মধ্য যুগ হিন্দু আৰু মুছলমানৰ বিবাদত নিমগ্ন, তেনে এক ছবি স্কুলীয়া পাঠ্যপুথিত ফুটি উঠিল। তাৰ প্ৰভাৱত বহু পুৰুষ ধৰি ভাৰতীয় শিক্ষিত মানুহৰ মনত সাম্প্ৰদায়িক মনোভাৱৰ বীজ বৈ গ'ল। আজিও সেই অশুভ পৰম্পৰা শেষ হৈ যোৱা নাই।

আজি স্বাধীন ভাৰতত ব্ৰিটিছ যুগৰ অশুভ পৰম্পৰাৰ অৱসান ঘটাৰ কোনো লক্ষণ দেখা যোৱা নাই। ৰাজনীতিত আজিও সাধাৰণ মানুহৰ

মোহাবিষ্ট কৰি বিভেদবিভাজনৰ কৰিবলৈ অসততাৰ্পণ কৰাৰ কৌশল চলি আছে। নিৰাপত্তাহীন মুছলিম জনগণক Vote Bank হিচাপে ব্যৱহাৰ কৰাৰ কৌশল শাসকদলে বহু দশক ধৰি কৰি আছে। তাৰ ফলত বিদেশী অনুপ্ৰৱেশৰ দৰে ৰাষ্ট্ৰীয় প্ৰকৃত সমস্যা এটাও অনাৱশ্যকভাৱে সাম্প্ৰদায়িক ৰোকাপানীৰে ঘোলা হ'বলৈ ধৰিছে। হোজাইৰকাণ্ড শাসকদলৰ ভেদনীতিৰ পৰিণাম।

মুছলমান জনসাধাৰণৰ অৱস্থা দেশত এতিয়াও বৰ উন্নত নহয়। ১৯৮১ চনৰ সমীক্ষাত দেখা গৈছিল যে দেশত সমুদায় শিল্পউদ্যোগৰ ৫৭% মূলধন ২৮০:টা কোম্পানীৰ হাতত আছে। তাৰ মাত্ৰ ৪টাহে মুছলমান মালিকৰ দখলত। দেশৰ ন্যায়পালিকা, প্ৰশাসন, পুলিচত মুছলমানৰ উপস্থিতিৰ হাৰ এতিয়াও ১০%-ৰ তলত। দৰিদ্ৰতম স্তৰত তেওঁলোকৰ স্থান।

মুছলমান সকলৰ মাজত ধৰ্মান্ধতা নোহোৱা নহয়। কিন্তু নিৰাপত্তা-হীনতাৰ বাবেই তেওঁলোকৰ মাজত এনে ধৰ্মান্ধতা বৃদ্ধি পাইছে। এতিয়ালৈ দেশত স্বাধীনতাৰ পিছত যিমানবোৰ riot হ'ল, তাতে নিহত সকলৰ ৯০% ভাগেই মুছলমান। চৰকাৰী আয়োগ আৰু PUCL-ৰ প্ৰতিবেদনৰ পৰা দেখা যায় যে পুলিচে সংঘৰ্ষত মুছলমান সকলক লক্ষ্যভেদ কৰিছে। (c. g. *PUCL Report on Police Firing July 14, 1987 EPW, April 26, 1986*)। মীৰাটৰ মহল্লাৰ ভিতৰত সোমাই PAC-য়ে আশ্ৰয়ৰত মুছলমান সকলৰ ওপৰত গুলিচালনা কৰিছিল। আনকি ন্যায়পালিকাতো সাম্প্ৰদায়িক চিন্তা প্ৰবল হ'বলৈ ধৰিছে। (V. K. Krishna Iyer, in *Hindusthan Times*, 18th Jan. 1986) বিশেষ শিল্প ব্যৱসায়ত মোৰাদাবাদ, মীৰাট আদি চহৰত মুছলমান কাৰিকৰ আৰু ব্যৱসায়ীয়ে স্বচ্ছলতা লাভ কৰিছে পৰিকল্পিতভাৱে তাৰ ওপৰত আক্ৰমণ চলিছে। অৰ্থাৎ সমাজত মুছলমান বিৰোধী অৰ্থনৈতিকভাৱে শক্তিশালী মহল সক্ৰিয় হৈছে, প্ৰশাসনতো মুছলমানৰ প্ৰতি কিছু পক্ষপাত বা ঔদাসীন্য দেখা গৈছে। সেয়ে সাধাৰণ মুছলমানৰ মনত জাতীয় ভাৱধাৰাতকৈ সাম্প্ৰদায়িকতা প্ৰবল হৈছে তেওঁলোকক কেনেকৈ দোষ দিয়া যায়?

মৌখিক প্ৰচাৰ তাৰ লগতে আৰু বাঢ়ি চলিছে। সোৱদী [illegible] পিছত আৰবি ভাষা, মছজিদ, [illegible]। ভাৰত "বিভক্ত হিন্দু" কথাৰ [illegible]—মুছলমান উপাদান বহিষ্কাৰ কৰাৰ চেষ্টা প্ৰবল হৈছে। সাধাৰণ পত্ৰ-পত্ৰিকাত বিবোদগাৰ সদন।

শাসকশ্ৰেণীৰ বিৰুদ্ধে জনসাধাৰণৰ ক্ৰোধ আৰু ক্ষোভক পথভ্ৰষ্ট কৰিবলৈ, নিৰ্বাচনত কৌশলেৰে জিকিবলৈ ত্ৰিচিছ যুগৰ দৰে সাম্প্ৰদায়িক কন্দল সৃষ্টি কৰা হৈছে। ১৯৪৯ চনৰ পৰা তলাবন্ধ বাবৰি মছজিদ ইন্দিৰা কংগ্ৰেছ আমোলত খোলা হয়। তাত মূৰ্তি পূজাৰ অনুমতি দিয়া হয়। ১৯৮৭ (১৯৮৯ ?) চনত ৰামজন্মভূমিৰ শিলান্যাস হয় ৰাজীৱৰ দ্বাৰা।

অসতো মা সদ্গময়

তমসো মা জ্যোতিৰ্গময়।

(তেজপুৰত আঞ্চলিক ছাত্ৰ সন্থাই ১৯৯২ চনৰ ৯ মাৰ্চত পতা সভাত দিয়া বক্তৃতা)

আজি শাসকশ্ৰেণীৰ কূটনীতি সম্পৰ্কে বাইজ সচেতন। সেয়ে অপপ্ৰচাৰৰ বিৰুদ্ধে প্ৰচাৰৰ সুফল এতিয়া আশা কৰিব পাৰি। কিন্তু কেৱল সংঘৰ্ষৰ পিছত কিছুদিন প্ৰচাৰ চলালেই নহ'ব। শাসকশ্ৰেণী ৰাজনৈতিকভাৱে পৰাস্ত নোহোৱা পৰ্য্যন্ত, সাম্প্ৰদায়িক শক্তি বিনষ্ট নোহোৱা পৰ্য্যন্ত প্ৰচাৰ চলাব লাগিব, আদৰ্শগত সংগ্ৰাম চলাব লাগিব। আশা কৰোঁ তৰুণসকলে অতীতৰ ভুলভ্ৰান্তিৰ শিক্ষা লৈ এই পবিত্ৰ দায়িত্ব পালন কৰিব আৰু দেশক কালিমাৰ পৰা, অজ্ঞতাৰ পৰা, বৰ্বৰতাৰ উদ্ধাৰ কৰিব :

আনহাতে এই কথাও ঠিক যে প্ৰধানমন্ত্ৰী নৰসিংহ ৰাও, বাজপেয়ী, [illegible] আদি বাইজ মুখ্যমন্ত্ৰীসকলে দেশৰ মুছলমান বাইজক প্ৰতিশ্ৰুতি দিছিল যে বাবৰি মছজিদৰ কোনো ক্ষতিসাধন হ'বলৈ দিয়া নহয়। ইতিমধ্যে বাবাখবৰ প্ৰচাৰৰ ফলত দেশৰ মুছলমান [illegible]

বাবৰি মছজিদ ইছলাম আৰু মুছলমান সংস্কৃতিৰ প্ৰতীক হৈ পৰিছিল। অথচ ৬ ডিচেম্বৰৰ দিনা ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, ন্যায়ালয়, কাকো কেৰেপ নকৰি এক উন্মত্ত জনতাই বাবৰি মছজিদ ভাঙি পেলালে। এনেস্থলত যদি মুছলমান ৰাইজৰ মনত এনে ধাৰণা ওপজে যে তেওঁলোক বৰ্তমানৰ ভাৰতীয় ৰাষ্ট্ৰত নিৰাপদ নহয়, তেন্তে তেওঁলোকক দুষিব পাৰিবনে? আনহাতে বৰ্তমান কেন্দ্ৰীয় চৰকাৰে সংবিধানৰ দুই এটা চৰ্ত মানি চলাৰ নামত সংবিধানৰ মূলভাব বা Spirit টোকে উলংঘা কৰা নাইনে?

সম্প্ৰতি দেখা গৈছে যে এহাতে চৰকাৰে বিজেপি দলৰ ৰাষ্ট্ৰদ্ৰোহী কাৰ্য্যকলাপ ৰোধ কৰাৰ কথা ঘোষণা কৰিছে, আৰু আনহাতে বিজেপি দলৰ নেতাৰ ওচৰত তেওঁলোকৰ সমাবেশ বন্ধ কৰাৰ বাবে ক্ষমাও খুজিছে। এনে দুতলীয়া আচৰণে হিন্দুত্ববাদীসকলৰ বল বৃদ্ধি নকৰিবনে? ১২ তাৰিখৰ *Times of India*-ৰ মতে এইবাৰ অসমত বিদেশীৰ অনুপ্ৰৱেশৰ ওপৰত তথ্যচিত্ৰ কৰাৰ ভাৰ দূৰদৰ্শনে দিছে বিজেপি-ৰ এজন নেতাৰ অধীনত থকা ব্যৱসায়ী সংগঠন এটাক। এইবোৰে ইংগিত দিয়ে যে বৰ্তমান চৰকাৰৰ মনোভাৱ সাম্প্ৰদায়িকতাবাদী শক্তিবোৰৰ বিৰোধী নহয়। বহুতে ভাবে বিদেশী পুঁজিয়ে ভাৰতত স্বকলমে সোমাব পৰাকৈ চৰকাৰে ৰাইজৰ মাজত এনে বিভাজন আনিছে। সাম্প্ৰদায়িকতাবাদী মহলবোৰে প্ৰায়েই অভিযোগ কৰে যে ভাৰত চৰকাৰে minorityism কৰিছে, মুছলমান সকলক appeasement কৰিছে বা প্ৰশ্ৰয় দিছে। কিন্তু প্ৰকৃত ঘটনা কি? মুছলমানে চৰকাৰৰ পৰা চাকৰিয়েই পাইছে নে ধনবিত্তেই পাইছে? আচলতে কেতবোৰ আচাৰ-আচৰণৰ সৰুসুৰা কথাত চৰকাৰে মুছলমান সকলৰ দাবী মানি ডাঙৰ ডাঙৰ বিষয়বোৰত (issues) তেওঁলোকক প্ৰবঞ্চনা কৰিছে। খাহ বানোৰ ক্ষেত্ৰত মুছলমান ধৰ্মবিশ্বাস ৰক্ষণাবেক্ষণ দিয়াৰ নামত মুছলিম নাৰীৰ প্ৰতি অবিচাৰ চলি থাকিবলৈ দিলে চৰকাৰে। কিন্তু চাকৰি-বাকৰি, শিক্ষা-দীক্ষা আৰু ব্যৱসায় বাণিজ্যৰ ক্ষেত্ৰত মুছলমানে প্ৰাপ্য সুবিধা পাইছেনে? ভাৰতত কেইজন I.A.S. officer, সেনাবাহিনীৰ কৰ্ণেল আৰু জেনেৰেল, ৰাজ্যৰ বিধানৰ অধ্যক্ষ মুছলমান

তদুপৰি মুছলিম ব্যক্তিগত আইনৰ ওপৰত অত্যধিক নিৰ্ভৰ বাবেও মুছলমানৰ বিৰুদ্ধে অপপ্ৰচাৰ চলোৱা হয়। সমগ্ৰ দেশত ৰাষ্ট্ৰ বিভক্ত নহয়, এখনেই। সেইপিনৰ পৰা সকলোক্ষেত্ৰত ৰাষ্ট্ৰৰ আইন একেই হোৱা উচিত। ব্ৰিটিছৰ সাম্ৰাজ্যবাদী নীতি অনুযায়ী কোনো ধৰ্মৰ বাবে আইন বেলেগ কৰাৰ প্ৰয়োজন স্বাধীন ভাৰতত থাকিব নালাগে। কিন্তু তথা-কথিত আধুনিক যুগ প্ৰৱৰ্তন হোৱাৰ পিছতো যেহেতু Muslim Personal Law ৰাখি থাকিল, সেই পৰম্পৰা একেদিনেই উঠাই দিয়া টান। কিন্তু দেশজুৰি এক অখণ্ড নাগৰিক প্ৰশাসন চলিবৰ বাবে সাজু হ'বলৈ মুছলমান সকলক সময় দিব লাগিব। তাৰ সপক্ষে তেওঁলোকৰ মাজত প্ৰচাৰ চলাব লাগিব।

ঐতিহাসিক ইৰ্ফান হবিবে আঙুলীয়াই দিছে যে ইছলামৰ বিশ্বভ্ৰাতৃত্বৰ আদৰ্শ সত্বেও মধ্যযুগৰ ভাৰতত মুছলমানৰ মাজত দাসত্বপ্ৰথা প্ৰচলিত আছিল। অৰ্থাৎ ধৰ্মৰ নীতি-নিয়ম সমসাময়িক সমাজৰ লগত খাপখুৱাই কিছু সলনি কৰা এক সুপৰিচিত ঘটনা। ভক্তিধৰ্মৰ মানৱতাবোধ সত্বেও বৈষ্ণৱসকলে কাৰ্য্যক্ষেত্ৰত জাতিভেদ মানিয়েই চলিছিল। সেইদৰে আজিৰ গণতান্ত্ৰিক ধৰ্মনিৰপেক্ষ পৰিবেশত ৰাষ্ট্ৰৰ প্ৰয়োজনত দুই এক ধৰ্মীয় বিধি উলংঘা কৰিব পাৰি।

সম্প্ৰতি হিন্দুত্ববাদী বুদ্ধিজীৱীসকলে পুনৰ এক দাবী তুলিছে। তেওঁ-লোকৰ মতে ইছলামে তাত্বিকভাৱে বেলেগ জাতীয় ৰাষ্ট্ৰৰ বৈধতা স্বীকাৰ কৰা নাই; সকলো মুছলমান খলিফাৰ অধীনত এক "Umma"ৰ সদস্য। সেয়ে হেনো তত্বগতভাৱে মধ্যযুগৰ পৰাই মুছলমান ভাৰতীয় ঐতিহ্যৰ প্ৰতি উদাসীন আৰু দেশৰ বাহিৰৰ অনুষ্ঠানৰ প্ৰতি অনুগত।

মনত ৰখা ভাল যে ধৰ্মৰ ভিত্তিত ইউৰোপো কেইবা শতিকা ধৰি এখন অখণ্ড সমাজ আছিল। ৰাজনীতিত তাৰ নাম আছিল Christendan, তাৰ মুৰব্বী আছিল পোপ। কিন্তু ইতিহাসৰ অনিবাৰ্য গতিত সেই Christendan খণ্ডবিখণ্ড হৈ কেবাখনো জাতি ৰাষ্ট্ৰত পৰিণত হ'ল। ইছলামৰ ক্ষেত্ৰতো এনে বিকাশ বা পৰিণতি প্ৰায় অনিবাৰ্য্য। ভাৰততে

এনেদৰেও খলিফাৰ প্ৰভাৱ নাছিল যাইকে আনুষ্ঠানিক (formal)। আনহাতে মুছলমান সম্ৰাট আৰু পণ্ডিতসকলে স্থানীয় সংস্কৃতিৰ প্ৰতি আগ্ৰহ আৰু সন্মান প্ৰদৰ্শন কৰাৰ উদাহৰণ আমি আগতে দাঙি ধৰিছোঁ। Umma-ৰ প্ৰভাৱে তাহানিৰ আৰব পণ্ডিতসকলৰ মাজত বিধৰ্মী গ্ৰীক-সকলৰ জ্ঞানবিজ্ঞা চৰ্চাত কোনো বাধা দিয়া নাছিল। অৰ্থাৎ ধৰ্মৰ প্ৰভাৱ নহয়, সমাজ এখনৰ ৰক্ষণশীলতা বা প্ৰগতিশীলতাৰ ওপৰতহে নিৰ্ভৰ।

(তেজপুৰত দিয়া ভাষণ ১ মাৰ্চ, ১৯৯২)

সংস্কৃতি সম্পৰ্কে এখন অগঠিত ভাষণ

পদুমকবি পাৰ'ৰ বাইজে পতা বহাগী সাংস্কৃতিক অনুষ্ঠানত মোৰ নিচিনা নিমন্ত্ৰণ কৰা হয়তে প্ৰথমে বাইজৰ ওচৰত মোৰ [illegible]। মই শিল্পীও নহওঁ, শিল্পৰসিকো নহওঁ। কিন্তু [illegible] কৈ আহিছে বোলে, মাছিলে কণলৈকো যাব।

দেখাত সংস্কৃতিৰ লগত কণ বা [illegible] সম্পৰ্ক নাই। [illegible] আচলতে সংস্কৃতিৰ পথাৰখনতো কণ হ'ব পাৰে। অসমৰ সংস্কৃতিয়েও এতিয়া কণ হৈ আছে। আমাৰ পূৰ্বপুৰুষ [illegible], [illegible] বৰুৱা, হেম গোসাঁই, চন্দ্ৰ আগৰৱালাৰ দিনতো এখন কণ হৈছিল। [illegible] বিপৰ্যয়ৰ ফলত জেলেই চেপেটা লগা অসমীয়াৰ ওপৰত বাহিৰা [illegible] শক্তিয়ে আধিপত্য চলাবলৈ আহিছিল তেতিয়া। [illegible] সংস্কৃতিৰ ক্ষেত্ৰতো অসমীয়াই সাম্ৰাজ্যবাদক যুঁজি দিছিল—নিজৰ ভাষা [illegible] কৰিবলৈ, বৈষ্ণৱ পদপুথিৰ পৰা [illegible] পুথিসমূহ [illegible] কৰিবলৈ, বিস্মৃতিৰ গৰ্ভৰ পৰা জাতীয় সম্পদবোৰ উদ্ধাৰ কৰিবলৈ, নিজকে ভালকৈ চিনিবলৈ।

আজিও যুগযুগ ধৰি দুইতৰ বানপানী আৰু [illegible] বছৰে [illegible] কৰা অসমৰ মানুহে অনুভৱ কৰিছে, তেওঁলোক এক নতুন সংকটৰ [illegible]—যি সংকটৰ পৰা নিজে উদ্ধাৰ নহলে আৰু তেওঁলোকৰ পৰিত্ৰাণ নাই। আমাৰ ৰাজনীতিবিদ, আমাৰ বুদ্ধিজীৱী, আমাৰ কৃষক, আমাৰ [illegible], আমাৰ শিল্পী-সাহিত্যিক সকলোৱে এই সংকটৰ বিৰুদ্ধে [illegible] যুঁজিলে নিজৰ [illegible] আৰু ইতিহাসৰ [illegible]।

[illegible]

উলিয়াই দিব। কিন্তু আজি আমি এই আত্মাভিমান আৰু আত্মবিশ্বাস হেৰুৱাইছোঁ। আমি এনে এখন ৰাষ্ট্ৰৰ নাগৰিক হৈছোঁ যি ৰাষ্ট্ৰই আমাৰ নদনদন প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰি আমাৰ অৱস্থা উন্নত কৰিবলৈ সুযোগ নিদিয়ে, যি ৰাষ্ট্ৰই আমাৰ ৰাজ্যখনৰ সীমাৰেখা আমাক নোসোধা। নেমেলাকৈ কটাছিঙা কৰিব পাৰে, যি ৰাষ্ট্ৰই সাৰগোবৰ নিদি আমাৰ মাটিতে আমাৰ সংস্কৃতিক দুৰ্বল কৰি পেলাইছে। এনে দিন পৰিছে যে সকলো কথাতে আমি দিল্লীৰ মৰ্জি বা হুকুমলৈ অপেক্ষা কৰিবলগীয়া হৈছে। সত্ৰীয়া নৃত্য শাস্ত্ৰীয় নৃত্য হয় নে, বিহুনাচ-বিহুনামৰ সৌন্দৰ্য্য সভ্যসমাজৰ উপযুক্ত নে, আমাৰ মাজৰে কোনো শিল্পী বা সাহিত্যিকৰ প্ৰকৃত প্ৰতিভা আছে নে, এনে সকলো কথাৰ শেষ সিদ্ধান্ত হ'ব লাগিব দিল্লীৰ মত অনুসৰি। আৰু দিল্লীৰ সেই সিংহাসনৰ এটা ক্ষুদ্ৰ চুকত হে অসমীয়াৰ স্থান। এনে অৱস্থা এটা জাতিৰ সংৰক্ষণ বা বিকাশৰ অনুকূল নহয়।

তাৰে পৰিণাম হিচাপে আমি দেখোঁ যে বিহুৰ দিনাও আমাৰ ছোৱালীয়ে মেখেলা-চাদৰ নিপিন্ধে,(বড়ো গাভৰুৱে দখ্না এৰা নাই কিন্তু); আমাৰ গণ্যমান্য সকলৰ সতিসন্ততিৰ অসমীয়া ভাষা সাহিত্যৰ প্ৰতি কোনো থাউতি নাই, আৰু আমাৰ সমাজ-সংস্কৃতিৰ সকলো সম্পদ মিউজিয়ামত এৰি বাহিৰৰ আদৱ কায়দাকে বান্দৰৰ দৰে নকল কৰি আমি আধুনিক হ'বলৈ বিচাৰিছোঁ।

যি কোনো সমাজ আগবাঢ়ি যাবলৈ হ'লে বাহিৰৰ উৎকৃষ্ট ভাবচিন্তা, কলাশিল্প, আৰু আনকি সা-সঁজুলি আদৰি লবই লাগিব। কিন্তু এইদৰে আদৰি লবলৈ যাওঁতে নিজকখতে কোনো আপত্তি নহয়, নিজৰ ভৰিৰ তলৰ মাটি কোনেও এৰি নিদিয়ে। মুকলিমূৰীয়া হ'বলৈ-গৈ কোনেও নিজৰ পৰিচয় হাবিয়েৰখনে হেৰুৱাই নেপেলায়। কিন্তু আমাৰ ভয় হৈছে যে আমি তেনে এক দিশলৈকে গতি কৰিছোঁ। আমি আনৰ সংস্কৃতি তথা সমাজক খৰিভাৰী হ'বলৈ ওলাইছোঁ, নিজে বিশেষ একো সৃষ্টি কৰিব খোজা নাই।

আজি আমাৰ অধিকাংশ ডেকাই ঠিকাদাৰী-কাৰবাৰ কৰিব খোজে। কিছুমানে বন্দুকেৰে ভয় দি পইচা যোগাৰ কৰে। কিয়? নিজে কোনো

সমাজৰ প্ৰয়োজনীয় সম্পদ সৃষ্টি কৰিবলৈ নহয়। সকলোৱে জানে যে ঠিকাদাৰে বনোৱা ঘৰ দুদিনেই দাবায়, ঠিকাদাৰে বনোৱা বান্ধত বছৰে লৌ বাওঁতেই অসংখ্য গাঁত ওলায়। কাৰণ আমাৰ আগ্ৰহ কেৱল ধন সংগ্ৰহ কৰাত। সেই ধন কি কৰিবলৈ? বজাৰত ওলোৱা নানা বিলাসী সামগ্ৰী কিনিবলৈ—যিবিলাকৰ ৯৯% ভাগ বিদেশ বা বাহিৰৰ পৰা অহা। এইবোৰ কোনো স্বাধীনচিন্তীয়া জীৱন্ত সমাজৰ লক্ষণ নহয়। এইবোৰ বিকাৰগ্ৰস্ত মানসিকতাৰহে লক্ষণ, ধ্বংসমুখী জাতিৰ লক্ষণ।

আচলতে যোৱা একদশকমান জুৰি প্ৰবলবেগে বিদেশী সাম্ৰাজ্যবাদী প্ৰভাৱ ভাৰত তথা অসমৰ ওপৰত পৰিছে। আজি নৰসিংহ ৰাও চৰকাৰৰ নেতৃত্বত ভাৰতখনৰ দুৱাৰ খিৰিকি বিদেশী পুঁজিবাদীৰ আগত সম্পূৰ্ণ মেলি দিয়া হৈছে। তেওঁলোকে তেওঁলোকৰ বস্তু ইয়াত চৰা দামত বিক্ৰী কৰি ইয়াৰ সম্পদ সস্তাতে লৈ যাবলৈ সুবিধা পাইছে। এই নীতিৰ ফলত IMF, World Bank-ৰ পৰা ভাৰত চৰকাৰে কোটি কোটি টকাৰ ধাৰ পাইছে অৰ্থনৈতিক সংকটৰ পৰা সাময়িকভাৱে ৰক্ষা পৰিবলৈ। ভাৰতৰ বৈদেশিক ঋণ এতিয়া ২ লাখ কোটি টকাৰ ওচৰ চাপিছে। ঘাইকে তাৰ হেঁচাতে আৰু বিদেশী মহাজনহঁতৰ হেঁচাত ভাৰতীয় মানুহৰ খাদ্যদ্ৰব্যৰ পৰা আৰম্ভ কৰি নিত্য প্ৰয়োজনীয় সকলো সামগ্ৰীৰ দাম হু-হুকৈ বাঢ়িবলৈ ধৰিছে। দৰৱজাতি, চিকিৎসাৰ খৰচো ক্ৰমে জুইছাই হ'ব বুলি অৰ্থনীতিবিদ সকলে কৈছে।

এনেকুৱাত ভাৰতৰে অৱস্থা দুৰ্দশাগ্ৰস্ত। ভাৰতৰ নিজা মালিক-মহাজন শ্ৰেণীয়ে বিদেশী মহাজনৰ ওচৰত আত্মসমৰ্পণ কৰিছে। তেল-চাবোন আদি তৈয়াৰ কৰা দুটা বৃহত্তম ভাৰতীয় কোম্পানী হৈছে TOMCO আৰু GODREZ। দুয়োটাই বিদেশী কোম্পানীৰ সহায় লৈছে, বিদেশী কোম্পানীৰ লগত চামিল হৈছে অলপতে। ফলত তেল-চাবোনৰ দাম যে বহুত বেছি হ'ব, সন্দেহ নাই। তাৰে ভালেখিনি ধন বিদেশীৰ হাতত পৰিব। দেশীয় পুঁজিৰ হাতত থাকিব অকণমান আমাৰ তথাকথিত দেশী মালিক মহাজনে অসমৰ বাইজৰ উন্নতি হৈছে নে নাই, অসমীয়া জাতি বাচি আছেনে নাই, [illegible] কৰিছে।

বিদেশী বেপাৰীয়ে লগত আনিছে বিদেশী সংস্কৃতি। আজি ল'ৰা-ছোৱালীয়ে খাইছে নে নাই, পিন্ধিছে নে নাই চিন্তা কৰাৰ দৰকাৰ নাই। Star T.V., M.T.V-ৰ জৰিয়তে এমহনীয়া কেঁচুৱাৰ পৰা আটাইলৈ ইং-বাজুৱা কৰা নাচ-গানকে উন্নত কলাৰ আধুনিক গান বুলি সকলোৱে শিকিছে, আৰু সৰ্বস্ব নাঙঠ নৃত্যকে কলাশিল্পৰ চূড়ান্ত নিদৰ্শন বুলি মানি লৈছে। বোম্বে চহৰ ভাৰতৰ ভিতৰতে আটাইতকৈ ধনী। তাতেই এনে পশ্চিমীয়া চঙৰ খেচেৰা সংস্কৃতি ধুমুহাৰ বেগে উৎপাদন হৈছে, বাৰপানীৰ দৰে সেইবোৰ অসমৰ গাঁওভূঁই পৰ্য্যন্ত সোমাইছে। তাৰ ফল বোম্বেৰ বাবে ভাল হোৱা হলে, বোম্বেৰ মানুহক সি উন্নত, সভ্য, সহৃদয় কৰা হলে, আমি নিৰ্বিবাদে সেই সংস্কৃতি গ্ৰহণ কৰিলোহেঁতেন। কিন্তু বোম্বেতে সাম্প্ৰদায়িক সংঘৰ্ষ হৈ হেজাৰ হেজাৰ লোক জীয়াই দগ্ধ হয়, লাখ লাখ লোক গৃহহীন হয়। India Today-ৰ মতে এহাল সৰু ছোৱালীৰ বাপেকক সিহঁতৰ সমুখতে কুঠাৰেৰে ঘপিয়াই, আৰু মাকক দুৰ ফলাকৈ কাটি হত্যা কৰা হয়। সম্প্ৰতি প্ৰমাণ পোৱা গৈছে বোম্বেৰ চিনেমা শিল্প সম্পূৰ্ণ ডকাইতৰ দলৰ হাতৰ মুঠিত। এয়া মানৱীয় সংস্কৃতিৰ লক্ষণ নে পিশাচৰ সংস্কৃতিৰ লক্ষণ?

তেন্তে আমি সেইবোৰ কমিক্স সংস্কৃতিৰ পৰা নিজক ৰক্ষা কৰা উচিত নহয় নে? বাহিৰৰ সমুখত আমাৰ হীনমন্যতা নীচাধিকা বিপজ্জনক এই বাবেই যে বাহিৰৰ সংস্কৃতিৰ ভাল-বেয়া সি আমাক বাছিবলৈ নিদিয়ে। এইবাবেই আমি আত্মৰক্ষাৰ, আত্মপ্ৰতিষ্ঠাৰ প্ৰয়াস আকৌ কৰিব লগীয়া হৈছে। ইয়াৰ এক ৰাজনৈতিক দিশ আছে। কিন্তু ৰাজনীতি যথেষ্ট নহয়। সংস্কৃতিৰ দিশত সংগ্ৰাম নচলালে আমি নিজকে ৰক্ষা কৰিব নোৱাৰিম, আমাৰ আবেগ অনুভূতিক এক সুস্থ আৰু গঠনমূলক ৰূপ দিব নোৱাৰিলে, আমাৰ মনৰ ধ্যানধাৰণাবোৰ জাতিৰ বিকাশৰ বাবে উপযোগী কৰি লব নোৱাৰিলে অৰ্থনীতি, ৰাজনীতি, সকলোতে আমি হেৰুৱাই যাব পাৰো।

যি কোনো জাতিৰ মনুষ্যত্ব দূৰ আৰু সকল আদৰ্শ নাথাকিলে তাৰ [illegible] আক্ৰমণৰ [illegible] হৈ পৰে। মানৱ আক্ৰমণৰ আগতুৱাকৈ [illegible]

অসমীয়া কেৱলৰাই যে ঘোৰা ঐক্য সম্প্ৰীতিৰ বাট উলিয়াই অসমীয়া জাতিক দুৰ্বলতম কৰিছিল। আজিও আমি বামুণ-শূদ্ৰ, আৰ্য-অনাৰ্য, আহোম ৰাজ্য—কছাৰী ৰাজ্য, উজনি-নামনিৰ বিভেদমূলক চিন্তাৰে আমাৰ একতা নষ্ট কৰিবলৈ ওলাইছোঁ। আধুনিক যুগৰ উপযোগী, সাম্য আৰু মৈত্ৰীৰ ওপৰত নিৰ্ভৰশীল, জাতীয় সমাজ এখন গঢ়ি তুলিব পৰা নাই। শিল্পীসাহিত্যিকে এইক্ষেত্ৰত নেতৃত্ব দি ঐক্য চৰিত্ৰ অৰ্জাবলৈ বুলিব কোনে ?

তেনেকৈ নিজৰ জাতীয় ঐতিহ্যৰ ভিত্তিতে বিদেশৰ সৎ, সুস্থ উপাদান সমূহ মিলাই আমি এক আধুনিক জাতীয় সংস্কৃতি গঠন কৰিব পাৰিব লাগিব। সি এনে সংস্কৃতি হ'ব লাগিব যি কেৱল পৰৰ হাস্যকৰ অনুকৰণ নহয়, যাৰ মাজেদি প্ৰতিজন এজী অসমীয়া শিল্পীয়ে মৌলিক অৱদান দিব পাৰিব গাঁৱে ভূঞে, চহৰে নগৰে। বিদেশৰ বস্তু আমাৰ অনুপযোগী বা আমাৰ বাবে ক্ষতিকৰ, বিচাৰ-বিবেচনা কৰি সেইবোৰ বৰ্জন কৰাৰ সৎসাহস আমাৰ থাকিব লাগিব।

আজি কেউপিনে বজাৰ আৰু বজাৰৰ সংস্কৃতিৰ জয়জয়কাৰময় অৱস্থা। সকলো বস্তুৰে বজাৰ। শিক্ষা, চিকিৎসা, ক'তো সেৱাৰ মনোভাৱ নাই। কেৱল কোনে কিমান টকা অৰ্জন কৰিব পাৰে তাৰ প্ৰতিযোগিতা। যি চৰকাৰে নিবনুৱা ডেকাৰ পেটৰ পোৱণি মনৰ পোৱণি দূৰ কৰিবলৈ কৰ্ম-সংস্থান কৰিব লাগে, সেই চৰকাৰৰ মন্ত্ৰীবিলাকেই হেজাৰ-হেজাৰ টকা লাভত চাকৰি বিক্ৰী কৰে। এই অৱহেলিত পৰিবেশত সংস্কৃতিৰ মাজেৰে সৎ আদৰ্শ, সেৱাৰ মনোভাৱৰ প্ৰচাৰ কৰা সম্ভৱ নে ? সম্ভৱ-অসম্ভৱ নাজানোঁ, কিন্তু সেই কাম কৰিব নোৱাৰিলে জাতীয় সংস্কৃতিৰ ৰক্ষা কৰিব পৰা নাযাব। যি জাতীয় সংস্কৃতিতকৈ টকাক বেছি মূল্য দিয়ে, তেনে শিল্পীয়ে হেজাৰবাৰ মুখেৰে দেশপ্ৰেমৰ কথা কলেও সি আজিৰ পৰিস্থিতিত দেশদ্ৰোহী।

এই টকাৰ লোভৰ বশীভূতেই শিল্পীসাহিত্যিকক গাঁঠি অসমৰ শত্ৰুবোৰে জাতীয় সমাজ আৰু সংস্কৃতিৰ সৰ্বনাশ কৰিছে। লাখলাখ টকাৰ বটাবাহন, অনুদান আৰু উপাৰ্জনৰ সুযোগ বিলাই দি সিহঁতে শিল্পীৰ আত্মাটোকে কিনি

পেলাইছে। মনত ৰাখিব লাগিব এনেবোৰ লোক নকৰা প্ৰকৃত শিল্পী আৰু সংস্কৃতি সেৱীয়ে ত্যাগ কৰিছে। বিষ্ণু ৰাভাৰ দৰে কেতিয়াবা অন্ন জলতো দুই জনা নাছিল। জ্যোতিপ্ৰসাদ ধনীৰ সন্তান হৈও ল'ৰা-ছোৱালীৰ বাবে লাখটকাৰ সম্পত্তি এৰি থৈ যোৱা নাছিল। ৰবীন্দ্ৰনাথে তেওঁৰ তপোবন বিশ্বভাৰতী ৰচাই ৰাখিবলৈ কাব্যচৰ্চা এৰি ভিক্ষাৰ জোলোঙা লৈ দেশভ্ৰমণ কৰিবলগীয়া হৈছিল। শিল্পসাহিত্যৰ মহান লক্ষ্য বৰ্জন কৰি আত্মাটো বজাৰত বিক্ৰী কৰা হলে শাসকশ্ৰেণীয়ে তেওঁলোকক সোণেৰে মুৰাই দিলেহেঁতেন। তেওঁলোকে সেই বেশ্যাবৃত্তি নকৰা বাবেহে ভাৰতীয় আৰু অসমীয়া সংস্কৃতি বাচি থাকিল।

আজি আমাৰ প্ৰতাপশালী ৰাজনীতিয়ে ব্যৱসায়ীৰ ওপৰত টেক্স লগাই "বোম্বে"-মাৰ্কা সংস্কৃতি প্ৰচাৰত আগভাগ লৈছে, তেওঁৰ সমুখত আঠু লোৱা শিল্পীসাহিত্যিকক লাখটকীয়া ধনৰ টোপোলা আগবঢ়াইছে। কিন্তু দুখীয়া ৰাইজৰ ল'ৰা-ছোৱালী পঢ়া স্কুলত ছালবেৰ লগাব নোৱাৰে, প্ৰতিভাশালী গাৱঁলীয়া শিল্পীক অনাহাৰত তিলে তিলে মৃত্যুবৰণ কৰিবলৈ এৰি দিছে। যি নিজে আদৰ্শহীন, দুৰ্নীতিগ্ৰস্ত, সি শিল্পীক জীৱন্ত সংস্কৃতি ৰচনা কৰিবলৈ প্ৰেৰণা দিব কেনেকৈ? সি পাৰিব মাত্ৰ শিল্পসংস্কৃতিত বজাৰ-হাট বহুৱাই এগালমান বেপাৰী আৰু দালালৰ জন্ম দিবলৈ।

সেয়ে আজিৰ গণতান্ত্ৰিক যুগত মগজ নোহোৱা এজাক ভাটৌ চৰাইৰ দৰে, অথবা বিচাৰহীন এজাক বান্দৰৰ দৰে আমি আমাৰ সোণসেৰীয়া সংস্কৃতি দৰ্গদেউ-মহাৰাজ সকলৰ হাতত ৰক্ষা পৰাৰ কথা ভাবিব নোৱাৰোঁ। আমি আকৌ বুকুত হাত দি গভীৰ বিশ্বাসেৰে ক'ব পাৰিব লাগিব জ্যোতি প্ৰসাদৰ দৰে: "দেশেই আমাৰ নাটঘৰ, ৰাইজেই আমাৰ ভাৱৰীয়া।"

আজিৰ এই অন্ধকাৰ যুগত আমি অন্তৰবাসীৰ দৰে আধুনিক অসমৰ শ্ৰেষ্ঠ গণতান্ত্ৰিক শিল্পীৰ বাণী স্মৰণ কৰিব পাৰোঁহক। প্ৰায় অৰ্দ্ধশতিকা পূৰ্বে জ্যোতিপ্ৰসাদে কৈ গৈছিল:

"যি জনতাই সদায় দুষ্কৃতিৰ আক্ৰমণত কেঁচুৱাতে ধ্বংস হব খোজা সংস্কৃতিক নিজৰ বুকত সুমাই ছুলিতাৰি ভাওনাৰীয়াৰ দৰে, যি জনতাই সদায়

সংস্কৃতিৰ পৰাজয় হলেই দুষ্কৃতিৰ অত্যাচাৰ মূৰ পাতি লবলগীয়া হয়, যি জনতাৰ অন্তৰত সংস্কৃতিয়ে মৰম দুন্দুবোৰা বেলিৰ দৰে সদায়ে জ্বলি থাকে, যি জনতা সংস্কৃতিৰ বাঁহীত চিৰকাললৈ মুক্ত...যি জনতাই নিজৰ বুকৰ তেজ যুগেযুগে দিয়ো সংস্কৃতিক জীয়াই ৰাখি দুষ্কৃতিৰ পৰা সিহঁতৰ বাজঁজীয়া দুখকষ্ট গুচাই জীৱনৰ হাঁহি ফুলাব বুলি বাট চাই আছে, আজি শিল্পীয়ে প্ৰথমেই সকলো ভয়, দুৰ্ব্বলতা, ভ্ৰান্তি গহকি, খহকি, সুকুমাৰ কলাৰ জয় লৈ সেই দুৰ্ভগীয়া জনতাৰ মাজতেই থিয় হবলৈ লাগিব।..."

আজি পবিত্ৰ বিহু উৎসৱ উপলক্ষে এই নিঃকিনে পঞ্চমবৰবীৰ বাইজৰ আগত সেই কথাখিনিকে পুনৰ সোঁৱৰাই দিছোঁ।

(এই ভাষণত উল্লিখিত ঘৰৰ ওচৰৰে সভাখনলৈ আমাক নিবলৈ অত্যধিক পলমকৈ মানুহ অহাত আৰু যোৱা নহ'ল।)

(এপ্ৰিল, ১৯৬৩)

পৰিশিষ্ট ঃ অসমৰ আন্দোলনকাৰী ৰাইজৰ ওচৰত এটি মিনতি

কেতবোৰ স্বয়ম্ভু নেতাৰ ধাৰণা যে যিহেতু আমাৰ দলে লোকে বিদেশী বহিষ্কাৰ আন্দোলনত যোগ দিয়া নাই, অতএব অসমৰ হকে মাত মতাৰ অধিকাৰো আমাৰ নাই। নিজৰ স্বাৰ্থতে তেওঁলোকে এইকথা মানি লব যে আমি যদি আন্দোলনত যোগ দিয়া নাই, অসমৰ উপকাৰতকৈ অপকাৰেই বেছি হব বুলি শংকা কৰিয়েই যোগ দিয়া নাছিলো। সি যি নহওক, আমাৰ বিৰোধিতা (অৰ্থাৎ নিষ্ক্ৰিয়তা) সত্বেও আন্দোলন হ'ল আৰু বিপুল, ব্যাপক আন্দোলনেই হ'ল, দুই-আঢ়ৈ বছৰ বহু কষ্ট, ত্যাগ আৰু উৎপীড়নৰ মাজেৰে এই আন্দোলন চলোৱাৰ পিছত এতিয়া নিশ্চয় কেৱল উত্তেজনা নাইবা আবেগকে সম্বল হিচাপে লৈ থকাৰ সময় শেষ হৈছে। প্ৰতিজন অসমীয়াই সমগ্ৰ আন্দোলনৰ লক্ষ্য, গতিধাৰা আৰু পন্থাসমূহ পুনৰ চিন্তা কৰি চোৱাৰ সময় আহিছে।

বিদেশী নাগৰিকৰ অবাধ প্ৰব্ৰজনৰ বিৰুদ্ধে খিলঞ্জীয়া অসমীয়াৰ প্ৰতিবাদ কেৱল আজিকালিৰ কথা নহয়। বিশেষকৈ ত্ৰিশ আৰু চল্লিশৰ দশকত এনে প্ৰব্ৰজনৰ বিৰুদ্ধে অসমত যথেষ্ট ক্ষোভ আৰু অশান্তিৰ প্ৰকাশ ঘটিছিল। কিন্তু এই প্ৰব্ৰজন ৰোধ কৰা বা নিয়ন্ত্ৰণ কৰাৰ অধিকাৰ অসমৰ ৰাইজৰ নাছিল। বৃটিছ সাম্ৰাজ্যবাদী চৰকাৰে নিজৰ স্বাৰ্থতে এই প্ৰব্ৰজনত উদগনি দিছিল। ভাৰত স্বাধীন হোৱাৰ পিছত দেশবিভাজন, হিন্দু ভগনীয়াৰ সমস্যা, সংখ্যালঘু মুছলমানসকলৰ সমস্যা–আদিৰ খুন্দাত নবগঠিত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে প্ৰব্ৰজন সমস্যাৰ যথাযথ আৰু বলিষ্ঠ সমাধান উলিয়াব নোৱাৰিলে। কিছু পৰিমাণে প্ৰব্ৰজন আজিও চলি আছে। আন্দোলনৰ কোনো মুখপাত্ৰই যেনে বৃহৎ সংখ্যক বিদেশী অসমত থকা বুলি দাবী কৰে সিমান নহ'লেও বুজন সংখ্যাৰ বিদেশী অসমত থকা অসম্ভৱ নহয়। যদি এওঁলোকৰ উপস্থিতি অসমৰ সৰহভাগ অসমীয়াই বিপজ্জনক

বুলি ভাবে, তেন্তে বাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰে প্ৰশ্নটো বিবেচনা কৰিব লাগিব। অৱশ্যে এই কথা ঠিক যে নিভাঁজ দেশপ্ৰেমৰ কাৰণেই সকলো আন্দোলনত নমা নাই। ৰাজনৈতিক মতলব, সাম্প্ৰদায়িক অভিসন্ধি, নিজৰ পুৰণা প্ৰভাৱ-প্ৰতিপত্তি বজাই ৰখাৰ হাবিয়াস এনেবোৰ কাৰণতো বহুত চালাক মানুহ আন্দোলনত নামিছে, তাৰে কোনো কোনো লোকে নেতৃত্ব দিছে। সমাজবিৰোধী নহয়, এনে ভণ্ড নেতাৰ নিৰ্দেশতে বহু স্থানত আন্দোলনৰ নামত বহু দুৰ্ভাগ্যজনক ঘটনা ঘটিছে। কিন্তু সেইবুলিয়েই যে আন্দোলনকাৰী সমগ্ৰ ৰাইজক গৰিহণা দিব লাগিব, নাইবা তেওঁলোকৰ উদ্বেগ-আশংকাক অৱহেলা কৰিব লাগিব, তেনে নহয়।

যোৱা পয়ত্ৰিশ বছৰে সৰ্বসাধাৰণ ৰাইজে 'স্বাধীন' দেশত যিদৰে জীয়াতু ভুগিছে, তাৰ তিক্ততা আৰু ক্ষোভ "বিদেশী বিতাড়ন" আন্দোলনলৈকো প্ৰবাহিত হৈছে। ৰাইজে বুজা নাই যে শেষজন বিদেশী বিতাড়িত হ'লেও তেওঁলোকৰ দুখকষ্টৰ উপশম নহ'ব। তথাপি অসমীয়া ৰাইজৰ এই তিক্ততাক বেছি দোষ দিব নোৱাৰি। অসমৰ প্ৰাকৃতিক সম্পদৰ মালিক কোন? কাৰ্যক্ষেত্ৰত অসমীয়া নহয়। চৰকাৰে দাবী কৰিব খোজে যে সেই সম্পদৰ মালিক চৰকাৰহে। কিন্তু চৰকাৰ কোনো আকাশতে ওপঙি থকা বস্তু নহয়। প্ৰশ্ন উঠে: কাৰ চৰকাৰ? সেই চৰকাৰে অসমৰ উন্নতিৰ বাবে যোৱা পঁয়ত্ৰিশ বছৰে কি কৰিছে? সেয়ে আন্দোলন সম্পৰ্কে সন্দিহান হ'লেও অসমীয়া ৰাইজৰ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি থকা অবিশ্বাস, সন্দেহ আৰু শঙ্কাৰ প্ৰতি আমাৰ সম্পূৰ্ণ সহানুভূতি আছে। কেৱল বৰ্তমান আন্দোলনত অসমৰ পৰা মানুহখিনিৰ ভৱিষ্যত কিমাবদূৰ সুৰক্ষিত কৰিব, সেই সম্পৰ্কে আমাৰ সন্দেহ আজিও দূৰ নহ'ল।

আনকি, আমাৰ ধাৰণা যে অসম আন্দোলন যদি আৰু কিছুদিন এনেভাবে চলি থাকে, অসম তথা অসমীয়া জাতিৰ ভৱিষ্যত বুলি আৰু একো নাথাকিব। নিয়তিৰ ই এক নিষ্ঠুৰ পৰিহাস যে জাতি অস্তিত্ব ৰক্ষাৰ আন্দোলনে লাহে লাহে জাতিৰ অস্তিত্বকে বিপন্ন কৰি তুলিছে। কথাটোত অসমীয়া ৰথমুখীয়া একোমে বিচলিত হোৱা নাই এইবাবেই যে মূলত জাতিৰ

যাৰে তেওঁলোকে ৰিমানেই হায়োবিয়ো নকৰক, আচলতে নিজৰ নিজৰ ধন-সম্পত্তি, প্ৰচাৰ-প্ৰতিপত্তি আৰু মান-মৰ্যাদা ৰাখিবলৈ আৰু বঢ়াবলৈহে তেওঁলোক সৰ্বতিকালে ব্যস্ত।

অসম আন্দোলনৰ এনেবোৰ পৰিণতি লক্ষ্য কৰি কেন্দ্ৰীয় চৰকাৰো হৰষিত। কাৰণ উত্তৰ-পূৱ ভাৰতৰ কেবাটাও ক্ষুদ্ৰ সম্প্ৰদায়, জাতি আৰু উপজাতিক পৰস্পৰৰ বিৰুদ্ধে অবিৰাম হাই-কাজিয়াত লিপ্ত কৰি ৰাখিব পাৰিলে এই অঞ্চলৰ প্ৰকৃত উন্নয়নৰ সমস্যাক চৰকাৰে পিঠি দিব পাৰিব। সেই ধন বৃহৎ পুঁজিপতিৰ স্বাৰ্থত আন কোনো অঞ্চলত নিয়োগ কৰিব পৰা যাব। আকৌ আন্দোলনৰ ওভোটা সোঁতৰ খুন্দাত এই অঞ্চলৰে কোনো জাতি বা সম্প্ৰদায়ৰ লোক যদি দলে দলে কংগ্ৰেছ (আই) শিবিৰত সোমায় গৈ, আৰু ফলত যদি অসমীয়া ৰাইজৰ সম্মতিবিনেইঅসমত কংগ্ৰেছ (আই) মন্ত্ৰীসভা স্থাপিত হয়, তেনেহ'লে ইন্দিৰা গান্ধীৰ লোকচান হ'বনে? আন্দোলন দীঘলীয়া কৰাত ইন্দিৰা গান্ধীৰ অৱদান থাকিব নোৱাৰে বুলি ক-দি কোৱা টান।

কিন্তু ইন্দিৰা গান্ধীৰ লোকচাননো হৈছে কিহত? এই প্ৰশ্নটোৰ উত্তৰ দিবৰ সময়ত আমাৰ বহুত তৃপ্তিকৰ ধাৰণাৰ মোহ এৰিব লাগিব। যদি আমাৰ কিশোৰ-কিশোৰীৰ তেজেৰে বাট-পথ ৰাঙলী হয়, আৰু তাৰ বাবে আমি যদি শ্বহীদ দিবস বা শ্ৰাদ্ধ পাতি মনক প্ৰবোধ দিওঁ, ইন্দিৰা গান্ধীৰ লোকচান ক'ত? যদি প্ৰতিবাদ দিৱস আৰু বন্ধৰ খুন্দাত আমাৰ শিক্ষানুষ্ঠানৰ শিক্ষাদান ব্যাহত হয়, তেন্তে ইন্দিৰা গান্ধীৰ লোকচান ক'ত? পৰীক্ষা যদি অনিশ্চিত হয়, ধুমধাম নকল কৰি পঢ়া-শুনা নকৰা ল'ৰাই যদি পঢ়া-শুনা কৰা ল'ৰাক চেৰ পেলাই যায়, আমাৰ এটা পুৰুষ যদি অশিক্ষিত বা অকৰ্মণ্য হৈ পৰে, ইন্দিৰা গান্ধীৰ লোকচান ক'ত? বন্ধ হৰতালৰ প্ৰকোপত যদি আমাৰ ক্ষুদ্ৰ ব্যৱসায়ী আৰু দোকানীসকলৰ আয় কমি যায়, আৰু দোকান বন্ধ কৰি তেওঁলোকে মূৰে-কপালে হাত দি বহি পৰে, ইন্দিৰা গান্ধী বেজাৰত ম্ৰিয়মান হ'বনে? যদি আন্দোলনৰ চেলুকৈ কেন্দ্ৰীয় চৰকাৰে অসমত উন্নয়নৰ আঁচনিবোৰ স্থগিত বা বন্ধ কৰে, নতুন শিল্প-উদ্যোগ

পঢ়িবলৈ বহু নকৰে, ইন্দিৰা গান্ধীৰ বংশপৰিয়াল তাৰ ফলত দৰিদ্ৰ হবনে? শেষত নকৈ নোৱাৰিলো—আন্দোলনৰ বিৰোধিতা কৰাসকলক বাটে-পথে গালি-গালাজ কৰিলে, অত্যাচাৰ কৰিলে নৃশংশভাৱে হত্যা কৰিলে ইন্দিৰা গান্ধীৰ বিৰাট ক্ষতি হ'ব বুলি সেইসকলহে ভাবিব পাৰে যিসকলৰ বীৰত্ব চিনেমা হলৰ সন্মুখতে শেষ হৈ যায়।

কিবা এটা উদ্দেশ্য সন্মুখত ৰাখিয়েই অসমীয়া ৰাইজে আন্দোলন কৰিছে আৰু বহু সংখ্যক অসমীয়াই আন্দোলনটো মূল্যবান বুলিয়েই ভাবিছে। সেয়ে তাৰ প্ৰতি অহমিকাপূৰ্ণ অৱহেলা আৰু অৱজ্ঞাৰে আচৰণ কৰিলে আন্দোলনকাৰী ৰাইজৰ জাতীয় মৰ্যাদাবোধ ক্ষুণ্ণ হোৱা স্বাভাৱিক, কিন্তু কেন্দ্ৰীয় চৰকাৰে মাজে সময়ে অৱজ্ঞা প্ৰদৰ্শন কৰিবলৈ কুণ্ঠিত হোৱা নাই। কেতিয়াবা বিশেষ কাৰণ নথকাতো দুৰ্ব্বৃত্তৰ দৰে আচৰণ কৰি, নাইবা সৰু সৰু ল'ৰা-ছোৱালীৰ তেজেৰে বাটপথ ৰঙালী কৰি বীৰত্ব আৰু দৃঢ়তা দেখুৱাইছে তেন্তে আন্দোলনৰ নামত গুণ্ডামি কৰা চামৰ লগত চৰকাৰৰ পাৰ্থক্য ক'ত? এই ধৰণৰ কিছুমান কাৰণতে আন্দোলন শাম কাটি আহিবৰ সময়ত পুনৰ ভমক্ কৰে জ্বলি উঠিছে। চৰকাৰে ইয়াৰপৰা কি বিচাৰিছে, ভাবি চাবৰ সময় হৈছে।

আন্দোলনৰ প্ৰথম পৰ্য্যায়তে কোনো প্ৰয়োজন নোহোৱাকৈ আবিদা আহমদক বৰপেটা পৌছাই দিবলৈ চৰকাৰপক্ষই হাতত তেজৰ চেকা সানি লৈছিল। মাজে মাজে এনেধৰণৰ শক্তি প্ৰদৰ্শন (Show of Strength) চলি আছে। সেইবোৰ নিষ্ঠুৰতা নিৰপেক্ষ মানুহ মাত্ৰেই গৰিহণা দিবলৈ বাধ্য। কিন্তু আন্দোলনকাৰীসকলেও সংখ্যালঘুসকলৰ ওপৰত হোৱা বিভৎস আৰু অমানুষিক অত্যাচাৰৰ প্ৰতি উপেক্ষা আৰু মৌন সমৰ্থনৰ ভাব প্ৰদৰ্শন কৰি সকলো বিবেকবান লোকৰ মনত দুখ আৰু ক্ৰোধ সঞ্চাৰ কৰিছিল। আমাৰ হাতত যথেষ্ট প্ৰমাণ আছে যে এচাম হঠকাৰী আন্দোলন কাৰীয়েই প্ৰথমে সংখ্যালঘু সকলৰ ওপৰত আক্ৰমণ আৰম্ভ কৰিছিল। যদি তাৰ শেষ পৰিণতি স্বৰূপে নিৰীহ গাঁওবাসী সংখ্যালঘুৱে অৱশেষত 'মাৰি যাও, মৰি যাও' বুলি ওলাই আহিছিল, তাৰ বাবে দায়ী কোন? আজি যদি

অসমীয়াসকলৰ প্ৰতি শুভেচ্ছা আৰু সম্মানৰ ভাব পোষণ কৰা বহু অনা-অসমীয়া অসমবাসীয়ে সন্দেহ আৰু বিদ্বেষৰ ভাব লৈছে, তাৰ বাবে আন্দোলনৰ কেতবোৰ কাৰ্যকলাপ নিশ্চয় দায়ী। সমগ্ৰ আন্দোলনটোতে আইন আৰু সংবিধানৰ প্ৰতি বাৰে বাৰে আঙুলিয়াই থকা হৈছে। অথচ আমাৰ এচাম ডেকাই কিয় পাহৰি গ'ল যে বিদেশী হিচাপে আইনগত নিশ্চিতভাৱে চিনাক্ত হোৱাৰ আগলৈকে প্ৰত্যেকজন সন্দেহ ভাজন ব্যক্তিকে আমি সহিষ্ণুতা দেখুৱাব লাগিব, সৌজন্য দেখুৱাব লাগিব?

এনেবোৰ কাৰণতে আন্দোলনকাৰী বাইজে মানসিক উত্তেজনাক প্ৰশ্ৰয় নিদি নিজৰ ভিতৰতে গভীৰভাৱে বিবেচনা কৰি চোৱা উচিত, আন্দোলনৰ দাবীবোৰ কিমান দূৰ বাস্তৱসম্মত; অসমৰ বিশেষ ভৌগোলিক আৰু স্বাভাৱিক পৰিৱেশত আন্দোলনৰ প্ৰতিক্ৰিয়া কেনে হব পাৰে; আন্দোলনৰ পদ্ধতিয়ে তাৰ লক্ষ্য সাধনাত কিমান দূৰ সহায় কৰিছে; সফল আন্দোলনৰ চৰ্তসমূহ কেনে হব পাৰে। এইবোৰ আমি নিজৰা ভিতৰতে গুণিগাঁঠি কৰিব লাগিব এইবাবেই যে অসমীয়া জাতিক ৰক্ষা কৰাৰ গৰজ প্ৰধানকৈ অসমীয়াৰে—বাহিৰা দল বা শক্তিবোৰৰ নিজস্ব ৰাজনৈতিক আৰু অৰ্থনৈতিক স্বাৰ্থ থকাই স্বাভাৱিক। বাহিৰৰ কোনো শক্তিৰ প্ৰধান লক্ষ্য-অসমত সিহঁতে বিনিয়োগ কৰা পুঁজি ৰক্ষা কৰা। বাহিৰৰ কোনো কোনো দলৰ প্ৰধান স্বাৰ্থ নিৰ্বাচনী সমৰ্থনৰ জাল পেলোৱা। চি. আই. এ'ৰ লক্ষ্য হব ইয়াৰ মাজত খোপনি পুতি ইন্দিৰা গান্ধীক ব্যতিব্যস্ত কৰা আৰু পাৰিলে অসমত এখন আফ্‌গানিস্থান প্ৰতিষ্ঠা কৰা। কে'জিবিৰ উদ্দেশ্য হব যেনেতেনে তাৰ বিৰোধিতা কৰা যি কোনো কৌশলেৰেই নহওক। দুৰ্ভাগ্যবশতঃ, এনে আন্তৰ্জাতিক শক্তিৰ অনুচৰৰ অভাৱ আজি বিশ্বৰ কোনো অনুন্নত দেশতেই নাই। বহু সময়ত ভেওঁলোক সমাজত লব্ধপ্ৰতিষ্ঠ ব্যক্তি। সেই সকলে আন্দোলনৰ মূল লক্ষ্য সাধনতকৈ যেনে তেনে তাক চলাই আওবাটে নিয়াৰ ওপৰতে জোৰ দিব। এনেবোৰ বিপৰীত মুখি শক্তিৰ বিভিন্ন দিহা-পৰামৰ্শ, টনা-আজোৰাৰ মাজত সুস্থিৰ-

তাৰে আমি আন্দোলনৰ পৰ্যালোচনা নকৰিলে আমাক আন কোনেও বচাব নোৱাৰিব।

কঢ়া আইন সৰ্বস্ব (legalistic) মনোভাব লৈ আগবাঢ়িলে লাভ নাই। আইন যেনেভাবেই প্ৰণয়ন নহওক, সমাজৰ বাস্তৱ পৰিস্থিতিয়ে তাৰ প্ৰচলন নিয়ন্ত্ৰিত কৰে। বৰ্তমান সমস্যাটোবো ৰাজনৈতিক সমাধানৰ বাহিৰে উপায় নাই। ইতিমধ্যে আন্দোলনৰ নেতৃবৃন্দই ১৯৫১-ৰ পৰা ১৯৬১লৈ অহা লোকসকলৰ নাগৰিকত্ব মানি লবলৈ ৰাজী হৈ প্ৰকাৰান্তৰে ৰাজনৈতিক সমাধানৰ পথ গ্ৰহণ কৰিছে। কিন্তু ১৯৬১-ৰ পৰা ১৯৭১ চনৰ ভিতৰত অহা লোকসকলক লৈ সমস্যাই দেখা দিছে। এই ক্ষেত্ৰত স্বীকাৰ কৰা উচিত হব যে যদি সঁচাকৈয়ে এই কালছোৱাত বহু লাখ বিদেশীৰ অনুপ্ৰৱেশ ঘটিছে তেন্তে তেওঁলোকক বিতাড়ন কৰি পুনঃসংস্থাপন কৰা সম্ভৱ নহ'ব। অসমৰ বাহিৰৰ অন্যান্য ৰাজ্যবোৰে এনে হেজাৰ-বিজাৰ ভগনীয়াক আশ্ৰয় দি তেওঁলোকৰ থলুৱা জাতিবোৰৰ সমালোচনাৰ সন্মুখীন হবলৈ নিবিচাৰিব। চিনাক্তকৰণ যদিও অতি প্ৰয়োজনীয় আৰু বাঞ্ছনীয়, বহিষ্কৰণৰ ক্ষেত্ৰত বহু কাৰ্যকৰী আহুকাল দেখা দিব। তদুপৰি আমি যিয়েই নাভাবো, ধৰ্মীয় আৰু ভাষিক সংখ্যালঘুৰ মনত আন্দোলনে দেশজুৰি আতংক আৰু উৎকণ্ঠাৰ সৃষ্টি কৰিছে। আন্দোলনৰ সময়ত কোনো কোনো মানুহে প্ৰবল ধৰ্মীয় সাম্প্ৰদায়িকতা প্ৰচাৰ কৰিছিল। কেৱল বঙালী বুলিয়েই অনাহকতে বহুতৰ ওপৰত অত্যাচাৰ কৰা হৈছিল—যিসকলে হয়তো আন্দোলনৰ বিৰুদ্ধে এবাৰ মাতো মতা নাছিল। সেই সময়ত আমাৰ কেতবোৰ বিশিষ্ট অথচ দায়িত্বজ্ঞানহীনলোকে অতীত ইতিহাসৰ পাত উকটি বঙালীৰ 'ষড়যন্ত্ৰ'ৰ বহু উদাহৰণ প্ৰচাৰ কৰি এনে ঘটনা ঘটাত প্ৰৰোচনা দিছিল। ফলত দেশজুৰি আন্দোলনৰ বিৰুদ্ধে এচাম লোক সৰৱ হৈ পৰে। কেন্দ্ৰীয় চৰকাৰে তাৰ পূৰ্ণ সুযোগ ল'লে।

এই কথাও অস্বীকাৰ কৰিব পৰা নাযায় যে আন্দোলনৰ মাজত কেতবোৰ ভয়ৰ গণতন্ত্ৰবিৰোধী সম্ভাৱনা আছিল। অসমীয়া জাতিৰ অগ্ৰণী

অংশ বুলি যিবোৰ বৰ্ণৰ মানুহ আন্দোলনৰ মুখীয়াল হ'ল তেওঁলোকে অসমৰ জনজাতীয় আৰু অনুন্নত বৰ্ণবিলাকৰ মনোভাব বুজিবলৈ কাহানিও চেষ্টা কৰা নাই। এইবোৰ নিপীড়িত মানুহে যে উচ্চ বৰ্ণৰ মানুহক ভয় আৰু সন্দেহ কৰে, সি এক অনস্বীকাৰ্য সত্য। তাৰ সংগত কাৰণ আছে বুলিয়েই মোৰ বিশ্বাস। কিন্তু তেওঁলোকৰ এই অনুভূতি সহানুভূতিৰ চকুৰে নাচাই অসমীয়া জাতিৰ ৰাজনৈতিক নেতৃত্বই অসমীয়া জাতিৰ জাতীয় ঐক্যকে বিপন্ন কৰিছে। আন্দোলনৰ প্ৰথম পৰ্যায়ত tribal belt উঠাই দিব লাগে আৰু জনজাতীয় বৃত্তি বন্ধ কৰিব লাগে বুলি দাবী কৰি আন্দোলনৰ নেতৃত্বই অসমৰ জাতীয় ঐক্যৰ ভিত্তি গণতান্ত্ৰিক নহব বুলি প্ৰায় ফৰমান দিবলৈ ওলাইছিল। তাৰ বাহিৰেও ভাষিক আৰু ধৰ্মীয় সংখ্যালঘু সকলৰ মনতো গভীৰ সন্দেহৰ উদ্ৰেক কৰা হ'ল যে তেওঁলোকৰ ৰাজনৈতিক শক্তি তথা অৰ্থনৈতিক নিৰাপত্তা হ্ৰাস কৰিবলৈ আন্দোলনৰ জৰিয়তে চেষ্টা কৰা হৈছে। অথচ এই সকলো সম্প্ৰদায়, জাতি, আৰু উপজাতিৰ সহায়-সমৰ্থন অবিহনে অসমৰ আন্দোলন সফল হোৱাৰ আশা ক্ষীণ।

জ্যোতিপ্ৰসাদৰ দৰে অসমপ্ৰাণ লেখক এজনেও স্পষ্টকৈ কৈ গৈছে যে অসমীয়া জাতি সংমিশ্ৰণৰ ফলত সৃষ্ট জাতি। শেষ জীৱনত গণআন্দোলনৰ প্ৰভাৱ আৰু বামপন্থী চিন্তাধাৰাৰ সংস্পৰ্শতে তেওঁৰ মনলৈ এনে উপলব্ধি আহিছিল। তেনেস্থলত আমি আজি যিসকলক অজীৰ্ণ বুলি উগাৰি দিবলৈ ওলাইছোঁ, তেওঁলোক যে কালক্ৰমত অসমীয়া জাতিৰ অন্তৰ্ভুক্ত নহ'ব, তাৰ কোনো ঠিকনা নাই। বৰং তেওঁলোকৰ প্ৰতি ইতিবাচক আৰু সহিষ্ণু মনোভাব লৈ তেওঁলোকক এই প্ৰক্ৰিয়াৰ সহযোগী কৰিব পাৰিলেহে অসমীয়াৰ জাতীয় ভৱিষ্যত নিৰংকুশ হ'ব। এনে উদাৰ দূৰদৰ্শিতাৰ ঠাইত আমি কুকুৰীকণাৰ দৰে বাৰে বাৰে দন্-হাই লগাইহে আছোঁ। সংখ্যালঘুসকলক আৰু নিপীড়িত সম্প্ৰদায়ৰ লোকসকলক যদি আশ্বাস দিব নোৱাৰোঁ যে অসমৰ উন্নতিৰ সুফলৰ অংশীদাৰ তেওঁলোকো হব পাৰিব, তেওঁলোকেই বা অসমীয়া জাতিৰ অংশীদাৰ হবলৈ ল'ৰা-ধপৰা কৰিব কিয় ?

কিন্তু ইতিমধ্যে আমি কৈ আহিছোঁ যে এনে স্বাভাৱিক ঐতিহাসিক ঐক্যৰ প্ৰক্ৰিয়াত বাধা জন্মাই অসমক বিভিন্ন সম্প্ৰদায় আৰু জাতিৰ ৰক্তাক্ত ৰণভূমিত পৰিণত কৰিবলৈকো বিভিন্ন শক্তি সক্ৰিয় হৈছে। তেওঁলোকৰ সেই চক্ৰান্ত সফল হলে, অসম লে'বাননৰ দৰে ক্ষতবিক্ষত ছিন্নভিন্ন হৈ পৰিব। আমি সেয়ে জোৰজবৰ্দস্তিৰ ৰাস্তা পৰিহাৰ কৰি সচেতন আঁচনি, সুসভ্য আচৰণ আৰু ৰাজনৈতিক দূৰদৰ্শিতাৰে আগবাঢ়িব লাগিব। আন্দোলন কেনেকৈ চলাম সেই কথাও তাৰ ওপৰত বহুদূৰ নিৰ্ভৰ কৰিব।

(জানুৱাৰী, ১৯৮২, তিনি দিনীয়া বাতৰি)

হিল্লী-দিল্লী আৰু মীৰ্জা গালিবৰ দিল্লী

আজি-কালি হিল্লী-দিল্লী কৰিব নোৱাৰিলে কোনেও কেৰেপ নকৰে। সেয়ে মাজে-মাজে দিল্লীলৈ যাওঁ। কিন্তু তালৈ গৈ বৰ এটা সুত নালাগে। বয়স কম হোৱা হ'লে তাৰ ঘৰ-বাড়ী, বাট-পথ, হোটেল-ৰেষ্টুৰাঁ, বজাৰ-সমাৰে মন মুহিলেহেঁতেন। এতিয়া তেনে বাহ্যিকতাই বিশেষ প্ৰভাৱিত নকৰে। ভিতৰৰ মানুহবোৰ কিছু বুজি পোৱা হৈছো। এইপিনৰ পৰা দিল্লীত আচল মানুহ বিচাৰি পোৱা টান। অজস্ৰ অবাস্তৱ মানুহ যেন ভাত পিয়াপি দি ফুৰিছে, মোৰ তেনে ভাব হয়। তেওঁলোকৰ চলন-ফুৰণ, কাম-কাজৰ স্প্ৰিংভাল তেওঁলোকৰ ভিতৰত যেন নাই, যেন বাহিৰতহে আছে, তেনে ধাৰণা মনলৈ আহে। এই সকলোবোৰৰ ওপৰত আছে আটাইতকৈ নিপুণ বহুৱাসকল—ৰাজনৈতিক হৰ্তকৰ্তা সকল। তেওঁলোকৰ কাম-কাজো দেখিলে এনেকুৱা লাগে যেন তেওঁলোক পুতলা নাচৰ পুতলাহে। কেতবোৰ বিপুল শক্তিয়ে তেওঁলোককো নচুৱাই আছে। আমাৰ মঙ্গল বা উপকাৰ তেওঁলোকৰ পৰা হ'ব পাৰে বুলি বিশ্বাসেই নহয়।

অৱশ্যে দিল্লীখন বিদেশৰ আৰ্হিত আহল-বহল আটোম-টোকাৰিকৈ সজোৱা হৈছে। প্ৰকাণ্ড প্ৰকাণ্ড চালে চকুৰোৱা পাৰ্ক, আহল-বহল ৰাস্তা, ৰ'ত পকৰাৰ লানিৰ দৰে ট্ৰেফিক, বাতি লাইটৰ বাহাৰ। বাজ্যিক বা আঞ্চলিক চহৰবোৰ ক্ৰমে আবৰ্জনাৰ স্তূপত পৰিণত হৈছে। ভীৰ, ধোঁৱা-ধূলি, ময়লা, চকুৰ পীড়া জন্মোৱা কুৎচ বাট-পথ। সৌভাগ্যবান বিলাকে সুযোগ পালেই দিল্লীত মাটি কিনে। তাৰ পিছত নিজৰ নিজৰ চহৰখনৰ কথা পাহৰে।

তথাপি কিয় জানো, মোৰ মনত প্ৰতি বাৰেই ভাব হয় দিল্লী এক প্ৰাণহীন যন্ত্ৰবৎ চহৰ, মানুহবোৰ পুতলা। বিৰাট মহানগৰীৰ প্ৰসাৰিত

আৰম্ভনৰ মাজত থাকিও কিন্তু যেন বেলেগ হৈ আছে তাহানিৰ ভগ্নাৱশেষ আৰু পৰিত্যক্ত ঘৰবাৰীবোৰ—মানুহে এৰি দিয়া মছজিদ বা ধাঁহৰন গড়া চৰাইখানা। সেইবোৰ যেন আজিৰ এই যান্ত্ৰিক ব্যস্ততাৰ মাজত ভলমূৰকৈ নিৰ্লিপ্ত হৈ অতীতৰ গৌৰৱণত নিমগ্ন হৈ আছে—তাহানিৰ ঘোঁৰা-উটৰ গাড়ী, সদাগৰৰ দল, পাগুৰি মৰা জোব্বা পিন্ধা বিচিত্ৰ ৰাজপুৰুষ আৰু পৰিশ্ৰান্ত শ্ৰমিকৰ দল যেন স্মৃতিপটত ভাহিছে।

অৱশ্যে এতিয়ালৈকে ৰাজনীতি বা ব্যৱসায়ৰ কামত দিল্লীলৈ আহিব-লগীয়া হোৱা নাই। আহিছো "সংস্কৃতি"ৰ খাতিৰতে। অথচ এই সংস্কৃতিৰ ওপৰত ৰাজনীতিৰ প্ৰভাৱ সম্পৰ্কে অন্ততঃ মই আনৰ পৰা শিক্ষা লব নালাগে। সাংস্কৃতিক কাৰ্য্যকলাপবোৰ ক্ৰমে কেন্দ্ৰীভূত হৈছে। কেন্দ্ৰীভূত অনুষ্ঠানৰ আমোলা হ'বলৈ শিল্পী, বুদ্ধিজীৱীৰ মাজত নিৰ্লজ্জ প্ৰতিযোগিতা। তেনে সাংস্কৃতিক আমোলৰ প্ৰচুৰ ক্ষমতা, প্ৰভাৱ, অৰ্থশক্তি। প্ৰত্যেকৰে পিছত সক-বৰ তাঁবেদাৰ বাহিনী। লেখা-মেলা, ছবি আঁকা, নাচ-গানৰ মাজেদি চলিছে প্ৰভাৱ-ক্ষমতাৰ প্ৰদৰ্শনী আৰু প্ৰতিযোগিতা। স্বাভাৱিকতে দিল্লীৰ বিৰাট মেলাখন চলাই ৰখাই সেইধৰণৰ সংস্কৃতিৰো মূল লক্ষ্য। সংস্কৃতি যে মানুহৰ সম্পদ, মানুহৰ বাবে, সেই কথা কাৰো মনতে নপৰে। কাৰো কবিতা পঢ়ি চকু সজল হৈ উঠা, কাৰো গান শুনি হৃদয় জুৰ পৰা—সেইবোৰ কথা ভাবিব নোৱাৰি এই চাকচিক্যবহুল সংস্কৃতিৰ আড়ম্বৰত।

দিল্লীত থকা সময়ত এদল মানুহে মোক লগ ধৰিলে—সাহিত্য অকাডেমিৰ সংস্কাৰৰ বাবে চৰকাৰলৈ দিয়া আবেদনত চহী দিব লাগে। বহুত কথা ক'লো সাহিত্য অকাডেমিৰ সভাপতিয়ে সোতৰ বাৰ বিদেশ ভ্ৰমণলৈ গৈছে, পুৰস্কাৰ প্ৰদানত পক্ষপাতিত্ব হৈছে, দুৰ্নীতি হৈছে, এটা লেখকচক্ৰই সকলো নিয়ন্ত্ৰণ কৰিছে—ইত্যাদি। পিছদিনা আহিল আৰু এদল। তেওঁলোকে ক'লে আনটো দলে সাহিত্য অকাডেমিৰ "ৰাজত্ব" খৰ্ব কৰি তাক চৰকাৰী অনুষ্ঠানত পৰিণত কৰিবলৈ ওলাইছে, সাহিত্য অকাডেমিয়ে দেশৰ সাহিত্যৰ বাবে বহুত ভাল কাম-বন কৰিছে, ইত্যাদি। দুয়ো দলৰে যুক্তি অকাট্য যেন লাগিল। দুয়োখন আবেদনত চহী নকৰি

ব্যক্তিগত মত এটাকে দিলো—ক'লো, সাহিত্য অকাডেমিৰ স্বাতন্ত্র্য ৰক্ষা কৰা উচিত আৰু তাৰ মাজত বাঁহলোৱা দুৰ্নীতি, স্বজনপ্ৰীতিও বন্ধ কৰা উচিত। এটা দলে লিখিত মতটোকে লৈ গ'ল। সি যি নহওক, সংস্কৃতিৰ নামত ওলোৱা ধন-ক্ষমতা, সুযোগ-সুবিধাৰ নিয়ন্ত্ৰণৰ বাবেই যে এই যুঁজ সন্দেহ নাই। হয়তো নৱসিং ৰাও অৰ্জুন সিঙৰ পৰোক্ষ যুঁজৰো ই আখড়া !!

National Book Trust-ৰ এখন কৰ্মশালাৰ বাবে দিল্লীলৈ আহিছিলোঁ। অংশগ্ৰহণকাৰী সকলৰ মাজত নাম পাইছিলোঁ নামবৰ সিং, অশোক বাজপেয়ী, প্ৰমুখ্যে বহু নামজ্বলা লোকৰ। সভাপতিত্ব কৰিছিল 'সংস্কাৰ'ৰ লেখক বিখ্যাত উপন্যাসিক ইউ আৰ অনন্ত মূৰ্ত্তিয়ে। পিছে দেখা গ'ল নামজ্বলা সকল বেছিপৰ থাকিব নোখোজে, তেওঁলোকে দৈৱবাণীৰ দৰে বাণী একাষাৰ দিয়েই অন্তৰ্দ্ধান কৰে। অথচ এইখন বক্তৃতামঞ্চ নহয়, কৰ্মশালাহে!

নামজ্বলা সকলৰ সুবিধা এয়ে যে তেওঁলোকে মামুলি কথা এষাৰ ক'লেও ৰুদ্ধশ্বাস ভক্তিৰে শ্ৰৱণ কৰা হয়। আনহাতে আমাৰ দৰে নামনজ্বলা সকলে প্ৰতিটো কথাকে সাৰগৰ্ভ কৰিব নোৱাৰিলে সমবেত সুধীমণ্ডলীৰ তুচ্ছ-তাচ্ছিল্যৰ সন্মুখীন হ'বলগীয়া হয়। এই ক্ষেত্ৰত মই তাহানিৰে পৰা আপোচ কৰা নাই। যিমানেই নামজ্বলা নহওঁক, বাজে কথা ক'লে মুখতে ধৰোঁ। মানুহে ভাবে, এইটো ক'ৰ বনমানুহ ওলাল ঐ! সমাজত প্ৰতিষ্ঠাৰ সহায়েৰে কোনো লোকে যাতে তেওঁৰ মত জাপি দিব নোৱাৰে তাৰ বাবে সজাগ থাকোঁ। কৰ্মশালাতো মই এনে অপ্ৰিয় মন্তব্য কৰিলোঁ, সুযোগ পালে প্ৰতিপক্ষয়ো মোক জাবি দিবলৈ চেষ্টা কৰিলে। কিন্তু এই তৰ্কবিতৰ্কৰ পৰা বিশেষ কোনো কথা পৰিষ্কাৰ হোৱা যেন নালাগিল। দৃষ্টিকোণৰ পাৰ্থক্য আৰু উদ্দেশ্যৰ অস্পষ্টতাই আলোচনা জটিল কৰিহে তুলিলে। তদুপৰি দেখা গ'ল সকলো আলোচক সমান নিষ্ঠাবান নহয়। মানসিক স্তৰৰো তাৰতম্য আছে। কৰ্ণাটক আৰু মহাৰাষ্ট্ৰৰ দল দুটা পাকৈত আৰু পৈণত যেন লাগিল, কোনো অঞ্চলৰ প্ৰতিনিধিৰ অৱস্থা দুখলগা।

কিন্তু এটা কথা উল্লেখ নকৰি নোৱাৰি। উত্তৰ অঞ্চলৰ ভাষাৰ প্ৰতিনিধি-

সকলো দুৰ্বল বা অনুন্নত অঞ্চলৰ ভাষাত কিবা বস্তু আছে বুলি স্বীকাৰ কৰিব নোখোজে। বিশেষকৈ হিন্দীভাষী এচাম লেখকে কথাটো স্বীকাৰ কৰিবলৈ টান পায়। (অৱশ্যে নামবৰ সিঙৰ উদ্বোধনী ভাষণ আছিল উল্লেখযোগ্য ব্যতিক্ৰম। তেওঁ ক'লে যে ভাৰতীয় ভাষা সমূহৰ সাহিত্যই ভাৰতীয় সাহিত্য, তাৰ বাহিৰে কোনো ভাৰতীয় সাহিত্য নাই।) এজন প্ৰখ্যাত হিন্দী কবিয়ে অসমীয়াৰ বিষয়ে এনে এক ইংগিত দিওঁতে মযো ইংগিতৰেই কলোঁ, হাত দাঙি বা গজ-মহৰ দৰে সংখ্যা লেখি সাহিত্যৰ গুণনির্ণয় নকৰাই ভাল। মুঠৰ ওপৰত মনে মনে তেওঁলোকৰ এই মনোভাৱত মই বিৰক্ত হলোঁ। এই বেমাৰ সহজে নাযায়। হঠাতে মনত ভাব হ'ল: ULFA ই নো কি ভুল কৰিছে এই পণ্ডিত মখাৰ তুলনাত? দিল্লীত বহি মণিপুৰী, অসমীয়া সাহিত্যৰ বিষয়ে খপহ্‌কৰে মন্তব্য কৰিবলৈ ইহঁতে টান নাপায়।

কর্ণাটকৰ প্ৰতিনিধি দলটোৱেই আমাক আকৰ্ষণ কৰিলে বেছিকৈ। NBT-ৰ সভাপতি অনন্তমূৰ্ত্তি প্ৰখ্যাত ঔপন্যাসিক, লোহিয়া পন্থী, কিন্তু বিলাতত মাৰ্ক্সবাদ লৈ গবেষণা কৰা ইংৰাজী সাহিত্যৰ অধ্যাপক। সকলোৰে লগত মুকলি মনেৰে মিলিব পৰা অথচ বুদ্ধিদীপ্ত মনৰ অধিকাৰী। বাংগালোৰ বিশ্ববিদ্যালয়ৰ কানাড়া বিভাগৰ ডেকা অধ্যাপক নাগৰাজ এক ক্ষুৰধাৰ বুদ্ধি আৰু চেতনাৰ সমালোচক, আধুনিক সাহিত্য তত্ত্বৰ লগত তেওঁৰ চিনাকি নিবিড়। নাট্যকাৰ আৰু পৰিচালক ই, এ প্ৰসন্নও ক্ষিপ্ৰ বুদ্ধিৰ আৰু প্ৰখৰ অনুভূতিশীল তৰুণ প্ৰতিভা। বিভিন্ন বিষয়ত এই তিনিওজন মানুহৰ লগত মতভেদ হোৱা সত্বেও তেওঁলোকৰ মতামত সন্মান আৰু আগ্ৰহেৰেই শুনিছিলোঁ। হিন্দীৱালা কিছুমানৰ মাজত প্ৰকট অহমিকা এওঁলোকৰ মাজত নাই, যদিও আত্মপ্ৰত্যয় তিনিওৰে প্ৰবল। মোৰ মনে মনে এটা প্ৰশ্ন থাকি গ'ল: হিন্দীবাদী মহলৰ লগত এওঁলোকে কিবা আপোচ কৰিছে নে নাই? আপোচ নাই কৰা যদি বহিবে কথা।

হিন্দীবাদ ভাষিক ৰাজনীতিৰ কথা নহয়, আৰ্থিক ৰাজনীতিৰ কথাহে। বৃহৎ পুঁজিৰ নেতৃত্বত ধৰিয়েই প্ৰচুৰ ধনৰ মালিক হৈ হিন্দীয়ে আন সক

সক ভাষাৰ ওপৰত প্ৰতিপত্তি খটাবলৈ বিচাৰে। হিন্দীবাদী সকলে ভাবে যে এইটো সিহঁতৰ স্বাভাৱিক অধিকাৰ। সংখ্যাগৰিষ্ঠতাৰ বলতে বাকীবোৰ ভাষাৰ প্ৰভাৱ পাৰিলে খৰ্ব কৰিবলৈ বিচাৰে। এইটো মই সাজি কোৱা কথা নহয়। অৰুণাচলৰ মানুহে এসময়ত স্বাভাৱিকতে অসমীয়া ভাষা শিকিছিল। জোৰকৈ অসমীয়া গুচাই তাত হিন্দী প্ৰৱৰ্ত্তন কৰা হ'ল। এতিয়া অৰুণাচলৰ ডেকাচামৰ মাজত এক অসমীয়াবিদ্বেষ মাজে সময়ে লক্ষ্য কৰা যায়। তাক হিন্দীবাদৰ ফল বুলি নোৱাৰি।

উড়িয়া সাহিত্যৰ বৰ্ত্তমান বিকাশ সম্ভৱতঃ অসমীয়াতকৈ সমৃদ্ধ। লিপিৰ সমস্যাৰ বাবেই সাধাৰণতে আমি তাৰ খবৰ নাৰাখোঁ। কিন্তু যি দুই চাৰিটা কবিতাৰ অনুবাদ আলোচনা প্ৰসংগত শুনা গ'ল, চমৎকাৰ বুলি নোৱাৰি। উপন্যাসৰ ক্ষেত্ৰতো বিস্তাৰিত অৱকাশ আৰু গভীৰতা লক্ষ্য কৰিব পাৰি। যি বুজিলোঁ, উড়িয়া সাহিত্যৰ ব্যৱসায়িক সাফল্য উল্লেখ-যোগ্য। তাৰ বলতে উড়িষ্যাৰ সাহিত্যিক সকলে নানা সাহিত্য সেৱী সংগঠন নিৰ্মাণ কৰি স্বদেশীয় সাহিত্যক আগুৱাই লৈ গৈছে।

পঞ্জাবী গল্প উপন্যাস সম্পৰ্কে নিবন্ধ পঢ়িলে বয়োবৃদ্ধ কৰ্ত্তাৰ সিং দুগালে। কিয় নাজানোঁ, মোৰ ধাৰণা হ'ল অসমীয়া সাহিত্যৰ সমস্যাবোৰ তেওঁ আন বহুতকৈ সহৃদয়ভাৱে বুজিলে। গুজৰাটৰ সাহিত্যৰ ওপৰত নিবন্ধ পাঠ কৰিলে আন এগৰাকী বয়োবৃদ্ধ বিদ্বান চন্দ্ৰকান্ত মেহতাই। সাতসত্তৰ বছৰ বয়সতো বিশেষ নিষ্ঠা আৰু শ্ৰমেৰে যুগুতোৱা তেওঁৰ প্ৰবন্ধটো শুনি ভাবিব নকৰি নোৱাৰিলোঁ। বঙালী ৰঙ্গমঞ্চ আৰু নাটকৰ ওপৰত নিবন্ধ পাঠ কৰিলে প্ৰতিভাবান পৰিচালক আৰু অভিনেতা ৰুদ্ৰপ্ৰসাদ সেনগুপ্তই। কিন্তু অসমীয়া নাটক সম্পৰ্কে তেওঁ কোনো মন্তব্য নকৰিলে। এজন উপস্থিত অংশগ্ৰহণকাৰী আছিল কানাড়া নাট্যজগতৰ স্বনামধন্য প্ৰতিভা চন্দ্ৰশেখৰ কাম্বৰ—যি পশ্চিমীয়া বাস্তৱবাদী ধাৰাৰ ভলী উদং হোৱাত আনতকৈ আগতে আৰু নিজা অনুসন্ধিৎসাৰে কৰ্ণাটকৰ লোকনাট্যত আৱিষ্কাৰ কৰিছিল নাট্যকলাৰ পুনৰুজ্জীৱনৰ উপায়। কেৱল সাহিত্য একাডেমিৰ সভাপতি থাকাকালৰ ভাষণৰ পৰা অন্ততঃ এই কথা বুজিলোঁ যে

কেবলৰ সাহিত্যৰ বিভিন্ন বিভাগত প্ৰচুৰ আৰু বিচিত্ৰ পৰীক্ষা নিৰীক্ষা চলি আছে। মই নিজেও অসম আৰু বংগৰ সাম্প্ৰতিক চিন্তামূলক গদ্য সম্পৰ্কে এটা নিবন্ধ পঢ়িলোঁ। বাইজে ভালেই পোৱা যেন লাগিল, যদিও নবনীতা দেবসেনৰ মতে মই শংখ ঘোষৰ সমালোচনা আৰু অশোক মিত্ৰৰ চিন্তামূলক নিবন্ধৰ ওপৰত অধিক গুৰুত্ব দিয়া উচিত আছিল।

কৰ্মশালাখনৰ ঘোষিত উদ্দেশ্য সফল হয় নে নহয় নাজানো। কিন্তু ইজনে সিজনৰ লগালগি হৈ নিজনিজ সাহিত্যৰ বিষয়ে আলোচনা কৰা আৰু অন্যান্য সাহিত্যৰ খা-খবৰ লোৱাত এক বিমল আনন্দ আছে। মানসিক সংকীৰ্ণতাৰ পৰা মুকলি হোৱাৰ উপৰিও ভাৰতৰ বাস্তৱিক ঐক্য (বৈচিত্ৰ্যৰ মাজত ঐক্য) সম্পৰ্কে সি আমাক সজাগ কৰে। কেৱল এচাম হিন্দীবাদীহে কথাটো বুজিবলৈ নাবাজ।

বিতৰ্ক আৰু আলোচনাত আগভাগ লৈছিল সাহিত্য একাডেমিৰ অৱসৰপ্ৰাপ্ত বিষয়া এছ বালু ৰাৱে। ভদ্ৰলোকে মোক South African Poetry নামৰ এখন কবিতা সংকলন দিলে—বৰ্ণ বৈষম্যবাদৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাৰ কবিসকলৰ প্ৰতিবাদ আৰু বিক্ষোভৰ কবিতাৰ সংকলন। আন কাৰোবাক সংকলনখন লাগিলে বিনা পইচাত পঠাব বুলিও মোক খবৰ দিলে। ভদ্ৰলোকৰ কৰ্মতৎপৰতা, ধৈৰ্য আৰু উৎসাহ দেখি মুগ্ধ হলোঁ।

শেষ বৈঠক আছিল Indo-Anglian writing অথবা ভাৰতীয় মানুহে ইংৰাজী ভাষাত লিখা সাহিত্য সম্পৰ্কে। অধ্যাপক প্ৰফুল্ল কৰে সহৃদয়তাৰে তেওঁলোকৰ কথা লিখিবলৈ গৈ মাত্ৰা চেৰাই গ'ল। তেওঁ উৎসাহেৰে Salman Rushdie-ৰ উক্তি দি ক'লে যে এতিয়া আন্তৰ্জাতিক (Global) সমাজৰ যুগ। নিজৰ আঞ্চলিক জাতীয় পৰিসীমাত আবদ্ধ থকাটো বাখতিৰ মতে "Ghetto mentality"-ৰ নিদৰ্শন—জকাইচুকীয়া কাৰবাৰ। তেখেতৰ মতে পশ্চিমীয়া ভাষাৰ পথাৰত ঔপনিবেশিকতাৰ প্ৰাক্তন গোলাম-বিলাকে নিজৰ প্ৰাধান্য বিস্তাৰ কৰি বিদেশৰ সত্তাক জয় কৰিব পাৰে, তেওঁলোক আৰু বিদেশৰ বিজয় অভিযানৰ বলি হৈ থাকিব নালাগে।

কথাটো মই ভাল নাপালোঁ। মানুহ জকাইচুকতে নিমগ্ন হৈ থকাটো

ভুল, ঠিকেই। কিন্তু আত্মপৰিচয়ৰ সন্ধান একো লজ্জাকৰ কথা নহয়। আগৰ প্ৰজন্মৰ Indo-Anglian লেখকসকল আত্ম পৰিচয় সম্পৰ্কে সজাগ হৈ একো ভুল কৰা নাছিল। আৰু এতিয়াও যে Indo-Anglian সকলে বিদেশৰ সত্তাক জয় কৰিব পাৰিছে, তেনে নহয়। বৰং বিদেশৰ সত্তাৰ লগত নিজৰ সত্তা মিলাবলৈ গৈ এক সমাধানহীন দ্বন্দ্বৰ কবলত পৰিছে।

মোৰ এই মত এচামে সমৰ্থন কৰিলে এচামে নকৰিলে। অনন্ত মূৰ্ত্তিয়ে কিন্তু গোপীনাথ মহান্তিৰ 'পৰজা' নামৰ উপন্যাস এখনলৈ আঙুলিয়াই দি ক'লে যে তেনে স্বদেশী ভাষাৰ সাহিত্যৰ তুলনাত যিকোনো Indo-Anglian উপন্যাস তেওঁৰ ধাৰণাত পনীয়া। দাৰ্শনিক ৰামচন্দ্ৰ গান্ধীয়ে আকৌ ক'লে যে 'ইণ্ডো এংলিয়ান' সাহিত্যৰ ভাষা বিভিন্ন বিষয়ৰ ভাৰতীয় চিন্তাধাৰাৰ পৰা বিচ্ছিন্ন এক কৃত্ৰিম ভাষা—hot house Plant আন কোনো ভাষাৰ সাহিত্য ইমান নিঃস্ব নহয়।

মাজতে মজাৰ কথা এটা হ'ল কথা প্ৰসংগত মই উল্লেখ কৰিলোঁ। অনিতা দেশাইৰ Baum-gartner's Bombay নামৰ এখন উপন্যাস। কিতাপখন মই ট্ৰেজে'ডি বুলি উল্লেখ কৰিছিলোঁ। অধ্যাপক কৰে ক'লে, নহয়, সেইখন কমে'ডি! মই থত্‌মত্‌ খালোঁ। পিছত কথা বতৰা পাতি বুজিলোঁ কিতাপখন তেওঁ পঢ়া নাই, ময়ো পঢ়া নাই!!

কৰ্মশালাৰ এজন অংশগ্ৰহণকাৰী ই' এ', প্ৰসন্নই ক'লে যে ভাৰতৰ সংস্কৃত ভাষা বাদ দিলে বাকীবোৰ ভাষাত ৰঙ্গমঞ্চ (theatre) আছে কিন্তু নাটক (drama) নাই। আনকি কথাকলিৰ নাটক মানে হোনো কাহিনী আৰু গীত মাত্ৰ। মই প্ৰতিবাদ কৰি কলোঁ যে অসমৰ অংকীয়া নাট পূৰ্ণ-বিকশিত নাটক। তাৰ নিৰ্দিষ্ট আৰু সুলিখিত সংলাপ আছে। কোনেও প্ৰতিবাদ নকৰিলেও বিশ্বাস কৰা যেন নালাগিল। সংস্কৃতিৰ বিকাশ সম্পৰ্কে শিক্ষিত মানুহৰ ধাৰণাও কেতিয়াবা অদ্ভুত হয়।

সি যি নহওক, প্ৰসন্নৰ মতে ভাৰতত আশীৰ দশকত বেছিকৈ ৰঙ্গমঞ্চৰ ওপৰত জোৰ পৰিল, আচল নাটক ৰচনাত গুৰুত্ব কমি আহিল। এতিয়া পুনৰ নাটকৰ গুৰুত্ব বাঢ়িছে—"there has been a return to the text."

আলোচনা মনে মনে শুনি থকা এজন ডেকাই বাতিৰ আহাৰৰ সময়ত তেওঁৰ মতামত জনালে। তেওঁৰ নাম ড: ভৱত গুপ্ত। ভৱতৰ নাট্য শাস্ত্ৰ আৰু ভাৰতীয় অলংকাৰ শাস্ত্ৰৰ ওপৰত ভাল পঢ়াশুনা আছে।

তেওঁ ক'লে, লিখিত text লৈ ইমান হুলস্থূল কিয়? text নানা উপাদানৰ মাজত এটা মাত্ৰ। তাক অত্যধিক গুৰুত্ব দিয়া পশ্চিমীয়া বুদ্ধিবাদ, শব্দ প্ৰধান ঐতিহ্যৰ লক্ষণ। আচলতে text সম্পৰ্কে কঠোৰ ধাৰণা লব নোৱাৰি। আন উপাদানৰ লগত সংগতি ৰাখিবলৈ text-ৰ সালসলনি ঘটাবলগীয়া হ'ব পাৰে। শ্বেক্সপীয়াৰৰ দিনত এই ধাৰণা নাছিল। সেয়ে শ্বেক্সপীয়াৰৰ নাটকৰ কোনো অবিসম্বাদী সুনিৰ্দ্ধাৰিত পাঠ পাবলৈ নাই।

কথাটো ভাবি চাবলগীয়া। দিল্লীৰ কলেজবোৰত এনে মৌলিক ধ্যান ধাৰণা থকা শিক্ষক বহুত আছে। অৱশ্যে তেওঁলোকে বিশেষ স্বীকৃতি নাপায়। ছাত্ৰ-ছাত্ৰীবো বিশেষ শ্ৰদ্ধা নাই। পৰীক্ষা পাছ কৰাই তেওঁলোকৰ ধান্দা। আচৰিত নহয়, এচাম শিক্ষকে টুইক এয়চেঞ্জত ধন ঘটাত মজি গৈছে।

মিৰ্জা গালিব:

উচ্চাৰণটো গালিব নহয়—'গাল্-অব'হে। কিন্তু অসমত আমি গালিব বুলিয়েই জানোঁ। উৰ্দু কবিতাৰ মুকুটবিহীন সম্রাটক। Penguin India ই এখন কিতাপ উলিয়াইছে: Ghalib, the Man, the times, লেখক Pavan K. Varma. কিতাপখন পঢ়ি বহুত কথা শিকিলোঁ। তাৰে ছুটামান কথাৰ ভাগ পাঠকসকলক দিবলৈ মন গ'ল।

গালিব আছিল ভিতৰি ধাৰ্মিক প্ৰকৃতিৰ। কিন্তু বাহ্যিক আচাৰ-অনুষ্ঠানৰ ওপৰত তেওঁ কোনো গুৰুত্ব নিদিছিল। ৰমজান মাহৰ ৰোজা তেওঁ কেতিয়াবা নাৰাখিছিল। দিনটো পাঁচবাৰ নামাজো পঢ়া নাছিল। মানুহে সুধিলে কৈছিল তেওঁ 'আধা মুছলমান—গাহৰি নাখায় কিন্তু মদ খায়' বহু শতাব্দী ধৰি দিল্লীৰ সমাজত প্ৰভাৱশালী হৈ অহা চুফি ভাব-ধাৰাৰ প্ৰভাৱতে তেওঁ এনে মনোভাৱ লৈছিল।

এইবাবেই আন ধৰ্মৰ লোকৰ প্ৰতি তেওঁৰ মনত আছিল এক উদাৰ সহনশীলতা। অৱশ্যে সেইটো তেওঁৰ ব্যক্তিগত মনোভাৱ নাছিল। সেই

সমাজখনেই সমন্বয় আৰু সহনশীলতাত বিশ্বাস কৰিছিল। অৱচেতনভাৱে গঢ়ি উঠিছিল এক সমন্বয় ধৰ্মী সমাজ আৰু সংস্কৃতি।

দিল্লীত ধৰ্মীয় সাম্প্ৰদায়িক সংঘৰ্ষ নাছিল। ঈদৰ দিনা দিল্লীৰ মোগল বাদশাহ সকলে হিন্দু প্ৰজাৰ ধৰ্মভাৱৰ প্ৰতি সন্মান দেখুৱাই গোহত্যা হবলৈ নিদিছিল। উট বলি দি ধৰ্মীয় অনুষ্ঠান সুকলমে সামৰা হৈছিল। (গোহত্যা কৰিবই লাগিব বুলি কোৰাণত ক'তে উল্লেখ নাই। আৰব দেশত গৰু দুষ্প্ৰাপ্য।) ১৮৫৪ চনত প্ৰথমে ব্ৰিটিছ কৰ্তৃপক্ষইহে গোহত্যা প্ৰচলন কৰাইছিল। হিন্দু আৰু মুছলমানে পৰস্পৰৰ ধৰ্মত অংশ নোলোৱাকৈও ধৰ্মীয় উৎসৱ সমূহ উপভোগ কৰিছিল। শেষ মোগল সম্ৰাট বাহাদুৰ শ্বাহ জাফৰৰ হুকুম মতে ৰাজপ্ৰাসাদৰ আগেদি ৰামলীলাৰ শোভাযাত্ৰা সদায় লৈ যোৱা হৈছিল। পীৰৰ দৰগাহ আৰু মজাৰত হিন্দুৱেই ভক্তি নিবেদন কৰিছিল। হিন্দু আৰু মুছলমানৰ সম্প্ৰীতিৰ কথা প্ৰতিজন বয়োবৃদ্ধ নাগৰিকে উনবিংশ শতাব্দীৰ শেষলৈকে স্মৰণ কৰিছিল।

তাহানি প্ৰতিজন কবিৰে একোজন প্ৰধান শিষ্য (ছাগিৰ্দ্) আছিল। গালিবৰ শিষ্য আছিল হৰগোপাল তুফ্তা—জাতত হিন্দু কায়স্থ। চিপাহী বিদ্ৰোহৰ শেষত তেওঁৰ বহু অন্তৰংগ বন্ধুক ব্ৰিটিছে মৃত্যুদণ্ড দিছিল। তেতিয়া তেওঁৰ খা-খবৰ লৈ আছিল কেইজনমান হিন্দু বন্ধুৱে। যেনে শিউজি ৰাম ব্ৰাহ্মণ, বালমুকুন্দ দাস আদিয়ে। গলিবৰ মনোভাব বেছ বুজিব পাৰি তেওঁৰ কেতবোৰ কবিতাৰ পৰা : ধৰ্মজ্ঞানত ওফন্দি থকা সকলৰ বিশেষ দক্ষতা কিহৰ? দৈনিক আচাৰ-অনুষ্ঠানৰ শিকলিত সিহঁত জানো বন্দী নহয়? নাইবা লগুণ খামুচি বা মালা জপি কোনো পুণ্য অৰ্জন নহয়, ব্ৰাহ্মণ হওক, শে'ইখ্ হওক, সকলোৰে পৰীক্ষা হয় ভক্তিৰেহে। কিন্তু গালিবৰ উদাৰ, সহনশীল মনোভাবৰ উল্লেখযোগ্য নিদৰ্শন হ'ল কাশী বা বাৰাণসী তীৰ্থৰ প্ৰতি তেওঁৰ শ্ৰদ্ধাঞ্জলী : ভগবানে বেন ৰক্ষা কৰে বেনাৰসৰ মহিমা/আনন্দৰ লীলাভূমি বেনাৰস / কত শত আৰ্ত প্ৰাণৰ বাবে যাত্ৰাৰ সামৰণি। / হিন্দুস্থানৰ কাবা, এই শংখ-নিনাদিত কুঞ্জৰ বিগ্ৰহ আৰু মূৰ্তিবোৰ/সেই জ্যোতিৰেই নিৰ্মিত যি জ্যোতি তাহানি মূছাই দেখিছিল/ছাইনাই পাহাৰৰ চূড়াত......ইত্যাদি।

ভাৰতৰ হিন্দু-মুছলমানে পাহৰি হৈছে সেই অতীত। অথচ অবিৰা-অৰি, দঙালি, মাৰপিট চলিছে ধৰ্মৰ নামত।

দীপংকৰ ভট্টাচাৰ্য্যক সম্বৰ্দ্ধনা :

"বুধবাৰ"ৰ সম্পাদকীয়ত লিখিছে যে দীপংকৰ ভট্টাচাৰ্য্যৰ সম্বৰ্দ্ধনা মুখ্যমন্ত্ৰীৰ সম্বৰ্দ্ধনাতহে পৰিণত হৈছিল। মুখ্যমন্ত্ৰী আঁতৰি যোৱাৰ লগে লগেই দীপংকৰক অকলশৰে এৰি থৈ অধিকাংশ ৰাইজ হেনো ভাগিল। অৰ্থাৎ ক্ৰীড়াপ্ৰতিভাৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা নিবেদনতকৈ মুখ্যমন্ত্ৰীৰ দৰ্শনৰ বাবেহে তেওঁলোক লালায়িত আছিল। অসমৰ উন্নতি কিয় নহয়, বিচাৰি দূৰলৈ যাব নালাগেনে? কোনো কৃতিত্ব, কোনো সিদ্ধিৰ প্ৰতি আমাৰ সন্মান নাই। আছে কেৱল স্থূল ক্ষমতা বা ধন সম্পত্তিৰ প্ৰতি। চৰকাৰৰ মনোভাৱো তেনেকুৱাই। দীপংকৰৰ নাম কাকতত উঠাৰ বাবে তেওঁক পুৰস্কাৰ দিয়া হৈছে। কিন্তু দীপংকৰ বা তেনে আন কৃতী খেলুৱৈক উপযুক্ত প্ৰশিক্ষণ দি উলিয়াই অনাত চৰকাৰৰ বিশেষ উৎসাহ নাই। আৰু এটা কথা। কিশোৰ দীপংকৰক গাড়ী এখন দিছে ভাল কথা, গুৱাহাটীত মাটি দিয়াৰ দৰকাৰ কি আছিল? চেমনীয়া বয়সতে এইবোৰ বৈষয়িক চিন্তা তেওঁৰ মগজুত সুমুৱাই দিয়াৰ দৰকাৰ কি আছিল।

(আগষ্ট ১৯৯২, আজিৰ অসম)

এক পইছা, ডবল পইছা, দুৰ্নীতিৰ বিয়পি যোৱা চেকা, দিল্লীৰ মানুহ, ইত্যাদি

বহুদিন আগতে আধুনিক ভাৰতীয় ভাষালৈ মহাভাৰতৰ প্ৰথম সম্পূৰ্ণ অনুবাদ কৰোঁতা কালীপ্ৰসন্ন সিংহই ছদ্মনামত লিখা 'হুতোম প্যাঁচাৰ নক্সা' পঢ়িছিলোঁ। কালীপ্ৰসন্ন আছিল যথাৰ্থ দেশপ্ৰেমিক। তেওঁ ঔপনিবেশিক প্ৰভুৰ বিৰুদ্ধে দেশবাসীৰ আত্মসম্মান জাগ্ৰত কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিল। সেই কাৰ্য্যত নিৰুৎসাহ হ'লে অনুভৱ কৰিছিল গভীৰ হতাশা। ইংৰাজে ভাৰতত যেতিয়া প্ৰথম ৰেলগাড়ী উলিয়ালে, স্বাভাৱিকতে কেউফালে চাঞ্চল্যকৰ হৈচৈ উঠিল। সৰু সৰু ল'ৰাই বাটত চিঞৰিলে :

'কি কল বানিয়েছে সাহেব কোম্পানী!' কালীপ্ৰসন্নয়ো প্ৰগতিৰ এই নিদৰ্শন চাবলৈ ওলাল।

কিন্তু তেওঁৰ বিৱৰণত আশা আৰু উদ্দীপনাৰ ঠাইত ফুটি উঠিল তীব্ৰ বিদ্ৰূপ আৰু ক্ৰোধৰ অভিব্যক্তি। কাৰণ এয়ে যে বিদেশী প্ৰভুসকলে নিৰীহ, সাধাৰণ ভাৰতীয়ৰ বাবে যি তৃতীয় শ্ৰেণীৰ ডবাৰ ব্যৱস্থা কৰিছিল সি আছিল গৰুগোহালিতকৈও অধম। নৰককুণ্ড সদৃশ। বহুতো মানুহক তিলমানো ঠাই খালী নৰখাকৈ বোজাই কৰি লেতেৰা পৰিবেশত ঘামি-জামি একাকাৰ হৈ যাবলৈ যি অভ্যাস তেতিয়াই কৰোৱা হ'ল, আমাৰ স্বাধীন দেশৰ নেতাসকলেও সেই অভ্যাসকে স্বজাতীয় দৰিদ্ৰশ্ৰেণীৰ বাবে উপকাৰী বুলি বাহাল ৰাখিলে। আমাৰ নিচিনা মানুহে তৃতীয় শ্ৰেণীত বহুদূৰ যাবলগীয়া হ'লে বেমাৰ হৈ যাব। লাখ লাখ গাঁঠিৰ ধন, মুখৰ মাত নোহোৱা মানুহে সেই শাস্তি কিন্তু ভোগ কৰি আছে।

অলপতে দিল্লীলৈ নানা লেঠাত আহিবলগীয়া হ'ল। বাতানুকূল দ্বিতীয় শ্ৰেণীৰ টিকট কৰি আসন সংৰক্ষণ কৰাই দিলে সদাশয় দুজনে ভদ্ৰলোক। তেওঁলোকৰ সহায়ে মন যেনেকৈ উৎফুল্ল কৰিলে পিছৰ অভিজ্ঞতাই তেনেদৰে

তিক্ততা সৃষ্টি কৰিলে। নৰ্থ ইষ্ট এক্সপ্ৰেছ আটাইতকৈ বেছি আৰু কাৰ্য্যক্ষম ট্ৰে'ন বুলি ভবা হয়। কিন্তু আমাৰ ট্ৰে'নখন বলদগাড়ীৰ দৰে বহু ঠাইত বৈ, জিৰাই, ঘঁাহ পাগুলি, দিল্লী পাওঁতে নখন্টা পলম হ'ল। বাটত ডাইনিংকাৰ নথকা বাবে এদিন পেটত একো খাদ্য নপৰিল বুলিব লাগে। ষ্টে'ছনে ষ্টে'ছনে টিকটহীন যাত্ৰীৰ দলে ট্ৰে'নত ভিৰ বঢ়ালে। বাথৰুমৰ অৱস্থা অবৰ্ণনীয় হ'ল, চাফা কৰোৱাৰ চেষ্টা নাই। বভিয়াৰ ষ্টে'ছনৰ পৰা থলুৱা অসমীয়া মানুহৰ সখলত থকা ভোজনালয়ৰ পৰা এবাৰ বাকলি মুণ্ডচোৱা পাছলিৰ যি নিমখ নোহোৱা ভৰকাৰী আৰু পিঠাযেন ভাত আছিল, দুগৰাহমান খায়েই বন্ধ কৰিবলগীয়া হ'ল

সেই সময়তে বাতানুকুল প্ৰথম শ্ৰেণীৰ ভৰাৰ যাত্ৰীসকলৰ সুখসুবিধাৰ যত্ন লোৱা হ'ল কিন্তু। আমাৰেই যেতিয়া এনে দুৰ্দশা, দ্বিতীয় শ্ৰেণীৰ যাত্ৰীসকলৰ অৱস্থা নিশ্চয় নৰক যন্ত্ৰনাই হ'ব। ইটোকৈ মনত পৰিল 'হুতোম প্যাঁচা'ৰ ৰে'লগাড়ীৰ বিৱৰণলৈ।

একো সলনি নহ'ল। বগাচামৰাৰ শাসকৰ ঠাইত একে মনোবৃত্তিৰ ক'লাচামৰাৰ শাসক আহিল। জনসাধাৰণৰ প্ৰতি তেওঁলোকৰ মনতো বিদেশী শাসকৰ অৱজ্ঞা আৰু ঘৃণা পুঞ্জীভূত হৈ ৰ'ল।

কিন্তু মই নিজে অন্যায় সহিবলৈ টান পাওঁ। মোৰ সহযাত্ৰী এগৰাকী আছিল এজন অৱসৰপ্ৰাপ্ত মেজৰ জেনেৰেলৰ পৰিবাৰ—গহীন, কিন্তু অভদ্ৰ নহয়। আন দুগৰাকী আছিল এক বুঢ়া শিখ দম্পতী। গাম্ভীৰ্য্যৰ প্ৰথম ব্যৱধানখিনি জয় কৰিলে শিখ দম্পতীৰ সৌহাৰ্দ্দ আৰু কথাচহকী স্বভাৱে। নানা বিষয়ে কথা-বতৰা হ'ল। ৰসিকতাও চলিল। শিখ দম্পতীৰ স্বামী-গৰাকীয়ে ক'লে 'আমি দুয়ো এৱে জীৱন ভালকৈ খাবলৈ-পিন্ধিবলৈ, ল'ৰা-ছোৱালী ডাঙৰ-দীঘল কৰিবলৈ, সংগ্ৰাম কৰোঁতেই গ'ল। এতিয়াহে যেন আমাৰ আচল বিয়া হৈছে, দুয়ো দুয়োকো চিনি পাইছোঁ।' মেজৰ জেনে-ৰেলৰ পৰিবাৰ গৰাকীয়ে ক'লে তেওঁৰ দুগৰাকী কন্যা—বছৰত এবাৰহে দুয়োৰে ঘৰত তেওঁ কটায়। দিল্লীত থকা জীয়েক গৰাকীৰ বৰ ডাঙৰ মানুহৰ পৰিয়ালত বিয়া হৈছে। বাপেক-মাক দিল্লীতে থাকে, অথচ এইজনী

জীয়েকৰ লগত দেখাসাক্ষাৎ কমেই হয় মানুহগৰাকীৰ ব্যক্তিত্ব অসাধাৰণ আচৰণ ওজন থকা অথচ মনোমোহা। বেছ কথা কয়, কিন্তু সকলো কথাই জুখিমাখি কয়। গিৰীয়েক বৰ নিয়মৰ মানুহ—চাকৰি জীৱনত, বা তাৰ পিছত, কাহানিও এটা পয়চা ইফালসিফাল কৰা নাই, খাটিৰত একো বিচৰা নাই।·· অৱশ্যে দুয়ো গৰাকী মাইকী মানুহ বজাৰ-সমাৰৰ কথা ওলালে মুখৰ হৈ পৰে, কিমান সস্তাত কিমান ভাল বস্তু কিনিলে তাৰ তালিকা যেন শেষেই নহ'ব।

যি নহওক, আমাৰ যাত্ৰাৰ নানা কষ্ট আৰু বিশৃংখলাই আমাক সকলোকে উত্যক্ত আৰু অতিষ্ঠ কৰি তুলিলে। আমি একেলগে 'আপত্তি বহী' (Complaint Book) খন বিচাৰিলোঁ। সেইখন হঠাতে দুষ্প্ৰাপ্য হৈ পৰিল। কোনেও নাজানে সেইখন কাৰ লগত থাকে। অৱশ্যে আমাৰ সবৰ প্ৰতিবাদে কাম দিলে। চাৰ্ফচিকুন আৰু বঢ়িয়াকৈ বনোৱা খানা আছিল, বাথৰুম চাফা কৰা হ'ল। অৱশ্যে ট্ৰেইনখন গন্তব্যস্থল পাওঁতে ৯ ঘণ্টা পলম হ'ল।

কিয় এনেকুৱা হয়? প্ৰথমতে, অসমৰ মানুহে কোনো প্ৰতিবাদ নকৰে। আন ৰে'লপথৰ তুলনাত পূৰ্বোত্তৰ সীমান্ত ৰে'লপথৰ কাৰ্য্যক্ষমতা, সা-সুবিধা, যিমানেই অধম নহওক, আমাৰ বাজহুৱা নেতা সকল, ৰাজনৈতিক দলবোৰ বাতৰি কাকত সমূহ নীৰৱ হৈ ৰয়। বাইজেও ভাগ্য বুলি মানি লয়। দ্বিতীয়তে, অসমৰ ঔপনিবেশিক দশা এতিয়াও শেষ হোৱা নাই। ভাৰতৰ অন্যান্য অঞ্চলৰ তুলনাত "পিছপৰা" অসম সা-সুবিধা পোৱাৰ ক্ষেত্ৰতো "পিছপৰা" হৈ থাকিবলৈ বাধ্য!! এই ঔপনিবেশিক হীনতা আমি আৰু কিমানদিন মানি চলিম?

দুৰ্নীতিৰ বিয়পি যোৱা চেকা:

বাতিপুৱা এখন কাকতত ফটো এখন দেখিলোঁ। নৰসিংহ ৰাওৱে প্ৰায় আঁঠু কাঢ়ি ছনিয়া গান্ধীক নমস্কাৰ কৰিছে। ছনিয়া গান্ধীয়ে প্ৰায় নিৰাসক্ত হৰে ঔদাসিন্যৰে ৰাওৰ পিনে চাই আছে। কি এক ভীষণ উপেক্ষাৰ ভাব! অপমানত বৃদ্ধ নৰসিংহ ৰাওৰ মুখ কুঞ্চিত আৰু বিকৃত। কিন্তু উপায় নাই।

এই সংকটৰ সময়ত ছনিয়াৰ সমৰ্থন তেওঁ হেৰুৱাব নোখোজে। ভাৰতীয় জনসাধাৰণৰ পক্ষে কি দুঃসহ যন্ত্ৰণাৰ কথা। তেওঁলোকৰ প্ৰধানমন্ত্ৰীয়ে এনে অপমান সহিবলগীয়া হৈছে। কিহৰ বাবে? ক্ষমতাৰ বাবে। পণ্ডিত, সাহিত্যৰসিক, ভাষাবিদ বুলি খ্যাত বাও চাহাবৰ মনত কিন্তু এবাৰো এইভাব খেলোৱা নাই যে তেওঁ অপযশ আৰু দুৰ্নামৰ বিৰুদ্ধে প্ৰতিবাদৰ চিন স্বৰূপে পদত্যাগ কৰা উচিত। আনকি বাতৰি কাকতৰ পৃষ্ঠাত সাধাৰণ পাঠকেও হৰ্ষদ মেহতাৰ বিৰুদ্ধে মানহানিৰ মোকৰ্দ্দমা কৰিবলৈ তেওঁক পৰামৰ্শ দিছে। তেওঁ শুনাৰ আশা নাই।

নানী পাল্কিৱালাই পৰামৰ্শ দিছে যে প্ৰধানমন্ত্ৰীয়ে স্বীকাৰ কৰক, দলৰ পুঁজিৰ বাবে দান হিচাপে তেওঁ হৰ্ষদ মেহতাৰ টকা লৈছিল। কথাটো ইমান সহজ নহয়। হৰ্ষদ মেহতা যিকোনো ধৰণৰ ব্যৱসায়ী বা শিল্পীপতি নহয়। তেওঁ দেশৰ বিত্তীয় ব্যৱস্থাৰ আলমত বিৰাট প্ৰৱঞ্চনা চলাই প্ৰচুৰ ধন উপাৰ্জন কৰা মানুহ। তেওঁৰ লগত সম্পৰ্ক গভীৰ দুৰ্নীতি পৰায়ণতাৰ লক্ষণ বুলি সকলোৱে বুজিব।

যুটীয়া সংসদী কমিটীৰ কাম-কাজে কিন্তু কিছু আশাৰ সঞ্চাৰ কৰিছে। এতিয়ালৈকে কমিটীয়ে প্ৰধানমন্ত্ৰীক ৰক্ষণাবেক্ষণ দিয়া বা দলীয় স্বাৰ্থত কাম কৰাৰ প্ৰমাণ ওলোৱা নাই। আনকি C.B.I.-ক যে চৰকাৰৰ নেতাসকলে নিজৰ স্বাৰ্থত ব্যৱহাৰ কৰিছে কথাটো কমিটীয়ে আকাৰে ইংগিতে উল্লেখ কৰিছে লক্ষ্য কৰিবলগীয়া কথা এয়ে যে ৬৪ কোটি টকাৰ বফৰ্ছ' কেলেংকাৰীৰ সময়ত ৰাজধানীত যেনে চাঞ্চল্য আৰু বিক্ষোভ দেখা গৈছিল, ৫০০০ কোটি টকাৰ বিত্তীয় কেলেংকাৰীৰ (scam) বেলিকা মানুহৰ মুখত তেনে ধিক্কাৰ শুনা যোৱা নাই। মানুহে বেছিকৈ কথাটো উলিয়াব নোখোজে। প্ৰত্যেকেই যেন কিছু সতৰ্ক, কিছু শংকিত। ভাৰতীয় ৰাষ্ট্ৰ আৰু ৰাজনীতিৰ অধঃপতনৰ আৰু কি প্ৰমাণ লাগে। দেশৰ ৰাজনীতিৰ বিস্ফোৰক ঘটনা এটা লৈও কোনেও মুকলিমূৰীয়াকৈ কথা ক'ব নোৱাৰে। প্ৰতিবাদ কৰাৰ ঠিকাও কোনো কোনো বাতৰি কাকতৰ সম্পাদকৰ দৰে মানুহে যেন লৈ লৈছে। নিশ্চয় ঠিকাৰ মুনাফা পিছত তেওঁলোকে পাব !!

দিল্লীৰ মানুহ ঃ

দিল্লীখন মই বৰ ভাল নাপাওঁ। ডাঙৰ-ডাঙৰ ঘৰ, মাজত ফাঁক। বাটত মানুহতকৈ গাড়ীৰ সংখ্যা বেছি যেন। প্ৰতিখন গাড়ী স্বয়ংসম্পূৰ্ণ। সকলো চলিছে ৰঙা-নীলা ট্ৰেফিক লাইটৰ ৰঙা আৰু সেউজীয়া যোগা চকুৰ চাৰনিৰ তলত। তাৰ পিছত কোন আছে? বাক্ পটু আৰু অভিনয়-কুশল ৰাজনৈতিক নেতা? সিহঁতৰ পিছত কোন? কোটিপতি ব্যৱসায়ী-শিল্পপতি? কি সিহঁতৰ লক্ষ্য? আন যি নহওক, সিহঁতে ৰাজহুৱাভাৱে ঘোষণা কৰা লক্ষ্য সিহঁতৰ প্ৰকৃত লক্ষ্য নহয়। ৰাষ্ট্ৰ, দেশ, সমাজ, সভ্যতা, এইবোৰ ৰাজনৈতিক চৌৰ খুন্দাত ওলোৱা ফেন মাত্ৰ।

অথচ বস্তুগত সভ্যতাই নিশ্চয় ইয়াৰ জীৱন কিছু আহল-বহল নকৰাকৈ থকা নাই। চুবুৰীয়াৰ উদগ্ৰ কৌতূহল আৰু চৰ্চাৰপৰা মুকলি হৈ মানুহে ইয়াত নিজৰ নিৰ্বাচিত জীৱন, বৃত্তি, অনুসৰণ কৰিব পাৰে। বিভিন্ন ধৰণৰ আগ্ৰহ চৰিতাৰ্থ কৰাৰ, নৈপুণ্য আৰ্জন কৰাৰ পৰিবেশ ইয়াত আছে। আধুনিক পৌৰ সভ্যতাৰ আন এক অৱদান হৈছে এক নিঃসীম ৰহস্যবোধ। লাখ লাখ মানুহৰ সমাবেশৰ মাজত এহাতে এক অভূতপূৰ্ব সংসৰ্গ, আনহাতে সংযোগৰ শূন্যতা। কোনেও কাকো ভালদৰে চিনি নাপায়, পাব নোৱাৰে। হয়তো লাখ লাখ এনে ৰহস্যৰ সমাহাৰত সৃষ্টি হৈছে এক বিৰাট ৰহস্যৰ অনুভূতি। সৰু চহৰবোৰ মাজে মাজে সচেতন মানুহৰ বাবে অন্ধকূপৰ দৰে হৈ পাৰে। সকলো মৌলিকতা বা অভিনৱত্ব তাৰ ৰীতি আৰু নিয়মৰ তুলাচনীত বাতুলতা বা বিকাৰ হৈ ধৰা দিয়ে। এই পিনৰ পৰা ডাঙৰ চহৰৰ বা-বতাহ মানসিক মুক্তিৰ আধাৰ।

কিন্তু দিল্লীত তেনেধৰণৰ মানসিক মুক্তি সম্ভৱ হৈছেনে? আমাৰ সামন্তযুগীয়া কেতবোৰ ধ্যানধাৰণা, আচাৰ-নীতি ইয়াত জানো প্ৰবল হৈ থকা নাই? বহুদিন আগতে দুৰ্ভাগ্যক্ৰমে এখন বিয়ালৈ যোৱাৰ অভিজ্ঞতা হৈছিল। হঠাতে তাত ৰাজীৱ গান্ধী সোমালহি পালি-পহৰীয়া লৈ। তেওঁ তেতিয়া প্ৰধানমন্ত্ৰী হৈছিল নে নাই, মনত নাই। কিন্তু নাক ওখকৈ সগৰ্বে থিয় দি থকা সুবেশ, সুদৰ্শন কিমান মানুহে যে তেওঁৰ ভৰি ছুই সেৱা

কৰিবলৈ হেতাওপৰা নলগালে। অনুসূচিত জাতি আৰু সম্প্ৰদায়ৰ প্ৰতি ঘৃণা-বিদ্বেষে ইয়াৰ বহু মানুহৰ মাজত সম্প্ৰতি তীব্ৰ ৰূপ লৈছে। মুছলমানৰ প্ৰতিতো কথাই নাই। (অৱশ্যে ব্যতিক্ৰম নথকাও নহয়।)

এই পৰিবেশত মৌলিকতা তথা প্ৰতিভাৰ স্বীকৃতিৰ বাবে উপযুক্ত ক্ষেত্ৰও গঢ়ি উঠা নাই যেন লাগে। কলিকতাৰ গৰ্ব এয়ে যে তাত গুণীৰ মূল্য দিবলৈ জানে মানুহে। দিল্লীতো বহুত গুণী মানুহ আছে। কিন্তু তেওঁলোকৰ মূল্য নিৰ্ণয় হয় চৰকাৰী সন্মান বা বিদেশৰ স্বীকৃতিৰ জোখেৰে। ফলত প্ৰতিভা আৰু মৌলিকতা কৰুণভাৱে আমোলা, নেতা, আৰু দলৰ নাগপাশত বন্দী। এখন দেশৰ ৰাজধানীৰ বাবে কি মৰ্মান্তিক! এসময়ত মোৰ সতীৰ্থ আজিৰ বিখ্যাত বুদ্ধিজীৱী আৰু বিদ্বান সকল অনবৰত মন্ত্ৰী-আমোলাৰ সান্নিধ্যত উত্তপ্ত, অসংখ্য বিদেশভ্ৰমণত ব্যস্ত। তেওঁলোকক এতিয়া অচিনাকি যেনেই লাগে।

এই সকল মানুহক পৰাপক্ষত এৰাই চলোঁ। কিন্তু সাধাৰণ মানুহৰ কথাই বা কি কম? স্বাধীন ৰাষ্ট্ৰই আন যি কৰক বা নকৰক, সাধাৰণ মানুহক দালালীৰ অপূৰ্ব সুযোগ-সুবিধা সম্পৰ্কে সজাগ কৰিছে। দিল্লীৰ দৰিদ্ৰতম এলেকাৰ বাসিন্দা সকলৰ নানা অভাৱ-অভিযোগৰ তদন্ত কৰিবলৈ যোৱা মোৰ এজন সমাজসেৱী বন্ধুক তাৰ জুপুৰীঘৰত থকা মানুহবোৰে বাৰে বাৰে সুধিছিল: 'চাহাব, আমাৰ বাবে ইয়াৰ পৰা কি পাওনা আছিব?' চৰকে পইছা লাগে। বাটত গাড়ী ৰখাই তিনিজনী মাইকী মানুহে পইছা বিচাৰিছে: 'চাহাব, চাওক সৌৱা তিকতাজনীৰ প্ৰসৱ যন্ত্ৰণা আৰম্ভ হৈ গৈছে। হাস্পতাললৈ নিব লাগে। অলপ পইছা দিয়ক।' অদূৰত এজনী তিকতা মানুহে প্ৰসৱ যন্ত্ৰণাৰ ভাও জুৰিছে।...

তথাপি নানা হিংসাহিংসি, পৰচৰ্চা, দলাদলিৰে কণ্টকিত দৰিদ্ৰ সমাজতে কিছু মানৱীয় সহানুভূতি, স্নেহমমতাৰ চিন বাৰে বাৰে দেখিছোঁ। বাট হেৰুৱালে সুধিব, আধা মাইল বাট লগত আহি আচল ৰাস্তা দেখুৱাই দিব। পৰমত আশ্ৰয় বিচাৰিলে ঠাণ্ডা চৰ্বতো দিব পাৰে এগিলাচ।

দৰিদ্ৰৰ সমাজতে মানুহে পৰস্পৰৰ ওপৰত নিৰ্ভৰ কৰে। ফলত দয়া-মমতা

বাচি থাকে। যিমানে ওপৰলৈ যাব, ধনেই বেছিভাগ প্ৰয়োজন পূৰণ কৰে —আনৰ সহায় আৰু নালাগে। তেনেস্থলত দয়া-মমতাও শুকাই যাবলৈ ধৰে।

কাৰ্ল মাৰ্ক্সে লিখিছিল, ভৱিষ্যত সমাজত মানুহ স্বনিৰ্ভৰ হ'ব, বেছিভাগ কথাত আনৰ ওপৰত নিৰ্ভৰ নকৰাকৈ চলিব পাৰিব। কিন্তু টকাৰ জোৰত নহয় সামাজিক সম্পদৰ প্ৰাচুৰ্য্যৰ বাবে। দয়া-মমতা তেনে সমাজত হেৰাই নাযায় হয়তো। কথাটো কিমান নিশ্চিত বাৰু? অৱশ্যে মাৰ্ক্সে কোৱা নাই যে সেই মুক্ত সমাজত মানুহে পৰস্পৰৰ লগত সহযোগিতা নকৰিব। কেৱল সেই সহযোগিতা অভাৱ, নিপীড়ন, বা বাধ্যতাৰ পৰিণাম নহ'ব।

(জুলাই ১৯৯৩, আজিৰ অসম)

ব্ৰিটিছ অহাৰ আগতে আৰ্য্য-অনাৰ্য্য তত্ব ভাৰতবাসীয়ে জনা নাছিল। শাস্ত্ৰত জাতি-ভেদৰ কথাহে আছে, কিন্তু আৰ্য্য-অনাৰ্য্যৰ racial প্ৰচাৰ নাই। বৃটিছ অহাৰ পিছত যাইকৈ কেতবোৰ জাৰ্মান পণ্ডিতৰ তাত্বিক উদ্যোগৰ ফলত এক বিশ্বজোৰা আৰ্য্য জাতিৰ তত্বৰ উদ্ভৱ হৈ ভাৰতবাসীক প্ৰভাৱিত কৰিলে। নৃতত্ববিদসকলৰ মতে ‘আৰ্য্য’ এক নিৰ্দ্দিষ্ট শাৰীৰিক লক্ষণযুক্ত নৰগোষ্ঠী নহয়, এটা ভাষা আৰু সেই ভাষা কোৱা লোকহে। সেই লোকসকলৰ কোনো জন্মগত সাংস্কৃতিক মহিমাও নাছিল। ৰোমান ঐতিহাসিক তথা পৰ্য্যবেক্ষক টেচিটাছে (Tacitus) বৰ্ণনা কৰা আৰ্য্য জাৰ্মান সকলো এসময়ত বৰ্বৰ আৰু অতি অনুন্নত আছিল। কিন্তু ঊনবিংশ শতাব্দীৰ কেতবোৰ পণ্ডিতে সেইবোৰ আহুকলীয়া সত্য পাহৰি বিশ্বৰ সকলো উচ্চ সভ্যতা-সংস্কৃতি সৃষ্টিৰ কৃতিত্ব এক ‘আৰ্য্য জাতি’ৰ একচেতীয়া বুলি প্ৰচাৰ কৰিবলৈ ধৰিলে। সেই অসত্য আৰু অশুভ তত্বৰ প্ৰভাৱত ভাৰতীয় শিক্ষিত চামো ভালকৈয়ে পৰিল। পৰাধীনতাৰ গ্লানিৰ পৰা মুক্ত হবলৈ তেওঁলোকে এই উপাখ্যানৰ আশ্ৰয় লৈছিল। ব্ৰিটিছ শাসকবিলাকেও গৌৰৱ তলত হাঁহি মাৰিলে।

পিছে সেই তত্ব সম্প্ৰতি বিশ্বৰ বিদ্বৎসমাজত আৰু কোনেও বিশ্বাস নকৰে। ভাৰতৰো জনাবুজা পণ্ডিতসকলে তাৰ আবৰ্জনাৰ পাছিত পেলাই দিছে। কিন্তু অসমত এতিয়াও তাৰ পৰাক্ৰম টুটি অহা নাই। মাজে সময়ে সি বীৰ-বিক্ৰমে মূৰ দাঙি উঠে।

এই তত্বৰ মতে অসমত আৰ্য্যসকল তিব্বতৰ পৰা আৰু বৰ্মাৰ পৰা উত্তৰ পূৰেদি প্ৰথমতে সোমাইছিল। তেওঁলোকৰ কিছু সতি সন্ততি বৰ্মা আৰু তিব্বতত বৈ গ'ল।

নিজৰ আত্মপৰিচয় পাহৰি যোৱাৰ ফলত তেওঁলোকৰ নাক চেপেটা হৈ

প'ল। এই তত্ত্ব অনুযায়ী খাৰ, টেঙা, পইতা ভাত, মাছ পোৰা, মেখেলা-চাদৰ, বৈদিক আৰ্য্যসকলৰ অৱদান ; ঘৰে-ঘৰে তাঁতশাল, গামোছা বিহুৱান হিচাপে উপহাৰ দিয়া, বৰষুণত জাপি লোৱা, পলো-জাকৈৰে মাছ ধৰা, ইত্যাদিও আৰ্য্য সংস্কৃতি। বিহুনাম আৰু বিহুনাচ সামবেদৰ পৰা শিকা।...

কথাবোৰ এনেকৈ ধেমালিৰ সুৰত কোৱা হৈছে যাতে পাঠকে তাৰ মূৰ্খামি বুজি পায়। কিন্তু মূৰ্খামিয়েই তাৰ একমাত্ৰ উপাদান হোৱা হ'লে কথা বেলেগ আছিল। দুখৰ বিষয় অসম আৰু অসমীয়াৰ সংহতি খান-বান কৰাত এনে উদ্ভট তত্ত্বৰ ভূমিকা আছে।

অসমীয়া সংস্কৃতি যে সমন্বয়ৰ যোগেদি গঢ়ি উঠিছে, তাত যে 'আৰ্য্য' আৰু 'অনাৰ্য্য' উভয়বিধ উপাদান আছে, তাক মুক্তমনে আৰু মুক্তকণ্ঠে স্বীকাৰ কৰিব পাৰিলেহে আমি আজি অসমীয়া জাতি বচাই ৰাখিব পাৰিম। এই সংকট মুহূৰ্ত্তত অসমীয়া সংস্কৃতিক 'আৰ্য্য' চাব-মোহৰ মৰাৰ পৰিণাম হ'ব অসমীয়া সমাজৰ তথাকথিত 'অনাৰ্য্য' সকলৰ বিদ্ৰোহত উচটনি দিয়া। যি সমাজত তেওঁলোকৰ সাংস্কৃতিক অৱদানেই আছিল উল্লেখযোগ্য। তাৰ স্বীকৃতি বিনে সেই সমাজৰ পৰা ফালৰি কাটি যাবলৈ তেওঁলোকৰ ধাউতি হোৱা স্বাভাৱিক। অসমীয়া 'অনাৰ্য্য' জনগোষ্ঠীৰ মাজত বাঢ়ি অহা বিচ্ছিন্নতাবাদৰ অন্যতম প্ৰধান কাৰণ আৰ্য্যাভিমানী অসমীয়া সকলৰ আত্মপ্ৰচাৰৰ আতিশয্য। অসমীয়া পণ্ডিতমূৰ্খই তেওঁলোকক কৈছে: "তোমালোকে আমাৰ উচ্চ সংস্কৃতি গ্ৰহণ কৰিহে সভ্য হৈছা। আমাৰ লগত থাকিব খুজিলে তোমালোকে আমাৰ প্ৰাধান্য আৰু শ্ৰেষ্ঠতা মানি চলিব লাগিব।" সেই কথাত বিষম পাই বিভিন্ন জনগোষ্ঠীয়ে অসমীয়া আত্মপৰিচয় বিসৰ্জন দিবলৈকে আগবাঢ়িছে। এনে পণ্ডিত মূৰ্খৰ মনোভাৱৰ বিৰোধিতা নকৰিলে অসমীয়া জাতি সমূলকে উৎখাত হ'ব।

উজনি অসমৰ আহোম সকল আজি বহুদিন ধৰি এনেবোৰ কথাত বিতুষ্ট হৈ আছে। তেওঁলোকৰ পৰম্পৰাগত সামাজিক আচাৰ আদিৰ প্ৰতি আৰু তেওঁলোকৰ প্ৰতি অৱজ্ঞাই তেওঁলোকক চিন্তা লগাইছে। তাতে যদি

ছেওঁলোকে এনে কথা শুনিবলগীয়া হয় যে আহোম আক্ৰমণে (invasion) প্ৰাচীন অসমীয়া জাতিক শেষ কৰিএক বৰ্বৰ যুগ নমাই আনিলে, তেওঁলোক বিচলিত হোৱা স্বাভাৱিক। এনেবোৰ কাৰণতে স্বকীয় পৰম্পৰাৰ প্ৰতি তেওঁলোকৰ প্ৰীতি আৰু নিষ্ঠা বৃদ্ধি পাইছে ॥

দুখৰ বিষয় যে কেন্দ্ৰীয় চৰকাৰ আৰু ছিদ্ৰেখৰ শইকীয়াই তাত উচটনি দি তেওঁলোকক অসমীয়া সমাজৰ পৰা একেবাৰে বেলেগ কৰিব খুজিছে। আহোমৰ প্ৰাথমিক বিদ্যালয়ত তাই-আহোম ভাষা শিকোৱাৰ আন উদ্দেশ্য নাই। সেই উদ্দেশ্য সফল হ'লে অসমত কেন্দ্ৰীয় চৰকাৰ তথা বৃহৎ দেশী-বিদেশী পুঁজিৰ শোষণ লুণ্ঠনো সহজ হ'ব। কিন্তু আহোম সকলেও দুটামান কথা ভাবি চোৱা উচিত। পাকিস্থানৰ সিন্ধু প্ৰদেশত এতিয়া সিন্ধীসকলৰ মাজত পুনৰ সংস্কৃতপ্ৰধান সিন্ধীভাষা চৰ্চাৰ ধুম উঠিছে। তেওঁলোকে বুজিছে ধৰ্মটোৱেই তেওঁলোকৰ একমাত্ৰ পৰিচয় নহয়। তেনেকৈ আৰ্য্যাভিমানী সকলৰ আচৰণত বিক্ষুব্ধ হলেও আহোম সকল হাড়ে-হিমজুৱে অসমীয়া। এই কথা পলমকৈ পুনৰ উপলব্ধি কৰিবলগীয়া হলে সুবিধাৰ কথা নহ'ব। দ্বিতীয়তে প্ৰাচীন পৰম্পৰা হলেই তাক অন্ধভাৱে সংৰক্ষণ কৰাৰ প্ৰশ্ন নুঠে। যেনে হিন্দুৰ জাতিভেদ সুপ্ৰাচীন পৰম্পৰা হলেও সি বৰ্জনীয়। তাই আহোম ভাষাটো সংচিপতীয়া আহোম পুথিপাঁজী পঢ়িবলৈ পণ্ডিতৰ বাবে অপৰিহাৰ্য্য হলেও সৰ্বসাধাৰণ আহোমৰ আত্মপৰিচয় ৰক্ষাৰ বাবে অপৰিহাৰ্য্য নহয়।

অৱশ্যে তাই ভাষাৰ পুথিপাঁজী সমূহ পোহৰলৈ আনি পুনৰ সেইবোৰৰ অধ্যয়নৰ ব্যৱস্থা কৰা লোকসকল অসমবিৰোধী নহয়। তেওঁলোকে অসমীয়াৰে এটা ঠালৰ সম্পদ সংৰক্ষণ কৰিছে। সদৌ অসমবাসীৰে তেওঁলোক ধন্যবাদৰ পাত্ৰ। কিন্তু অসমীয়াক চেৰাই গৈ তাই identity প্ৰতিষ্ঠা কৰাত লাগিলে তেওঁলোকক গৰিহণা দিব লাগিব।

এতিয়া ডঃ নবেণ কোঁৱৰদেৱৰ এখন চিঠি উল্লেখ কৰোঁ। তেখেতে আমাৰ এবাৰ কথাত খুত ধৰি কৈছে যে 'তাই ধৰ্ম' বুলি এটা ধৰ্ম নাই। আহোমৰ ধৰ্মটো কোনোবাই 'ফুৰা-লং' আদি ধৰণে উল্লেখ কৰিছে। কিন্তু 'তাই ধৰ্ম' বুলি কোনেও কতো কোৱা নাই। উত্তৰত আমি কওঁ যে সেইবুলে

লিখাটো অযুগুত হলেও আমি তাৰ বাবা তাই জাতিৰ ধৰ্মহে বুজাব খুজিছিলোঁ। সেই ধৰ্মত নিশ্চয় বহুত ভাল কথা আছে, কিন্তু হিন্দু, বৌদ্ধ, মুছলমান বা খ্ৰীষ্টান ধৰ্মৰ দৰে সি বিশ্বজনীন ধৰ্ম নহয় আৰু জনজাতীয় সমাজতকৈ জটিল আধুনিক সমাজৰ মানুহৰ মানসিক খোৰাকো সি যোগাব নোৱাৰে। 'তাই ধৰ্ম' প্ৰধানকৈ জনজাতীয় ধৰ্মহে।

অন্ধ পৰম্পৰাৰ সমৰ্থক সকলে (যেনে বি.জে.পি-ৰ লোকসকলে) বহু সময়ত নিজৰ প্ৰকৃত পৰম্পৰা কি নাজানে। আহোম মানুহ কিছুমানে নিজৰ নামৰ আগত এতিয়া 'চাও' লিখাত ধৰিছে। অধ্যাপক যোগেন ফুকন দেৱে তাই ভাষা আৰু পৰম্পৰা অধ্যয়ন কৰিছে। তেখেতে এখন সৰু পুস্তিকাত কৈছে যে 'চাও' শব্দটোৰ অৰ্থ 'ৰজা', 'ৰাজকুমাৰ' বা তেন্তে সম্ভ্ৰান্ত লোক। চীনৰ তাই সকলৰ মাজলৈ অনুসন্ধানৰ বাবে যোৱা হুজনমান অসমীয়াই 'চাও' লিখা দেখি তাৰ তাইসকলে হেনো সুধিছিল তেওঁলোক ৰজা নেকি বুলি। কি উত্তৰ দিলে নাজানোঁ।

বিদেশী বনাম সংখ্যালঘু ঃ

কিছুকাল পূৰ্বে সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত হোৱা আলোচনাৰ ফলত অধিকাংশ সংখ্যালঘু সংগঠনে স্বীকাৰ কৰিছিল যে অসম তথা ভাৰতত বিদেশীৰ উপস্থিতি আৰু অনুপ্ৰৱেশ অবাঞ্ছনীয়। ছাত্ৰ সন্থাৰ সেই উদ্যোগ বেছ উৎসাহেৰে আৰম্ভ হৈ কিছুদিনৰ মূৰত চেঁচা পৰিল। হলেও সেইটো শুভলক্ষণ আছিল।

কিন্তু ভোটাৰ তালিকাৰ ক্ষেত্ৰত নিৰ্বাচনী আয়োগে স্পষ্ট আৰু আইনৰ পিনৰ পৰা কঠোৰ মনোভাৱ লোৱাৰ পিছতে তেওঁলোকৰ কাৰো কাৰো মুখত নানা প্ৰতিবাদ শুনা গৈছে। কথাটো কি ?- সংখ্যালঘু মাত্ৰকে ভোটাৰ তালিকাৰ পৰা বাদ দিয়া হব বুলিতো কোনেও কোৱা নাই।

এইটো যুক্তি, তথ্য বিশ্লেষণৰ কথা। কোনো ঠাইত যদি ভোটাৰৰ তালিকা ১০০ শতাংশ বা ৩০০ শতাংশ বাঢ়ে, আৰু সেইবোৰ যদি দেশৰ আন ঠাইৰ মানুহ নহয়, তেন্তে সেইবোৰৰ অধিকাংশ বিদেশী হবই লাগিব। কাৰণ সেই সময়ত দেশৰ বা অসমৰ জনসংখ্যা ইমান বৃদ্ধি পোৱা নাই। এই

যুক্তি বিজ্ঞানসম্মত। ইয়াৰ বিৰুদ্ধে তেওঁলোকৰ কবলপৰীয়া একো থাকিব নোৱাৰে।

আৰু যদি বিদেশী আছেই, তেন্তে চিনাক্ত কৰি ভোটাৰ তালিকাৰ পৰা বহিষ্কাৰ কৰিব লাগিব। অন্যথাই বিদেশীয়েই দেশৰ নিৰ্বাচনৰ ফলাফল নিৰ্ধাৰণ কৰিব।

প্ৰতিভাৰ প্ৰতি অসমীয়াৰ অৱহেলা :

উদীয়মান ক্ৰিকেট তাৰকা গৌতম দত্তৰ নাম বহুতে শুনিছে, তেওঁৰ ছবিও দেখিছে। ক্ৰিকেটপ্ৰেমী সকলে নিশ্চয় তেওঁৰ কীৰ্তি মুখস্থ ৰাখিছে। নবীন ক্ৰিকেট খেলুৱৈ হিচাপে তেওঁৰ কৃতিত্ব উল্লেখযোগ্য। অলপতে ইংলেণ্ডৰ তৰুণ ক্ৰিকেট দলটোক ভাৰতীয় তৰুণ ক্ৰিকেট দলে তিনিখন খেলতে পৰাস্ত কৰাত দত্তৰ অৱদান উল্লেখযোগ্য আছিল। পঞ্জাবৰ 'The Tribune' কাকতে ৪ মাৰ্চত তেওঁক ভাৰতীয় তৰুণ ব'লাৰ সকলৰ ভিতৰত শ্ৰেষ্ঠ ব'লাৰ বুলিছে। Times of India, Indian Express, Deocan Chicnicle, Sportstar প্ৰভৃতি কাকত আৰু আলোচনীয়েও তেওঁৰ নৈপুণ্যক স্বীকৃতি দিছে। তেওঁ তিনিবাৰ ইংলণ্ডলৈ গৈছে ভাৰতীয় দলৰ সদস্য হৈছে, দঃ আফ্ৰিকা আৰু নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিছে। প্ৰতিবাৰেই যথেষ্ট উইকেট লৈছে। তিনিবছৰ একেবাৰে তেওঁ ইষ্টজোনৰ তৰুণ খেলুৱৈ দলৰ অধিনায়ক হৈছে আৰু তেওঁৰ নেতৃত্বত দলে প্ৰথমবাৰৰ বাবে বিজয় মাৰ্চেণ্ট ট্ৰফী অৰ্জন কৰিছে। ক্ৰিকেট বোৰ্ডৰ সভাপতিৰ দলৰ অধিনায়ক আৰু দঃ আফ্ৰিকাৰ ভ্ৰমণকালত তৰুণ ভাৰতীয় দলৰ সহ-অধিনায়ক আছিল।

কিন্তু গৌতম দত্ত এনে বিশিষ্ট পে'চ ব'লাৰ হোৱা সত্ত্বেও আৰু অসমৰ বাহিৰৰ বিশেষ আদৰৰ পাত্ৰ হোৱা সত্ত্বেও যথেষ্ট উন্নতি বা কাৰ্য্যকৰী সুযোগ সুবিধা পাব পৰা নাই। তাৰ কাৰণ কি? পশ্চিমবংগত হোৱা হলে এনে এজন খেলুৱৈক বাহিৰে যুৱত তুলি নাচিলেহেঁতেন, চৰকাৰেও মুক্ত হস্তে সহায় কৰিলেহেঁতেন। অসমীয়া বাহিৰৰ কুহমিয়া সঁহাৰিৰ বাবে

প্ৰতিবাৰেই ভ্ৰমণৰত বিদেশী দলৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় দলৰ সমস্ত মনোনীত হৈও তেওঁ এবেলিও পথাৰত নামিব পৰা নাই। আজিকালি খেলা-ধূলাত পলিটিক্স প্ৰবল। অসমীয়া বাইজে গৌতমৰ দাবী শক্তিশালী নকৰিলে তেওঁ হয়তো সুযোগেই নাপাব। আমিও বাহিৰৰ মানুহৰ আগত "তেওঁ অসমীয়া" বুলি গৌৰৱ কৰাৰ সুযোগ নাপাম।

আটাইতকৈ মৰ্মান্তিক কথা হৈছে তিনিবাৰ ভাৰতীয় তৰুণ দলত সগৌৰৱে বিলাত ভ্ৰমণ কৰাৰ খৰচ তেওঁৰ ঘৰেই বহন কৰিবলগা হৈছে। কাবুলি আৰু মহাজনৰ দ্বাৰস্থও হবলগা হৈছে। ৰাজ্যপালে বিশ হেজাৰ টকা দিছে, কিন্তু অসম চৰকাৰ নিৰ্বিকাৰ। ফলত ৭৫,০০০ টকাৰ ঋণ পৰিশোধ কৰিবলৈ বাকী আছে।

সেই টকা হেনো দিবলৈ চৰকাৰৰ অৰ্থাভাৱ। কাগজত যে ওলাইছে ২১ লাখ টকা শংকৰদেৱ বঁটা প্ৰদানৰ আয়োজনত খৰচ হৈছে, তাৰে ৭৫ হেজাৰ টকা খৰচ কৰিব নোৱাৰিলেহেঁতেন নে ?

দূৰদৰ্শনত কেবাজনো মন্ত্ৰীৰ দাঁতুৰা হাঁহি দেখি দেখি আমনি লাগিছে। অথচ গৌতমৰ দীঘলীয়া সাক্ষাৎকাৰ এটা লবলৈ তেওঁলোকে কোনো চেষ্টা কৰা নাই। সাক্ষাৎকাৰ লবলগীয়া স্থানীয় কোনো তেওঁতকৈ যোগ্য লোক আছেনে ? দূৰদৰ্শনে দূৰৰ বস্তু দৰ্শন কৰে, ওচৰৰ বস্তু দেখাই নাপায় হবলা।

(এপ্ৰিল ১৯৯৩, আজিৰ অসম)

বিকল্পৰ সন্ধানত, অসমত বৈজ্ঞানিক চিন্তা-ভাবনাৰ শুভাৰম্ভ

হিতেশ্বৰ শইকীয়াৰ কুশাসনৰ ষোল কলা পূৰ্ণ হৈছে। তেওঁৰ নীতিনিষ্ঠা আৰু সততাৰ ওপৰত কাৰো আস্থা নাই, অসমৰ উন্নয়নৰ বাবে তেওঁ কিবা গুৰুত্বপূৰ্ণ পদক্ষেপ ল'ব পাৰিব, তাৰ আশা কোনেও নকৰে। আইন-শৃংখলা ৰক্ষাত তেওঁৰ দক্ষতাও এতিয়া সন্দেহৰ বিষয় হৈ পৰিছে। বহুতে ভাৱে যে আইন-শৃংখলাৰ দায়িত্ব সেনাবাহিনীক গতাই দি তেওঁ এতিয়া ৰাজ্যৰ অৰ্থনীতিৰ ওপৰত নানা ধৰণৰ লুণ্ঠন চলোৱাত ব্যস্ত।

এনেস্থলত শইকীয়াৰ ৰাজত্ব বেছিদিন নিটিকিব বুলিও বহুতৰে মনত সন্দেহ উপজিছে। কিন্তু লগে লগে প্ৰশ্ন উঠে, ইয়াৰ বিকল্প সম্ভৱ নে?

বিৰোধী ৰাজনৈতিক দল সমূহত কেইবাগৰাকীও সৎ, প্ৰবীণ, দক্ষ নেতা আছে। বৰ্তমানৰ শাসক দলৰ উচ্ছৃংখল নিশ্চয় নকৰিব। কিন্তু ঐক্যবদ্ধ আৰু শৃংখলভাৱে, নিজৰ মাজত কাজিয়া-পেঁচাল নকৰাকৈ, তেওঁ-লোকে ৰাজ্যখন শাসন কৰিব পাৰিবনে? নে ক্ষমতাৰ লেখেত তেওঁলোকে তীব্ৰ কন্দলত প্ৰবৃত্ত হৈ ৰাইজক অতিষ্ঠ কৰিব? দ্বিতীয়তে অসমৰ অনগ্ৰসৰতা দূৰ কৰি, কৃষিশিল্পৰ যথাৰ্থ উন্নতি বিধান কৰি, তেওঁলোকে অসমীয়া ৰাইজক জাতীয় বিকাশ সুনিশ্চিত কৰিব পাৰিবনে?

যদি নোৱাৰে, তেনেহ'লে কেনেবাকৈ শইকীয়াক অপসাৰণ কৰি দিছপুৰ দখল কৰিব পাৰিলেও অৱশেষত তেওঁলোকে ৰাইজৰ মাজত গভীৰ হতাশা আৰু ঔদাসিন্যৰ জন্ম দিব। ইন্দিৰা কংগ্ৰেছ আৰু অধিক শক্তিশালী হৈ ক্ষমতালৈ ঘূৰি আহিব। অথবা আন কোনো স্বেচ্ছাচাৰী শক্তিয়ে ৰাজ্যত প্ৰশাসনৰ নেতৃত্ব দিব।

সেয়ে এক সুসংহত, সুশৃংখল বিৰোধী শিবিৰ গঠন কৰাৰ ওপৰত আমি এতিয়াৰ পৰা গুৰুত্ব দিব লাগিব। এই শিবিৰৰ প্ৰধান অৱলম্বন হ'ব অসমক অনগ্ৰসৰতাৰ পৰা উদ্ধাৰ কৰিব পৰা এক সুচিন্তিত জৰুৰী কাৰ্যাসূচী। এই

গঠনমূলক কাম ছুটা যিয়েই কৰিব পাৰিব তেঁৱেই অসমীয়া জাতিৰ দুৰ্দ্দিনত এক প্ৰকৃত নেতা হ'ব পাৰিব।

কিন্তু বহু বিৰোধী দলৰ গণভিত্তি নগণ্য বা অস্তিত্বহীন। ওপৰৰ পিনে সাংগঠনিক ঐক্য স্থাপন কৰিলেই শইকীয়াক ওফৰাব পৰা জনশক্তি পোৱা নাযাব। তাৰ বাবে তৃণমূল পৰ্য্যায়ত কাম হ'ব লাগিব। শইকীয়াৰ অপশাসনে বিক্ষুব্ধ কৰা বিভিন্ন চামৰ মানুহ এনেদৰে হোৱা তৃণমূল পৰ্য্যায়ৰ আন্দোলনত জড়িত হ'ব। সেয়ে ওপৰোক্ত এখন কাৰ্য্যসূচীৰ ভিত্তিত গাঁৱে-ভুঞে এক সম্মিলিত বিৰোধী মৰ্চা গঢ়ি উঠা প্ৰয়োজন। এনে আন্দোলনেই শইকীয়া চৰকাৰৰ মৃত্যু সংবাদ মাতি আনিব।

কিন্তু কেৱল মেল-মিটিং কৰি তেনে শক্তি অৰ্জন কৰা সম্ভৱ নহয়। এই মুহূৰ্ত্তত সুচিন্তিত আৰু সুপৰিচালিত এলানি আন্দোলনহে প্ৰয়োজন। তাৰ উদ্দেশ্য কেৱল নিৰ্বাচনৰ সাফল্যৰ ভিত্তি নিৰ্মাণেই নহয়, অসমক নতুনকৈ গঢ়িব পৰা উৎপাদনমুখী জনশক্তি সৃষ্টি কৰা।

নেতাসকল গাঁৱে-ভুঞে ঘূৰিব লাগিব। কিন্তু মেল-মিটিঙত বক্তৃতা দি ঘূৰিলেই তেওঁলোকৰ কাম শেষ হৈ নাযায়। অথবা শইকীয়া চৰকাৰৰ ব্যৰ্থতাৰ খতিয়ান দাঙি ধৰিলেই নহ'ব। কৃষক, শ্ৰমিক, শিক্ষিত নিবনুৱা, ব্যৱসায়ী, শিল্পপতি, সকলোৰে প্ৰয়োজন আৰু দাবীৰ ভিত্তিত একত্ৰিত কৰিব পাৰিব লাগিব। সেইটো কৰিব পাৰিলে নিৰ্বাচন বিজয় যিদৰে সম্ভৱ হ'ব, সেইদৰে অধিকৃত ক্ষমতা নিৰাপদে ৰখাৰ সুবিধাও হ'ব।

অসমৰ সমস্যা বহুযুগজোৰা আৰ্থ-সামাজিক ব্যৱস্থাৰ গাঁথনিগত (Structural) ত্ৰুটীৰ ফল। একেদিনে শুধৰাব পৰা নাযায়। যদি সংসদী দলবোৰে সেইবোৰ ত্ৰুটী গুচোৱাৰ দীৰ্ঘম্যাদী ব্যৱস্থা নলয়, তেনে-হ'লে সেই দলবোৰে জনসাধাৰণৰ মনত মিছা আশা সঞ্চাৰ কৰি, পিছত জনসাধাৰণৰ মোহভংগ আৰু ক্ৰোধৰ সন্মুখীন হ'ব লাগিব। হয়তো তাৰ খুলাত ইন্দিৰা কংগ্ৰেছেই ঘূৰি আহিব নানা পাপ কৰি উঠিও।

অসমত বৈজ্ঞানিক চিন্তা-ভাৱনাৰ অভাৱত :

বিজ্ঞানৰ বৃদ্ধিত সেয়ে কৰ্তৃত্ব (authority) আৰু শ্ৰুতিৰ (testimony)

বিশেষ দাম নাই। বিলাতৰ বিখ্যাত বৈজ্ঞানিক সংস্থা ৰয়েল ছোচাইটিৰ দুৱাৰৰ ওপৰত হেনো লিখা আছে: "আমি কাৰো মতৰ সন্মুখত শিৰনত নকৰোঁ।" (We take nobody's word for it. অৱশ্যে উক্তিটো আছে লেটিন ভাষাত।) আইনষ্টাইনৰ দৰে মহা প্ৰতিভাৰ মতো দুটামান গুৰুত্বপূৰ্ণ বিতৰ্কত অগ্ৰাহ্য হৈছিল। কিন্তু বৈজ্ঞানিক চিন্তাৰ প্ৰভাৱ নপৰা সমাজত প্ৰাচীন মনীষীৰ মত মাত্ৰেই শুদ্ধ আৰু কৰ্তৃত্বশীল বুলি মনাৰ ধাউতি প্ৰবল।

ডঃ বাণীকান্ত কাকতি নিঃসন্দেহে একবাকী প্ৰথম শ্ৰেণীৰ মনীষী আছিল। অসমৰ সামাজিক তথা সাংস্কৃতিক ইতিহাসত তেখেতৰ কিছুমান অৱদান বাটকটীয়াৰ অৱদান, আৰু চিৰস্মৰণীয়। কিন্তু তেখেতৰ সকলো মতকে চিৰসত্য বুলি চলাই দিব খোজা প্ৰচেষ্টাত বৈজ্ঞানিক সত্যনিষ্ঠাতকৈ আন কিবা ধৰণৰ উৎকণ্ঠাহে প্ৰবল যেন লাগে।

তেখেতৰ অধিকাংশ মতামত তাহানিখনৰ বিংশ শতাব্দীৰ প্ৰথম কেইটা-মান দশকত কলিকতা বিশ্ববিদ্যালয়ৰ বিদ্বৎসমাজৰ গৱেষণা আৰু চিন্তাচৰ্চাৰ ভিত্তিত গঢ় লৈ উঠিছিল। যেনে ধৰক, অসমীয়া ভাষা সম্পৰ্কে তেখেতৰ গৱেষণা। অসমীয়া ভাষাৰ স্বকীয় ইতিহাস তথা বিকাশৰ স্বীকৃতি আদায় কৰা তেখেতৰ গৱেষণাপত্ৰখন ৰচিত হৈছিল বিখ্যাত ভাষাবিদ ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ তত্ত্বাৱধানত। ডঃ চট্টোপাধ্যায়ৰ নিজৰ মহৎ গৱেষণা-গ্ৰন্থখনৰ নাম আছিল Origin and Development of the Bengali Language। ডঃ কাকতিৰ গৱেষণাপত্ৰখনৰ নামত এইখন কিতাপৰ নামৰ প্ৰতিধ্বনি শুনা যায়। তদুপৰি আধুনিক ইণ্ডো আৰিয়ান ভাষাৰ এটা শাখা প্ৰাচ্যমাগধীৰ পৰাই অসমীয়া, উৰিয়া, বঙালী প্ৰভৃতি ভাষাৰ উদ্ভৱ হৈছে বুলি ডঃ কাকতিয়েও মানি লৈছে তেওঁৰ গুৰুৰ পদাঙ্কসৰণ কৰি।

কলিকতা বিশ্ববিদ্যালয়ৰ সেই বিদ্বৎ সমাজৰ পাণ্ডিত্য আছিল বিস্ময়কৰ, আৰু তেওঁলোকৰ গৱেষণা আছিল সুদূৰপ্ৰসাৰী। ইউৰোপীয় গৱেষণা পদ্ধতিৰ কেতবোৰ নিয়ম তেখেতসকলে আয়ত্ত কৰিছিল। কিন্তু ইউৰোপৰ তুলনাত তেখেতসকলৰ গৱেষণা আছিল অধিক গ্ৰন্থ নিৰ্ভৰ অথবা লিখিত

নথিৰ ওপৰত নিৰ্ভৰশীল। সেই ধৰণৰ লিখিত নথিৰ (documents) যথাযথ পৰীক্ষাৰ ধাৰা এটা তেতিয়াও ভাৰতত গঢ় লৈ উঠাই নাছিল। বিশেষকৈ তেতিয়ালৈকে নৃতত্ত্ব, প্ৰত্নতত্ত্ব (archaeology) প্ৰভৃতি বিজ্ঞানৰ ব্যৱহাৰিক গৱেষণাৰ পোহৰত লিখিত নথি বা গ্ৰন্থৰ মতামত বা তথ্য পৰীক্ষা কৰাৰ অভ্যাস হোৱাই নাছিল। ফলত আনুমানিক আৰু কল্পনাশ্ৰয়ী তত্ত্বৰ একচ্ছত্ৰী প্ৰতিপত্তি আছিল, আৰু বিদ্বানসকলৰ ব্যক্তিগত আৰু গোষ্ঠীগত সংস্কাৰ অসংশোধিত ৰূপত প্ৰতিফলিত হৈছিল তত্ত্বৰ ৰূপত।

ডঃ কাকতিয়ে এই পৰম্পৰাটোৰ পৰিণত পৰ্য্যায়ত নৃতত্ত্ব আদিৰ সহায় ল'বলৈ শিকিলে। কিন্তু তেওঁৰ বাবেও নৃতত্ত্ব আছিল যাইকৈ গ্ৰন্থাশ্ৰয়ী আৰু গ্ৰন্থনিৰ্ভৰ। এনে পণ্ডিতসকলে নিজৰ কামত অহা ধৰণৰ তথ্য আৰু ধাৰণা নৃতত্ত্বৰ কিতাপবোৰত বিচাৰি লৈছিল, কিন্তু নিজৰ ধাৰণা আৰু তত্ত্বক প্ৰত্যাহ্বান জনোৱা নৃতাত্ত্বিক গৱেষণা উপেক্ষা কৰি চলিছিল।

এনে গৱেষণাৰ মাজত অতি শক্তিশালী আছিল নিজা সমাজ-সংস্কৃতিৰ গৌৰৱ প্ৰতিষ্ঠা কৰাৰ হাবিয়াস। উনবিংশ-বিংশ শতাব্দীত অসমীয়া আৰু বঙালী মধ্যবিত্তৰ মাজত চাকৰি আৰু ৰাজনৈতিক প্ৰভাৱ লৈ যি অৰিয়াঅৰি লাগিল, তাৰ ফলত অসমীয়া আৰু বঙালী বিদ্বানৰ ইতিহাস চৰ্চাও জাতীয় গৌৰৱৰ প্ৰতিযোগিতাত পৰিণত হ'ল। অসমীয়া ঐতিহাসিকৰ বাবে ভাস্কৰ বৰ্মা জাতীয় বীৰ, হৰ্ষবৰ্দ্ধন সম্মানিত জাতীয় মিত্ৰ, আৰু বঙালী ৰজা শশাংক এক দুষ্ট বুদ্ধিৰ চক্ৰান্তকাৰী! আনহাতে বঙালী ঐতিহাসিকৰ বাবে শশাংক এক অমিতবিক্ৰম তেজস্বী দেশনায়ক, যাক হৰ্ষবৰ্দ্ধন আৰু ভাস্কৰ বৰ্মাই চক্ৰান্ত কৰি শেষ কৰিলে।

দুখৰ বিষয় এই সময়তে গোবিনো (Gobineau), হাউষ্টন ষ্টুৱাৰ্ট চেম্বাৰলেইন, স্পেংলাৰ, প্ৰভৃতি ইউৰোপীয় পণ্ডিতৰ প্ৰভাৱত "আৰ্য্য জাতি"ৰ ঐতিহাসিক শ্ৰেষ্ঠতা সম্পৰ্কে এটা ধাৰণা নৃতত্ত্ব আৰু সমাজবিজ্ঞাত প্ৰবল হৈ উঠে। মাক্স মূলাৰ প্ৰভৃতি পণ্ডিতে ভাৰতীয় বেদ-বেদাংগ আদি শাস্ত্ৰ মন্থন কৰিলে আদিম কালৰ আৰ্য্য জাতিৰ মানসিকতাৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ। মাক্স মূলাৰৰ মতে অৰম্ভে "আৰ্য্য" শব্দটোৰ অৰ্থ "আৰ্য্যভাষী"।

পিছলৈ কিন্তু ক্ৰমে-মহে শব্দটো প্ৰয়োগ হ'বলৈ ধৰিলে। বঙালী বা অসমীয়া সমাজৰ সকলো লোকেই আৰ্য্যমূলীয় ভাষা কয়। কিন্তু সেই সমাজৰ সকলো লোকৰে "আৰ্য্যত্ব" স্বীকৃত নহয়। ধৰা হয় যে উচ্চ বৰ্ণৰ লোকসকল দৈহিক আৰু মানসিকভাৱে অধিক বিশুদ্ধ আৰ্য্য, আৰু নিম্নবৰ্ণৰ লোকসকল অনাৰ্য্য গোষ্ঠীৰ আত্মীয়।

এই জাতিগত (racial) বিভাজনক নৃতত্ত্বৰ পিনৰ পৰা সমৰ্থিত কৰাৰ চেষ্টা প্ৰবল। শাৰীৰিক নৃতত্ত্বই ককেছীয়, মংগোলীয় আদি কেতবোৰ বৃহৎ বিভাগ দৈহিক লক্ষণৰ ভিত্তিত মানৱজাতিৰ মাজত আৱিষ্কাৰ কৰিছে। কিন্তু ককে'ছীয় বা মংগোলীয় বুলি কোনো সংস্কৃতি নাই। সংস্কৃতিগতভাৱে এনে একোটা বৃহৎ বিভাগৰ মাজত বিভিন্ন ধৰণৰ সংস্কৃতি থাকিব পাৰে, সভ্যতাৰ বিভিন্ন পৰ্য্যায় থাকিব পাৰে। জাপানত থকা আদিবাসী "আইনু" সকল ককেছীয় হৈও আদিম জনজাতীয় সংস্কৃতিৰ পৰ্যায়তে আছে। তেনেকৈ এচিয়াৰ পণ্ডিতসকলে স্বীকাৰ কৰে যে এফ্ৰিকাৰ কিছুমান জন-গোষ্ঠীৰ মাজত এসময়ত উচ্চ পৰ্য্যায়ৰ সভ্যতাৰ বিকাশ হৈছিল। ককেছীয় সকলৰ ভিতৰত বিশেষকৈ কোন সকলক "আৰ্য্য" বোলা হ'ব সিও এক সমস্যা। অতীজতে সিয়েই নহওক এতিয়া আৰ্য্যভাষী জাতিবোৰৰ মাজত তেওঁলোকৰ আৰ্য্যভাষী পূৰ্বপুৰুষৰ বিশুদ্ধ বংশধৰ পোৱা টান। জাৰ্মান জাতিৰ মাজত কিছু ম'গোলীয় প্ৰভাৱ আৰু চীনা জাতিৰ মাজত অঞ্চল-বিশেষে ককেছীয় প্ৰভাৱ নৃতত্ত্ববিদ সকলে লক্ষ্য কৰিছে। ইহুদী, আৰব, আদি গোষ্ঠিবোৰ ককেছীয় হ'লেও আৰ্য্য তথা আৰ্য্যভাষী নহয়। তেওঁ-লোকেও বিভিন্ন সময়ত উচ্চস্তৰৰ সভ্যতা সৃষ্টি নকৰাকৈ থকা নাই। আজিৰ কোল, মুণ্ডা আদি জাতিৰ পূৰ্বপুৰুষে ৩০০০ খৃঃ পূঃত তাম্ৰ যুগত উচ্চস্তৰৰ সভ্যতা সৃষ্টি কৰাৰ বিস্ময়কৰ প্ৰমাণ পোৱা গৈছে টাইলেণ্ডৰ "বান্-ইয়াং" নামে ঠাইত। এনেবোৰ কাৰণতে সভ্যতাৰ লগত জাতিগত পৰিচয় গভীৰ-ভাৱে জড়িত কৰিবলৈ আহুকাল হয়। অথচ "আৰ্য্য = উচ্চসভ্য", "অনাৰ্য্য = নিম্ন পৰ্য্যায়ৰ সভ্যতা", এনে সমীকৰণ আমাৰ শিক্ষিত সমাজত স্থূলত।

আটাইতকৈ ডাঙৰ বিপদ হৈছে এয়ে যে বিভিন্ন জনগোষ্ঠী বিভিন্ন

ঐতিহাসিক পর্ব বা পর্যায়ৰ মাজেদি আহি উচ্চতৰ সভ্যতাৰ স্তৰ পাইছে, অথচ অতীতত তেওঁলোক যে অনুন্নত বা আদিম পর্যায়ৰ মাজেদি আহিব-লগীয়া হৈছিল, কথাটো স্বীকাৰ কৰিব নোখোজে।

পশ্চিমৰ সভ্যতাৰ জন্মদাতা বুলি প্ৰসিদ্ধ গ্ৰীক আৰু ৰোমান জাতিৰ উন্নতিৰ চৰম শিখৰতো তেওঁলোকৰ মাজত বৰ্তি আছিল নানা আদিম আচাৰ-অনুষ্ঠান। "আদিম", "অনুন্নত" আমেৰিকাৰ আদিবাসী সমাজৰ আচাৰ-অনুষ্ঠানৰ লগত মিলা বহুত আচাৰ-অনুষ্ঠান নৃতত্ত্ববিদ মৰ্গান চাহাবে সভ্য গ্ৰীকসকলৰ মাজত আৱিষ্কাৰ কৰি নৃতত্ত্বৰ চেহেৰাই বদলাই দিছিল। আনহাতে ভাৰতীয় আৰ্য্যৰ প্ৰজ্ঞাৰ শ্ৰেষ্ঠ নিদৰ্শন বুলি বিদিত বেদ উপ-নিষদতো আৰ্য্যসকলৰ অতীতৰ বহু আদিম বিশ্বাস তথা আচাৰ সংৰক্ষিত হৈ আছে। ঋক্‌বেদত নৰবলিৰ উল্লেখ আছে। অশ্বমেধ যজ্ঞত ৰাজ-মহিষীয়েই ৰাজ্যভূমিৰ উৰ্বৰতা বৃদ্ধিৰ বাবে যজ্ঞত বলি দিয়া অশ্বৰ লগত যৌন সংগমৰ অভিনয় কৰিছিল। মহাভাৰতত উল্লেখ আছে যে উত্তৰ-পশ্চিম ভাৰতৰ কেতবোৰ আৰ্য্য গোষ্ঠীৰ মাজত থাকি সমাজৰ দৰে মাতৃ-তান্ত্ৰিক ৰীতিনীতি আৰু যৌন আচাৰ-নিয়মৰ শিথিলতা আছিল। ইয়াৰ তাৎপৰ্য্য বুজি পালে জাতিগত অৱজ্ঞাৰে কোনো গোষ্ঠী বা জাতিক উচ্চ সভ্যতা-সংস্কৃতিৰ অযোগ্য বুলি বিশ্বাস কৰা সম্ভৱ নহয়। অথবা তেনেদৰে কোনো সমাজৰ পিছপৰা অংশ বৰ্ত্তি থকা আদিম আচাৰ-অনুষ্ঠানৰ প্ৰতি বিদ্বেষ বা অৱজ্ঞা পোষণ কৰাও সম্ভৱ নহয়।

অধিকাংশ পণ্ডিতে বৈজ্ঞানিক বিচাৰৰ ফলত ধাৰণা কৰে যে আৰ্য্যসকল ১৫০০ খৃঃ পূঃৰ পূৰ্বে উত্তৰ পশ্চিম প্ৰান্তৰে ভাৰতত প্ৰৱেশ কৰিছিল। কিন্তু তাৰ আগতেই ভাৰতত সিন্ধু উপত্যকাত অতি উন্নত পৌৰ সভ্যতাৰ উদ্ভৱ আৰু বিকাশ হৈছিল। বহু হেজাৰ বছৰ ধৰি বিকাশ লাভ কৰা সেই সভ্যতা গুজৰাট, দক্ষিণ ভাৰত পৰ্য্যন্ত বিস্তাৰিত হৈছিল। পৰৱৰ্ত্তী যুগৰ ভাৰতীয় সমাজ-সভ্যতাত তাৰ কোনো সাঁচ নাথাকিল, সি হ'বই নোৱাৰে। বৰং আৰ্য্য প্ৰভাৱৰ ফাঁকে ফাঁকে তাৰ যুগযুগ জোৰা সকলৰ ভালেখিনি সংৰক্ষিত হৈছে বুলি ভবাটোহে যুক্তিযুক্ত।

কিন্তু এই উন্নত, সমৃদ্ধ, সূক্ষ্ম ৰুচিৰ সভ্যতা কোনে সৃষ্টি কৰিছিল? প্ৰব্ৰজনকাৰী আৰ্য্য সকলে নহয়, কাৰণ তেওঁলোকে লোহাৰ ব্যৱহাৰ জানিলেও নাগৰিক সভ্যতাৰ গোন্ধ পোৱাই নাছিল। তেওঁলোকৰ প্ৰধান উপাস্য দেৱ ইন্দ্ৰৰ আন নাম নাছিল "পুৰন্দৰ"—"পুৰ বা নগৰ ধ্বংস কৰোঁতা।" সিন্ধু সভ্যতাৰ প্ৰত্নতাত্ত্বিক অৱশেষৰ পৰা উদ্ধাৰ কৰা মানুহৰ কংকাল, লাওখোলা আদি পৰীক্ষা কৰি তাক বিশেষ কোনো নৃগোষ্ঠীৰ লগত জড়িত কৰা কঠিন হৈছে। ককেছীয়, মংগোলীয়, নীগ্ৰ, আদি বিভিন্ন জাতীয় শ্ৰেণীৰ (racial types) অস্তিত্ব সেই পৰীক্ষাই পোহৰলৈ আনিছে।

কিন্তু সাংস্কৃতিক বা ভাষিক দিশৰ পৰা সেই সভ্যতাক আৰ্য্য বুলিব নোৱাৰি। সেই সভ্যতাৰ ধৰ্মীয় ধ্যান-ধাৰণাত প্ৰজনন মূলক আচাৰৰ (fertility rites) প্ৰভাৱ ব্যাপক আৰু গভীৰ। দেৱী মাতৃ (mother goddess), ষাড় গৰু, পবিত্ৰ বৃক্ষ, যুঁৱৰ শিং থকা দেৱতা—হৰাপ্পাৰ ছাবমোহৰ বোৰত পোৱা এইবোৰ প্ৰতীক প্ৰজননধৰ্মী। (*Romilla Thapar*. A History of India, Penguin Books, Vol I p. 43) আৰ্য্যসকলৰ গো-পূজাৰ ঠাইত তাত বৃষভৰ আসনহে সম্মানিত। আৰ্য্যসকলৰ প্ৰিয় জন্তু ঘোঁৰা সেই সভ্যতাত অপৰিচিত। এইবোৰৰ উপৰিও শিৱ আৰু উমাৰ পূজা, যোগদৰ্শন, প্ৰভৃতি ভূমধ্য সাগৰীয় দ্ৰাবিড় ভাষী লোকসকলে সিন্ধু সভ্যতাৰ যোগেদি ভাৰতীয় সমাজ-সংস্কৃতিক দি গৈছে বুলি ভবাৰ থল আছে। (The Cultural Heritage of India. The Ramakrishna Mission Institute of Culture, Calcutta. Vol.I page 81)। সেয়ে এই সভ্যতা বা তাৰ অৱদানক কোনোমতেই আৰ্য্য সভ্যতা বা তাৰ শাখা-প্ৰশাখা বুলি ভাবিব নোৱাৰি।

অৱশ্যে এচাম মোহগ্ৰস্ত পণ্ডিতে তাৰ লগত ঋক্‌বেদৰ সভ্যতাৰ মিল বিচাৰি-খোঁচাৰি উলিয়াৰ খোজে। কিন্তু তেনে মিল কষ্টকল্পিত। বাবে-ভাবে মাজত তেনে মিল উলিয়াব পাৰি। দঃ ভাৰতৰ সংস্কৃতিৰ লগত সিন্ধু সভ্যতাৰ সংস্কৃতিৰ কেতবোৰ মিল স্পষ্ট। সম্প্ৰতি দঃ ভাৰতৰ কোনো কোনো

অঞ্চলৰ মাটিৰ তলত পোৱা প্ৰাচীন মৃৎপাত্ৰৰ গাত সিন্ধু সভ্যতাৰ প্ৰতীক সমূহো আৱিষ্কৃত হৈছে।

বৈজ্ঞানিক গৱেষণাৰ মোল নুবুজা কিছুমান লোকে "আৰ্য্য=যৌন আচাৰত সংযত" আৰু "অনাৰ্য্য=যৌন আচাৰত উচ্ছৃংখল" বুলি ভাবে। তেনে লোকৰ ইতিহাস সম্পৰ্কে কোনো বিজ্ঞানসন্মত ধাৰণা নাই। আচলতে পিতৃতান্ত্ৰিক আৰু স্থায়ী কৃষিজীৱী সমাজ স্থাপিত হোৱাৰ পিছত সমাজত নাৰীৰ প্ৰভাৱ হ্ৰাস পায় আৰু যৌন সংযমো নৈতিকতাৰ অংশ হৈ পৰে। কিন্তু জনজাতীয় স্তৰত যৌন বিষয়ক যথেচ্ছাচাৰ কোনো কোনো উৎসৱত নৈতিকতা বুলিয়েই বিবেচিত হৈছিল। আৰ্য্য সকলো সেই স্তৰত তাৰ পৰা মুক্ত নাছিল।

আমাৰ অসমৰ হুচৰিত যৌনগন্ধী নৃত্যগীত নাই, ঠিকেই। কিন্তু তাত সামাজিক উত্তৰণৰ সাঁচহে আছে, কোনো আৰ্য্য সংস্কৃতিৰ সাঁচ নাই। খ্ৰীষ্টান (বিশেষকৈ ব্যক্তিকেন্দ্ৰিক প্ৰটেষ্টাণ্ট ধৰ্ম) প্ৰভাৱশালী হোৱাৰ পূৰ্বে Maypole নামৰ উৎসৱ ইউৰোপৰ এংলোছেক্সন, জাৰ্মান, গল আদি আৰ্য্য গোষ্ঠীৰ মাজত প্ৰবল আছিল। এগৰাকী যুৱতীকে May Queen নিৰ্বাচন কৰি স্পষ্ট যৌনগন্ধী নৃত্যগীত কৰা হৈছিল ডেকা গাভৰু মিলি। অনুৰূপ অনুষ্ঠান আন গোষ্ঠীৰ মাজতো সুলভ।

অসমত "আৰ্যীকৰণে" (যেনেকৈ ইউৰোপত খ্ৰীষ্ট ধৰ্মই) সেই যৌন যথেচ্ছাচাৰ হ্ৰাস কৰি উৎসৱবোৰত এক ধৰ্মীয় প্ৰলেপ দিলে। কিন্তু ভিত্তি-টোৰ অৱলুপ্তি নঘটিল। অসমত "আৰ্যীকৰণ" প্ৰক্ৰিয়াৰ নামটো দুৰ্ভাগ্য-জনক। সি জাতিগত কথা নহয়, সামাজিক ৰূপান্তৰৰ কথাহে। আৰ্য্য জাতি নোহোৱাকৈও সেই ৰূপান্তৰ এদিন হ'লহেঁতেন। অৱশ্যে এই কথা ঠিক যে অসমৰ সেই সামাজিক ৰূপান্তৰত আৰ্য্যভাষী সকলে গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল।

(জুন ১৯৯৩, আজিৰ অসম)

অসমত বৈজ্ঞানিক চিন্তাৰ সূত্ৰপাত

যোৱা ছুটা খণ্ডক আমি প্ৰমাণ কৰিবলৈ বিচাৰি ছিলো যে "আৰ্য্য" সংস্কৃতিক ভাৰতীয় সভ্যতাৰ একমাত্ৰ ভিত্তি বুলি ধৰিব নোৱাৰি। "দ্ৰাবিড়" সংস্কৃতিৰ প্ৰভাৱ তাৰ বাবে সমানেই গুৰুত্বপূৰ্ণ। উদাহৰণস্বৰূপে হিন্দুধৰ্মৰ বাবে আজি "পূজা" বস্তুটো "যাগযজ্ঞ" বা "হোম"তকৈ গুৰুত্বপূৰ্ণ, আৰু "পূজা" বস্তুটোৰ কোনো চিনমোকাম বেদত নাই। সেইধৰণে পূব আৰু উত্তৰ-পূব ভাৰতত মাংগোলীয় বা কিৰাত সংস্কৃতিৰ অৱদানো এই অঞ্চলৰ ভাৰতীয় সভ্যতাৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ।

সংস্কৃত ভাষাক "আৰ্য্য" সমাজৰ একচেটীয়া ভাষা বুলি ধৰি লোৱাৰ ফলত কেতবোৰ হাস্যকৰ বৌদ্ধিক কুস্তি সম্ভৱ হয়। যেনে ধৰক "তামোল" শব্দটোৰ সমাৰ্থক "তাম্বুল" সংস্কৃতত আছে। তাৰ পৰাই হনুমন্তৰ দৰে জাপ মাৰি কোনো কোনো পণ্ডিতে ধাৰণাৰ ডালত থাপ মাৰি ধৰে যে তামোল আৰ্য্য সংস্কৃতিৰ ভিতৰুৱা বস্তু। কিন্তু বেদত "তাম্বুল" শব্দটো বিচাৰি পোৱা টান। আৰ্য্যভাষী সকলে অন্যান্য গোষ্ঠীৰ সংস্পৰ্শলৈ আহি তামোল খোৱা আদি নানা সাংস্কৃতিক আচাৰ আৰু উপাদান গ্ৰহণ কৰিছিল আৰু তেতিয়াই তেনেধৰণৰ শব্দবোৰো সেইবোৰৰ লগতে গ্ৰহণ কৰিছিল। ডঃ সুনীত কুমাৰ চট্টোপাধ্যায়কে ধৰি বহু ভাষাবিদে অনুমান কৰে যে সংস্কৃত ভাষাৰ শব্দ সমূহৰ মাজত এনে ৰাশি ৰাশি অনাৰ্য্য শব্দ জীৰ্ণ হৈ আছে। সেইবাবেই সংস্কৃতৰ ব্যাকৰণ আৰ্য্যমূলীয় হলেও সংস্কৃত ভাষাটো এসময়ত সমগ্ৰ ভাৰতৰ বিভিন্ন অঞ্চলৰ উমৈহতীয়া ভাষাৰূপে স্বীকৃত হ'ব পাৰিছিল।

দ্বিতীয়তে আমি কৈছিলো যে এটা সংস্কৃতি সদায় একেধৰণে নাথাকে, সমাজ-ব্যৱস্থাৰ ৰূপান্তৰে তাৰ আমূল পৰিৱৰ্তন ঘটাব পাৰে। উদাহৰণ স্বৰূপে পশুপালক আৰ্য্যসকলৰ বাবে যাগযজ্ঞত পশুবলি আছিল এক সাধাৰণ আচাৰ, পিছলৈ ৰজামহা-ৰজাৰ প্ৰতাপ দেখুৱাবলৈ হেজাৰ বিজাৰ

নিৰীহ পশুৰ প্ৰাণ লোৱা হৈছিল। কিন্তু পৰৱৰ্তী যুগত বুদ্ধই আৰু মহাবীৰে এনে পশুবলিৰ বিৰুদ্ধে প্ৰবল প্ৰচাৰ চলালে। (তাৰ প্ৰভাৱ বৈষ্ণৱ ধৰ্মতো থাকি গ'ল।) তেওঁলোকৰ বিচাৰত পশু বলিআছিল এক নিৰৰ্থক কুসংস্কাৰ। এতিয়া আৰ্য্য সংস্কৃতি বুলি কোনটো ধৰা হ'ব? পশুবলি নে অহিংসা? আচলতে দুয়োটা দুটা বেলেগ সমাজ ব্যৱস্থাৰ অথবা এখন সমাজৰ বিকাশৰ দুটা বেলেগ পৰ্য্যায়ৰ বস্তু। কথাটো নুবুজা বাবে অসমত "বলিদান"ক "অনাৰ্য্য" আৰু মাহ চাউলক "আৰ্য্য" বুলি চাবমোহৰ মৰাৰ অপচেষ্টা চলিছে। তেনেকৈ দেবীমাতৃৰ পূজা মাতৃতান্ত্ৰিকসমাজৰ বস্তু। মহেন্‌জোদাৰো হৰাপ্পাৰ পৌৰ সভ্যতাতো তাৰ প্ৰভাৱ সুস্পষ্ট। ধাৰণা হয় যে তেতিয়ালৈকে তাৰ সমাজত মাতৃতন্ত্ৰৰ প্ৰভাৱ লুপ্ত হোৱা নাছিল। আনহাতে পুৰুষদেৱতাৰ প্ৰাধান্য (বিশেষকৈ বিষ্ণুপূজাৰ ক্ষেত্ৰত) সমাজৰ গাঁঠনি পিতৃতান্ত্ৰিক হোৱাৰ প্ৰমাণ। আৰ্য্যসকলৰ সমাজৰ গাঁঠনি তেওঁলোক ভাৰতত প্ৰৱেশ কৰাৰ সময়ত আছিল পিতৃতান্ত্ৰিক। পশুপালক সমাজত পিতৃতন্ত্ৰ অধিক উপযোগী বাবেই তেনে হৈছিল। পিছত দেখা গ'ল যে সভ্যতাৰ বিকাশতো নাৰীজাতিৰ অৱদমন এটা সময়ত প্ৰয়োজনীয় হৈ পৰে। তেতিয়া প্ৰাচীন মাতৃতন্ত্ৰৰ ঠাইত কেউপিনে পিতৃতন্ত্ৰৰ প্ৰতিষ্ঠা হ'বলৈ ধৰে। কথাটো কেৱল জাতিগত আচাৰৰ নহয়, সামাজিক বিকাশৰ লগত জড়িত। যেহেতু প্ৰাচীন কামৰূপত জনজাতীয় সমাজ ব্যৱস্থাৰ ৰূপান্তৰ তৎকালেই সম্ভৱ হোৱা নাছিল, আৰু যেহেতু সেই ৰূপান্তৰ বহুকাল ধৰি ধীৰে ধীৰে হৈছিল, সেয়ে তাৰ সমাজত মাতৃতন্ত্ৰৰ বহু অৱশেষ বৈ গৈছিল। প্ৰাচীন কামৰূপৰ সমাজব্যৱস্থাত মাতৃতন্ত্ৰ আৰু পিতৃতন্ত্ৰৰ সংঘাতৰ ফল হৈছিল— একধৰণৰ সমন্বয় তথা আপোচ।

ডঃ বাণীকান্ত কাকতিদেৱে সঠিকভাৱেই অনুমান কৰিছে যে কালিকাপুৰাণ আৰু যোগিনী তন্ত্ৰত উল্লেখ কৰা নৰকৰ উপাখ্যানে উত্তৰ ভাৰতৰ পৰা আৰ্য্য তথা উন্নত সংস্কৃতিৰ বীজ প্ৰাচীন কামৰূপত প্ৰৱেশ কৰা ঘটনাৰ প্ৰতীকী বিৱৰণ দাঙি ধৰিছে। নৰক আছিল বসুমতীৰ সন্তান, বিষ্ণুৰ পুত্ৰ। তেওঁক কিন্তু পালন কৰিছিল বসুমতীয়ে পোনপটীয়াকৈ যে তেওঁক

বিষ্ণুপুত্র বুলি কোৱা হোৱা নাই, তাৰ পৰা ধৰিব পাৰি যে নৰক হৈছে পিতৃতান্ত্রিক আৰু উন্নত সংস্কৃতিৰ নেতা, কিন্তু তেওঁৰ জন্ম কোনো জনজাতীয় তথা অনাৰ্য্য গোষ্ঠীত। ব্ৰাহ্মণ পুৰোহিত গোষ্ঠীয়ে এই ধৰণে তাহানিৰ অনাৰ্য্য জনজাতীয় গোষ্ঠীপতিক হাত কৰি ৰাজক্ষমতা অৰ্জন কৰাত সহায় কৰিছিল।

কামৰূপৰ জনজাতীয় গোষ্ঠীপতি সকলক পৰাস্ত কৰি নৰকাসুৰে ইয়াত আৰ্য্য তথা উন্নত অৰ্থনীতি আৰু ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিলে। অৰ্থাৎ তেওঁ জনজাতীয় "জুম" আৰু নৈপৰীয়া, ঠাই সলাই কৰা (shifting) কৃষিৰ ঠাইত গৰু আৰু নাঙলৰ উন্নত কৃষি প্ৰৱৰ্তন কৰিলে। এই কৃষি বিপ্লৱৰ নেতৃত্ব দিলে বহিৰাগত ব্ৰাহ্মণ সকলে, আৰু তাৰ বাবে শ্ৰম আহিল জনজাতীয় প্ৰজাৰ পৰা। (ইতিমধ্যে স্বাধীন জনজাতীয় লোকসকল প্ৰজাত পৰিণত হ'ল।)

কিন্তু নৰকাসুৰৰ ব্ৰাহ্মণ উপদেষ্টা সকলে মাতৃতান্ত্রিক সংস্কৃতি উচ্ছেদ কৰিবলৈ তেওঁৰ প্ৰৰোচিত নকৰিলে। তেনে কৰা হ'লে জনজাতীয় গোষ্ঠীৰ প্ৰজাসকল বিদ্ৰোহী হৈ উঠিলহেঁতেন। সেয়ে ধৰ্মৰ ক্ষেত্ৰত মাতৃতন্ত্ৰৰ স্বকীয় আচাৰ-সংস্কাৰ প্ৰভৃতিক সংৰক্ষণ কৰা হ'ল। উপাখ্যানৰ ভাষাত বসুমতীয়ে বিষ্ণুপুত্ৰ নৰকক উপদেশ দিলে যে নৰকে আইমাতৃ কামাখ্যাৰ পূজাৰ্চনা পূৰ্ববৎ চলাই থাকিব। এনেকৈয়ে "কা-মেই-খা" নামৰ গাৰো আৰু খাচী সকলৰ উপাস্য দেবী ব্ৰাহ্মণ্য হিন্দু ধৰ্মৰ এক প্ৰধান দেৱীত পৰিণত হ'ল।

অৱশ্যে পিতৃতান্ত্রিক নতুন সমাজব্যৱস্থাৰ অগ্ৰদূত নৰকাসুৰে এই আপোচ সুকলমে চলাই থাকিব পৰা নাছিল। সেয়ে তেওঁৰ লগত কামাখ্যাপূজাৰ ক্ষেত্ৰত কিছু মতান্তৰ হৈছিল। দেবী মাতৃপূজাৰ গোপন ৰহস্যপূৰ্ণ ৰীতি-নীতিবোৰৰ বিষয়ে তেওঁ কৌতূহলী হৈ উঠাত দেবীমাতৃ কামাখ্যাৰ অভিশাপ তেওঁৰ মূৰত পৰিছিল।

তাৰ পিছত বিষ্ণুপুত্ৰ নৰক শিৱভক্ত বাণাসুৰৰ লগ লাগে আৰু বিষ্ণুক একেবাৰে পাহৰিয়েই পেলায়। অৰ্থাৎ জনজাতীয় গোষ্ঠীৰ পৰা স্বকীয় উদ্যোগত উন্নত সমাজব্যৱস্থাৰ পিনে যোৱা আন এজন ৰজা আৰু তেওঁৰ

কৌশলৰ প্ৰতি নৰকাসুৰ আকৃষ্ট হয়। ব্ৰাহ্মণ উপদেষ্টা সকল তেওঁৰ ওপৰত ৰুষ্ট হয়। নৰকৰ অন্যতম অখ্যাতি এয়ে যে তেওঁ দেৱতাসকলৰ বোলহেজাৰ পত্নী (অথবা দেবাংগনা / অপ্সৰা) অপহৰণ কৰে। খুবসম্ভৱ ব্ৰাহ্মণ উপদেষ্টা সকলৰ সহায়ত একচ্ছত্ৰী ক্ষমতাৰ অধিকাৰী হৈ নৰকাসুৰে ব্ৰাহ্মণ সকলৰ স্ত্ৰী-কন্যাৰ গাতো হাত দিছিল।

যি নহওক, অৱশেষত বিষ্ণুৰ অৱতাৰ কৃষ্ণৰ হাতত নৰকে মৃত্যুবৰণ কৰে। অৰ্থাৎ পিতৃতান্ত্ৰিক, উন্নত ("আৰ্য্য") সমাজ প্ৰতিষ্ঠা কৰিবৰ বাবে ব্ৰাহ্মণ পুৰোহিত সকলে নিৰ্বাচন কৰা জনজাতীয় গোষ্ঠীপতি নৰক অৱশেষত পুনৰ জনজাতীয় ৰীতি-নীতিত আসক্ত হৈ ব্ৰাহ্মণ পুৰোহিত সকলক অৱহেলা কৰে আৰু তেওঁলোকে নিমন্ত্ৰণ কৰি অন্য কোনো "আৰ্য্য" নৃপতিৰ হাতত পৰাস্ত আৰু নিহত হয়।

উক্ত উপাখ্যানৰ মৰ্ম বুজিলে আৰ্য্য-অনাৰ্য্য সম্পৰ্কৰ প্ৰশ্নটো জাতিবিদ্বেষৰ ধোঁৱাৰ পৰা মুক্ত হ'ব। কিন্তু অসমত সেই প্ৰশ্নটো আজিকালি পুনৰ আৰ্য্যাভিমানী আৰু জনজাতিবিদ্বেষী ৰূপত উত্থাপন কৰি অবৈজ্ঞানিক চিন্তাক প্ৰশ্ৰয় দিয়া হৈছে। অসমত সম্প্ৰতি তলে তলে চলা "আৰ্য্য" আৰু "অনাৰ্য্য"ৰ কাজিয়াত সি ইন্ধন যোগাইছে আৰু অসমীয়া জাতীয় জীৱনৰ ভিত্তি সমন্বয়ত আঘাত হানিছে।

এইখিনিতে কোনো কোনো লোকে কব, আৰ্য্যসকল যে বহিৰাগত, তাৰ প্ৰমাণ কি? তেওঁলোকৰ কৃষ্টি যে প্ৰথম অৱস্থাত অনুন্নত আছিল, তাৰ প্ৰমাণ কি? অলপতে Times of India কাকতৰ পাতত গিৰিলাল জৈনে তালচে'ৰি নামৰ কোনো এজন ভাৰতীয় পণ্ডিতৰ নতুন কিতাপ এখনৰ দোহাই দি কৈছে আৰ্য্যসকল প্ৰথমৰে পৰা ভাৰততে আছিল। সিন্ধু সভ্যতা তেওঁলোকৰ সৃষ্টি বুলিও কোৱা হৈছে।

আৰ্য্যসকলে যে পৌৰ সভ্যতাৰ পোহৰ বৈদিক যুগত পোৱা নাছিল, তেওঁলোকৰ প্ৰধান দেৱতা ইন্দ্ৰৰ যে অন্য নাম "পুৰন্দৰ" (পুৰ বা নগৰ ধ্বংস কৰোঁতা)—সেইবোৰ কথা আগতে উল্লেখ কৰা হৈছে। ভাৰতত পৌৰসভ্যতা পোনপ্ৰথমে সৃষ্টি কৰিছিল দ্ৰাবিড় ভাষী সকলে। তালচেৰিৰ

তত্ত্ব (hypothesis) কোনো প্ৰতিষ্ঠিত ঐতিহাসিকে গ্ৰহণ কৰা নাই। কৰিছে কেইবোৰ প্ৰচাৰবিদে। সেয়ে প্ৰাগ্‌জ্যোতিষপুৰ বা কামৰূপ অতীজতে পৰা আৰ্য্য বাসভূমি আছিল বুলি ভবাবো থল নাই। কামৰূপৰ খিলঞ্জীয়া গোষ্ঠী হৈছে অষ্ট্ৰিক, কিৰাত আৰু দ্ৰাবিড় মূলীয়।

বিভিন্ন দিশৰ পৰা ডঃ পদ্মেশ্বৰ গগৈ, ৰাণচন্দ্ৰ মহন্ত, আদিয়ে সংগতভাৱে প্ৰশ্ন তুলিছে যে প্ৰাগ্‌জ্যোতিষপুৰৰ যিবোৰ উল্লেখ প্ৰাচীন শাস্ত্ৰত পোৱা গৈছে সেইবোৰে অসমক বুজাইছিলনে নাই? এটা সময়ত কাশ্মীৰৰ এটা অংশকো প্ৰাগ্‌জ্যোতিষপুৰ বোলা হৈছিল। আজিও দেখা যায় যে কাশ্মীৰৰ পৰা হিমালয়ৰ নামনিৰ তেৰাই অঞ্চল মাতৃতান্ত্ৰিক, দেৱীমাতৃপূজক (চণ্ডীগড়, চিমলা, প্ৰভৃতি নাম তাৰ নিদৰ্শন) জনজাতীয় গোষ্ঠীৰ বাসভূমি।

সি যি নহওক, গুপ্তযুগৰ সময়ৰ পৰাই গুৱাহাটীক কেন্দ্ৰ কৰি এই অঞ্চলটো কামৰূপ নামে প্ৰসিদ্ধ হয়। বহিৰাগত আৰ্য্য ব্ৰাহ্মণ সকলে লোহাৰ নাঙল, পঞ্জিকা আদিৰ সহায়েৰে উন্নত কৃষি এই অঞ্চলত প্ৰৱৰ্ত্তন কৰি সমাজ সভ্যতাৰ ৰূপান্তৰত বিশেষ ভূমিকা পালন কৰে। তেওঁলোকে পৌৰাণিক বিষ্ণু, শিৱ আদি দেৱতাৰ উপাসনাও বহুলভাৱে প্ৰচলন কৰে। এই ক্ষেত্ৰত তেওঁলোকৰ প্ৰধান নিৰ্ভৰ আছিল জনজাতীয় গোষ্ঠীপতি। ইতিমধ্যে জনজাতিৰ মাজতো কিছু ভাঙোন আৰম্ভ হৈছিল, ব্যক্তিগত সম্পত্তিৰ কিছু বিকাশ হৈছিল, সামাজিক অসমতাই দেখা দিছিল। এনে পৰিবেশতে ব্ৰাহ্মণ পুৰোহিতৰ মন্ত্ৰণা আৰু সহায়ত জনজাতীয় গোষ্ঠীপতিয়ে ভূমিভিত্তিক ৰাজ্যৰ ৰজা হ'বলৈ প্ৰয়াস কৰিছিল। তেনে গোষ্ঠীপতিকে ক্ষত্ৰিয়ৰ সম্মান দিয়া হৈছিল।

জনজাতীয় সম্পূৰ্ণ উচ্ছেদ কৰি এই নতুন ব্যৱস্থা প্ৰৱৰ্ত্তন কৰা সম্ভৱ নাছিল। সেয়ে বহু জনজাতীয় ৰীতি-নীতি নতুন সমাজত বৈ গৈছিল। যেনে ধৰক অসমীয়া নাৰীৰ তাঁতশালখন—উত্তৰ ভাৰতৰ দৰে অসমত বয়ন-শিল্প এক বিশেষ সম্প্ৰদায়—জাতিৰ মাজত আবদ্ধ হৈ পৰা নাছিল। জন-জাতীয় সমাজৰ দৰে প্ৰতি গৰাকী অসমীয়া নাৰী শিপিনী আছিল। আনহাতে তাঁতশালখন জনজাতীয় সৰল তাঁততকৈ উন্নত আছিল। অৱশ্যে

এই উন্নত তাঁতশালখন কিৰাত গোষ্ঠীৰ নে আৰ্য্যগোষ্ঠীৰ অৱদান, সঠিককৈ ক'ব নোৱাৰি। আৰ্যগোষ্ঠীয়ে যে তাঁতশালৰ উন্নতিত যথেষ্ট সহায় কৰিছিল, সন্দেহ নাই। আনহাতে কপাহী কাপোৰৰ বাবে অধিকাংশ কপাহ গাৰো খেতিয়কে গাৰোপাহাৰৰ পৰা অসমলৈ পঠাইছিল।

ব্ৰাহ্মণাদি "আৰ্য," গোষ্ঠীৰ লোকৰ এই অৱদানৰ সাক্ষ্য প্ৰমাণ কি? বিজ্ঞানসম্মত প্ৰত্নতত্ত্ব আৰু দলিলপত্ৰৰ বিশ্লেষণ আৰু বিচাৰেৰে কোশাম্বী ৰামশৰণ শৰ্মা, প্ৰভৃতি পণ্ডিতে প্ৰমাণ কৰিছে যে খ্ৰীষ্টিয় শতাব্দী সমূহ আৰম্ভ হোৱাৰ পিছত, আৰু বিশেষকৈ বৃহৎ বাণিজ্য ভিত্তিক সাম্ৰাজ্যৰ অৱক্ষয়ৰ পিছত জনজাতীয় গোষ্ঠীপতিয়ে উত্তৰ ভাৰতৰ ব্ৰাহ্মণ আমন্ত্ৰণ কৰি আনি ভূমিদান কৰি নিজ নিজ এলেকাত উন্নত কৃষিৰ প্ৰচলন কৰাইছিল আৰু ৰাজস্বৰ ভিত্তিত ৰাজকীয় ক্ষমতা আৰু আড়ম্বৰ প্ৰদৰ্শন কৰিব পাৰিছিল। মৌৰ্য্য যুগৰ আৰু আদি গুপ্তৰ যুগৰ সাম্ৰাজ্যই কামৰূপকো বিৰাট বাণিজ্য-পথৰ প্ৰভাৱত পেলাইছিল। কিন্তু কামৰূপৰ বৃহৎ অঞ্চল জুৰি উন্নত কৃষি আৰু ৰাজতন্ত্ৰৰ প্ৰতিষ্ঠা হয় গুপ্ত যুগতহে।

নৰসিংহ অৱতাৰ:

নৰসিংহ ৰায়ে কৈছে যে সীতাৰ দৰে অগ্নিপৰীক্ষাৰ পৰা তেওঁৰ সততাও প্ৰমাণিত হ'ব। আৰ কে লক্ষ্মণে কাৰ্টুন আঁকিছে ৰামৰূপী আডৱানিয়ে সীতাৰূপী নৰসিংহ ৰাওক দেখি বিচুৰ্তি হৈছে।

জেঠমালানিৰ ৰণনীতি অনুযায়ী হৰ্ষদমেহতাই অলপ অলপকৈ কতিকৰ সাক্ষ্যপ্ৰমাণ উলিয়াই আছে। নৰসিংহ ৰাওৰ শিবিৰেও সেই অনুসাৰে হৰ্ষদৰ যুক্তিৰ ত্ৰুটীবোৰ অলপ অলপকৈ উদঙাই দিবলৈ বিচাৰিছে। তথাপি এই ৰাউণ্ডত হৰ্ষদৰে জয় হৈছে।

হৰ্ষদে দেখুৱাইছে যে সুনীল মিত্তালৰ লগত কথোপকথন টেপ কৰি তেওঁ এক কোটি টকা ছুটা কিস্তিত কোনো এক শক্তিশালী মানুহক দিয়াৰ প্ৰমাণ সংৰক্ষণ কৰিছে। সেইজন মানুহৰ লগত হৰ্ষদৰ সাক্ষাৎকাৰৰ সুবিধা কৰি দিছিল মিত্তালেই। ৪ঠা নৱেম্বৰত লগ পোৱা মানুহজন অতি শক্তিশালী

আৰু প্ৰভাৱশালী মানুহ। তেওঁ হৰ্ষদক বিপদৰ পৰা উদ্ধাৰ কৰিব পাৰে, অথচ একো কৰা নাই। মানুহজন প্ৰধানমন্ত্ৰী হোৱাৰ সম্ভাৱনা বহুল। সুনীল মিত্তালে টেঁপ কৰা কথোপকথনত ঘটনাটো অস্বীকাৰ কৰা নাই, অৱশ্যে প্ৰধানমন্ত্ৰী বুলিও স্পষ্টকৈ কোৱা নাই।

যুটীয়া সংসদী সমিতিৰ আগত সাক্ষ্য দি হৰ্ষদে দাবী কৰিছেযে শ্বেয়াৰৰ দালাল বোৰৰ জালিয়াতীৰে বিৰুদ্ধে বোম্বে'ৰ ষ্টক মাৰ্কেটে শাস্তিমূলক ব্যৱস্থা লব খোজাত তেওঁলোকে প্ৰধানমন্ত্ৰীৰ সহায় বিচাৰিলে। তেতিয়া চৰকাৰৰ পিনৰ পৰা প'ল জ'হেফক ষ্টক এক্সচে'ঞ্জৰ পৰিচালনা পৰিষদৰ সদস্য মনোনীত কৰা হ'ল। জ'হেফে পৰিষদৰ মুঠ ১৮ খন মিটিঙৰ মাত্ৰ দুখনত হাজিৰা দিলে। সেই দুখনত হৰ্ষদ প্ৰমুখ্যে দালালৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ কথা আছিল। কিন্তু চৰকাৰী সদস্য জ'হেফৰ তীব্ৰ আপত্তিৰ বাবে সি সম্ভৱ নহ'ল। অৰ্থাৎ চৰকাৰে ঘোচৰ বিনিময়ত হৰ্ষদক ৰক্ষণাবেক্ষণ দিয়াৰ প্ৰমাণ আছে।

হৰ্ষদে দাবী কৰিছে, প্ৰধানমন্ত্ৰীৰ নিৰাপত্তাৰ বাবে লোৱা পুলিচৰ তদাৰকিৰ লিখিত বিৱৰণৰ পৰা একো প্ৰমাণ নহয়। কাৰণ শেষ মুহূৰ্ত্তত লোৱা কাৰ্য্যসূচী তাৰ অন্তৰ্ভুক্ত নহয়। আনহাতে প্ৰধানমন্ত্ৰীৰ দিনটোৰ কাৰ্য্যবিৱৰণীৰ এখন দিনলিপি (appointments diary) থাকে। সেইখন সোনকালে নষ্ট কৰা নহয়। সেইখন বিচাৰি পালে হৰ্ষদৰ লগত প্ৰধানমন্ত্ৰীৰ সাক্ষাতৰ প্ৰমাণ ওলাব। যদিহে সেইখন নষ্ট কৰা হৈছে, নষ্ট কৰিবলৈ দিয়া চৰকাৰী নিৰ্দ্দেশৰ তাৰিখটো গুৰুত্বপূৰ্ণ।

বস্তুতঃ কৈছে হৰ্ষদ এটা ঠগ। তাৰ কথা কিয় বিশ্বাস কৰিব লাগে?

এই ঠগবাজী তেওঁ অকলে কৰাৰ প্ৰশ্নই নাই। ৰাষ্ট্ৰীয়কৃত বেংকৰ ডাঙৰ ডাঙৰ বিষয়া, ৰিজাৰ্ভ বেংকৰ ডাঙৰ বিষয়া, মন্ত্ৰী, আনকি হয়তো C.B.I.-ৰ হৰ্ত্তাকৰ্ত্তাও তাৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত। অৰ্থাৎ "সমবায়-ভিত্তিতে" ঠগবাজীটো কৰা হৈছিল। তেন্তে অকল হৰ্ষদক ঠগ বুলি তেওঁৰ সাক্ষ্যপ্ৰমাণৰ গুৰুত্ব কিয় কমোৱা হ'ব?

(জুলাই ১৯৯৩, আজিৰ অসম)

সাম্প্ৰতিক চিন্তাৰ এবিধ বিকাৰ

সম্প্ৰতি আমাৰ দেশ তথা সমাজৰ আকাশে-বতাহে শুনা গৈছে অসহিষ্ণুতাৰ গৰ্জন। অসহিষ্ণু মনে আলোচনা নিবিচাৰে। বিতৰ্কৰ ঠাইত আক্ৰমণ বা চৰিত্ৰহনন চলায়। আৰু প্ৰতিপক্ষক ভূত-প্ৰেতত পৰিণত কৰি বাইজৰ সমৰ্থন বিচাৰে। মুছলমান মাত্ৰেই দেশদ্ৰোহী, ইছলাম মূলতঃ অমানুষিক আৰু ধৰ্মান্ধ আৰু হিন্দু মাত্ৰেই বিধৰ্মী বা অনাত্মীয়। এনে ধাৰণাৰ সমৰ্থনত উগ্ৰ উত্তেজনা সৃষ্টি কৰা আৰু তাৰ যোগেদি ধৰ্মযুদ্ধৰ পৰিবেশ গঢ়ি তোলা এনে অসহিষ্ণু মনৰ অভ্যস্ত আচৰণ। মন কৰিবলগীয়া কথা যে ৰাজনীতিৰ বাহিৰে আন ক্ষেত্ৰতো এনে ধৰণৰ অসুস্থ আৰু বিকাৰ-গ্ৰস্ত মানসিকতা দেখা গৈছে।

এনে মনে নিজৰ মূল ধ্যান-ধাৰণাবোৰ সকলো প্ৰশ্ন, সংশয়, বিতৰ্কৰ উৰ্দ্ধত বুলি ধৰি লয়। আৰু দৈৱী মহিমা আৰোপ কৰা সেইবোৰ বিশ্বাস বা ধাৰণাৰ পবিত্ৰতা আৰু নিশ্চয়তাৰ বাবে প্ৰাণ বিসৰ্জন দিবলৈকো সাজু হয়। অৰ্থাৎ মানসিক নিৰাপত্তাৰ প্ৰয়োজন এনে মনৰ বাবে সত্যানুসন্ধান-তকৈ প্ৰবল। প্ৰকৃততে সমসাময়িক সমাজত পুৰণা নিশ্চয়তাবোৰ (Certainties) বিপন্ন আৰু বিধ্বস্তহৈ পৰাৰ বাবে এচাম মানুহে এনে ধৰণৰ গোড়া আৰু অসহিষ্ণু মানসিকতাৰ আশ্ৰয়ত নিৰাপত্তা বিচাৰে।

দেখাত এনে মন যুক্তিবাদী। নানা ধৰণৰ যুক্তিৰ উল্লেখ তাৰ প্ৰচাৰত সুলভ। কিন্তু অলপ খুঁহিয়াই চালেই দেখা যায়-যে যুক্তিবাদী আৱৰণৰ অভ্যন্তৰত আছে ফোপোলা মতান্ধতাহে। যুক্তিৰ বস্তুনিষ্ঠ বিচাৰতকৈ মহিমা আৰোপ কৰা কিতাপ বা গুৰুবাক্যৰ উল্লেখ, স্পষ্ট বা বলিষ্ঠ প্ৰতিযুক্তিৰ পৰা উচাট মাৰি আঁতৰি পুৰণা মতকে মন্ত্ৰৰ দৰে দোহাৰি থকা, খণ্ডন কৰিব নোৱাৰা প্ৰতিযুক্তিক নিৰস্ত্ৰ কৰিবলৈ নিজৰ মত বা অৱস্থানৰ সংজ্ঞা গোপনে লবহৰ কৰা—এনে লক্ষণ থকা পণ্ডিতিক যুক্তিবাদী বোলা টান।

যিকোনো নিৰপেক্ষ পৰ্যবেক্ষকে তৎক্ষণাত উপলব্ধি কৰিব যে যুক্তিৰ চৰিত্ৰ এনেকুৱা নহয়। শেষ বিচাৰত তথাকথিত 'প্ৰামাণ্যতা' (Authority) এনে যুক্তিবাদৰ আধাৰ। মুকলিমূৰীয়া বৈজ্ঞানিক বিশ্লেষণতকৈ ই বেলেগ বস্তু।

সাম্প্ৰতিক কালত পাঠ বিশ্লেষণৰ প্ৰভাৱশালী পদ্ধতিসমূহে এনে অৱস্থান বা মত বা মনৰ বিকাৰ তথা বিপদ সম্পৰ্কে আমাক সচেতন কৰে। এনে বিশ্লেষণৰ সৰ্বাত্মক দাবী আমি মানি নল'বও পাৰো। কিন্তু কোনো ধ্যান—ধাৰণাৰ মৌলিক বৈপৰীত্য (Binary opposition)-ৰ ভিত্তিত এটা বিশ্ববীক্ষা বা সামগ্ৰিক দৰ্শন গঢ়ি তোলাৰ বিপদ সম্পৰ্কে সেই পদ্ধতিয়ে আমাক সচেতন কৰে। কোনো ধৰ্ম বা মতবাদে প্ৰায়েই এনে এক দ্বৈত ধাৰণাৰ এটা দিশ—যেনে—বস্তু / মন ; ব্যক্তি / সমাজ ; বিশ্বাস / আচাৰ ; পুৰুষ / নাৰী—এফলীয়াকৈ লৈ তাৰ ভিত্তিত গঢ়ি তোলে সুউচ্চ আৰু সুদূৰপ্ৰসাৰী চিন্তাৰ সৌধ। ধাৰণাৰ বিপৰীত দিশটো হয় অবাস্তৱ বুলি উকৰাই দিয়ে, নহয় গুৰুত্বহীন বুলি নাকচ কৰে। ফলত এখন আবদ্ধ, স্বয়ংসম্পূৰ্ণ চিন্তাজগত সৃষ্টি কৰাত সি সফল হয়।

দুখৰ বিষয়, এই নিবন্ধ আৰু স্বয়ংসম্পূৰ্ণ মেৰঘৰটো প্ৰকৃত চিন্তা, কল্পনা তথা জীৱনৰ বাবে কাৰাগাৰসদৃশ। তাৰ ভয় যে কেনেবাকৈ ক্ষুদ্ৰছিদ্ৰৰে নাকচ কৰা বিপৰীত ধাৰণা চিন্তাত পুনৰ প্ৰৱেশ কৰি ব্ৰহ্মতালুত খোঁট মাৰিব। সেয়ে এটা পৰ্যায়ত মগজু বা যুক্তি বাদ দি সি হাতত টাঙোন বা বন্দুকহে তুলি লয়।

অৱশ্যে সাম্প্ৰতিক পাঠ বিশ্লেষণে বিভিন্ন মতবাদ তথা চিন্তাধাৰাৰ ভিতৰত সত্যাসত্যৰ বিচাৰেৰে কোনো এটাক অধিক গ্ৰহণীয় বুলিও বাৰু নিদিয়ে। আমি যেন আওপকীয়াভাৱে প্ৰাচীন ফকৰাৰ নতুন সংস্কৰণ এটা পাইছো। 'মানুহটোৰে প্ৰতি মনটো, ধানটোৰে প্ৰতি কণটো'। কোনোটো ব্যাখ্যাই চূড়ান্তভাৱে নিৰ্ভৰযোগ্য নহয় আৰু কোনোটো পাঠেই অবিসম্বাদী নহয়। মানুহে অসংখ্য চলন্ত আৰু সম্ভাব্য মত আৰু ধাৰণাৰ এক অনন্ত বিস্তাৰৰ মাজত বাস কৰে। কোনো এক ধাৰণা বা মতক খামোচ মাৰি ধৰাৰ অৰ্থ হ'ব পাঠৰ এই অন্তহীন লীলা-খেলা কৃত্ৰিমভাৱে বন্ধ কৰি দিয়া। আচলতে কোনো মতক খামোচ মাৰি ধৰাও টান—কাৰণ সি মানুহৰ মানৰ নিৰৱচ্ছিন্ন প্ৰতিক্ৰিয়াত আন ৰূপ ল'ব পাৰে। মধ্যযুগৰ ভক্তি আন্দোলনৰ কিছুমান ধাৰা প্ৰথমতে জাতিভেদৰ বিৰোধী আছিল, কিন্তু পিছলৈ জাতিভেদ

ভালদৰেই মানি ল'লে। অথচ তেওঁলোকৰ বাবে প্ৰামাণ্য শাস্ত্ৰবোৰ একেই হৈ থাকিল। সত্যৰ নামত চলা অন্ধবিশ্বাসৰ পৰাই এনেদৰেই আধুনিক পাঠ বিশ্লেষণে আমাক মুক্তি দিয়ে।

আনহাতে মানুহৰ মন বা ভাষাকে (দুয়োটা প্ৰায় একেই কথা) নিৰালম্ব বুলি ভবাৰ পৰাও বিপদ হ'ব পাৰে। আচলতে ভাষাৰ সকলো প্ৰয়োগৰ বাবে ভাষাবহিভূ'ত পৰিস্থিতি থাকে। সেই পৰিস্থিতি তথা উপলক্ষ্য অবিহনে ভাষাৰ অৰ্থ পৰিষ্কাৰ নহয়। কেৱল বিমূৰ্ত ব্যাকৰণ বা সূত্ৰ (Code)-ৰ সহায়েৰে ভাষাৰ বিচিত্ৰ প্ৰয়োগৰ মৰ্মোদ্ঘাটন সম্ভৱ নহয়। বাস্তৱ পৰিস্থিতি (Context)-ৰ ঐতিহাসিক আৰু সাংস্কৃতিক অধ্যয়নেহে ভাষাৰ বিভিন্ন উদাহৰণৰ অৰ্থ সম্পূৰ্ণ কৰে। কোনো এক জাতিৰ ভাষাৰ অৰ্থ কেৱল অভিধান আৰু ব্যাকৰণেৰে বুজিব নোৱাৰি। আধুনিক পাঠ বিশ্লেষণ সেই ভ্ৰান্তিৰ পৰা আঁতৰি আহিব পৰা নাই। তাৰ সীমাবদ্ধতা সেইখিনিতে।

আজিৰ ভাৰতত 'ৰামৰাজ্য'ৰ অৰ্থ কি হ'ব, সি মানুহক ৰক্ষা কৰিব নে বিপথে নিব, তাক কেৱল ব্যাখ্যা আৰু ভাষাৰে নিৰূপণ কৰা টান হ'ব। কোনে সেই ব্যাখ্যা দিছে, আৰু কি উদ্দেশ্য দিছে, ইতিহাসৰ কোন ক্ষণত দিছে সেই কথাও গমি চাব লাগিব। 'ভাৰতীয় কোন?' এই প্ৰশ্নৰ উত্তৰ কেৱল অৰ্থ বা চিন্তাৰে কৰা নহয়। সি এক প্ৰায়োগিক প্ৰশ্নও। সেইবোৰ দিশ টলকি নাচাই সগৰ্জনে (আৰু সদলে) কিবা এটা উত্তৰ ঘোষণা কৰিলেই সি ধ্ৰুৱসত্য হ'ব নোৱাৰে।

এই সমাধান জীৱনৰ আন দিশতো প্ৰযোজ্য। কোনো এজন মানুহে কবিতাৰ কি ব্যাখ্যা দিয়ে, সাহিত্য, সংস্কৃতি, ধৰ্ম, ৰাজনীতিত কি মত পোষণ কৰে তাৰ বিচাৰ কেৱল মনোজগতত আৱদ্ধ ৰাখিব নোৱাৰি। কাৰণ তেনে ক্ষেত্ৰত হয় তেওঁৰ গৰ্জন বা আস্ফালনকে শেষ সত্য বুলি মানিব যুক্তিৰ অভাৱ সত্বেও; অথবা সকলো কথাই সম্ভৱ বুলি বঠা এৰি ভাহি থাকিব লাগিব। ঐতিহাসিক পৰিস্থিতিত আমাৰ ভূমিকাৰ ওপৰতহে 'সত্য'ৰ ৰূপ নিৰ্ভৰশীল।

(এপ্ৰিল ১৯৯৩, আজিৰ বাতৰি)

জাতীয় সাজ-পোচাকৰ প্ৰশ্নটো, স্থানীয় স্বায়ত্ত-শাসনৰ দাবী

মাজে মাজে গুৱাহাটী দূৰদৰ্শনৰ পৰা ইংৰাজী গান প্ৰচাৰ কৰাৰ চেষ্টা দেখা যায়। গুৱাহাটী দূৰদৰ্শনৰ বাবে সময় বেছি ধাৰ্য্য কৰা হোৱা নাই। মাত্ৰ কাৰ্য্যসূচীবোৰ প্ৰচণ্ড আমনিলগা আৰু ফটুৱা হোৱা বাবেহে বৰ দীঘলীয়া যেন লাগে। তেনেস্থলত অসমীয়া ভাষাৰ গীতমাত বাদ দি ইংৰাজী ভাষাৰ গীত গাবলৈ সুযোগ দিয়াটো অলপ আচৰিত। অসমৰ বহু প্ৰতিষ্ঠিত গায়কক দূৰদৰ্শনৰ পৰ্দাত কাচিৎ দেখিয়াবাহে দেখা যায়। অথচ ইংৰাজী গান গাবলৈ মানুহ বিচাৰি উলিওৱা হয়।

এই আচৰিত কথাটো এনেয়ে সম্ভৱ হোৱা নাই। সন্দেহ নাই, ই এক পৰিকল্পিত প্ৰচেষ্টা, যাতে দেখাক দেখি অসমীয়া ডেকা গাভৰুৰ মাজত ইংৰাজী গান চৰ্চা কৰাৰ প্ৰতি ধাউতি গঢ়ি উঠে। আজি globalisation-ৰ নামত বিশ্বব্যাপি পশ্চিমীয়া পুঁজিবাদৰ বিস্তাৰ হৈছে। জাতীয় ভাব আৰু আশা-আকাংক্ষা এই ধৰণৰ globalisation-ৰ পথত এক ভাঙৰ বিঘিনি। সেয়ে আন্তৰ্জাতিক ইংৰাজী মাধ্যমৰ গীতমাত প্ৰচাৰ কৰি বা তেনে আন উপায়ে জাতীয় চেতনা দুৰ্বল কৰা সাংস্কৃতিক পৰিবেশ ৰচনা কৰাৰ চেষ্টা চলিছে। এনে ধৰণৰ কাৰ্য্যসূচী গুৱাহাটী দূৰদৰ্শনৰ পালি পহৰীয়াৰ মুৰ্খামি নহয়, দিল্লীৰ বাদশাহ সকলৰ কুটিল নিৰ্দেশ।

এনে সময়তে কাকতে পত্ৰই অসমীয়া নাৰীৰ সাজ-পোচাকৰ প্ৰশ্নটো উঠিছে। মেখেলা-চাদৰ ৰখা হ'ব নে চুৰিদাৰ-পাঞ্জাবী চলোৱা হ'ব? কাকতে পত্ৰই সেই বিষয়ে বিস্তৰ আলোচনা হৈছে। সন্দেহ নাই যে শিক্ষিতা ছোৱালী আৰু মহিলাৰ এক বৃহৎ অংশই চুৰিদাৰ-পাঞ্জাবী পছন্দ কৰে। কম দামতে হয়, সেই পোচাক জোৰ পিন্ধি দৌৰাদৌৰিকৈ কাম কৰিবলৈ সুবিধা হয়, অংগ সঞ্চালনৰ বাবে যথেষ্ট স্বাধীনতা থাকে। তাতে কাপোৰ জোৰতো বিদেশী নহয়, ভাৰতীয়ই। তদুপৰি লৰাইনো ধুতি-চোলা নিপিন্ধে

কেনেই ? হোৱালীৰ ওপৰতে জাতীয় সাংস্কৃতি ৰক্ষাৰ দায়িত্ব পেলাই দিয়া হয় কিয় ? যুক্তিবোৰ এনে ধৰণৰ।

এইবোৰ যুক্তি আমি উলাই কৰিব খোজা নাই। মোৰ ছুৱালী হোৱালীয়ে ছালোৱাৰ-কামিজ পিন্ধি ভাল পায়, যদিও মই ছুৱালীকে মেখেলা চাদৰতহে শুৱনি দেখোঁ। মই অকলে সিহঁতৰ পছন্দ-অপছন্দৰ বিৰোধিতা কৰিব নোৱাৰোঁ। বাইৰথনেই কিবা এটা বায় দি তাক বাহাল কৰিব লাগিব। তেতিয়াহে ভাল হ'ব।

আমি ভাবোঁ যে স্বাধীনভাৱে, নিজৰ বিচাৰ-বুদ্ধি অনুযায়ী, লোৱা সিদ্ধান্ত সমূহেই সঠিক সিদ্ধান্ত। কিন্তু সকলো পছন্দ প্ৰকৃততে তেনে ভাবে কৰা হয় নে ? যিবোৰ বিভিন্ন বস্তুৰ মাজৰ পৰা এটা বস্তু পছন্দ কৰা হয়, সিহঁতৰ মাজত সমান প্ৰতিযোগিতা হয় জানো ? সকলোবোৰ বস্তুৰ বিষয়ে সমান পৰিমাণে তথ্য সংগ্ৰহ কৰি আমি জানো সিদ্ধান্ত লওঁ ? আজি আমি পুৰ্ব্বণি অসমীয়া খাদ্যতকৈ বাহিৰৰ মছলাপ্ৰধান আৰু বেলেগ ৰুচিৰ খাদ্য পছন্দ কৰোঁ। কিন্তু পুষ্টিকাৰিতা, সোৱাদ, স্থানীয় জলবায়ুৰ লগত সামঞ্জস্য —এইবোৰৰ বিতং বিবেচনাৰ পিছত জানো আমি এনে সিদ্ধান্ত লৈছোঁ ? এইবোৰৰ উপৰিও আন এটা বিবেচনা আহিব পাৰে—সেইটো হৈছে স্বকীয় জাতীয় সাংস্কৃতি ৰক্ষা কৰাৰ প্ৰয়োজন। সেইটো জানো আমি বিবেচনালৈ আনিছোঁ ?

আজি "পেৰাডাইজ"ৰ বাহিৰে আন হোটেল বা ৰেস্তোৰাঁত উৎকট গৰমতো জাতিলাও-বিলাহীৰ টেঙা আঞ্জাখন বিচাৰি নাপায়। "পেৰা-ডাইজ"ৰ খানা মাজে মাজে বেছ জুতি লগাই হয় যেখোন। অৰ্থাৎ চেষ্টা কৰিলে অসমীয়া খানাবো স্বকীয়তা ৰক্ষা কৰি আধুনিক ৰুচিৰ উপযোগীকৈ তাৰ ৰন্ধন আৰু পৰিবেশনত কিছু সাল সলনি ঘটাব পৰা যায়। অসমৰ বিভিন্ন ঠাইত বিভিন্ন ধৰণৰ আঞ্চলিক ৰন্ধাবঢ়াৰ নিদৰ্শন আছে। আদহীয়া বা বয়স্কা অসমীয়া মহিলা সকলৰ মাজত কেতবোৰ ৰন্ধাবঢ়াৰ কৌশল আৰু ৰীতি আবদ্ধ হৈ লোপ পোৱাৰ উপক্ৰম হৈছে। সেইবোৰো শিকি ল'লে সোৱাদ তথা বৈচিত্ৰ্য বাঢ়িব। কিন্তু হোটেল দূৰৰে কথা, ঘৰতো অনা

অসমীয়া বীতিব খানাই আমি পছন্দ কৰোঁ। সপ্তাহত এবাৰ ৰুচি বদলা-বলৈ মাদ্ৰাজী বা পঞ্জাবী খানা খোৱা বেলেগ কথা। দৈনিক খোৱা ভাতসাজৰ চেহেৰা আৰু চৰিত্ৰও বদলিছে।

এইটো পছন্দ স্বাধীনভাৱে সকলো কথা চালিজাৰি কৰা পছন্দ নহয়। পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱত, বাহিৰা প্ৰভাৱৰ হেঁচাত, অচেতনভাৱে কৰা "পছন্দ"। সাজপাৰৰ ক্ষেত্ৰতো কথাটো একেই। আজি বিহুৱে-সবাহেও মেখেলাচাদৰ ক'ৰবাত লুকায়। অসমীয়া ছোৱালীয়ে এতিয়া সৌন্দৰ্য্যবোধ আৰু ৰুচিৰ প্ৰমাণ দিবলৈ মেখেলাচাদৰ ব্যৱহাৰ কৰিব নোখোজে। মুগা-পাটৰ দাম বেছি বুজিলোঁ। কিন্তু আন সস্তা কাপোৰেৰে মেখেলা-চাদৰ কৰা অসম্ভৱ বুলি বিশ্বাস নহয়। মেখেলা-চাদৰ পিন্ধি কাম কৰিবলৈ অসুবিধা বুজিলোঁ। কিন্তু পথাৰ-সমাৰৰ গধুৰ কাম মেখেলা-চাদৰেৰে অনায়াসে কৰা হৈ আছে। কল-কাৰখানাৰ কামো চলিছে। (অৱশ্যে মহিলা-পুলিচৰ কামটো বেলেগ!) অফিচ-কাছাৰীৰ কামো মেখেলা-চাদৰেৰে কৰিব নোৱাৰাৰ কাৰণ নাই। দৰকাৰ হ'লে কাপোৰসাজ সময়োপ-যোগীকৈ অলপ সলাই ল'বও পাৰি।

কথাটো সেইটো নহয়। বহুসংখ্যক নাৰীয়ে এতিয়া প্ৰগতি বা আধুনিকতাক বাহিৰা প্ৰভাৱৰ সমাৰ্থক বুলি ভাবিবলৈ লৈছে। পুৰুষশাসিত সমাজত নাৰীৰ মুক্তিৰ নিদৰ্শন হিচাপে তেওঁলোকে সাজপাৰজোৰ বদলাব খোজে। বাহিৰৰ চিনেমাৰ প্ৰভাৱ, বাহিৰৰ 'আধুনিক,' 'উন্নত' চহৰৰ জীৱনযাত্ৰাৰ প্ৰভাৱ, টি-ভিৰ প্ৰভাৱ, এইবোৰেও অচেতনভাৱে তেওঁলোকৰ পছন্দ নিয়ন্ত্ৰণ কৰিছে। তদুপৰি জাতীয় ঐতিহ্যৰ চেতনা এইচাম মহিলাৰ মাজত ক্ষীণ। ইংৰাজী মাধ্যমৰ স্কুল আৰু পশ্চিমৰ (গত্যন্তৰে পঞ্জাবৰ) প্ৰভাৱত তেওঁলোকে জাতীয় সাংস্কৃতিক অনগ্ৰসৰ বা পিছপৰা বুলি ভাবি-বলৈ ধৰিছে। তেওঁলোক যি শ্ৰেণীৰ পৰা আহিছে সেই শ্ৰেণীতো বাহিৰৰ অন্ধ অনুকৰণেই উন্নতিৰ লক্ষণ বুলি ভবা হয়। সেই শ্ৰেণীৰ পুৰুষ সকলো মহিলাৰ সাজপাৰ তেনেকৈ সলনি কৰাৰ পক্ষপাতী।

এটা যুক্তিয়েই মেখেলা চাদৰৰ বিপক্ষে মই শক্তিশালী বুলি ভাবোঁ।

সেইটো হৈছে৷ সমাজৰ সকলো শ্ৰেণীৰ পুৰুষৰ মাজত পশ্চিমীয়া সাজপাৰৰ প্ৰতি আকৰ্ষণ। এই ক্ষেত্ৰত পুৰুষে স্পষ্ট, বলিষ্ঠ, ভণ্ডামিহীন সিদ্ধান্ত ল'ব নোৱাৰিলে তিৰুতাক জোৰকৈ মেখেলাচাদৰ পিন্ধাই ৰখাৰ অভিযান চলোৱা সহজ ন'হব।

জাতীয় সাজপাৰ দেখাত বৰ ডাঙৰ কথা নহয়। কিন্তু আমাৰ অসমীয়াৰ জাতীয় সংকটৰ দিনত তাৰো গুৰুত্ব নথকা নহয়। আনহাতে খালোৱাৰ-পায়জামা চলাবলৈ তলে তলে চেষ্টা কৰা শক্তিবোৰ ৰাষ্ট্ৰীয় সংহতিৰ নামত ভাৰতীয় বৃহৎ পুঁজিৰ অধীনস্থ ৰাষ্ট্ৰৰ যোগালী হবও পাৰে।

স্থানীয় স্বায়ত্ত-শাসনৰ দাবী ঃ

বাতৰি কাকতত দেখিলোঁ। যে বৰাক উপত্যকাৰ স্বায়ত্ত-শাসনৰ দাবীত আৰ্মকাই শিলচৰত বাজহুৱা সভা পাতিছে। অসমৰ বিভিন্ন জনগোষ্ঠী বাঃ অঞ্চলৰ স্বায়ত্ত-শাসনৰ দাবী সম্প্ৰতি প্ৰবলভাৱে প্ৰচাৰিত হৈছে। কিছুমান লোক এই দাবীৰ প্ৰতি আকৃষ্টও হৈছে। কিন্তু এই ফৰ্মুলাটোৰ নিৰ্দিষ্ট অৰ্থ বা সাৰমৰ্ম কি হয়, তাৰ ওপৰতে তাৰ সাৰ্থকতা নিৰ্ভৰ কৰিব। বড়োলেণ্ড স্বায়ত্ত-শাসিত অঞ্চলৰ সমস্যাবোৰেই আমাক সতৰ্ক কৰি দিয়া উচিত।

কোনো অঞ্চলৰ স্বায়ত্ত-শাসনৰ দাবী সেই অঞ্চলৰ অধিকাংশ লোকৰ কাম্য বা মনঃপূত হলেহে তাক সুকলমে কাৰ্য্যকৰী কৰা সম্ভৱ। কিন্তু য'ত তীব্ৰ বিবাদ-বিসম্বাদৰ অৱকাশ থাকে, তাত হয় সাৱধানে আৰু ধীৰে ধীৰে অগ্ৰসৰ হোৱা উচিত, নতুবা বিষয়টোৰে পুনৰ্বিবেচনা কৰা প্ৰয়োজন। কিন্তু ৰাজনৈতিক প্ৰয়োজন তথা স্বাৰ্থত খৰখেদাকৈ ফৰ্মুলাটো প্ৰয়োগ কৰিবলৈ গ'লে বিভিন্ন জনগোষ্ঠীৰ দ্বন্দ্ব-সংঘাতে ভয়ংকৰ সংকটৰ জন্ম দিব পাৰে।

শাসক গোষ্ঠীৰ পিনৰ পৰা ফৰ্মুলাটোৰ প্ৰয়োগ ৰাজনৈতিক অভিপ্ৰায়েৰে অতি দ্ৰুত গতিত কৰা হৈছে। সেয়ে তাৰ অন্তৰালত গভীৰ আৰু বিচক্ষণ ৰাজনৈতিক বিবেচনা থকা বুলি কৰলৈ টান। হয়তো বিভিন্ন জনগোষ্ঠীৰ মাজত কাজিয়া লগাই বিৰোধী পক্ষৰ নিৰ্বাচনী সাফল্য সংকুচিত কৰাও চৰকাৰী উদ্দেশ্য হ'ব পাৰে। এটা বিশেষ আৱেগিক বাতাৱৰণ সৃষ্টি হোৱাৰ পিছত বিৰোধী পক্ষই তেনে স্বায়ত্ত-শাসনৰ দাবী সমৰ্থন কৰিলেও বিপদ

হয়, বিৰোধিতা কৰিলেও আহকাল হয়। তেওঁলোকৰ উভয়সংকট কৌশলেৰে নিজৰ স্বাৰ্থত শাসক দলে ব্যৱহাৰ কৰে। বাজ্যিক ভিত্তিত ৰাজ্যৰ জনসাধাৰণ কোনো সাধাৰণ বিষয় (issue) লৈ ঐক্যবদ্ধ হ'ব নোৱাৰে। অঞ্চলভেদে বেলেগ বেলেগ গোষ্ঠীৰ বিবাদেই প্ৰধান বিষয় (issue) হৈ পৰে। আনহাতে স্বায়ত্ত-শাসনেও জনসাধাৰণৰ বহু আশা-আকাংক্ষা পূৰণ কৰিব নোৱাৰে। 'এইদৰে অবিভক্ত গোৱালপাৰা, অবিভক্ত কামৰূপ, নগাঁও, ধেমাজী আদি জিলাত তীব্ৰ গোষ্ঠীবিবাদে জনগণৰ ৰাজনৈতিক সহযোগিতা আৰু ঐক্য বিপন্ন কৰিছে।

অসমৰ বাবে আঞ্চলিক স্বায়ত্ত-শাসনৰ আৰু এটা এৰাব নোৱাৰা দিশ আছে। ভৱিষ্যতে অসমখনত আমি এক ঐক্যবদ্ধ অসমীয়া জাতি গঢ়ি উঠা বা টনকিয়াল হোৱাটো বিচাৰোঁ নে নাই? যদি বিচাৰোঁ, তেনেহলে সকলো ক্ষেত্ৰত স্থানীয় দাবীক অগ্ৰাধিকাৰ দি চলা টান হ'ব। শিৱসাগৰে যদি কয় যে ONGC-ত অন্য জিলাৰ লোকে চাকৰি পাব নালাগে, ধেমাজীয়ে যদি কয় যে তাৰ জলসম্পদ ব্যৱহাৰত অন্য জিলাৰ কথা চিন্তা কৰিব নালাগে, তেনেহলে ৰাজ্যিক ভিত্তিত কোনো পৰিকল্পনা কৰা সম্ভৱেই নহ'ব। (অৱশ্যে কোনো কোনো ক্ষেত্ৰত আঞ্চলিক দাবীক অগ্ৰাধিকাৰ দিয়া সম্ভৱ আৰু বাঞ্ছনীয়।) তদুপৰি স্থানীয় ভাষাৰ অগ্ৰগতিৰ স্বাৰ্থত অসমীয়া ভাষাৰ সমূহীয়া প্ৰয়োজন অৱহেলা কৰিলেও অসমীয়া জাতীয় ভৱিষ্যত সুৰক্ষিত নহ'ব। আমি সেয়ে নিৰাসক্তভাৱে চিন্তা কৰা উচিত: অসমীয়া জাতীয় ঐক্য আমাৰ বাবে প্ৰয়োজনীয় তথা লাভজনক হব নে নহব? ("আমাৰ" অৰ্থাৎ "বিভিন্ন জনগোষ্ঠীৰ অধিকাংশ বাইজৰ।")

আমাৰ ধাৰণা যে ভাৰতীয় আৰু বিদেশী পুঁজিৰ শোষণৰ বাবে এই অঞ্চলৰ জনগণৰ ঐক্য সংহতি চূৰ্ণবিচূৰ্ণ হোৱা বৰ দৰকাৰী কথা। এই অঞ্চলৰ দৰিদ্ৰ, অনগ্ৰসৰ জনগণৰ সমৃদ্ধিৰ বাবে ইয়াৰ প্ৰচুৰ প্ৰাকৃতিক সম্পদৰ সুব্যৱহাৰ হব পাৰে এক জাতীয় উন্নয়নৰ কাৰ্য্যসূচীৰ সহায়েৰে। তেনে জাতীয় উন্নয়ন জাতীয় ঐক্য অবিহনে অসম্ভৱ। অবাধ আৰু

অবিবেচক স্বায়ত্ত-শাসনৰ দাবীয়ে তেনে জাতীয় ঐক্যৰ বিকাশ বিঘ্নিত কৰিব। দেশী-বিদেশী বৃহৎ পুঁজি তথা ভাৰতীয় ৰাষ্ট্ৰই তাকেই বিচাৰে।

অৱশ্যে অৱহেলিত জনগোষ্ঠী সমূহৰ অনগ্ৰসৰতা আৰু পংগুতাৰ উপলব্ধিও এক গুৰুতৰ সমস্যা। এসময়ত সংযুক্ত মুক্তি বাহিনীয়ে তাক উৰাই দি "নিৰ্জাতিকৰণ" প্ৰমুখ্যে অবান্তৰ আৰু হকাৰী ভাৱে নিপীড়িত গোষ্ঠী সমূহক ক্ষুব্ধ কৰিছিল। এতিয়াও অসমীয়া জাতীয় ঐক্য ৰচনাৰ পূৰ্বচৰ্ত হৈছে অসমীয়া জাতীয় বিকাশৰ পৰিসীমাৰ ভিতৰত তেনে গোষ্ঠী সমূহৰ সমস্যাৰ সমাধান।

মিছিং ভাষাত বা তিৱা ভাষাত কলেজত আণবিক পদাৰ্থবিদ্যা শিকোৱাৰ চেষ্টা অপ্ৰসাংগিক, কঠিন আৰু খৰচী ব্যৱস্থা হ'ব। সেইক্ষেত্ৰত জাতীয় চেতনা বা উপজাতীয় চেতনা ক্ষতিকৰ হব পাৰে। কিন্তু সমগ্ৰ অসমত অসমীয়া ভাষাত স্নাতক মহলতো পদাৰ্থবিদ্যা শিকাব পাৰি। এই বিশেষ সন্ধানত মিছিং সকলেও অসমীয়া ভাষা ব্যৱহাৰত আপত্তি কৰা অনুচিত। আনহাতে মিছিং প্ৰধান অঞ্চলত মিছিং ভাষাত স্কুল আৰু ক'ৰ্ট-কাছাৰি এটা পৰ্য্যায়লৈ চলিব নিশ্চয় পাৰে।

এনে কেতবোৰ বাস্তৱ সত্য অগ্ৰাহ্য কৰি পুৰাদস্তুৰ স্বায়ত্ত-শাসন চলাবলৈ গ'লে বিভিন্ন জনগোষ্ঠীৰ মাজত বিভেদ-বিদ্বেষ-বিবাদ বাঢ়িব, কেন্দ্ৰীয় চৰকাৰ তথা বৃহৎ পুঁজিৰ সুবিধা হব, অসমীয়া জাতি মুজুৰা পৰিব।

আনহাতে বাস্তৱ দৃষ্টিভংগী আওকান কৰি অসমীয়া সংস্কৃতি আৰ্য্য সংস্কৃতি বাবেই শ্ৰেষ্ঠ বুলি সকলো জনগোষ্ঠীৰ ওপৰত নিৰ্বিচাৰে জাপি দিবলৈ গ'লে হিতে বিপৰীত হোৱাৰ ভয় বেছি।

(চেপ্তেম্বৰ ১৯৯৩, আজিৰ অসম·)

মেডিকেল কলেজত অনুপ্ৰৱেশ, পুঁজিবাদ আৰু অসমৰ উন্নয়ন, চিকাৰ তাঁতবাতি

হিতেশ্বৰ শইকীয়া মুখ্যমন্ত্ৰী হ'বৰ সময়ত মনত এটা ধাৰণা আছিল যে নানা লাঞ্ছনা ভোগাৰ পিছত বংশ পৰিয়ালৰ বহু লোক সংযুক্ত মুক্তি বাহিনীৰ হাতত নৃশংসভাৱে নিহত হোৱাৰ পিছত, তেখেত যেহেতু পুনৰ ক্ষমতালৈ আহিছে, তেখেতৰ আচৰণসমূহ আৰু সংযত হ'ব। অসমত শান্তিৰ বাতাবৰণ ঘূৰাই আনিবলৈ তেখেতে চেষ্টা কৰিলে সমৰ্থন জনাবলৈ তেখেতৰ সমালোচকৰ মাজতো কোনো কোনো লোক প্ৰস্তুত আছিল। আমিও সেই সময়তে সদিচ্ছা প্ৰকাশ কৰি আশা প্ৰকাশ কৰিছিলোঁ যে স্বৈৰতন্ত্ৰী ইন্দিৰা কংগ্ৰেছী জবৰদস্তি আৰু নিলাজ ফাঁকিবাজী বৰ্জন কৰি নতুন পথেৰে দলটোক তেখেতে আগুৱাই লৈ যাব।

অতি পৰিতাপৰ বিষয় বাইজৰ সেই আশা ফলৱতী নহ'ল, ভৱিষ্যতেও হোৱাৰ আশা নাই। ৰাজ্যখনৰ উন্নয়ন, ৰাজ্যত শান্তিৰ পৰিবেশ স্থাপন, এইবোৰ সদৰ্থক উদ্দেশ্য সিদ্ধি কৰিবলৈ যেনে ধৰণৰ পন্থা আৰু কৌশল উদ্ভাৱন কৰা উচিত আছিল তালৈ সম্পূৰ্ণ পিঠি দি তেওঁ লাগি গৈছে ক্ষমতা নিষ্কণ্টক কৰা অশেষ ষড়যন্ত্ৰত আৰু সেই ক্ষমতাৰ এশ এটা অপপ্ৰয়োগত।

মেডিকেল কলেজত নামভৰ্তিৰ পৰ্ব শেষ হোৱাৰ বহুত পিছত অসমৰ তিনিখন মেডিকেল কলেজত এডমিশ্যন দিবলৈ চৰকাৰৰ পিনৰ পৰা চল্লিশটা নতুন নাম আহিল। তাৰে বহুতে নামভৰ্তিৰ বাবে লোৱা পৰীক্ষাত সফল হোৱা নাছিল। এটা দুটা এনে নাম অহা হলে মন্ত্ৰীৰ অতিৰিক্ত ক্ষমতা বুলি হয়তো বাইজে সহ্য কৰিলেহেঁতেন। চৰকাৰীভাৱে নতুন কিবা সংৰক্ষণ-নীতি গৃহীত হোৱাৰ পিছত তাৰ ভিত্তিত কলেজ কৰ্তৃপক্ষই কিছুমান নতুন প্ৰাৰ্থীক আসন দিলেও কথা বেলেগ আছিল। কিন্তু মন্ত্ৰীসভাৰ পৰাই নাম মনোনীত কৰি পঠোৱা হৈছে—চল্লিশটা নাম। যেতিয়া এই অবৈধ

আৰু স্বৈৰতন্ত্ৰী কাৰ্য্যত বাইজৰ মাজৰ ক্ষোভৰ সঞ্চাৰ হ'ল, তেতিয়া ল'বা-লবিকৈ মন্ত্ৰীপৰিষদৰ বৈঠক পাতি তাত বৈধতাৰ বহণ লগাবলৈ চেষ্টা কৰা হ'ল।

এই বাজ্যিক চৰকাৰৰ উচ্চতম কৰ্তৃপক্ষই এনে আচৰণ কৰিলে সাধাৰণ মানুহে কি বুজিব? ভোট বাক গণতান্ত্ৰিক মতেই হ'ল। কিন্তু সেই ভোটেৰে নিৰ্বাচিত চৰকাৰক অবাধ স্বেচ্ছাচাৰিতা চলাবলৈ কোনে অধিকাৰ দিলে?

অনিবাৰ্য্যভাৱে এই চৰকাৰৰ বিৰুদ্ধে জনমত ক্ষুব্ধ আৰু শ্ৰদ্ধাহীন। ৰজা পৰিণত হৈছে প্ৰজাপীড়ক ডকাইতত।

পুঁজিবাদ আৰু অসমৰ উন্নয়ন ঃ

কেতবোৰ বামপন্থী দলৰ ধাৰণা যে পুঁজিবাদৰ অসম বিকাশেই অসমৰ অনগ্ৰসৰতা বাবে প্ৰধানকৈ দায়ী। সেই বাবেই তেওঁলোকে পুঁজিবাদৰ বিৰুদ্ধে সংগ্ৰামৰ পতাকা তুলি ধৰে। তাৰ পৰিণাম এয়ে যে ভাৰতত পুঁজিবাদৰ অৱসান ঘটাব নোৱাৰিলে অসমৰ উন্নয়ন সম্ভৱ নহ'ব বুলি ধৰি ল'ব লাগিব। তদুপৰি পুঁজিবাদী পথেৰে অসমৰ উন্নয়ন সম্ভৱ নহয় বুলিও স্বীকাৰ কৰিব লাগিব।

সেই প্ৰশ্নটো বন্ধুবৰ তাৰক চন্দ্ৰ গোস্বামীয়ে "দেওবাৰ" কাকতৰ পৃষ্ঠাত পুনৰ মুকলি কৰিছে। প্ৰশ্নটো যে অতি প্ৰাসংগিক, সন্দেহ নাই। সমাজ-বাদ নহালৈকে অসমৰ মানুহে উন্নয়নৰ সকলো আশা বা চেষ্টা স্থগিত ৰাখিব লাগিব, সেই ধাৰণা আমাৰ বাবে মুঠেই স্বস্তিকৰ নহয়।

এই সম্পৰ্কে আমিও মুকলি মনেৰে আলোচনা কৰিবলৈ বিচাৰো। পুঁজিবাদী বিশ্বৰ পৰা অসমক (বা যি কোনো অঞ্চলক) নিলগাই ৰাখি কৃত্ৰিমভাৱে সমাজবাদী অৰ্থনীতি গঢ়িব নোৱাৰি। লেনিনৰ সময়ত বা তাৰ পিছত আন্তৰ্জাতিক পুঁজিবাদী বাণিজ্যৰ পৰা ছোভিয়েট কছিয়া আঁতৰি থাকিব পৰা নাছিল। বিদেশৰ ঋণ, যন্ত্ৰপাতি আদিও প্ৰয়োজন সাপেক্ষে লোৱা হৈছিল। উন্নয়নৰ বাবে আৱশ্যকীয় যন্ত্ৰশিল্প, সংযোগ, বিদ্যুৎ আদি সম্পূৰ্ণ নিজাববীয়াকৈ গঢ়ি লোৱা সম্ভৱো নাছিল। কৃষক-শ্ৰমিকৰ আধা-

পেটটিকে বাখি নির্মম পুঁজিবাদী বজাবত খাদ্যশস্য বিক্রী কবি শিশু ছোবিয়েট বাষ্ট্রই কাবখানাব যন্ত্রপাতি কিনিবলগীয়া হৈছিল। সেয়ে নহয় New Economic policy-ব যুগত কৃষিত কিছুসময়ৰ বাবে পুঁজিবাদী উৎপাদনৰ কেতবোৰ উপাদান চলাব সুযোগ দিয়া হৈছিল। পুঁজিবাদী কর্মশৃংখলা আৰু কর্মসংস্কৃতিৰ পৰা শিকিবলৈ সহকর্মী আৰু দেশবাসীক লে'নিনে আহ্বান দিছিল।

অর্থাৎ লে'নিনৰ মনত মতান্ধ সংস্কাৰতকৈ অভিজ্ঞতা আৰু যুক্তিৰ দাম বেছি আছিল। কিন্তু তেওঁ এইটোও বুজি পাইছিল যে সমাজবাদী লক্ষ্য আৰু চিন্তাধাৰা বর্জন কৰিলে ৰুছিয়া পুনৰ নির্মম দাৰিদ্র্য, অভাৱ, দুর্ভিক্ষৰ গৰাহত পৰিব। বিদেশী সাম্রাজ্যবাদৰ সমুখত সম্পূর্ণৰূপে আত্মসমর্পণ কৰাৰ প্রশ্নই নাছিল। কাৰণ সাম্রাজ্যবাদৰ লগত সাম্রাজ্যবাদৰ চর্তত মিতিৰালি কৰিবলৈ যোৱাৰ অর্থ ই হ'ব দেশক প্রত্যক্ষ বা পৰোক্ষ উপ-নিবেশতা পৰিণত কৰা।

এই ক্ষেত্রত কিছুমান বিভ্রান্তিকৰ উদাহৰণ দাঙি ধৰা হয়। কোৱা হয় যে দক্ষিণ কোৰিয়া, টাইৱান, ছিংগাপুৰ প্রভৃতি দেশত পুঁজিবাদী উপায়েৰেই যথেষ্ট দ্রুত উন্নয়ন সম্ভৱ হৈছে। কিন্তু এটা কথা এই ক্ষেত্রত প্রায়েই গুপুত ৰখা হয়। ভাৰতে বিদেশৰ পৰা যন্ত্রপাতি আদিৰ ক্ষেত্রত যি ঋণ পাইছে, সেই ঋণৰ হাৰ যথেষ্ট উচ্চ আৰু পৰিশোধৰ চর্ত বেছ কঠোৰ। ধাৰ মাৰোতেই হয়তো নতুন যন্ত্রপাতিৰ ফলত বৃদ্ধি হোৱা উৎপাদনৰ সৰহভাগ গুচি যায়। কিন্তু দঃ কোৰিয়া, টাইৱান আদি দেশে পশ্চিমীয়া পুঁজিবাদী দেশবোৰৰ পৰা সহজ কিস্তি আৰু সুলভ হাৰত প্রচুৰ ঋণ পাইছিল—কাৰণ উঃ কোৰিয়া, চীন, প্রভৃতি ওচৰৰ সাম্যবাদী দেশৰ অর্থনীতিৰ লগত ফেৰ মাৰিব পৰাকৈ দঃ কোৰিয়া, টাইৱান আদি দেশৰ অর্থনীতি গঢ়ি তোলাত পশ্চিমীয়া সাম্রাজ্যবাদী পুঁজিৰ এক ৰাজনৈতিক স্বার্থ আছিল। কিন্তু বিশ্বৰ সকলোবোৰ অনুন্নত দেশৰ পুঁজিবাদী অর্থনীতি গঢ়াৰ ক্ষেত্রত পশ্চিমীয়া সাম্রাজ্যবাদী পুঁজিয়ে এনে উদাৰ ভূমিকা নলব। কাৰণ তেতিয়া বিশ্ব সাম্রাজ্যবাদে শোষণ কৰিব কাক?

অৰ্থাৎ সাম্ৰাজ্যবাদ বিৰোধী কাৰ্য্যসূচী নোলোৱাকৈ ভাৰতৰ দৰে অনুন্নত দেশে স্বাধীন পুঁজিবাদী অৰ্থনীতি গঢ়ি তোলাই টান হ'ব।

অসমৰ ক্ষেত্ৰতো চাব লাগিব যে অসমৰ অৰ্থ নৈতিক উন্নয়নৰ ধাৰা আৰু আছি কি হ'ব? দেশী-বিদেশী বৃহৎ পুঁজিৰ কমিছন খোৱা এজেণ্ট বা যোগানী হিচাপে কাম কৰিবলৈ গ'লে অসমীয়া পুঁজিপতি ব্যৱসায়ী এচামৰ লাভ হ'ব ঠিকেই। কিন্তু সমাজখনত পুঁজিবাদী অৰ্থনীতিৰ কৰ্মতৎপৰতা আৰু গতিশীলতা সঞ্চাৰিত নহ'ব। পুঁজি, উদ্যম, কৰ্মসংস্কৃতি, প্ৰভৃতি চৰ্ত প্ৰতিষ্ঠিত হোৱা সত্বেও বজাৰৰ অভাৱত আৰু অসমান প্ৰতিযোগিতাৰ ফলত স্বাধীন আঞ্চলিক পুঁজিৰ বিকাশ নহ'ব, সি পংগু হৈ পৰিব।

অৰ্থাৎ এইক্ষেত্ৰত আঞ্চলিক পুঁজিক আঞ্চলিক ৰাষ্ট্ৰব্যৱস্থাৰে ৰক্ষণাবেক্ষণ দিব লাগিব। বাহিৰৰ পণ্যত কিছু বাধা নিষেধ আৰোপ কৰি, স্থানীয় পণ্যক কিছু অতিৰিক্ত সা-সুবিধা দি, পৰিকল্পিত আৰু প্ৰণালীবদ্ধভাৱে সেই ৰাষ্ট্ৰব্যৱস্থাই আঞ্চলিক পুঁজিবাদী বিকাশক পুষ্ট আৰু সবল কৰিব লাগিব। ভাৰতীয় সংবিধানৰ বৰ্তমান ৰূপত কেন্দ্ৰ-ৰাজ্য সম্পৰ্ক যেনেকুৱা, তাত এনেধৰণৰ হস্তক্ষেপ সম্ভৱ নহ'ব। বৰং ৰাজ্যিক প্ৰশাসন বহু সময়ত বৃহৎ দেশী-বিদেশী পুঁজিৰ দালাল হ'বলৈ বাধ্য। অৰ্থনীতিবিদ সকলে এই দিশটোৰ প্ৰতি নজৰ দিয়া উচিত। পৃথিৱীৰ বিভিন্ন পুঁজিবাদী দেশৰ বিকাশৰ প্ৰথম পৰ্য্যায়ত তেনে ঘটনা ঘটিছে।

অসমীয়া পুঁজিবাদী শক্তিসমূহে অকলে সেই ৰাজনৈতিক যুদ্ধখন চলাব নোৱাৰে। তেওঁলোকে মধ্যবিত্তক লগত পালেও শ্ৰমজীৱী ৰাইজক নাপায়। ফলত বৰ জোৰ দেশী বিদেশী বৃহৎ পুঁজিৰ পৰা তেওঁলোকে কিছু অতিৰিক্ত সা-সুবিধা আদায় কৰিব পাৰে, কিন্তু স্বাধীন, সুস্থ, পুঁজিবাদী বিকাশৰ পথ মুকলি কৰিব নোৱাৰে।

আঞ্চলিক ৰাজনীতিৰ এই সীমাবদ্ধতা অতিক্ৰম কৰিবলৈ ভাৰত ব্যাপি শ্ৰমজীৱী সংগ্ৰামী জনগণৰ লগত অসমীয়া পুঁজিবাদী আৰু মধ্যবিত্ত জাতীয়তাবাদীৰ মিত্ৰতাৰ প্ৰয়োজন হ'ব। অৰ্থাৎ সমাজবাদী শক্তিৰ লগত মিত্ৰতাৰ প্ৰয়োজন হ'ব।

আনহাতে সমাজবাদী আন্দোলনেও সেয়ে একেকোবতে সমাজবাদর্শ অনাব কথা ভাবিব নোৱাবে—বিশেষকৈ স্থানীয় পুঁজিব দুর্বলতা য'ত প্রকট। এনে ক্ষেত্রত মাও ছেতুঙৰ New Democracy বা নব্য গণতন্ত্রৰ ধাৰণাটো বিশেষ ফলপ্রসূ হ'ব। কাৰণ সাম্রাজ্যবাদৰ নাগপাশৰ পৰা আৰু সামন্তবাদৰ শিকলিৰ পৰা মুক্ত দেশ এখন চিধাই সমাজবাদলৈ যাব পৰা টান। এটা পৰ্য্যায়লৈ সি পুঁজিবাদী উদ্যোগক বাধা নিদিয়ে, বৰং উদ্গণিহে দিব। লগে লগে সমাজবাদী উৎপাদনৰ ভিত্তিও গঢ়ি তুলিব লাগিব। অৱশ্যে এটা সময়ত পুঁজিবাদী শক্তি সঙ্কুচিত, বিলুপ্ত কৰা হ'ব।

পুঁজিবাদী শক্তিৰ বিকাশৰ বাবে যথেষ্ট অৱকাশ দিয়াৰ পিছতো ৰাষ্ট্ৰই তাৰ মুনাফা নিয়ন্ত্ৰণ কৰিব এনে পৰিবেশত। আন্তর্জাতিক বৃহৎ পুঁজিৰ বাহুগ্ৰাসৰ পৰা মুক্ত হ'বলৈ বৃহৎ সংখ্যক থলুৱা পুঁজিপতি আৰু ব্যৱসায়ী সেই ব্যৱস্থাত ৰাজী হ'ব যেন লাগে।

চিকাৰ তাঁতবাতিঃ

আজি কিছুদিনৰ পৰা এটা চিকা বাতি শোৱাৰ সময়ত আমাৰ ঘৰত সোমায় আৰু মুখেৰে বিচিত্ৰ আৱাজ কৰি ইমূৰৰ পৰা সিমূৰলৈ অনবৰত খপলিয়াই ফুৰে। কেতিয়াবা তীব্ৰ সুৰত, কেতিয়াবা নিম্নগ্ৰামত সি বেলেগ বেলেগ মাত উলিয়াই টোপনিৰ বাৰটা বজায়। হাই-হুইকৈ দাবি-ধমকি দি, চেকনিৰে ভপিনাত ছকোব বহুৱাই, পিছে পিছে শিশুপাল খেদা দি তাৰ মুখ বন্ধ কৰিব নোৱাৰিলোঁ। নীৰৱ নহ'ল তাৰ প্ৰতিবাদী কণ্ঠ।

বিছনাত শুই-শুই ভাবো, চিকাটোৱে কি message দিবলৈ বিচাৰে। হয়তো আমাৰ কোনো কোনো তৰুণ কবি টকাৰ গোন্ধ পাই মক্ষীৰাণী হোৱাৰ দৰে আমাৰ বাতিৰ আহাৰৰ এবেহাৰ গোন্ধত চিকামহাশয় মক্ষীয়া। হয়তো কোনো অৰ্দ্ধদগ্ধ পণ্ডিত কিবা নতুন তথ্য সন্ধান পাই তৰুণি উঠাৰ দৰে গৱেষক চিকাও মাছৰ টুকুৰা বা কলৰ বাকলিৰ আবিষ্কাৰত গভীৰ। হয়তো তৰুণতীৰ কিন্তু অপ্ৰাসংগিক উক্তিৰে পাঠকক

ইণ্ডেগ্রে'হু কৰিবলৈ বিচৰা উন্নাসিক গৰ্দভৰ দৰে চিকাৰো হয়তো আনৰ নেতৃৰত ধৰি বিভাবৈতৰণী পাৰ হ'ব খুজিছে। সে আমাৰ চিকাটি কোনো নেতাৰ আশাবাদী অনুচৰ?

কামাখ্যা আৰু পৰ্য্যটন শিল্প :

তাহানিখন কলিকতাত পঢ়ি থকাৰ সময়ত এগৰাকী আদহীয়া ভদ্ৰলোকৰ লগত চিনাকি হৈছিল। তেওঁ ব্যৱসায়ী কিন্তু শিক্ষিত মানুহ। অসমৰ পৰা অহা বুলি গম পাই তেওঁ অলপ থমকি ৰ'ল—বোধহয় অসমৰ বিষয়ে ক'ব পৰা কিবা কথা আছে নেকি, মগজুত খেপিয়াই চালে। বঙালী মানুহে সেই সময়ত অসমৰ বিষয়ে দুটা কথাই জানিছিল—অসমত খুব চাহ হয়, আৰু অসম "কামৰূপ কামাখ্যা"ৰ দেশ।

তেখেতে কামাখ্যাৰ কথাই ক'লে। কিন্তু সুপৰিচিত কথাৰ চৰ্বিত চৰ্বন নকৰি ক'লে যে কামাখ্যা দৰ্শনলৈ আহি তেখেতৰ মন বহুদিনলৈ জুৰ পৰি আছিল। তেখেত যি ঘৰ পাণ্ডাৰ ঘৰত উঠিছিল তেওঁলোকৰ আচৰণৰ আভিজাত্যই তেখেতক মুগ্ধ কৰিছিল। পাণ্ডাজনৰ সুশ্ৰী চেহেৰা, মাৰ্জিত কথা-বতৰা, আৰু মৰ্যাদাপূৰ্ণ আচৰণ তেওঁ ভাৰতৰ আন কোনো তীৰ্থৰ পাণ্ডাৰ ক্ষেত্ৰত পোৱা নাছিল। তেওঁলোকে একো দাবী নকৰাকৈয়ে পাণ্ডাজন আৰু তেওঁৰ পৰিয়ালৰ পৰা সম্ভৱপৰ সকলো সহায় আৰু সেৱা পাইছিল। বিনিময়ত "কিমান দিবলাগিব" বুলি সোধাত সবিনয়ে কৈছিল—"আপোনাৰ যি ইচ্ছা, তাকে দিয়ক, আমি তাতেই সন্তুষ্ট হ'ম।"

কথাটো শুনি অসমৰ মানুহ হিচাপে মই গৰ্ব অনুভৱ কৰিছিলোঁ। আৰু কথাটো যে আখৰে আখৰে সঁচা আছিল বিগত প্ৰজন্মৰ সৰহভাগ লোকেই জানে। এইটো আচলতে এটা ঐতিহ্য।

কিন্তু সেই ঐতিহ্য বজাই ৰাখিবলৈ কিবা চেষ্টা আছেনে? এতিয়াৰ কামাখ্যাবাসী সকলে ভাবি চাওক, কামাখ্যাখন ভাৰতৰ আন বহু তীৰ্থৰ দৰে এখন লেতেৰা আৰু বেপাৰী ঠাই হৈ পৰিলে কামাখ্যাৰ আগৰ মান থাকিবনে? অলপতে কামাখ্যালৈ গৈ মই ইপিনে-সিপিনে টহলি ফুৰিছিলোঁ।

গছ গছনি বহুত নভবা নিচিন্তাকৈ কটাইপ্ৰাকৃতিকশোভা নষ্ট কৰি পেলোৱা হৈছে। য'তে ত'তে ঘৰ তুলিও ঠাইখনৰ শোভা নষ্ট কৰা হৈছে—পাহাৰৰ লগত খাপখোৱা ধৰণে ঘৰবোৰ সজা হোৱা নাই। নলা-নৰ্দমাবোৰ পৰিষ্কাৰকৈ ৰখা হোৱা নাই। বাহিৰৰ তীৰ্থবোৰৰ দৰে পাণ্ডাসকল এতিয়াও নিৰ্লজ্জ হৈ পৰা নাই। কিন্তু আচাৰ-আচৰণ আগতকৈ কিছু কক্ষ আৰু অভদ্ৰ।

বাস্তবিকতে কাকতত প্ৰকাশ যে পৰ্য্যটন কেন্দ্ৰ হিচাপে কামাখ্যাৰ উন্নয়নৰ বাবে চৰকাৰে ধন বিনিয়োগ কৰিব। কিন্তু খুব সম্ভৱ তাৰ ফলত ঠিকাদাৰৰ ৰামৰাজ চলিব, দুৰ্নীতিৰ পয়োভৰ হ'ব, অধে-মধে এবছৰতে বহুত বস্তু সাজি দিব যিবোৰ দুদিনতে নষ্ট হৈ যাব। এনে কাণ্ড যাতে নহয় তাৰ বাবে সুব্যৱস্থা লব লাগিব। কামাখ্যাৰ পুৰণা খটখটি হেনো মাৰ্বলেৰে বন্ধোৱা হ'ব। এইটো ইতিহাসৰ বিৰুদ্ধে এটা অপৰাধ। অসমৰ মঠ মন্দিৰৰ লগত কাহানিও মাৰ্বলৰ সম্পৰ্ক নাই। পুৰণা যিটো বাট আছে তাৰ খটখাটি কোন দূৰ অতীতত নিৰ্মিত হৈছিল কোনেও নাজানে। তাকে ভালকৈ মেৰামতি কৰি যাত্ৰীৰ সুবিধা হোৱাকৈ গঢ়াই দিব পাৰিলেহে অতীতৰ সম্পদৰ প্ৰতি সন্মান দেখুৱা হ'ব। সেইটো কৰিবলৈ যাওঁতে পুৰণা খটখটিৰ লগত মিলা শিল আদি সামগ্ৰী ব্যৱহাৰ কৰা উচিত হ'ব।

কামাখ্যাৰ উন্নয়নৰ বাবে তাৰ প্ৰাচীন প্ৰাকৃতিক শোভা ৰক্ষা কৰা আত প্ৰয়োজন। নতুন ঘৰবাৰীও তেনেকৈয়ে সজা যুগুত। ইয়াৰ বাবে গুৱাহাটীৰ কোনো দক্ষ স্থপতিৰ (architect) পৰামৰ্শ লোৱা ভাল হ'ব। বনানি সংৰক্ষণৰ বাবে, পাৰিষ্কাৰ আৰু ধুনীয়া খোৱা পানীৰ কল য'ত ত'ত সাজি দিবৰ বাবে, পাণ্ডা সকলৰ ঘৰত যাত্ৰীৰ বিশ্ৰামগৃহ দিবৰ বাবে, মন্দিৰ চাৰিচকুন বাখিবৰ বাবে, পুখুৰী কেইটাক নৰ্দমাৰ পৰা পদুমফুল ফুলা চালে চকুৰোৱা সৰসিত পৰিণত কৰিবলৈ, স্থপতিৰ উপৰিও আন বিশেষজ্ঞৰ সহায় লোৱা উচিত।

কামাখ্যা উন্নয়নৰ দায়িত্ব কামাখ্যাৰ ডেকা সকলেই লওক। যেওঁলোকে বয়োবৃদ্ধ জ্ঞানী স্থানীয় ভদ্ৰলোক এজনক সভাপতি পাতি থাইকে ডেকা

মানুহবে এখন উন্নয়ন পৰিষদ গঠন কৰক। স্থপতি (architect) আৰু অন্যান্য বিশেষজ্ঞৰ পৰামৰ্শ লওক। উন্নয়নৰ কামত তেওঁলোকে চকু ৰাখক যাতে ভুলভ্ৰান্তি বা দুৰ্নীতি দূৰ হ'ব পাৰে। কামাখ্যাৰ যথাযথ উন্নতি হ'লে কামাখ্যাবাসীৰ জীৱন যে অধিক সহজ আৰু আৰামদায়ক হ'ব তেনে নহয়, তেওঁলোকৰ অৰ্থনৈতিক উন্নতিও ঘটিব। চৰকাৰেও কেইজনমান মানুহবে এখন পৰিষদ গঠন কৰি ধাৰ্য্য ধনখিনি সম্পূৰ্ণ পৰিষদৰ হাতত জমা দিয়ক— কেৱল ঠিকমতে audit কৰাই থাকিব। পৰিষদত স্থানীয় উন্নয়ন পৰিষদৰ দুজন নিৰ্বাচিত সদস্য ৰাখিব লাগে—এবছৰীয়া বা দুবছৰীয়া কাৰ্য্যকালেৰে।

এতিয়া উন্নয়ন এনে জখে-মখে হৈছে যে ইতিহাস প্ৰসিদ্ধ প্ৰাচীন তোৰণখনৰ ওচৰতে প্ৰস্ৰাবাগাৰ সাজি মানুহ তাৰ ওচৰ চাপিব নোৱাৰা কৰি থৈছে !!

(জুন ১৯৯২, আজিৰ অসম)

বাবৰি মছজিদ প্ৰসংগ, অসমত সাম্প্ৰদায়িক 'হাংগামা' মেডিকেল কলেজৰ ঘটনাটোৰ কি হ'ল ?

বাবৰি মছজিদ ভঙাৰ দুদিনমান আগতে বিজেপি দলৰ সভাপতি ডঃ মুৰলী মনোহৰ যোশীয়ে অযোধ্যাৰ মুছলমানসকলক উদ্দেশ্য কৰি কৈছিল : তেওঁলোকে বুজা উচিত যে বাবৰি মছজিদ হৈছে হিন্দু পৰাধীনতাৰ (Subjugation) নিদৰ্শন। তেওঁৰ সেই ভাষণ শুনিবলৈ কোনো মুছলমান উপস্থিত আছিল নে নাই সন্দেহ। বেছিভাগেই প্ৰাণ লৈ অযোধ্যাৰ পৰা পলায়ন কৰিছিল।

বাবৰি মছজিদ সম্পৰ্কে বিজেপিয়ে প্ৰচাৰ কৰা উপখ্যানৰ ই অন্যতম নমুনা। ভাৰত আক্ৰমণ কৰা মুছলমান জাতিসমূহ যেনেকৈ এক ধৰ্মাৱলম্বী হলেও এক জাতি নাছিল (এক জাতি হোৱা হ'লে শেষ হাহে মোগলৰ হাতৰ পৰা ৰাজ্য কাঢ়ি লবলৈ চেষ্টা নকৰিলেহেঁতেন, বাবৰেও দিল্লী আক্ৰমণ নকৰিলেহেঁতেন), তেনেকৈ হিন্দু ধৰ্মাৱলম্বী ভাৰতীয়সকলেও এক হিন্দু জাতি বুলি নিজকে ভবা নাছিল। তেনেদৰে ভবা হ'লে আকবৰৰ অধীনত মানসিংহ সেনাপতি হৈ আকবৰৰ বাবে আন হিন্দু ৰাজ্য জয় নকৰিলেহেঁতেন, অথবা পিছলৈ মহাৰাষ্ট্ৰীয় সেনাবাহিনীয়ে সমগ্ৰ উত্তৰ ভাৰতত অত্যাচাৰ আৰু লুণ্ঠন নচলালেহেঁতেন।

ধৰি লোৱা যাওক, বাবৰৰ আক্ৰমণৰ সময়ত সমগ্ৰ ভাৰত জুৰি এক ধৰ্ম আৰু সভ্যতাৰ উপৰিও এক জাতীয় চেতনা বিয়পি আছিল। দ্বিতীয়তে ধৰি লোৱা যাওক যে বাবৰে (আচলতে বাবৰৰ সেনাপতি মিৰ বাকিয়ে) এটা হিন্দু মন্দিৰ ভাঙি তাৰ ওপৰতে এটা মছজিদ সাজিছিল। তথাপি প্ৰমাণ নহয় যে মছজিদটো আজিৰ দিনতো হিন্দু পৰাধীনতাৰ নিদৰ্শন। কাৰণ আজিৰ ভাৰতত মুছলমানে হিন্দুৰ ওপৰত শাসন চলাই থকা নাই। সাম্প্ৰতিক ভাৰতত মুছলমানৰ অৰ্থনৈতিক বা ৰাজনৈতিক ক্ষমতা অতি

নগণ্য। সেয়ে চাবিশ বছবৰ আগৰ এটা ঘটনাৰ প্ৰতিশোধ বা ক্ষতিপূৰণ আজি বিচৰাৰ কোনো অৰ্থ থাকিব নোৱাৰে।

এনেদৰেই বিজেপিয়ে কেতবোৰ কাল্পনিক আৰু প্ৰতীকী ঘটনাৰ সহায়েৰে ভাৰত জুৰি অন্ধ ভাবাবেগৰ জোৱাঁৰ আনিছে। সেই জোৱাঁৰৰ আঘাতত খহি পৰিছে ভাৰতৰ ৰাষ্ট্ৰৰ ধৰ্মনিৰপেক্ষতা আৰু গণতন্ত্ৰৰ দেৱাল। আযোধ্যাৰ ঘটনাৱলীৰ বাবে, তাৰ পৰিণামত ভাৰত জুৰি হোৱা হত্যালীলা উন্মত্ত হিংসা হতাশা, বিদ্বেষৰ বিস্ফোৰণৰ বাবে, বিজেপিৰ দায়িত্বই সৰ্বাধিক।

এতিয়া বিজেপিৰ নেতাসকলে কৈছে যে বাবৰি মছজিদ ভঙা কথাটো "দুৰ্ভাগ্যজনক" আৰু তাৰ "নৈতিক দায়িত্ব" তেওঁলোকৰে। কেৱল "নৈতিক দায়িত্ব"নে হে? অযোধ্যালৈ ৰথযাত্ৰা কৰিছিল কোনে? মন্দিৰ নিৰ্মাণ কমিটীত তেওঁলোক আছে নে নাই? কৰ সেৱাৰ নেতৃত্বৰ তেওঁলোক অংশীদাৰ হয় নে নহয়? এইবোৰ কথাৰ পৰা প্ৰমাণ হয় যে কাৰ্য্যকৰী দায়িত্ব তেওঁলোকে এৰাই যাব নোৱাৰে।

বহু দীঘলীয়া আলাপ-আলোচনাৰ পিছত বিজেপি দলেও ৰাজহুৱাভাৱে মানি লৈছিল যে বাবৰি মছজিদ ভঙাৰ কোনো সকাম নাই। তেওঁলোকে কেৱল তাক স্থানান্তৰিত কৰাৰ দাবীহে জনাইছিল। সৰ্বোচ্চ ন্যায়ালয়ৰ নিৰ্দেশো তেওঁলোকে গ্ৰহণ কৰিছিল। কিন্তু যেতিয়া তেওঁলোকৰ প্ৰধান প্ৰধান নেতাৰ চকুৰ সমুখতে ৯ ঘণ্টা ধৰি বাবৰি মছজিদৰ গম্বুজ কেইটা ছাবল-হাতুৰি-ছিপৰাং লৈ ভঙা হৈছিল, তেওঁলোকে বাধা দিবলৈ চেষ্টা কৰিছিলনে? কৰা নাছিল। অৰ্থাৎ তেওঁলোকৰ প্ৰধান নেতাসকল কাপুৰুষ আৰু ভণ্ড বুলি প্ৰমাণিত হ'ল।

কল্যাণ সিঙৰ বিজেপি চৰকাৰে মছজিদৰ চাৰিওপিনে চাৰিহেজাৰ চিআৰ পি সৈন্যকৈ ৰখা বুলি ঘোষণা কৰি প্ৰকৃততে ৮০/৯০ জনমানহে ৰাখিছিল। মছজিদ ভঙাৰ দুদিন আগতেই 'টাইমছ অব ইণ্ডিয়া' কাকতৰ এজন ৰিপ'ৰ্টাৰে কথাটো লক্ষ্য কৰিছিল। অৰ্থাৎ কেন্দ্ৰীয় চোৰাংচোৱা বিভাগেও কথাটো লক্ষ্য কৰি কেন্দ্ৰীয় চৰকাৰক নিশ্চয় জনাইছিল। অথচ মছজিদটো ৰক্ষা কৰিবলৈ

কেন্দ্ৰীয় চৰকাৰে কোনো ব্যৱস্থা নল'লে। আমাৰ দৰে ধাৰণা যে কেন্দ্ৰীয় চৰকাৰৰ অনুমতি আৰু পৰোক্ষ সম্মতিক্ৰমেই ঘটনাটো ঘটিছে। ন ঘণ্টা ধৰি চলিছিল ধ্বংস কাৰ্য্য। আৰম্ভ হওঁতেই কল্যাণ সিং চৰকাৰৰ পদচ্যুত কৰি দ্ৰুতবেগে সেনাবাহিনী বা নিৰাপত্তা বাহিনীক অযোধ্যাত পৌছাই দি মছজিদ ৰক্ষা কৰিব পাৰিলেহেঁতেন। বা তাৰ আগতেও উত্তেজিত পৰিৱেশত ইমান বিশাল জনসমাগম হ'বলৈ নিদিয়াকৈ থাকিব পাৰিলেহেঁতেন। যি চৰকাৰে এনে সাধাৰণ কাণ্ডজ্ঞান প্ৰদৰ্শন কৰিব নোৱাৰে, দেশ শাসনৰ অধিকাৰ তাৰ আছে নে? বিৰোধী দল সমূহে সেয়ে ৰাও চৰকাৰৰ পদত্যাগ দাবী কৰি ভালেই কৰিছে।

কিন্তু কেন্দ্ৰীয় চৰকাৰৰ এই শিথিলতাৰ কাৰণ অকৰ্মণ্যতা নে কিবা ৰাজনীতি? বহুতে ভাবে যে বিজেপি দলৰ লগত কেন্দ্ৰত ইন্দিৰা কংগ্ৰেছ দলৰ এটা গোপন বুজাবুজি আছে। মন্দিৰ-মছজিদ লৈ হোৱা উত্তেজনাৰ নিৰ্বাচনী সুফল দুয়োদলে ভগাই ল'ব খুজিছিল। ধৰ্মান্ধ হিন্দু ভোট বিজেপিৰ ভাগত আৰু সংখ্যালঘু ভোট ইন্দিৰা কংগ্ৰেছৰ। কিন্তু মন্দিৰ ভঙাৰ আঁচনি ইন্দিৰা কংগ্ৰেছৰ হিচাপত নাছিল। বিজেপিয়ে সেই পৰিকাম বন্ধ কৰিব নোৱাৰাত ইন্দিৰা কংগ্ৰেছ শিবিৰত খেলিমেলি লাগিল। তেওঁলোকে বিজেপিৰ লগত বুজাবুজি নষ্ট কৰিব নোৱাৰে, গুলীচালনাও কৰিব নোৱাৰে, আৰু মছজিদ ভঙাও মানিব নোৱাৰে। অৱশেষত (আমাৰ অনুমান) মছজিদ ভঙা মানি লৈ পুনৰ তাক নিৰ্মাণ কৰাৰ আশাৰে। এইধৰণেই ন ঘণ্টা ধৰি ধৰ্মৰ নামত ধ্বংসযজ্ঞ হ'বলৈ সুবিধা দিয়া হ'ল। কিন্তু চুক্তি ভংগ কৰা বাবে বিজেপি-ক "জাতিৰ প্ৰতি (ইন্দিৰা কংগ্ৰেছৰ প্ৰতি?) বিশ্বাস-ঘাতকতা" কৰা অভিযোগত অভিযুক্ত কৰিলে। সি যি নহওক ৰাও চৰকাৰৰ এই ভূমিকাই সংখ্যালঘু সকলক সন্তুষ্ট নকৰিলে। দেশ জুৰি প্ৰকাণ্ড বিক্ষোভৰ ধুমুহা বৈ গ'ল। বিজেপি নেতাসকল গ্ৰেপ্তাৰ হোৱাত আৰু কোনো কোনো ঠাইত বিক্ষোভ হিন্দু সম্প্ৰদায়ৰ ওপৰত আক্ৰমণত পৰিণত হোৱাত বিজেপিৰ প্ৰভাৱ নিঃশেষ হৈ নগ'ল।

বিচিত্ৰ কথা যে ভাৰতৰ প্ৰধান ৰাজনৈতিক দলেও সংখ্যালঘু সকলক

লৈ নিকৃষ্ট বিধৰ ৰাজনীতি কৰি আছে। তেওঁলোকৰ উদ্ভিন্ন আৰু আতংকিত কৰি নিৰ্বাচনী ফয়দা উঠোৱাৰ কৌশল আজিৰ নহয়। কিন্তু এসময়ত তাৰ যি ফলাফল আছিল, আজিৰ পৰিস্থিতিত তেনে ফলাফল নিশ্চিত নহয়। বৰং সাম্প্ৰদায়িক বিবাদ বা উত্তেজনাৰ সুযোগ ল'বলৈ উগ্ৰ হিন্দু আৰু উগ্ৰ মুছলমান সংগঠন এতিয়া সাজু। ইন্দিৰা কংগ্ৰেছে সৃষ্টি কৰা পৰিস্থিতি ব্যৱহাৰ কৰি দেশ তথা জনগণক আৰু নিবিড় অন্ধকাৰত নিমজ্জিত কৰে তেওঁলোকে।

ৰাজীৱ গান্ধীৰ দিনতে ইন্দিৰা কংগ্ৰেছে এই শিক্ষা পাইছিল। ৰাম মন্দিৰৰ শিলান্যাস কৰি শেষত বিজেপিৰ হাতত প্ৰচণ্ড মাৰ খালে ইন্দিৰা কংগ্ৰেছে। তথাপি সেই ক্ষতিকৰ কাৰ্য্যপন্থাকে আঁকোৱালি লৈ আছে ইন্দিৰা কংগ্ৰেছে। তাৰ কাৰণ এয়ে যে "গৰীবী হটাও", "২০ দফীয়া কাৰ্য্যসূচী" আদি ফুটুকাৰ ফেন হোৱাৰ পিছত জনসমৰ্থন লাভৰ বাবে কংগ্ৰেছৰ হাতত আন একো অস্ত্ৰ আৰু নাই। কংগ্ৰেছ (ই) মতাদৰ্শৰ দিনৰ পৰা সম্পূৰ্ণ দেউলীয়া হোৱাৰ আন প্ৰমাণ আৰু নালাগে।

অসমত সাম্প্ৰদায়িক 'হাংগামা':

"দাংগা হাংগামা" শব্দ দুটা অসমীয়া ভাষাত নাছিল, কাৰণ তেনে সাম্প্ৰদায়িক সংঘৰ্ষ অসমীয়া সমাজত অপৰিচিত আছিল। নেলীৰ ঘটনাক স্থানীয় মানুহে "যুদ্ধ" বুলি কৈছিল, যদিও এনে "যুদ্ধ"ত নিহত "শত্ৰু" বেছিভাগেই আছিল শিশু, বৃদ্ধ আৰু নাৰী। এতিয়া দেখা গৈছে যে সমাজৰ ভিতৰত এনে হিংস্ৰ, ৰক্তাক্ত সংঘৰ্ষ নিয়মিত ঘটনা হৈ পৰিব পাৰে। "দাংগা" শব্দটো অসমীয়া ভাষাৰ অন্তৰ্ভুক্ত হ'ব এতিয়া।

নেলীৰ ঘটনা যিমানেই পৈশাচিক আৰু হিংস্ৰ নহওক, সি দাংগা নাছিল। হত্যাকাৰী উন্মত্ত অসমীয়া জনতাই ভাবিছিল যে অসমৰ বিদেশী শত্ৰুক ধৰাৰ এয়ে উপায়। দাংগা হৈছে ৰাজনৈতিক উদ্দেশ্যে আয়োজিত সীমিত ধ্বংস কাৰ্য্য আৰু হত্যালীলা, যদিও দেখাত সি স্বতঃস্ফূৰ্ত।

অসমত “ৰাবৰি মছজিদ” বা “ৰাম জন্মস্থান” দূৰৰ কথা। তাকে লৈ ইয়াত তুমুল উত্তেজনা হোৱাৰ সম্ভাৱনা নাই। কিন্তু পমুৱা মুছলমান আৰু শৰণাৰ্থী বঙালীৰ মাজত বিদ্বেষ, ঘৃণা আৰু জিঘাংসা বিদ্যমান বহু। সম্প্ৰতি এই দুই সম্প্ৰদায়ৰ মাজত বিশেষকৈ নগাঁও জিলাত বেছ কিছুদিন ধৰি উত্তেজনা চলি আছিল। উত্তেজনাৰ কাৰণ ধৰ্মীয় নহয়, অৰ্থনৈতিকহে। এতিয়া বাবৰি মছজিদ হৈ পৰা উত্তেজনাত এটা সোণালী সুযোগ পাই গ'ল। এনেধৰে সুযোগ ল'বলৈ তেওঁলোক তালমাৰি প্ৰস্তুত আছিল। অৰ্থাৎ তলে তলে এচাম লোকৰ মাজত কিছু প্ৰস্তুতি আৰু আয়োজন নিৰন্তৰ চলি আছিল।

বিৰোধী দলসমূহৰ গজাতী দলে শৰণাৰ্থী শিবিৰত গৈ শুনিলে যে নগাঁও আৰু হোজাইৰ আৰক্ষী বিষয়া দুজনক বদলি কৰিব লাগে বুলি দায়িত্বশীল চৰকাৰী বিষয়াই চৰকাৰৰ ওচৰত ৰিপ'ৰ্ট দিছিল। এই দুগৰাকী বিষয়াৰ প্ৰশ্ৰয়তে সাম্প্ৰদায়িক শক্তি প্ৰবল হৈ উঠা বুলি অভিযোগ উঠিছে। কিন্তু এওঁলোকৰ খুঁটি ইমান শকত যে বদলি কৰা নহ'ল। প্ৰশ্ন উঠে এওঁলোকৰ এই ভূমিকাৰ বাবে প্ৰকৃততে কোন দায়ী?

শৰণাৰ্থী শিবিৰৰ পৰা আৰু কেইবাটাও চমকপ্ৰদ অভিযোগ উঠিছে। কোনোৱে কৈছে চেকেৰা, ভেৰভেৰি আদি গাঁৱত গাঁৱৰ ঘৰ জ্বলি ভস্মীভূত হোৱাৰ ২৪ ঘণ্টা পিছলৈকে কোনো চৰকাৰী বিষয়া খবৰ লবলৈ অহা নাই। (এজন ধনী মুছলমান ব্যৱসায়ীয়ে তেওঁলোকৰ থকা-খোৱাৰ ব্যৱস্থা কৰি দিছে—মানৱতা পুৰি ছাই হৈ যোৱা নাই।) ডবকা থানাত হেনো প্ৰশাসনৰ উচ্চ পৰ্য্যায়ৰ বিষয়া আহি বহি থকা অৱস্থাতে একদল উন্মত্ত জনতা আহি গাঁও আক্ৰমণ কৰি কটা-মৰা, জুই জ্বলোৱা ইত্যাদি কৰিছে। প্ৰশাসন নিষ্ক্ৰিয়। মুখ্যমন্ত্ৰী শিবিৰলৈ গৈছে, কিন্তু হেনো ধ্বংসাৱশেষ বা হত্যালীলাৰ ক্ষেত্ৰ পৰিদৰ্শন কৰিবলৈ নগ'ল। অৰ্থাৎ পৰিস্থিতিৰ প্ৰকৃত আভাস তেওঁ পোৱা নাই।

এনেবোৰ প্ৰশ্নৰ উত্তৰ এক উচ্চ পৰ্য্যায়ৰ ন্যায়িক তদন্ত পৰাহে ওলাব। আমি আৰু আশা কৰোঁ যে নগাঁৱৰ নিৰপেক্ষ ন্যায়নিষ্ঠ নাগৰিক সকলৰ

হেঁচাত এনে এটা তদন্ত অনুষ্ঠিত হ'ব আৰু ক্ষিপ্ৰ গতিত তাৰ কাম চলিব। ঘটনাৰ বিৱৰণ শুনি ধাৰণা নহয় যে এইবোৰ স্বতঃস্ফূৰ্ত ক্ষোভৰ উদগীৰণ; বৰং বিশেষ পৰিকল্পনা আৰু ৰাজনৈতিক লক্ষ্যৰে কাম বিলাক কৰা হোৱা যেন লাগে। কাৰ পৰিকল্পনা আৰু কি পৰিকল্পনা ?

বাবৰি মছজিদ ভঙাটো যিমানেই ঘৃণনীয় নহওক, তাৰ চেলু হিচাপে লৈ ইছলামী ধৰ্মান্ধতাৰে মন্দিৰ ভঙা, মানুহ মৰাত প্ৰশ্ৰয় দিয়াৰ প্ৰশ্ন নুঠে। ভাৰতৰ ধৰ্মনিৰপেক্ষতাৰ প্ৰতি ইও এক ডাঙৰ বিপদ যেতিয়া এইবিধ অসংগলকো কঠোৰহস্তে দমন কৰিব লাগিব।

বাঁও গণতান্ত্ৰিক শক্তি সমূহে চৰকাৰী সুবিধাবাদ আৰু দুই ধৰ্মীয় মৌল-বাদৰ বিৰুদ্ধে অভিযান চলালেহে দেশ তথা জনগণৰ ঐক্য আৰু গণতন্ত্ৰ ৰক্ষা পৰিব। নতুবা শাসক শ্ৰেণীৰ স্বাৰ্থত সাধাৰণ মানুহক ক্ৰমে পশুত পৰিণত কৰা হ'ব। পাশৱিকতাৰ বাহিৰে আন ধৰ্ম অসমত আৰু নাথাকিব।

মেডিকেল কলেজৰ ঘটনাটোৰ কি হ'ল ঃ

মুখ্যমন্ত্ৰীয়ে এই আঁউসীৰ বতৰতো মন্ত্ৰীসভাৰ প্ৰসাৰণ ঘটাইছে। কিন্তু যথেষ্ট "বাহিনী" (forces) নথকা বাবে ব্যাপক লুণ্ঠন আৰু হত্যাকাণ্ডত বাধা দিব পৰা নাই। বিশ্বাস কৰিবলৈ টান হয়।

যোৱা ২৬ নৱেম্বৰৰ দিনা গুৱাহাটীৰ ১৬ জন বিশিষ্ট নাগৰিকে মুখ্য-মন্ত্ৰীৰ নিমন্ত্ৰণক্ৰমে মেডিকেল কলেজৰ অচলাৱস্থাৰ অৱসান ঘটাবলৈ মুখ্য-মন্ত্ৰীৰ লগত আলোচনা কৰিলে।

মুখ্যমন্ত্ৰীৰ লগত তিনিজন কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰী আৰু মুখ্য সচিব। এখন চুক্তি হ'ল য'ত মুখ্যমন্ত্ৰীয়ে স্বয়ং স্বাক্ষৰ কৰিলে। আজি ৯ ডিচেম্বৰ। আজিলৈ চুক্তিখনৰ এটা চৰ্তও চৰকাৰে মনা বুলি চৰকাৰীভাৱে বিজ্ঞপ্তি দিয়া নহ'ল। আলোচনাৰ সময়ত মই এনেদৰে কৈছিলোঁ: "জনসাধাৰণৰ বিশ্বাস অলপ হ'লেও ৰখা ভাল।" প্ৰথমে ভাবিছিলোঁ সেয়াই যেহি কৰা হ'ল। এতিয়া দেখিছোঁ, কোনো দায়িত্ব আৰু কাৰো নিচিনে।

(ডিচেম্বৰ ১৯৯২, আজিৰ অসম)

চিকিৎসা মহাবিদ্যালয়ৰ ধৰ্মঘটৰ এটা পোষ্টমৰ্টেম পৰীক্ষা ইত্যাদি

অৱশেষত সকলোকে স্বস্তি আৰু শান্তি দি চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ ধৰ্মঘটৰ সাময়িকভাৱে ওৰ পৰিছে। চৰকাৰে প্ৰতিশ্ৰুতি-সমূহ ৰক্ষা কৰিলে ধৰ্মঘট সম্পূৰ্ণ প্ৰত্যাহাৰ কৰা হ'ব। বহুত আগতেই চৰকাৰে ছাত্ৰ-ছাত্ৰীসকলৰ ন্যায্য দাবীৰ প্ৰতি ইতিবাচক মনোভাৱ লোৱা হলে ছাত্ৰ-ছাত্ৰী আৰু ৰোগী সকলৰ ইমান ক্ষতি নহ'লহেঁতেন। কিন্তু চৰকাৰৰ সন্মান সম্পৰ্কে মুৰব্বী সকলে এক অবাস্তৱ দৃষ্টিভংগী লোৱা বাবে আন্দোলনটো দীঘলীয়া হবলগীয়া হ'ল। চৰকাৰে দুই লগায় আৰু ৰাইজে ভুগাবলগীয়া হয়—এই অৱস্থিতিৰ ঘটনাচক্ৰৰ ওৰ পৰিব কেতিয়া?

চিঠিপত্ৰ, বিবৃতি, আলাপ-আলোচনা, তৰ্কবিতৰ্ক, সভাসমিতি আদিত মোৰ নিজৰো বহু সময় গ'ল। বিভিন্ন ৰাজনৈতিক শক্তিয়ে আন্দোলনটো 'হাইজেক' কৰিবলৈ বিচৰাত কৌশলেৰে বাধা দিবলগীয়া হ'ল। ফলত ঠোঁট মুখ চেলেকি তেওঁলোকে চৰকাৰী মহলৰ লগত সুৰ মিলাই হোৱা দিছে: সৌহাইৰ পৰিচিতি লাগে, সেয়ে তেওঁ মেডিকেল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ লগ লাগিছে !! সেই নীৰৱ সাধক সকলে পাহৰি গৈছে যে আন্দোলনৰ উগ্ৰমূৰ্তিৰ সন্মুখত তেওঁলোক নীৰৱ হৈ থকা সময়তো আমি একে ধৰণে "পৰিচিতি" বিচাৰিছিলোঁ। ধূৰ্তামি যেতিয়া মূৰ্খামিত পৰিণত হয়, ধূৰ্তৰ মুখা নিজে নিজেই খোল খায়।

ৰাজহুৱা কাম-কাজৰ এটা অসুবিধা এয়ে যে কোনো এক যুক্তিযুক্ত কথাও বিভিন্ন মহলক মনাবলৈ সময় লাগে। তাৰ সুবিধা এয়ে যে সমস্যা সমাধানত বিভিন্নজনৰ চিন্তাশক্তি আৰু বিশ্লেষণ একেলগ হয়। তাৰ বিপদ অনৈক্যত, তাৰ বল ঐক্যত।

মতভেদ এই ক্ষেত্ৰত স্বাভাৱিক। 'ধানটোৱে পতি কপটো, মানুহটোৱে পতি মনটো।' কিন্তু মতভেদৰ অনৈক্যত পৰিণত কৰিবলৈ চৰকাৰ পক্ষৰ কূটকৌশলৰ অন্ত নাছিল। মাজতে কেতবোৰ দুষ্ট মনৰ সাংবাদিকে খবৰ

সৃষ্টি কৰিলে যে ছাত্ৰ সন্থাৰ লগলাগি মই এক নতুন দল খুলিবলৈ লৈছোঁ! দেখি আচৰিত হৈছিলোঁ যে সেই বিষাক্ত টোপটো আমাৰ শিবিৰৰে দুই-এক গিলিছিল। ভাগ্যে সৰ্বসাধাৰণ ছাত্ৰ আৰু বাহিৰৰ সুবুদ্ধি আৰু সুবিবেচনাৰ বাবে কৌশলটো ভোটা হৈ গ'ল। স্বাৰ্থচিন্তাৰ সামান্য অনুপ্ৰবেশে সমূহীয়া ত্যাগ, প্ৰেৰণা, সংকল্প, সহযোগিতাত কেনে ঘূণ ধৰাব পাৰে, হাতেকামে শিক্ষা পালোঁ।

চৰকাৰপক্ষৰ কেতবোৰ চালিবাজীয়ে প্ৰথমে আমাক বিভ্ৰান্ত আৰু বিক্ষুব্ধ কৰিছিল। চৰকাৰী প্ৰেছ বিজ্ঞপ্তি (Press Notification) এখন প্ৰকাশ কৰিম—কৰিম বুলি পূৰা এমাহ সময় ল'লে—তাকো আমি সাংবাদিক মেল পাতি অলপ টাটকা পাব্লিচিটি দিয়াৰ ফলত। (চৰকাৰে পাব্লিচিটি নিবিচাৰে। কিয়, সেইটো সহজবোধ্য !) শেষত তাকো কিছুমান কাকতত হে দিয়া হ'ল। সি যি নহওক, বাকীবোৰ ক্ষেত্ৰত পদক্ষেপ ঠিকমতে হৈছে। আশাকৰো তদন্ত আদি ক্ষেত্ৰত শেষ মুহূৰ্তত খুচুৰা সংশোধন চলোৱাৰ দুৰ্বুদ্ধি চৰকাৰে পৰিত্যাগ কৰিব। নানা কায়দা কৰি আমাক আকৌ এতিয়া মুখ্যমন্ত্ৰীৰ এজেণ্ট সজোৱাৰ চেষ্টা চলিছে। যেনে, কিছুমান সভা-সমিতিলৈ মুখ্যমন্ত্ৰীক নিমন্ত্ৰণ কৰি আমাকো তাৰ লগত জড়িত কৰাৰ অপচেষ্টা চলাইছে কিছুমান মহলে। এনেবোৰ টাং-টিঙালি কৰি লাভ নাই। আমাৰ মূৰ বিক্ৰী যোৱা নাই, আৰু প্ৰচাৰ বিশেষজ্ঞ সকলেও দিনক ৰাতি কৰা মস্কিল হ'ব।

কেতবোৰ অতিবিপ্লৱীৰ আস্ফালনেও বিভ্ৰান্তি সৃষ্টি কৰে। চিকিৎসা মহাবিদ্যালয়ৰ আন্দোলনে আন যি নহওক মুখ্যমন্ত্ৰীক পদচ্যুত কৰা টান। কিন্তু কিছুমান লোকে আমাৰ পৰা তেনে অবান্তৰ দাবী পূৰণ হোৱাও বিচাৰিছিল। ইয়াৰে দুই এক ধুৰন্ধৰ আকৌ আঁচলতে চৰকাৰী মহলৰ বুলিহে জনাজাত।

সি যি নহওক ৰাজহুৱা স্বাৰ্থত নিজৰ কাম-বনৰ ক্ষতি কৰি যি সকল লোকে এই কামত বিভিন্ন ধৰণে সহযোগিতা কৰিলে, আৰু ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকল, বাহিৰৰ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ কৃতজ্ঞতাৰ পাত্ৰ। আৰু

যি সকলে আমাক মুখ্যমন্ত্ৰী কৰিবলৈ উঠিপৰি লাগিছিল, তেওঁলোকো দুখেৰে নিজৰ বাট পাবিব কাৰণ আমি শ্বিটকে "পৰবে'হৰ" হৈয়েই থাকিলো।

বিৰোধী ৰাজনীতিৰ ভৱিষ্যত:

“ৱে'ষ্টমিনষ্টাৰ” আৰ্হিৰ সংসদী গণতন্ত্ৰ যিমানেই সংকটগ্ৰস্ত হৈছে, সিমানেই শাসনাধীষ্ঠ দল স্বৈৰতন্ত্ৰৰ প্ৰতি আকৃষ্ট হৈছে আৰু ৰাষ্ট্ৰ ব্যৱস্থাত বিশৃংখলা বৃদ্ধি হৈছে। অথচ আমাৰ বিৰোধী দল সমূহে তেনে গড় এটাৰ সজাৰ ভিতৰতে সোমাই থাকি তেওঁলোকৰ বিৰোধী ভূমিকা সম্পন্ন কৰিবলৈ বিচাৰিছে। কোৱা বাহুল্য যে এই ঘূৰণধূৰ ব্যৱস্থাৰ ভিতৰত তেওঁলোকে বিশেষ কৃতকাৰ্য্যতা অৰ্জন কৰা টান। সেয়ে বৰ্ত্তমান চলন্ত সংসদী গণতন্ত্ৰৰ বিকল্প এটা তেওঁলোকে অনুসৰণ কৰা উচিত। নহলে হয়তো শাসকদলৰ লগতে তেওঁলোকো উফৰি যাব।

ব্ৰিটিছৰ লগত সংগ্ৰামৰ সময়তে গান্ধীজীয়ে এক ধৰণৰ গণভিত্তিক ৰাজনীতি আৰম্ভ কৰিছিল। নেতৃত্বই তাত প্ৰেৰণা, সাহস আৰু বল আহৰণ কৰিছিল জনগণৰ মাজত থাকি তেওঁলোকৰ প্ৰতি সেৱা আগবঢ়াই। জন-সাধাৰণৰ সমৰ্থনো সেয়ে আছিল দ্বিধাহীন। আজি গান্ধীবাদী পোছাকটোহে আছে, নীতি নাই। চকু সদায় চলন্ত পোৱা ক্ষমতা, প্ৰচাৰ আৰু সা-সুবিধাৰ ওপৰত। ফলত সদনৰ ভিতৰত বা (নিৰ্বাচিত নহলে) সদনৰ ওচৰত চিঞৰ বাখৰ কৰিয়েই এখেতসকলে “কিস্তা কৰ্ত্তে” কৰিবলৈ বিচাৰে। কিন্তু সি জানো সম্ভৱ? তেওঁলোকৰ ভাগ্য ভাল যে “নাই মোমাইতকৈ কণা মোমাই ভাল” বুলি এতিয়াও ৰাইজে এওঁলোকক কিছু পাত্তা দি আছে। কিন্তু আৰু কিমান দিন?

বিৰোধী দল সমূহে জনসাধাৰণৰ মাজত লোৱা কাৰ্য্যসূচীও সেয়ে ধাৰ-খেৰৰ দুই বা চন্দ্ৰশেখৰৰ পদযাত্ৰাৰ দৰে। অনবৰতে আনি টী-ভিৰ পৰ্দাত পোহৰ পেলাই যাব যায়। তেনে অনবৰত এওঁলোকে প্ৰভাৱিত কৰিব পাৰিবনে? তেওঁলোকে সৌবোৰত ওপৰ দিয়ি হাতত কলুৰ তুলি লোৱা সত্ত্বেও জনগণৰ সকলৰ চেতনা আহা নাই।

হিন্দু মৌলবাদী সংগঠন নিষিদ্ধকৰণ ঃ

হিন্দু মৌলবাদী সংগঠনসমূহ নিষিদ্ধ কৰা সিদ্ধান্ত মই সঠিক বুলিয়েই ভাবোঁ, কিন্তু সি কিমানদূৰ কাৰ্য্যকৰী হ'ব নাজানোঁ। আজি হাইকোৰ্টৰ জজৰ পৰা পুলিচৰ অধীক্ষকলৈ, সেনাবাহিনীৰ কৰ্মকৰ্তাৰ পৰা কোটিপতি শিল্পপতি লৈ, R.S.S.-ৰ সদস্য কিমান আছে, সকলোৱে অনুমান কৰিব পাৰে। শিক্ষক আৰু বুদ্ধিজীৱীৰ মাজতো তাৰ প্ৰভাৱ ব্যাপক। তেওঁলোকে গোপনে কাৰ্য্যকলাপ চলাই যাওঁতে অসুবিধা নাপাব। অথচ তেনে গোপন কাৰ্য্যকলাপৰ পৰা দেশৰ বেছি ক্ষতিসাধন কৰিবও পাৰিব।

সমাজ তথা দেশৰ অৱনতি আৰু অধঃপতনৰ আচল কাৰণ বুজিব নোখোজা তথা সমাজব্যৱস্থাৰ পৰিবৰ্তন নিবিচৰা মানুহ এনে মৌলবাদী সংগঠনৰ প্ৰতি আকৃষ্ট হয়। অতীত সম্পৰ্কে মোহান্ধতাৰ জন্ম হয় তাৰ পৰাই। তাক ব্যৱহাৰ কৰি শৃংখলাৰ নামত কঠোৰ বাহিনীৰ প্ৰতি জনগণক আকৃষ্ট কৰা হয়। কিন্তু কোনোবা দিনা যদি দেশব্যাপি এনে সংগঠন গঢ়ি উঠি ক্ষমতাদখল কৰে তেতিয়া যে বৃহৎ পুঁজিপতিসকলৰ দৰে [illegible] স্বাৰ্থৰ সেৱাই সি কৰিব, তাত সন্দেহ নাই।

কিন্তু ৰাজনৈতিক আৰু মতাদৰ্শগত সংগ্ৰাম অবিহনে R.S.S.-ৰ শক্তি হ্ৰাস কৰা সম্ভৱ নহয়। ধৰ্ম নিৰপেক্ষ বিৰোধী দলসমূহ আৰু গণতান্ত্ৰিক বুদ্ধিজীৱী এই কামত বিশেষ উৎসাহী নহলে সেই উদ্দেশ্য সাধন নহ'ব। কিন্তু আগতে উল্লেখ কৰা দৰে চুটি বুধিৰ সংসদী ৰাজনীতিৰ ফলত বিৰোধী দলসমূহে এনে উদ্যোগ লবলৈ এৰিছে।

আমি নিজে যথাশক্তি এনে কাম কিছু কৰি আছো বাবে কেতবোৰ সংস্কৃত বিভাগৰ বটুৱা খোৱাই আমাৰ বাট বন্ধ কৰিবলৈ লাগি গৈছে। উক্ত বিভাগবোৰে চহিচ কিছুমানে এহাতে চাবুক আনহাতে বুটমাহ লৈ বটুৱা তথা বুঢ়া বিলাকক চলাইছে। চহিচবোৰৰ বিশ্বাস আমি তেনে সমাজৰ মংগল বিচৰা নাই, প্ৰতাৰৰ লোকতহে বিপদ মাতি লৈছো।

কিন্তু এনে খোৱা মাজতে মৌলবাদী সংগঠন কাঢ়ি নাথাকিব। ইত্যাদি,

কাৰ্যালি আদি দেশৰ একবৰত বিষৰ সমুখত মুখ কাঁচিমাদিত হোৱাৰ ফলে, ভাৰতৰ মুনাম খুলিস্তাং নোহোৱাকৈকে হয়ত সম্ভৱ নহ'ব। বাবণি মহাজিৰ ঘটনাই ইতিমধ্যে তাৰ ইংগিত দিছে।

বজাৰ মাত, হাতীৰ দাঁত ঃ

গুৱাহাটীৰ ললিত উৱালী কলেজৰ তিনিজন ছাত্ৰই আমালৈ এখন চিঠি লিখিছে। চিঠিখনৰ সাৰমৰ্ম বাহিৰে কথা উচিত বুলি তাৰা পোলাই পঞ্জৰাই প্ৰকাশ কৰিলোঁ। কলেজখনৰ এগৰাকী প্ৰাক্তন অধ্যক্ষৰ বিৰুদ্ধে প্ৰচুৰ বিত্তীয় অনিয়ম আৰু বেমিকেমিৰ অভিযোগ প্ৰমাণিত হোৱাত কলেজৰ গভৰ্ণিং বডিয়ে ৰাজ্য চৰকাৰক কথাটো জনাইছিল। ফলত প্ৰাক্তন অধ্যক্ষ গৰাকীক ৰাজ্য চৰকাৰে পদচ্যুত কৰিছিল। নিৰ্বাচনৰ পিছত মন্ত্ৰীসভা ক্ষমতাসীন হোৱাৰ পিছত নতুন মুখ্যমন্ত্ৰীয়ে কথাটোত গম পালে। সেই অন্যায়ৰ প্ৰতিবিধান কৰিবলৈ পদচ্যুত অধ্যক্ষ গৰাকীক পুনৰ অধ্যক্ষ পদত নিযুক্তি দিছে অলপতে। অসম আকৌ উন্নতি পথত।

অধ্যক্ষ মহোদয়ে দুৰ্নীতি কৰিলে কি হ'ল? দুৰ্নীতি কোন কৰা? সেই বুলি চাকৰিৰ পৰা আঁতৰাব লাগেনে? এই অদ্ভুত নিয়ম মানিব লাগিলে যেখোন মন্ত্ৰীৰ মন্ত্ৰিত্ব ৰখাই টান হ'ব। দুৰ্নীতিৰ প্ৰমাণ পালে চৰকাৰী মহলত পদোন্নতিৰ ব্যৱস্থা কৰা হয় সচৰাচৰ। দেশৰ উন্নতিৰ বাবে ইয়াতকৈ ভাল নিয়ম একো হ'ব নোৱাৰে। তেন্তে কলেজৰ অধ্যক্ষৰ ক্ষেত্ৰতে বা ব্যতিক্ৰম হ'ব কিয়?

ছাত্ৰ বিলাকৰ বয়স কম, বুদ্ধি কেঁচা। কথাবোৰ গভীৰভাৱে চাব নজনাৰ বাবে সিহঁতে ভুল কৰে। কেইজনমান ছাত্ৰই লিখিছে: "পূজনীয় গোঁসাই ছাৰ।

আপুনি নিশ্চয় আমাৰ কলেজখন চিনি পায়। অসংখ্য দুখীয়া ছাত্ৰ-ছাত্ৰীৰ ভবিষ্যৎ এই কলেজখনে গঢ়ি আছে। আমাৰ শিক্ষক-শিক্ষয়িত্ৰী সকলেও নিষ্ঠাৰে পাঠদান কৰে। দুখৰ বিষয় এগৰাকী অধ্যক্ষই এই ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলক ঘোৰ প্ৰতাৰণা কৰিছে।

১০/১/৮৯ তাৰিখে এইজন অধ্যক্ষৰ দ্বাৰা বিভিন্ন আৰ্থিক খেলিমেলি আৰু দুৰ্নীতি কৰাৰ প্ৰমাণ পাই কলেজৰ পৰিচালক মণ্ডলীয়ে তেওঁক নিলম্বিত কৰে। অধ্যক্ষই নিজৰ সপক্ষে কোনো সাৰ্থক যুক্তি দৰ্শাব নোৱাৰিলে।

২৭/৪/৯০ তাৰিখে সেইবোৰ অভিযোগ সম্পূৰ্ণৰূপে সাব্যস্ত হোৱাত পৰিচালক মণ্ডলীয়ে তেওঁক পদচ্যুত কৰাৰ সিদ্ধান্ত লয়।

১৯৯০ চনৰ ১১ মে' তাৰিখে G (A) Misc 8/90/77 নং চিঠিৰ জৰিয়তে অসম চৰকাৰৰ শিক্ষাধিকাৰে এই সিদ্ধান্ত মঞ্জুৰ কৰে। কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰৰ এই বিচাৰত সন্তুষ্টি প্ৰকাশ কৰে।

কিন্তু অতি আচৰিত কথা যে সম্প্ৰতি চৰকাৰে সেই চৰকাৰী সিদ্ধান্ত বাতিল কৰি উক্ত দুৰ্নীতিগ্ৰস্ত অধ্যক্ষক অধ্যক্ষৰ চাকৰিত পুনৰ নিযুক্তি দিছে।

ই অসমৰ ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ প্ৰতি এক জঘন্য বিশ্বাসঘাতকতা নহয়নে? চৰকাৰে এই অধিকাৰ ক'ত পালে? আপুনি এই সম্পৰ্কে কিবা এটি মতামত দিবনে? ইতি

অভিনন্দন সহ
আপোনাৰ ছাত্ৰবৃন্দ
যোগেশ ঠাকুৰিয়া
মহঃ নছিউৰ ৰহমান
ৰামলগন সাহ
(ললিত চন্দ্ৰ উঁৱালী কলেজ,
গুৱাহাটী-১১)

(ডিচেম্বৰ ১৯৯২, আজিৰ অসম)

বিয়া নামৰ সোঁৱৰণি ইত্যাদি

বিয়া নামৰ সোঁৱৰণি :

এতিয়া বিয়াৰ বতৰ। অফিচৰ কাম কৰাৰ দৰে ব্যস্ততাৰে বিয়াঘৰৰ পৰা বিয়াঘৰলৈ ঘূৰিফুৰিব লাগে। কাকতৰ ভাঁজত উপহাৰৰ টোপোলা, শৰীৰত বিৰক্তিকৰ ভাৱে ফিটফাট পোচাক। অথচ বিয়ালৈ গৈ নিজান আনন্দও নোপোৱা হৈছে। বিয়াবোৰ এতিয়া আগৰ তুলনাত নিষ্প্ৰাণ। আগৰ বিয়াবোৰৰ দৰে উদুলি-মুদুলি ভাবো নাই, উলহ-মালহো নাই। বাতাৱৰণ এখন গহীন সভাৰ দৰে। বহু সময়ত খাবৰ সময়ত নিমন্ত্ৰণ কৰ্তাৰ ঘৰৰ কাৰো দেখাসাক্ষাৎ পোৱা নাযায়। পেটে পেটে বিয়ালৈ আহিব লগীয়া হোৱাত অসন্তোষ বা ক্ষোভ জমা হৈ থাকে, আনহাতে আকৌ বিয়াঘৰৰ মানুহে বেয়া পাব বুলি মনত আশংকাও আছে। আধুনিক যুগৰ জটিল, বলপূৰ্বক সামাজিকতাৰ কি নিদাৰুণ পৰিহাস!

কইনা সাজি কাছি মহলাৰ বটা লৈ বহি থাকে। ওচৰলৈ গৈ দুআষাৰ মিঠা কথা ক'ব লাগে। কি ক'ব আপুনি? "কেনে লাগিছে?" বুলি সুধিলে কইনাই অৱজ্ঞাৰে মুখ জোঁকাৰিব। "ভালনে?" বুলি সোধাটো মূৰ্খামি হ'ব। বিয়াৰ বাহিৰে আন কিবা বিষয়ে, যেনে সম্প্ৰতি চলি থকা ক্ৰিকেট খেলৰ বিষয়ে, সোধাৰ ইচ্ছা হ'লেও নিয়ম বোধহয় নাই।

আগৰ বিয়াবোৰত কৃত্ৰিমতা আৰু বাহ্যিকতা কম আছিল। সকলোৰে বাবেই সি আছিল স্বাভাৱিক ঘটনা। সৰুতে ফ্ৰক পিন্ধি দৌৰি ফুৰা চিনাকি ছোৱালীজনীৰ বিয়া। আপোনাৰ মনত আনন্দ আত্মীয়-কুটুম্বৰ দৰেই। আকৌ তাইক আৰু আগৰদৰে ওচৰত দেখা নাপাব বুলি কষ্টও হয়। 'অৱশ্যে ই এক জীৱনৰ অনিবাৰ্য্য ঘটনা' বুলি মনটো সান্ত্বনাও দিব পাৰি সহজ-ভাৱে।

সেই পৰিস্থিতিত বিয়ানামে কেৱল পৰিবেশ সৰস-সজীৱ কৰি তোলাই নহয়, কইনাজনীৰ তাৎপৰ্য্য সম্পৰ্কে সুন্দৰ সুৰেৰে সকলোকে সচেতন কৰি-

ৰাখিছিল। মাক দেউতাক, আত্মীয়স্বজনৰ চকুলৈ বিয়ানামৰ সুৰত অজানিতে চকুলো ভৰি আহিছিল, কইনাৰ হিয়াৰ মাজত উৎকণ্ঠা আৰু আশা, বিষাদ আৰু আনন্দৰ ঢৌ তুলিছিল। বিয়ানামে অতীতৰ মানুহৰ হৃদয় এটা গুৰুত্বপূৰ্ণ মুহূৰ্তত চপ্‌চপীয়া কৰি ৰাখিছিল।

আজি বিয়াৰ নিশাও মানুহৰ হৃদয় তেনেদৰে স্পন্দিত নহয়। হোৱাৰ প্ৰয়োজন আছে বুলিও কোনেও নাভাবে। যেন এখন জনাকীৰ্ণ সভাত এটা প্ৰস্তাৱ গ্ৰহণ কৰাহে হৈছে।

চহৰৰ আইদেউ সকলে বিয়ানাম গাবলৈ লাজ পায়। মান ক'ত থাকিব মানুহৰ আগত? তাতকৈ সাজিকাচি চকীত বহি থকাই ভাল। আৰু সেইবোৰ গাঁৱলীয়া গীতমাত—একেবাৰে স্মাৰ্ট নহয়।

এটা কাম কৰিব নোৱাৰিনে? "বিহু পাৰ্টি" অনাৰ দৰে দূৰৰ গাঁৱৰ পৰা বিয়ানাম গোৱাত পাকৈত এদল গায়ক আৰু আয়তীক ধন দি ভাড়া কৰি আনিব নোৱাৰিবনে? তেওঁলোকৰ কণ্ঠ আৰু সুৰ তেৰোঁৱীয়া হ'লেও তাৰ মাজেদি বিয়াৰ পৰম্পৰাগত তাৎপৰ্য্য ফুটি নোলাবনে? সেই পৰম্পৰা একেবাৰে শেষতো হৈ যোৱা নাই এতিয়াও!

গুৱাহাটী চিড়িয়াখানাৰ অৱস্থা:

অসমীয়া মানুহৰ জীৱনবৃত্ত এনেদৰে সংকুচিত হৈছে যে বেছিভাগেই পইছাৰ বাহিৰে আন একো চিনি নেপায়। পইছাৰ মালিকবোৰেই ঠিক কৰি দিয়ে সেই পইছা কেনেকৈ উপাৰ্জন কৰিব, কেনেকৈ খৰচ কৰিব। অসমৰ বিলন্দীয়া প্ৰকৃতি সংৰক্ষণ কৰাৰ প্ৰয়োজন অধিকাংশ মানুহৰ মনতে এটা অবাস্তৱ কথাৰ দৰে হৈছে।

চিড়িয়াখানাত কুপুকা লাগি বহি থকা জন্তুবোৰক জোকাই লেনি সিঁহতক অলপ প্ৰাণবন্ত কৰাৰ চেষ্টা আমি কৰোঁ। কিন্তু সি কেৱল আমাৰ স্ফূৰ্তিৰ বাবে। বাকীখিনি সময় সিঁহতৰ কথা নাভাবোঁ। এবাৰ দেখিলোঁ কেইটামান হাতী পোৱালীক চেমনীয়া ৰখীয়া এটাই নিৰ্দয়ভাৱে প্ৰহাৰ কৰিছে। সিঁহতৰ ভোক লগাত চিঞৰবাখৰ কৰিছিল। এটা বুঢ়ালীক দেখিলোঁ, চকিয়াৰ পৰা মাহ ঠৌঁত হৈ ইফালে সিফালে আহাৰ বিচাৰি

পোৱাইছে। যোৱাবছৰ বনৰীয়া অৱস্থাত জন্মিয়াই থকা মাছ ধৰাৰ ফুটি পুখুৰীৰ মাজতে মনত পেলোৱাৰ চেষ্টা। বন্দী জীৱ-জন্তুৰ যন্ত্ৰণাৰ কেনে কৰুণ! বান্দৰবোৰৰ পিঞ্জৰাত আধাপকা কল, কেঁচা অমিতা, ফকৰিয়া খুটমাহ দেখিলে চিন্তা লাগিব। খোৱাৰ-আজাৰ হ'লে ভালদৰে চোৱাচিতা কৰা হয়নে নহয় নাজানো। চিড়িয়াখানাৰ বিষয়া কৰ্মচাৰীয়ে ইজনে সিজনৰ বদনাম গায়, কাকততো ওলায় সেইবোৰ, কিন্তু জীৱ-জন্তুবোৰ শাকাছে।

সামন্ত যুগৰ ৰজা মহাৰজাই যুঁজাই ৰং চাবলৈ অনা বনৰীয়া জন্তুৰ দৰে সিহঁতৰ অৱস্থা। Zoological Garden-ৰ আচল উদ্দেশ্য জীৱ-জন্তু সম্পৰ্কে মানুহক শিক্ষিত আৰু সচেতন কৰা, ৰং দেখুৱা নহয়। অসমৰ বিবিধ বন্যপ্ৰাণী সংগঠনৰ পৰা এখন উপদেষ্টা কমিটী থাকিলে বোধহয় চিড়িয়াখানাৰ দুৰৱস্থাৰ কিছু উপশম হ'ব।

বড়োসকলৰ প্ৰতি এটি নিবেদন :

বড়ো সাহিত্য সভাৰ বিষয়ে বাতৰি ওলাইছে যে অসম সাহিত্য সভাৰ তুলনাত তাৰ আয়োজন আৰু ব্যৱস্থাপনা বহুবেছি শৃংখলাবদ্ধ আৰু পৰিপাটি হৈছে। হাজাৰ-হাজাৰ দৰ্শক আৰু প্ৰতিনিধিক অক্লান্তভাৱে সেৱা-শুশ্ৰূষা কৰিছে স্বেচ্ছাসেৱকসকলে। অনুষ্ঠান বোৰো সুকলমেই হৈছে। আনহাতে অসম সাহিত্য সভাৰ কাৰ্য্য সূচী আৰু অভ্যৰ্থনাত লজ্জাকৰভাৱে ত্ৰুটি বিচ্যুতি হোৱা বুলি কাটিকুটি গৈছে।

ইয়াৰ কাৰণ এয়ে যে অসমীয়া সমাজত সম্প্ৰতি টকাৰ বাহিৰে আন একোৰে দাম নাই। য'ত টকা নাই, তাত কাৰো সেৱা বা শ্ৰম আশাই কৰিব নোৱাৰি। আনকি টকাৰ বিনিময়ত যি সেৱা আগবঢ়োৱা হয় তাতো ফাঁকি চলে। সেয়ে দেশপ্ৰেম এক দুৰ্লভ আবেগ অসমত। আৰু সাহিত্য সভাৰ দৰে এটা জাতীয় অনুষ্ঠানৰ কাৰ্য্যসূচী ৰূপায়ণতো থাকে লেছেৰি-পেছেৰি দেখা যায়। তুলনাত বড়ো সমাজৰ মাজত ধন বা অৰ্থৰ সম্পৰ্কই এতিয়াও গ্ৰাস কৰিব পৰা নাই। গ্ৰাম্য সমাজৰ নিবিড় সামাজিকতাই এতিয়াও অধিকাংশ বড়োৰ সামাজিক অনুষ্ঠান পাৰ্থিৱতা আৰু অৰ্থলোভৰ পৰা মুক্ত কৰি ৰাখিছে।

বৰ্ড়ো জাতিক প্ৰকৃততে ৰক্ষা কৰাৰ উপায় হ'ল সাধাৰণ বড়ো মানুহৰ এই সামাজিক পৰম্পৰা ৰক্ষা কৰা। মেঘালয়, নাগালেণ্ড আদি ৰাজ্যত দেখা গৈছে যে সমাজৰ ওপৰৰ একোটা ক্ষুদ্ৰ চামে ৰাজ্যখনৰ বেছিভাগ সম্পদ হস্তগত কৰি বৃহৎ দুখীয়া চামটোক বঞ্চিত কৰিছে। সিঁহতৰ স্বাৰ্থপৰতা জাতীয় উন্নতিৰ বাবে প্ৰয়োজনীয় সকলো কাম-কাজৰ বাধাস্বৰূপ হৈ পৰিছে। এই আদৰ্শ যাতে বড়ো মধ্যবিত্তই অনুকৰণ নকৰাকৈ থাকে। অসমতো আন ৰূপত এনে ঘটনাই ঘটি আছে।

সৰ্বসাধাৰণ বড়ো বাইজৰ বাবে যাতে "বড়োলেণ্ড স্বায়ত্ত-শাসিত অঞ্চল"ৰ সৃষ্টি এক দুঃস্বপ্নত পৰিণত নহয়। ৰোমান হৰফৰ কথা উঠিছে। কিন্তু এই হৰফ সাধাৰণ বড়ো বাইজৰ বেছি চিনাকি নহয়। এই হৰফে তেওঁলোকৰ সাক্ষৰতাকে সীমাবদ্ধ কৰাৰ ভয় নাইনে ?

মিনিবাছৰ বিষয়ে :

অলপতে মোৰ এজন প্ৰাক্তন ছাত্ৰই (সম্প্ৰতি, কলেজৰ প্ৰবক্তা) মোক জনাইছে যে তেওঁ এখন মিনিবাছত উঠিবলৈ নৌপাওঁতেই আন এখন বাছ "অভাৰটেক" কৰিবলৈ সেইখনৰ ড্ৰাইভাৰে প্ৰচণ্ড বেগেৰে মিনিবাছখন চলাই দিলে। তেওঁক চোঁচোৰাই বহদূৰ নিয়াৰ পিছত দৈবক্ৰমে নিশ্চিত মৃত্যুৰ পৰা তেওঁ বাচিল, যদিও ছালবাকলি বখলিয়াই নিলে।

আন এগৰাকী সতীৰ্থ উঠা মিনিবাছখন শৰাইঘাট দলঙৰ ওচৰত গড়াৰ পৰা বাগৰি পৰিছিল। কেই পাকমান ঘূৰি জলত পৰিলহেঁতেন। ভাগ্যে একোপা গছত লাগি বৈ প'ল। তাড়া লৈ কণ্ডাক্টৰৰ লগত যাত্ৰীৰ কাজিয়া লগাত ড্ৰাইভাৰে ভিড়ি ঘূৰাই ঘূৰাই চাইছিল। ইপিনে আঁকোৰাপকোৰা ৰাস্তা। আকৌ যমৰ দুৱাৰমুখৰ পৰা ওভটা।

এই কথা ঠিক যে কিছুমান মিনিবাছৰ ড্ৰাইভাৰ সচেতন আৰু সাৱধান, কণ্ডাক্টৰো ভদ্ৰ আৰু বিনয়ী। কিন্তু মিনিবাছৰ কিছুমান ড্ৰাইভাৰ বয়স আৰু অভিজ্ঞতাত কেঁচা, তেনেই দায়িত্বহীন। কণ্ডাক্টৰ মাজতো অপৰিণত কিশোৰ আছে। মালিকসকলে বা ইউনিয়নে ড্ৰাইভাৰ আদিক বিশেষ একপৰ প্ৰশিক্ষণ দিয়াই নিৰাপত্তা সম্পৰ্কে সচেতন কৰিব লাগে। আৰু

পৰিদৰ্শক নিয়োগ কৰি ড্ৰাইভাৰ-কণ্ডাক্টৰৰ ওপৰত চকু ৰাখিব লাগে। এইটো অতি জৰুৰী কথা।

নতুবা মিনিবাছ বহুতৰ বাবে মৰণযাত্ৰাৰ ৰথত পৰিণত হ'ব পাৰে!

তৰংগ জগৎ! ঃ

কোনো কোনো পদাৰ্থবিদে ভাবে যে বিশ্বব্ৰহ্মাণ্ড প্ৰকৃততে তৰংগৰ সমষ্টি বা সমাবেশ। কথাটোৰ প্ৰমাণ আমাৰ দৰে জনসাধাৰণে সদায়েই পাই আছোঁ। এই দেখিব আমাক তৰংগৰ চূড়াত-টিঙত, ৰাজনৈতিক কাৰকত, সকলোতে সগৌৰৱে দৈনিক ভুমুকি মাৰিছোঁ; আৰু এই দেখিব সকলো মাধ্যমতে জোতাৰ মালা পিন্ধিছোঁ; অৰ্থাৎ তৰংগৰ নামনিত খুব পৰিছোঁ। কথাটো এতিয়া দ'বা-বেমাৰি যেনেই লগা হৈছে। অৱশ্যে কিছুমান দ'বা অতি লাহুৱা হয়। মাধ্যিকেই নিজা নিজা মতলবত পিছতৰ লাহুৱামিক ঔষধ দিয়ে।

বাইজো তেনেদৰে তৰংগৰ খুৱাত ঢুলু-ঢুলুং কৰি থকা দেখিছোঁ। নিৰ্বাচনী ৰাজনীতিত বৰকৈ চলে কথাটো। ইন্দিৰা গান্ধীৰ জৰুৰীকালৰ বিৰুদ্ধে তেনেকৈ জনতা তৰংগ আহি ইন্দিৰা, বাইজ, সকলোকে উটুৱাই নিলে। তাৰ সোৱাদে আমুৰাত আকৌ আহিল ইন্দিৰা তৰংগ—জনতা চৰকাৰক বুৰাই পেলালে।

এনে তৰংগ—ৰাজনীতিও কেতবোৰ লাহুৱাই চলাই থকা বুলি আমাৰ সন্দেহ হৈছে। মৌলিক সমস্যাবোৰৰ সমাধান নোহোৱাকৈ বাইজ যাতে নিৰ্বাচনী ৰাজনীতিৰ চাকত ঘূৰি থাকে।

সম্প্ৰতি কেতবোৰ লাহুৱাই পুনৰ এক তৰংগ সৃষ্টিৰ চেষ্টাত আছে। আমি তেনে ধৰণৰ মোহ সৃষ্টিৰ ঘোৰ বিৰোধী। বাইজক যাতে মাকত এৰি কেতবোৰ ধূৰন্ধৰে পুনৰ চাকত ঘূৰাব নোৱাৰে, আমি সতৰ্কবাণী জনাই আছোঁ। ফলত আমাৰ বিৰুদ্ধেই সেইবোৰ লাহুৱা ৰাজনীতিবিদে তৰংগৰ আয়োজন কৰিছে!!

(মাৰ্চ ১৯৯০, আজিৰ অসম)

উৎকৰ্ষ : ব্যক্তিগত নে সামাজিক, অসমীয়া মাধ্যম, ইংৰাজী মাধ্যম ইত্যাদি

আজিকালি এটা কথা প্ৰায়েই শুনা যায় : সেইটো হৈছে Excellence, অসমীয়াত "উৎকৰ্ষ"। অসমীয়া মানুহৰ মাজত যে উৎকৰ্ষৰ প্ৰতি ধাউতি নাই, সেইটোও মানুহৰ মুখে মুখে। আপত্তিটো কিছু পুৰণি। এসময়ত অম্বিকাগিৰীয়ে মোক বাটত লগ পালেই কৈছিল "হেৰা, আমাৰ অসমীয়াৰ মাজত এটা ডাঙৰ চোৰো নাই, নেদেখিছা?" মই তেতিয়া স্কুলীয়া ছাত্ৰ। তেখেতৰ সেই গভীৰ খেদোক্তি শুনি শুনি কেতিয়াবা এনে ধাৰণাও মনত সোমাইছিল যে অসমীয়াৰ সেই বিফলতা ব্যক্তিগতভাৱে দূৰ কৰাৰ দায়িত্ব তেখেতে মোকেই দিবলৈ বিচাৰিছে!! পিছে সেই দিশত মোৰ আৰু বিশেষ কৃতিত্ব অৰ্জন কৰা নহ'ল। আজি অৱশ্যে অলমত অম্বিকাগিৰীয়ে সেই অভাৱ অনুভৱ নকৰিব। আমাৰ মাজত যথেষ্ট ডাঙৰ চোৰ ওলাইছে, আৰু আমিও তেওঁলোকক সমাজত যথেষ্ট মান সংকাৰ কৰোঁ।

এই উৎকৰ্ষটোনো কি? কোনো বিদ্যা বা বিষয়ত ব্যুৎপত্তি, আৰু সেই ব্যুৎপত্তি অৰ্জনৰ বাবে শ্ৰম কৰাৰ ইচ্ছা বা আগ্ৰহ। সেই আগ্ৰহ, কষ্ট আৰু ধৈৰ্য্যটো ব্যক্তিগত। সেইটো নথকা বুলিয়েই আমি ইজনে সিজনক দোষাৰোপ কৰোঁ। সমাজত যদি তেনে এটা আগ্ৰহ নাথাকে, অকলশৰে বেছি দূৰলৈ আগুৱা টানেই হয়। কিন্তু আন সমনীয়াৰ লগত প্ৰতিযোগিতা কৰি, আনৰ পৰা শিকি, আনৰ সমালোচনালৈ মন দি আমি কোনো বিদ্যা বা বিষয়ৰ ওপৰত দখল বঢ়াব পাৰোঁ। তেনে সমাজত সেইবোৰ বিদ্যা বা বিষয়ৰ প্ৰতি আগ্ৰহ বা ধাপ থকা প্ৰয়োজন। সেইবোৰ বিষয়ত উৎকৰ্ষৰ স্বীকৃতি দিয়া গুণগ্ৰাহী লোক আৰু কটিৰ

সমালোচনা কৰা অভিজ্ঞ মানুহ থাকিলেহে উঠি অহা চামৰ উপকাৰ হয়। নহলে "উৎকৰ্ষ, উৎকৰ্ষ" বুলি চিঞৰি ফুৰা মানুহে প্ৰকাৰান্তৰে নিজৰ উৎকৰ্ষৰ ঢোল বজায়, আন কাৰো উপকাৰ সাধিব নোৱাৰে।

আমি পঢ়াশলীয়া ছাত্ৰ থকা অৱস্থাত নৃত্য-গীত আদিত চখ বা বাপ-চহৰীয়া মধ্যবিত্তৰ মাজত বিশেষ নাছিল। সমাজৰ একেবাৰে ওপৰ মহলাতহে তাৰ কিছু চৰ্চা আছিল। কিন্তু সংখ্যাত তাকৰ বাবে অনুশীলন আৰু প্ৰতিযোগিতাও আছিল সীমিত, প্ৰাণহীন। কিন্তু গুৱাহাটীৰ ফুটবলখেলৰ পথাৰত আমি সৰুবিলাকৰ লগত পকা চুলি আৰু গোঁফেৰে বুজনসংখ্যক আদহীয়া বা বুঢ়া মানুহেও দৰ্শকৰ শাৰী পুৰাইছিল। আমি দেখি আচৰিত হৈছিলোঁ যে কোনো খেলুৱৈৰ "পাছ" দিয়াৰ কৌশল বা "কেৰি" (ড্ৰিব্‌ল) কৰাৰ নৈপুণ্যত আমাৰ লগতে সেই বুঢ়া কেইজনো গদ্‌ গদ্‌ বা বিগলিত হৈছিল, আৰু কোনো উদীয়মান খেলুৱৈয়ে ভুল কৰিলে তেওঁলোকে খণ্ডত বগা-ছিটা পৰি ছাতিৰে মাটিত কোবাই হাই-উৰুমি কৰি বিৰক্তি প্ৰকাশ কৰিছিল।

ফলত সা-সুবিধা নথকা আদিম পৰিৱেশতো পিলিক চৌধুৰী, শৰৎ দাস আদিয়ে বেছ কৃতিত্ব অৰ্জন তথা প্ৰদৰ্শন কৰিব পাৰিছিল। এখন খেলৰ কথা নাপাহৰোঁ। কলিকতাৰ মোহনবাগান ক্লাবৰ লগত গুৱাহাটীৰ মহাৰাণাৰ নে গুৱাহাটী ফুটবল এছ'চিয়েচনৰ খেল জজ খেলপথাৰত। মোহনবাগান তেতিয়া খ্যাতিৰ তুংগত।

মোহনবাগানৰ নাম শুনিয়েই গুৱাহাটীৰ কোনো কোনো খেলুৱৈৰ মুখ শুকান, তৰিত শিৰামুৰি খৰা অৱস্থা। হাফ-টাইমৰ আগতে গুৱাহাটীয়া দলে তিনি নে চাৰি গ'ল খালে। লাজে দুখে অসমীয়া দৰ্শক-সকলৰ মৃতপ্ৰায় অৱস্থা। হাফ-টাইমৰ পিছত বাগ্মীয় ভাবেৰে মোহন-বাগানৰ খেলুৱৈ সকল পথাৰত প্ৰৱেশ কৰিলে। মুখেৰে এচকল খেলুৱৈটো হুচি হুচি খেলপথাৰতে বিশ্ৰাম লৈ পিলিক চৌধুৰীয়ে খোৱয়ে তাকিলে: "ই কথাই কথা নহয়, কিবা কৰিব লাগিব!"

হাফ-টাইমৰ পিছত পিলিক চৌধুৰীৰ খেলা দেখি দৰ্শক বাপ্যাদেও, মোহনবাগানৰ খেলুৱৈ সকলো তধা লাগিল। ছুটি, ড্ৰীবল, মনোমোহা পাছ; নিজ দলৰ আন খেলুৱৈৰ তৰিত সবাকৈ বল দিয়ে। ফ্ৰি-কিকৰ কৌশলত মোহনবাগানৰ বাঘা-বাঘা খেলুৱৈৰ হাৰাশাস্তি অৱস্থা, অধিনায়ক শৈলেন মান্না হুবাবমাৰ পাকঘূৰণি খাই পৰিল। খেল ড্ৰ হ'ল। দৰ্শকে পিলিক চৌধুৰীক হিয়া উবুৰিয়াই আশীৰ্বাদ দিলে। বঙালী ভদ্ৰলোকৰ গুণ-গ্ৰাহিতাৰে শৈলেন মান্নাই দৌৰি আহি পিলিক চৌধুৰীক অতি আন্তৰিকভাৱে কৰমৰ্দন কৰিলে বহুপৰ।

এনে পৰিৱেশ থকা বাবেই অসমত দুৰ্গা চৌধুৰী, পিলিক, কুনকুন চৌধুৰী, কনক বৰদলৈ, পৱন গোঁহাইৰ দৰে কৃতী খেলুৱৈ ওলাইছিল।

পঞ্চাশৰ দশকটোৰ মাজভাগতে বাপা গোবিন্দ বৰুৱাই গুৱাহাটীত শাস্ত্ৰীয় সংগীত জনপ্ৰিয় কৰিবলৈ উঠি-পৰি লাগিল। বছৰি মিউজিক কনফাৰেন্স পাতিবলৈ ধৰিলে। বাহিৰৰ দৈত্যাকাৰ ওস্তাদসকলে গলাৰ শিৰ ফুলাই হাতমুখ জোঁকাৰি গোৱা কালোৱাতী গান শুনি আৰু দেখি অলপ খতুৱা অসমীয়া দৰ্শক পোনতে আতংকিতই হৈছিল, কোনো কোনোৱে নাক বজাই ঘৰতকৈ আৰামেৰে টোপনিয়াইছিল। লাহে লাহে বহুতো মধ্যবিত্তৰ মাজত সোমাল। কিছু জনপ্ৰিয়তাও অৰ্জন কৰিলে। চৰ্চা, অনুশীলন, প্ৰতিযোগিতা আৰু গুণগ্ৰাহিতাই অৱশেষত পৰবীন ছুলতানা, শিশিৰকণা ধৰচৌধুৰী, আদি শাস্ত্ৰীয় সংগীতৰ কৃতী সংগীত শিল্পী অসমতে গঢ় দিলে।

সেই কথা আজিও অসমত খাটে। উৎকৰ্ষৰ পৃষ্ঠপোষকতা কৰা পৰিৱেশ এটা সৃষ্টি কৰা দৰকাৰ। গুণগ্ৰাহিতা আৰু সমালোচনাৰ সুস্থ পৰিমণ্ডল এটা ৰচনা কৰিব লাগিব। এনে এটা পৰিমণ্ডল সেইদিন ৰোপোৱা যাবে বিভিন্ন কলা সম্পৰ্কে মোৰ জ্ঞান আৰু তাৰ প্ৰতি মোৰ ৰাগ আপোচ-কৰীয়া হৈ ৰ'ব। অত্যাধুনিক ছবিৰ প্ৰদৰ্শনী চোৱে বহু চাবলৈ নাযাওঁ। বহু সেইবোৰ বুজি নাপাওঁ। মোৰ পেটে পেটে অসন্তোষ যে যোগ্যক ঠেঙ তুলি ওপৰকৈ মূৰ তলকৈ শীৰ্ষাসনত সংগীত শুনে। সেই দুৰ্ভাগ্য

ছবিবোৰ মই খুঁজি পাম। কিন্তু তেনে কৰিলে প্ৰদৰ্শনী চাবলৈ যোৱা আন দৰ্শকে মোক কি বুলি ভাবিব? সেয়ে প্ৰদৰ্শনীলৈ যোৱাই নহ'ল। কিন্তু নীলমণি ফুকন, নীলপৱন বৰুৱা আদিৰ লগত উঠি বহা কালছোৱাত ঘনিষ্ঠ সংশ্ৰৱ থকা হ'লে নিশ্চয় শীৰ্ষাসনৰ দৰে নিৰুপায় সমাধান মোৰ মনলৈ নাহিলহেঁতেন।

এই সামাজিক পৰিৱেশৰ উপৰিও আন এটা কথা দৰকাৰ: সেইটো হৈছে আনুষ্ঠানিক প্ৰশিক্ষণ। এনে আনুষ্ঠানিক প্ৰশিক্ষণৰ মাজেদিহে উৎকৰ্ষৰ ধাৰণা এটা গঢ় ল'ব পাৰে। অৱশ্যে শিক্ষকো যোগ্য আৰু উপযুক্ত হ'ব লাগিব। আজি অসমৰ বাতৰি কাকতবোৰত অসমীয়া ভাষাই এনে কিম্ভূত-কিমাকাৰ ৰূপ লৈ ধৰিছে, যে মগজু গৰম হয়। সম্পাদকসকলে নিয়মিত অসমীয়া ভাষাৰ কৰ্মশালা নাপাতিলে বেমাৰটো কেউপিনে সোঁচৰি যাব। আকৌ যিবোৰ অসমীয়া মাধ্যমৰ বিদ্যালয়ত শিক্ষাৰ পৰিৱেশ নষ্ট হোৱা বুলি মন্ত্ৰী-বিধায়কসকলে হৈ-চৈ লগায়, সেইবোৰতে তেওঁলোকৰ অঙহী-বঙহী, ভনীয়েক, বৈণীয়েক আদিক জধে-মধে নিযুক্তি দি তেওঁলোকেই আনুষ্ঠানিক প্ৰশিক্ষণৰ বাৰটা বজাইছে। উৎকৰ্ষ এনেয়ে আকাশৰ পৰা পৰিবনে? অধিক কি, বিশ্ববিদ্যালয়বোৰতো কেতিয়াবা যোগ্য লোকে নিযুক্তি নোপোৱা হৈছে।

তাৰউপৰি লাগে অন্যান্য সমাজৰ লগত যোগাযোগ। তেহে উচ্চতৰ মান সম্পৰ্কে সঠিক ধাৰণা সৃষ্টি হ'ব তুলনাৰ যোগেদি। অনুসন্ধিৎসা বাঢ়িব। অন্যথাই আত্মসন্তুষ্টি অনিবাৰ্য্য, আৰু আত্মসন্তুষ্টি উৎকৰ্ষৰ বাবে অন্তৰায়। অলপতে "অৰেবা"ই সাম্প্ৰদায়িকতা সম্পৰ্কে সংগঠিত কৰা আলোচনাচক্ৰলৈ বাহিৰৰ দুজন প্ৰখ্যাত আৰু কৃতী বিদ্বান আহিছিল। গুৱাহাটীৰ ইয়ানবোৰ কলেজৰ অধ্যাপকৰ মাজত তেওঁলোকৰ ভাষণ শুনিবলৈ দহজনো উপস্থিত আছিল নে নাই সন্দেহ। আমাৰ অধ্যাপক সমাজৰ আত্মতুষ্টি এক ডাঙৰ শৈক্ষিক ব্যাধিত পৰিণত হৈছে। আনহাতে পুৰণা চামৰ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, চন্দ্ৰপ্ৰসাদ শইকীয়া, নিৰোদ বৰাই ধৈৰ্য আৰু মনোযোগেৰে শুনিছিল তেওঁলোকৰ ভাষণ।

আমাৰ চৰকাৰী মহলেও উৎকৰ্ষৰ ধাৰণাটো পালীয়া কৰিছে। যাকে তাকে য'তে ত'তে পুৰস্কাৰ দিছে আৰু দূৰদৰ্শনত ভেঁটলোকক অনবৰত দেখুৱাই আছে। ফলত বাইজৰ ধাৰণা যে উৎকৰ্ষৰ উদাহৰণ সেই-সকলেই। আৰু "উৎকৰ্ষ"ৰ অৰ্থ বহুতৰ বাবে এখোঁৰা কোঁৱা হৈ "তোষা-মোদত নৈপুণ্য"ত পৰিণত হৈছে !! যেয়ে তেল মালিচ কৰিব জানে তেঁৱেই তুৰন্তে উৎকৰ্ষৰ প্ৰমাণপত্ৰ পাই যায় এতিয়া।

Short cut উলিওৱাত অসমীয়া সদায় পাকৈত। পিছে "চুটি বুধি" বুলিও এষাৰ কথা আছে। তাৰে স্থায়ী আৰু ডাঙৰ কাম নহয়।

অসমীয়া মাধ্যম, ইংৰাজী মাধ্যম :

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ওলোৱাৰ লগে লগে পুনৰ নানা ধৰণৰ বাদানুবাদ আৰম্ভ হৈ গৈছে। কোনোৱে কৈছে ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীক ইচ্ছা কৰি অন্যায় কৰা হৈছে। কোনোৱে আকৌ কৈছে ডন বস্কো স্কুলৰ বহী আন ঠাইৰ ডন বস্কো স্কুলৰ শিক্ষকেই পাই বেছি নম্বৰ দিছে। ইত্যাদি ইত্যাদি। আকৌ ওলাইছে, কোন মাধ্যম শ্ৰেষ্ঠ, সেইটো প্ৰশ্ন।

যোৱাবাৰেই তৰ্কবিতৰ্ক মাজেৰে ওলাই পৰিছিল যে মাধ্যমটো আচলতে সিমান প্ৰাসংগিক নহয়। প্ৰাসংগিক কেৱল শিক্ষাদান আৰু বিদ্যালয় পৰিচালনাৰ ৰীতি। অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ শিক্ষক নিযুক্তি, পৰিচালনা, পাঠ্যপুথি, কক্ষৰ সংখ্যা আদি দিশৰ ওপৰত সুধী-সকলে মূল্যবান পৰামৰ্শ যোৱাবাৰেই আগবঢ়াইছিল। তাৰ কোনো-টোৱেই এতিয়ালৈ কাৰ্য্যকৰী নহ'ল।

আমাৰ এটা নিজাববীয়া পৰামৰ্শ আছে। পৰামৰ্শটো কিছু drastic. সেইটো হৈছে এয়ে যে শিক্ষামন্ত্ৰীৰ পৰা ডি আই-অফিচৰ পিয়নলৈকে চৰকাৰৰ শিক্ষাবিভাগৰ লগত জড়িত সকলো লোকেই অসমীয়া মাধ্যমৰ বিদ্যালয়ত নিজৰ সন্তানক শিক্ষা দিবলৈ বাধ্য থাকিব। অসমীয়া মাধ্যমৰ স্কুলবোৰ চৰকাৰৰ শিক্ষাবিভাগৰ অধীনত। শিক্ষাবিভাগে যদি অসমীয়া

মাধ্যমৰ বিদ্যালয়বোৰ ভালদৰে চলি থকা বুলি জানে, তেন্তে শিক্ষা-বিভাগৰ মন্ত্ৰী বিষয়া কৰ্মচাৰীয়ে নিজৰ ল'ৰা-ছোৱালী অসমীয়া মাধ্যমৰ বিদ্যালয়ত নপঢ়ায় কিয়? আৰু যদি শিক্ষাবিভাগৰ মতে অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰ ভালদৰে চলা নাই, তেন্তে তাৰ মন্ত্ৰী বিষয়া কৰ্মচাৰীয়ে পদত্যাগ নকৰে কিয়?

এই পৰামৰ্শ কাৰ্যকৰী হ'লে দেখিব, অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ ফলাফল দ্ৰুতগতিত উন্নত হৈছে ॥

নুমলিগড় আৰু থলুৱাৰ বাবে ১০০ শতাংশ চাকৰি!

নুমলিগড় শোধনাগাৰৰ নিযুক্তি আদিৰ ক্ষেত্ৰত থলুৱা লোকৰ প্ৰতি অবিচাৰ হ'ব পাৰে নেকি, আৰু সদৌ অসম ছাত্ৰ সন্থাই সেই বিষয়ে মাত মাতিব পাৰিছে নে নাই, সেই ধৰণৰ প্ৰশ্ন তুলিবলৈ বোৱাবাৰ বাধ্য হৈছিলোঁ। লগে লগেই প্ৰায় সন্থাৰ সঁহাৰি পোৱা গ'ল। সদৌ অসম ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি আৰু সম্পাদকে কাকতত বিবৃতি দি দাবী কৰিলে যে নুমলিগড় শোধনাগাৰৰ শতকৰা একশভাগ নিযুক্তি থলুৱা লোকৰ বাবে সংৰক্ষণ কৰিব লাগে।

এনে দাবী স্থায়ী সভাপতি আৰু সম্পাদকে কৰিবলৈহৈছেন নে নাই নাজানোঁ। কাৰণ দেখদেখকৈ তেনে দাবী অবাস্তৱ। কাৰিকৰী দক্ষতাৰ ওপৰত গুৰুত্ব থকা আৰু ভাৰত চৰকাৰৰ অধীনত থকা অসমৰ কোনো উদ্যোগতে শতকৰা একশভাগ অসমীয়া লোকৰ নিযুক্তি দাবী কৰিব নোৱাৰি। শতকৰা ৭৫ জন থলুৱা হ'ব লাগে বুলি দাবী কৰিলেও কাম সিদ্ধিলহৈছেন।

তদুপৰি বাতৰি কাকতত এদিন বুৰ-বুৰণি তুলিলেই জানো কাৰ্যসিদ্ধি হ'ব? তেনে বুৰ-বুৰণি দৈনিক বহুত উঠে আৰু মাৰ যায়। চৰকাৰৰ নোমেই নলৰে।

আমি সেয়ে ছাত্ৰ সন্থাৰ এনে কাৰ্যত অসন্তোষ আৰু ক্ষোভ প্ৰকাশ কৰিবলৈ বাধ্য হৈছোঁ। সদৌ অসম ছাত্ৰ সন্থাই স্থিতাৱস্থাৰ পৰা

সাৱধান হোৱা অসমীয়া আৰু ভাৰতীয় ভণ্ডবাবাৰ পৰা সাৱধান হওক। নহলে সন্থাৰ ভিকাচৰ ভাঙিব। ইতিমধ্যে কুচক্ৰীৰ চক্ৰান্তত সন্থাটো অসমৰ কোনো কোনো ঠাইত দুৰ্বল হৈছে। ওপৰ মহলাৰ মাতব্বৰ সকলতকৈ জনসাধাৰণৰ অভাৱ-অভিযোগ আৰু আশা-আকাংক্ষাক গুৰুত্ব দিলেহে ছাত্ৰ সন্থাৰ স্বাস্থ্য অটুট থাকিব। তেওঁলোকে সেয়ে গ্লেমাৰ থকা মানুহৰ পৰামৰ্শত অযথা গুৰুত্ব নিদি সকলো কথা এইপিনৰ পৰা বিচাৰ কৰি চাওক। আৰু কাৰ্য্যকৰী সমাধানৰ প্ৰতি নজৰ দিয়ক।

ভক্তৰ ভগৱান :

অলপতে দেখিলোঁ। এগৰাকী আদহীয়া ব্যৱসায়ীয়ে এটা মন্দিৰৰ খটখটিত মূৰ লগাই তাত কপাল ঘঁহি ঘঁহি ভক্তিৰ উচ্ছ্বাস প্ৰকাশ কৰিছে। ওচৰৰ মানুহে অভিভূত হৈ তেওঁৰ ভক্তিৰ উদ্দীপনা চাই আছে। ময়ো চালোঁ। ব্যৱসায়ীজন মোৰ চিনাকি। তেওঁ কি যাদুকৰী প্ৰক্ৰিয়াৰে এবছৰৰ ভিতৰতে বহু মা-সম্পত্তিৰ মালিক হ'ল, মোৰ জনা আছে। বহলাই নকৈ এইদৰে কব পাৰি যে দুৰ্গত ৰাইজৰ ত্ৰাণৰ নামত চৰকাৰৰ যি ধন ধাৰ্য্য হয় তাৰ শকত এটা অংশৰে নিজৰ দুৰ্গতি দূৰ কৰি তেওঁ মানুহ বোলাই যাইছে।

তেওঁৰ বাবে ধৰ্মৰ অৰ্থ সদাচাৰ বা মানৱকল্যাণ যে নহয়, মোৰ সন্দেহ নাই। তেওঁ মদ চুৰট বেছি নাখায়, নাৰীঘটিত কেলেংকাৰীতো বোধহয় জড়িত নহয়। কিন্তু তাকে ধৰ্মৰ পৰাকাষ্ঠা বুলি মানিবলৈ টান। অথচ তেওঁৰ ধাৰ্মিকতাৰ আবেগে সেইদিনা দৰ্শকক বিমূঢ় কৰিছে এখিলে।

এই ধাৰ্মিকতাৰ সাৰমৰ্ম কি বাৰু? বোধহয় তেওঁ আশা কৰিছে যে ভগৱানে (বা উপাস্য দেৱতাই) তেওঁক এনেধৰণৰ সুযোগ আৰু মিলাই দিব, দৰিদ্ৰ দুৰ্ভগীয়াহঁতৰ হাতত নষ্ট হ'ব পৰা ধন তেওঁৰ দৰে "যোগ্যবান" ব্যক্তিৰ হাতত পেলাই দিব। সেই সুযোগৰ বাবে তেওঁ মন্ত্ৰী বা তাঁৰ বিষয়াক গদ্‌গদ্ ভক্তি জনাবলৈ বাধ্য। আৰু ঠিক একে ভক্তি তেওঁ নিবেদন কৰিছে দেৱতাক—একেই উদ্দেশ্যে।

যথা হওক দেৱতাই বা ভগৱানে তেওঁৰ আশা পূৰণ কৰিলে। তেনে দেৱতা বা ভগৱানৰ প্ৰতি আমাৰ ধাৰণা কেনে হ'ব ? লোভী, দুৰ্নীতি-গ্ৰস্ত, তোষামোদপ্ৰেমী মন্ত্ৰীতকৈ তেনে দেৱতাক ওপৰত আসন দিব পৰা যাবনে ?

শংকৰদেৱে আদিয়ে কি ধৰণৰ ধৰ্মৰ কথা কৈছিল তাৰ প্ৰাসংগিকতা এইখিনিতেই এতিয়াও আছে। কিছুদূৰ আত্মনিগ্ৰহকাৰী হ'লেও সেই ধৰ্মই কেতিয়াও লোভী আৰু ক্ৰূৰ মানুহৰ লুণ্ঠন আৰু উৎপীড়নত ইন্ধন যোগোৱা নাছিল।

(চেপ্টেম্বৰ ১৯৯২, আজিৰ অসম)

অগপৰ জন্ম ছাত্ৰ সন্থাই ভাঙিব পাৰিবনে, বাওঁ গণতন্ত্ৰৰ কথা, মুক্তি বনাম যুক্তি

অগপ-প্ৰঅগপৰ পুনৰ্মিলনে এচাম মানুহৰ মাজত আশাৰ সঞ্চাৰ কৰিছে যে হিতেশ্বৰ শইকীয়াৰ বাহুগ্ৰাসৰ পৰা অসমক উদ্ধাৰ কৰা সম্ভৱ হ'ব। এই কথা ঠিক যে কিছুমান কথাত অগপ চৰকাৰ এভিয়াৰ ইন্দিৰা কংগ্ৰেছী চৰকাৰতকৈ উন্নত বা হিতকাৰী আছিল। অসমৰ আঞ্চলিক স্বাৰ্থৰ প্ৰতি সেই চৰকাৰৰ মনোযোগ শইকীয়া চৰকাৰৰ তুলনাত অধিক আছিল। কিন্তু কেতবোৰ নেতা আৰু পালিনেতাৰ দৌৰাত্ম্য আৰু দম্ভালি ইমান সহজে পাহৰি যাব নোৱাৰি। পঁচা চাউলৰ কেলেংকাৰীৰ পৰা আৰম্ভ কৰি নানা দুৰ্নীতিৰ বিস্ফোৰণো কম হোৱা নাছিল। সংযুক্ত মুক্তি বাহিনী, বড়ো আন্দোলন আদি ৰাজনৈতিক সমস্যাৰ সমাধানতো অগপ চৰকাৰ শোচনীয়ভাৱে ব্যৰ্থ হৈছিল। ধনক্ষমতাৰ কাজিয়াই নিৰ্লজ্জ ৰূপ লৈছিল।

এইবোৰ ব্যৰ্থতাৰ কাৰণবোৰ অগপৰ মাজৰ পৰা এতিয়াও দূৰ হোৱা নাই। কিন্তু সেইবোৰ দূৰ নোহোৱা পৰ্য্যন্ত জনসাধাৰণৰ দ্বিধাহীন আস্থা অগপ দলে পুনৰ ঘূৰাই পোৱা টান। কিন্তু তাৰ বৰ্তমান ছবিৰ অৱস্থাত অগপ দলে নিজেই এনে বেমাৰৰ চিকিৎসা কৰা টান।

সদৌ অসম ছাত্ৰ সন্থাৰ লগত অগপ নেতৃত্বৰ এক নিবিড় সম্পৰ্ক থাকিলে আচৰিত নহয়। ছাত্ৰ সন্থাইহে যৌৱনৰ ন্যায়নিষ্ঠা আৰু আদৰ্শবাদৰ তাড়নাত অগপৰ মাজত নৱজীৱন সঞ্চাৰ কৰিব পাৰে।

এই কথা সকলোৱে জানে যে আঞ্চলিক স্বাৰ্থ, ৰক্ষাৰ অৰ্থ এচাম অসমীয়াক যেনে-তেনে ধনী হ'বলৈ সুযোগ দিয়া নহয়। তেনে অৰ্থ সমীচীন হোৱা হ'লে হিতেশ্বৰ শইকীয়াও আঞ্চলিক স্বাৰ্থৰ প্ৰহৰী বুলি স্বীকৃত হ'লহেঁতেন। কিন্তু কেনে ধৰণৰ বুদ্ধিয়াদী ধাঁচনি তথা কাৰ্য্যসূচী

হ'লে অসমীয়াৰ স্বাৰ্থ বা জাতীয় সত্তা ৰক্ষা কৰা সম্ভৱ, তাকো কোনেও দৃঢ়তা আৰু যুক্তিৰে দাবি কৰা নাই। বৰং কেন্দ্ৰীয় চৰকাৰৰ আঁচনিবোৰ যান্ত্ৰিকভাৱে পালন কৰাৰ বাহিৰে বহুতৰ আন কোনো লক্ষ্য নাই। অসমীয়া জাতিক ৰক্ষা কৰাৰ প্ৰধান উপায় হৈছে এনে ধৰণৰ বৃহৎ উন্নয়নৰ প্ৰকল্প হাতত লোৱা যাৰ পৰা ধনুৱা মানুহৰ জীৱিকা উপাৰ্জন সুনিশ্চিত আৰু উন্নত হ'ব পাৰে। হাৰিয়ানা ৰাজ্য বেলেগ হোৱাৰ সময়ত অতি অনুন্নত আছিল। কিন্তু বেলেগ ৰাজ্য হোৱা সাত বছৰৰ ভিতৰতে সকলো গাঁৱতে বিজুলী শক্তি যোগান ধৰা হ'ল, গাঁও-ভূঁইৰ লগত চহৰৰ যোগাযোগৰ বাবে মজবুত পকী ৰাস্তা হ'ল, খেতি পথাৰত টিউবৱেল আৰু খালেৰে পানী যোগান ধৰা হ'ল। দৰিদ্ৰ হাৰিয়ানা স্বচ্ছল হৈ উঠিল। তাৰ বাবে প্ৰথমতে হাৰিয়ানাৰ নেতৃত্বই সুচিন্তিত আৰু অব্যৰ্থ আঁচনি লৈছিল আৰু ইন্দিৰা গান্ধীৰ ওপৰত হেঁচা দি তাৰ ৰূপায়ণৰ বাবে যথেষ্ট ধন আদায় কৰিছিল। হিতেশ্বৰ শইকীয়াৰ জেনে ক্ষমতাও নাই, অভিপ্ৰায়ো নাই। গণ পৰিষদৰ কেতিয়াবা হ'বনে? ছাত্ৰ সন্থাই গণ পৰিষদক বাধ্য কৰিব পাৰিবনে?

এবাৰ সাপে খালে কেঁচুলৈকে ভয়। মানুহে পুনৰ কথাতে পুনৰ গণপৰিষদৰ শৰণ লবনে? আমি ভাবো গণপৰিষদৰ আভ্যন্তৰীণ সংস্কাৰ নহ'লে আৰু বলিষ্ঠভাৱে কিছুমান নীতি আৰু আদৰ্শৰ লগত গণপৰিষদ থিয় হ'ব নোৱাৰিলে, অসমৰ ৰাইজ পুনৰ গণপৰিষদৰ প্ৰতি আস্থাবান নহ'ব।

আৰু এটা কথা। সংযুক্ত মুক্তি বাহিনীক তেল মাৰি গণপৰিষদৰ নেতাসকলে হয়তো সেয়াই অকণ দৰে নিজৰ ৰাজনৈতিক ভৱিষ্যত সুৰক্ষিত কৰিবলৈ বিচাৰিছিল। ফলত সংযুক্ত মুক্তি বাহিনীৰ ডেকাসকলেও আগ-পাছ নুগুণি বহু বিপজ্জনক আৰু অমংগলীয়া কাম কৰিবলৈ সাহ পাইছিল। সেইবাবে আজিও কেতবোৰ মহলৰ ধাৰণা যে গণ পৰিষদৰ লগত সংযুক্ত মুক্তি বাহিনীৰ গোপন যোগাযোগ আছে। এই বিষয়ে ডেকাসকলক স্থিতি পৰিষ্কাৰ কৰি দিবলৈ আৰু সেই বিষয়ে আন গণতান্ত্ৰিক দলৰ

পাতিবলৈ নিৰাৰ্য নোৱাৰিলে শইকীয়া বিৰোধী 'ঐক্যবদ্ধ মঞ্চ' এখন গঢ়ি তোলাটো টান হ'ব। (অঞ্চলে সংযুক্ত মুক্তি বাহিনীক সেনা সদাই দমন কৰা নীতি আমি সমৰ্থন নকৰোঁ। আন্তৰিকভাৱে আলোচনা কৰিব লাগে।)

গণ পৰিষদক এই কাম কৰিবলৈ ছাত্ৰ সন্থাই প্ৰেৰণা দিব পাৰে, সহায় কৰিব পাৰে। নহলে তেওঁলোকৰ ৰাজনৈতিক ভূমিকা বিশেষ কাৰ্য্যকৰী নহ'ব। শইকীয়া যুগ দীঘলীয়া হৈ আমাক সকলোকে ৰসাতললৈ নিব পাৰে।

বাওঁ গণতন্ত্ৰৰ কথা :

শইকীয়াৰ দৌৰাত্ম্যৰ বিৰুদ্ধে নিপীড়িত ৰাইজৰ হৈ এক ঐক্যবদ্ধ ৰাজনৈতিক মঞ্চ গঢ়াৰ দায়িত্ব বাওঁ গণতান্ত্ৰিক মহলবো আছে। অলপতে চি পি এম দলৰ এজন নেতাই ঘোষণা কৰিলে যে চৰ্ত্তসাপেক্ষে তেওঁলোকে শইকীয়াৰ বিৰুদ্ধে আঞ্চলিক দলৰ লগতো লগ লাগিব পাৰে। কথাটো শুনি সকাহ পালোঁ। কিন্তু আমাৰ বাওঁপন্থী সংগঠনবোৰৰ মতান্ধতা আৰু দলবাজীৰ ঐতিহ্যও কম বিপজ্জনক নহয়। সেই পৰম্পৰাৰ পৰা নিজকে মুক্ত কৰিব নোৱাৰিলে বহল গণতান্ত্ৰিক আন্দোলন গঢ়াত বাম শক্তি-বোৰেও কোনো বৰঙণি যোগাব নোৱাৰিব।

অলপতে এটা খুন্দা খাই নতুনকৈ সেই কথা পুনৰ ভাবিবলৈ বাধ্য হলোঁ। গুৱাহাটীৰ 'অন্বেষা' নামৰ এটা গোষ্ঠীয়ে 'সাম্প্ৰদায়িকতাৰ ক্ৰমবৰ্দ্ধমান বিপদ' সম্পৰ্কে এখন আলোচনা চক্ৰ পাতিছিল জিলা পুথি-ভঁৰালত। তাত অসমৰ বিভিন্ন ঠাইৰ প্ৰতিনিধিক নিমন্ত্ৰণ কৰা হৈছিল। প্ৰস্তুতি কমিটীত কেইজনো বাওঁ সংগঠনৰ সদস্য আছিল। তাৰ উপৰিও নগাঁৱৰ বাওঁপন্থী দলৰ বুদ্ধিজীৱী সকলৰ পৰামৰ্শমতেই যো-জা কৰা হৈছিল। তেওঁলোকেও উৎসাহ দিছিল।

কিন্তু 'অন্বেষা'ৰ আলোচনা-চক্ৰ হ'বৰ আগদিনাখন বাওঁপন্থী দল এটাৰ কেইগৰাকীমান সদস্য ঘৰে ঘৰে গৈ খবৰ দিলে যে আলোচনা চক্ৰ অনুষ্ঠিত হ'বৰ দিনাই আবেলি একেটা বিষয় লৈ তেওঁলোকে কৰিব

ৰূপত বেলেগে এখন যুক্তবাদিতা থাকিব॥ যোৱা মাহত [illegible] এনেকৈ আমিহঁত যোৱা কাৰ্যসূচীৰে 'অন্বেষা'ৰ সমৰ্থক সকলে [illegible] বুৰঞ্জী আৰু সন্দিহ কৰি তুলিলে। উক্ত বাওঁপন্থী সকলে যুক্তি [illegible] এইটো তেওঁলোকে বাওঁপন্থী ভিত্তিত লোৱা কাৰ্যসূচী, যেনে [illegible] নোৱাৰে। 'অন্বেষা'ৰ সমৰ্থক সকল প্ৰতিক্ৰিয়াশীল নহয়। যিহেতু [illegible] আৰু লক্ষ্যত কোনো প্ৰভেদ নাই, যেনে সেই কাৰ্যসূচী বেলেগে দলে হ'লেও বা আলোচনা চক্ৰৰ কাৰ্যসূচীৰ পিছত থাকিলেও চলিলেহেঁতেন।

আৰু এটা কথা। 'আলোচনা চক্ৰ'ত অধ্যাপিকা নীলিমা দত্ত আৰু শ্ৰীযুক্তা নিৰুপমা বৰগোহাঁই দুজনাকেই মঞ্চতে থাকি আলোচনা শুনিছিল। কাৰণ বিষয়টোৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ আছিল। কিন্তু বাওঁপন্থী দলৰ নিবন্ধ পঢ়োঁতা সকলৰ বাহিৰে তেওঁলোকৰ আৰু মাত্ৰ চাৰি পাঁচজন মানহে দেখিছিলোঁ। বিষয় (issue)টোৰ প্ৰতি গুৰুত্ব দি সংকীৰ্ণতা জয় কৰিব পৰা হ'লে তেওঁলোকৰ সমৰ্থকেৰেই প্ৰেক্ষাগৃহ ভৰি থাকিলেহেঁতেন। [illegible] আলী, [illegible] আৰু ড° অমলেন্দু দেৱ পৰা তেওঁলোকৰ [illegible] শিক্ষিত [illegible] আছিল।

দেশত গণতন্ত্ৰৰ ভৱিষ্যতৰ বাবে বাওঁশক্তিৰ এই 'একলা চলো ৰে' মনোভাব অতিশয় বিপজ্জনক। নানা ধুমুহা যুৱৰ ওপৰেদি বৈ যোৱাৰ পিছতো এই শিক্ষা নোহোৱা অতি অদ্ভুত কথা।

যুক্তি বনাম যুক্তি :

"অন্বেষা"ৰ দ্বাৰা আয়োজিত আলোচনা চক্ৰত মই কৈছিলোঁ। যে ধৰ্মান্ধ আৰু ধাৰ্মিক মানুহৰ মাজত পাৰ্থক্য কৰা ভাল। ধাৰ্মিক মানুহে যুক্তি মানে, ধৰ্মান্ধ মানুহে যুক্তিৰ ধাৰ নধাৰে। ভাবিছিলোঁ, কথাটো সকলোৱে মানি লোৱা সাধাৰণ সত্য। কিন্তু এজন ডেকাই থপ্ কৰে থিয় দি ক'লে : ধৰ্ম বস্তুটো অন্ধ, যুক্তিহীন বিশ্বাসৰ ওপৰত নিৰ্ভৰশীল। গতিকে ধাৰ্মিকে যুক্তি কিয় মানিব?"

কথাটো লৈ মিটিঙৰ পিছতো মোৰ মনত চিন্তা-ভাবনা চলি থাকিল। পিছ দিনাখনো বহিৰৰ পৰা অহা দুগৰাকী বিশিষ্ট অতিথিয়ে ক'লে যে

ধৰ্মৰ বিৰুদ্ধে কোনো অভিযোগৰ স্থল নাই, কাৰণ ধৰ্ম কেতবোৰ মহান আদৰ্শ বা গভীৰ তত্ত্বৰ কথা। কিন্তু ধৰ্মৰ নামত বিদ্বেষ সৃষ্টি কৰাটোহে আপত্তিজনক। ডেকাজনৰ কথা পুনৰ মনত পৰিল। ধৰ্মৰ নামত উত্তেজনা সৃষ্টি কৰা সম্ভৱ এইবাবেই যে ধৰ্মৰ ভিত্তি বিশ্বাস আৰু আৱেগ, যুক্তি নহয়। তেনেস্থলত ধৰ্মৰ ক্ষেত্ৰত যুক্তি প্ৰয়োগ কৰা হ'ব কেনেকৈ?

বিশিষ্ট অতিথিবৃন্দক লগ ধৰি কথাটো কলোঁ। ডেকাজনে অনুভৱ কৰা সমস্যাটো তেওঁলোকে বিশেষ গুৰুত্বপূৰ্ণ বুলি বোধহয় নাভাবিলে। মোৰ কিন্তু মনটো কিছু পাকঘূৰণি খাই থাকিল।

কিছুমানে আকৌ কয়, ধৰ্মীয় বিশ্বাস বা আদৰ্শ মহান, গণ্ডগোল হয় ধৰ্মীয় আচাৰ বা সংস্কাৰক লৈ। সেইটোও বোধহয় শুদ্ধ নহয়। কাৰণ আচাৰ বা সংস্কাৰৰ মূলতে থাকে কেতবোৰ বিশ্বাস।

আচলতে সমাজত যদি বৈজ্ঞানিক যুক্তিৰ চৰ্চা আৰু অনুশীলন সবল হৈ থাকে, তাৰ প্ৰভাৱ ধৰ্মতো পৰিব। তেতিয়া কুসংস্কাৰ আৰু অন্ধ-বিশ্বাসৰ পৰা ধৰ্ম কিছু পৰিমাণে মুক্ত হ'ব। ধৰ্মান্ধতাও ফলত কমিব। মোৰ ধাৰণা ধৰ্মক ঠিক ঠাইত ৰাখিবলৈকো স্বাধীন যুক্তিবাদৰ অনুশীলনৰ প্ৰয়োজন।

(আগষ্ট ১৯৯৩, আজিৰ অসম)